# খাৰুপেটীয়া মহাবিদ্যালয়



# আলোচনী

## দশম সংখ্যা

ইং ২০১৭-১৮ বৰ্ষ



সম্পাদক
মঃ মফিদুল ইছলাম

**শ্ৰদ্ধাঞ্জলি —**

যি সকল জাতীয় বীৰ শ্বহীদে
নিজৰ জীৱন বলিদান দি আই মাতৃ
অসমীৰ স্বভিমান ৰক্ষা কৰিলে,
সেই সকল পূণ্যাত্মাৰ পবিত্ৰ স্মৃতিত
আমাৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি

— সম্পাদনা সমিতি




## খাৰুপেটীয়া মহাবিদ্যালয়

# আলোচনী

KHARUPETIA COLLEGE
ESTD. 1981
KHARUPETIA • DARRANG • ASSAM
তমসো মা জ্যোতির্গময়

**খাৰুপেটীয়া ঃ দৰং ঃ অসম**
**পিন ঃ ৭৮৪১১৫**

**দশম সংখ্যা**
**ইং ২০১৭-১৮ বৰ্ষ**

তত্বাৱধায়িকা
ড০ আছমান আৰা বেগম
সম্পাদক
মফিদুল ইছলাম

KHARUPETIA COLLEGE MAGAZINE : Volume X, 2017-18, Published by Kharupetia College Students's Union, Kharupetia, Darrang (Assam).

খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী
সম্পাদনা সমিতি

মুখ্য উপদেষ্টা : ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকা, অধ্যক্ষ
উপদেষ্টা মণ্ডলী : শ্ৰীমতী কনকলতা শইকীয়া, উপাধ্যক্ষা (ভাৰপ্ৰাপ্ত)
: আব্দুল কৰিম, সহযোগী অধ্যাপক, বুৰঞ্জী বিভাগ
: ড০ নুৰুল ইছলাম, বিভাগীয় মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ
: নাজিৰ হুছেইন সৰকাৰ, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
: দীপক কলিতা, সহযোগী অধ্যাপক, অৰ্থনীতি বিভাগ
: জালাল উদ্দিন আহমেদ, বিভাগীয় মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ
: আব্দুল আউৱাল, বিভাগীয় মুৰব্বী অধ্যাপক, ইংৰাজী বিভাগ
তত্বাৱধায়ক : ড০ আছমান আৰা বেগম, বিভাগীয় মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ
সম্পাদক : মফিদুল ইছলাম, আলোচনী সম্পাদক, ছাত্ৰ একতা সভা
সদস্যমণ্ডলী : আব্দুৰ ৰহিম, সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ
: হবিবৰ ৰহমান, সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ
: ড০ নুৰ জামান, সহযোগী অধ্যাপক, আৰবী বিভাগ
: ড০ মিজানুৰ ৰহমান, বিভাগীয় মুৰব্বী অধ্যাপক, অৰ্থনীতি বিভাগ
: প্ৰণতি দত্ত, বিভাগীয় মুৰব্বী অধ্যাপিকা, দৰ্শন বিভাগ
: জাহিদা চুলতানা, বিভাগীয় মুৰব্বী অধ্যাপিকা, শিক্ষা বিভাগ
: ইমৰাণ আলি, সহযোগী অধ্যাপক, আৰবী বিভাগ
: শিকদাৰ আনোৱাৰুল ইছলাম, বিভাগীয় মুৰব্বী অধ্যাপক, হিন্দী বিভাগ
: জীৱেন্দ্ৰ মোহন দেৱ শৰ্মা, গ্ৰন্থাগাৰিক
: আবু বক্কৰ ছিদ্দিক, উচ্চ বৰ্গৰ সহায়ক
: ৰাহুল আমিন, উপ-সভাপতি, ছাত্ৰ একতা সভা
: আতাপ আলি, সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা
বেটুপাতৰ পৰিকল্পনা : সম্পাদনা সমিতি
আৰ্হি পাঠ : সম্পাদনা সমিতি
বিশেষ দ্ৰষ্টব্য : শুভেচ্ছাবাণী সমূহ অ-সম্পাদিত ৰূপত প্ৰকাশ কৰা হৈছে। আলোচনীখনৰ কোনো লিখনিয়ে যদি কাৰোবাৰ ব্যক্তিগত জীৱন চুই গৈছে বা অজ্ঞাতবশতঃ কোনো লিখনি প্ৰকাশ পাইছে তাৰ বাবে সম্পাদনা সমিতি দায়ী নহ'ব।
ছপা : পাৰামাউণ্ট অফচেট, বৰদৌলগুৰি, দৰং
(ভ্ৰাম্যভাষ : ৯৮৫৪০৪৬৩৮৩, ৭০০২৮১১০৪৭)



## মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ—



খাৰুপেটীয়া মহাবিদ্যালয়ৰ দশম সংখ্যা ২০১৭-১৮ বৰ্ষৰ আলোচনীখনি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ সৃষ্টিশীল ৰচনাৰাজিৰ সংকলন। মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনতেই সাধাৰণতে বহু সাহিত্যিকৰ সাহিত্য সৃষ্টিৰ বীজ অংকুৰিত হয়। দৰং জিলাৰ সাহিত্য সংস্কৃতিৰ উত্তৰণত খাৰুপেটীয়া মহাবিদ্যালয়ৰ আলোচনীখনো এক ক্ষুদ্ৰ সংযোজনৰূপে প্ৰতীয়মান হওঁক তাৰেই আশা ৰাখি ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়খনিৰো উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

— ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকা

## FILE PHOTO : EDITORIAL BOARD, COLLEGE MAGAZINE, 2017-18


Dr. Buddhin Ch. Hazarika
Principal
(Chief Advisor)


Kanaklata Saikia
Vice Principal (i/c)
(Advisor)


Abdul Karim
Associate Prof.
(Advisor)


Dr. Nurul Islam
Associate Prof.
(Advisor)


Nazir Hussain Sarkar
Asstt. Prof.
(Advisor)


Deepak Kalita
Associate Prof.
(Advisor)


Jalal Uddin Ahmed
Associate Prof.
(Advisor)


Abdul Awal
Asstt. Prof.
(Advisor)


Dr. Asman Ara Begum
Associate Prof.
(in charge Magazine)


Md Abdur Rahim
Asstt. Prof.
(Member)


Md Habibur Rahman
Asstt.Prof.
(Member)


Dr. Nur Jaman,
Associate Prof.
( Member)


Dr. Mirzanur Rahman,
Associate Prof.
( Member)


Pranati Dutta
Associate Prof.
(Member)


Imran Ali
Associate Prof.
(Member)


Jahida Sultana
Associate Prof.
(Member)


Sikdar Anowarul Islam
Associate Prof.
(Member)


Jeebendra Mohan
Dev Sarma
Associate Librarian
(Member)


Abu Bakkar Siddique
Sr. Accountant


Mofidul Islam
Magazine Secretary
Students' Union


Rahul Amin
Vice President
Students' Union (Member)


Atap Ali
G.S.,Student' Union
(Member)





## শ্ৰদ্ধাঞ্জলি—

যি সকল মহান ব্যক্তিৰ অশেষ ত্যাগ,
কষ্ট আৰু আপ্ৰাণ চেষ্টাৰ ফলত দৰং জিলাৰ
সংখ্যালঘু অধ্যুষিত পিছপৰা এলেকাত উচ্চ শিক্ষাৰ
প্ৰাণকেন্দ্ৰ স্বৰূপ খাৰুপেটীয়া মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল,
তেওঁলোকলৈ আলোচনী সম্পাদনা সমিতিৰ তৰফৰ পৰা
শ্ৰদ্ধা নিবেদন কৰিছোঁ। লগতে বিগত দিনবোৰত
এই অনুষ্ঠানৰ শুভাকাংক্ষী যিসকল ব্যক্তিয়ে
ইহ জগতৰ পৰা বিদায় মাগিলে,
সেইসকললৈও শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।
দেশৰ হকে, দহৰ হকে যিসকল বীৰ জোৱানে
আত্ম বলিদান দিলে তেওঁলোকৰ বিদেহী আত্মাই
যেন পৰজনমত চিৰশান্তি লাভ কৰে তাৰেই কামনাৰে—

— সম্পাদনা সমিতি

## — উচৰ্গা —

বিগত সময়বোৰত যি সকল বৰেণ্য ব্যক্তি, অভিভাৱক আৰু শুভাকাংক্ষীয়ে এই মহাবিদ্যালয়খনিৰ প্ৰতি যি অনুপ্ৰেৰণা আৰু সহযোগ প্ৰদান কৰি মহাবিদ্যালয়খনক আজিৰ এই অৱস্থাত উপনীত কৰালে, সেইসকল সহৃদয় আৰু শ্ৰদ্ধাবান ব্যক্তিৰ নামত এই সংখ্যা আলোচনীখনি উছৰ্গা কৰা হ'ল।

— সম্পাদনা সমিতি





# মহাবিদ্যালয় সংগীত

ৰচনা, সুৰ আৰু সংগীত ঃ শ্ৰীজীৱেন্দ্ৰ মোহন দেৱশৰ্মা
গ্ৰন্থাগাৰিক, খাৰুপেটীয়া মহাবিদ্যালয়

স্থায়ী ঃ
তুমি আলোকৰ
জ্ঞানৰ পুণ্যভূমি
শত জনমৰ সাধনাৰে গঢ়া
মহা জীৱনৰ খনি।।

অন্তৰাঃ (১)
তুমি বিকশিত আজি
জ্ঞানৰ জ্যোতিৰে
চৌদিশ জ্যোতিষ্মান
তুমি জীৱন গঢ়াৰ অংগীকাৰেৰে
হ'লা আজি মহীয়ান
দিয়া সৃষ্টি দিয়া কৃষ্টি
নতুন পোহৰ সিঁচি
শত জনমৰ সাধনাৰে গঢ়া
মহাজীৱনৰ খনি।।

অন্তৰা (২) ঃ
তুমি অগ্ৰগতিৰ
আন এটি নাম
পৰিচয় সমাজৰ
তুমি প্ৰভাতে প্ৰভাতে সিঁচি দিয়া
মহাবাণী জীৱনৰ
দিয়া ঋদ্ধি দিয়া সিদ্ধি
উঠক জয়ধ্বনি
শত জনমৰ সাধনাৰে গঢ়া
মহাজীৱনৰ খনি।।

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Dr. Mridul Hazarika**
Vice Chancellor
Phone : +91 361 2570412 (O), 2570404 (R)
Fax : +91 361 2570535
E-mail ID : vc@gauhati.ac.in
hazarika50@gmail.com

## MESSAGE

I am happy to learn that Kharupetia College, Kharupetia, Darrang is going to publish its Annual College Magazine for the session 2017-18 very soon. College Magazine is an important publication as it provides scope for manifestation of hidden literary talent of students in particular. I believe that the college should take initiative to encourage students in developing writing skills and a creative mind through such publications. Contributors to the magazine, deserves appreciation for their efforts.

I wish all success in the effort and hope the Magazine will be well accepted by the readers.

Date : 07.03.2019

( Mridul Hazarika )

Address :Gopinath Bardoloi Nagar,
Jalukbari, Guwahati,
Assam 781014

Phone : 0361 257 0412

Web : www.gauhati.ac.in



অসম সাহিত্য সভা

১৮৬০ চনৰ ২১নং আইন অনুসৰি ১৯২৪ চনত পঞ্জীকৃত আৰু ২০১৫ খ্ৰীষ্টাব্দত নবীকৃত
পঞ্জীয়ন নং - যো১/২৩৮/জি/১৪

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট - ৭৮৫০০১ ▶ ☏(০৩৭৬)২৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী- ৭৮১০০১ ▶ ☏(০৩৬১)২৫১৫৮৩০
ডিফু কাৰ্যালয় ঃ বাংছিনা ভৱন, ডিফু - ৭৮২৪৬০ ▶ ☏(০৩৬৭১)২৭২৫৯০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী - ৭৮৩৩০১ ▶ ☏(০৩৬৬২)২৩২৫২৮
ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, বামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড় - ৭৮৬০০৩ ▶ ☏(০৩৭৩)২৩১৫১২৮
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১ ফেক্স- ☏(০৩৮৪)২২৬৩৭৯৭
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ- ৭৮৭০০১
নগাঁও আঞ্চলিক কাৰ্যালয়, কমলাদেৱী তোদী স্মৃতি ভৱন, মহিচন্দ্ৰ বৰা পথ, নগাঁও- ৭৮২০০১
জালাহ আঞ্চলিক কাৰ্যালয়, অচ্যুত-নিবেদিতা মেধি ভৱন, জালাহ, জালাহঘাট
মঙলদৈ আঞ্চলিক কাৰ্যালয়, সাহিত্য সভা প্ৰকল্প, মঙলদৈ ঃ দৰং - ৭৮৪১২৫

Website:www.asamsahityasabha.org ■ E-mail-asam.sahitya.sabha@gmail.com



## শুভাঞ্জলি

দৰং জিলাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান খাৰুপেটীয়া মহাবিদ্যালয়ৰ তৰফৰ পৰা প্ৰতি বছৰে আলোচনী প্ৰকাশৰ ধাৰাবাহিকতা ৰক্ষা কৰি আন আন বছৰৰ দৰে 2017-18 বৰ্ষৰ সংখ্যা **খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী** প্ৰকাশৰ বাবে হাতত লোৱা পদক্ষেপ সঁচাকৈয়ে আদৰণীয় আৰু প্ৰশংসনীয়।

বিদ্যালয়-মহাবিদ্যালয় পৰ্যায়ত ছাত্ৰ-ছাত্ৰীৰ সুপ্ত সাহিত্য প্ৰতিভাৰ বিকাশৰ মাধ্যম হিচাপে সাহিত্য চৰ্চাৰ মঞ্চৰূপে অনুষ্ঠানখনিৰ পৰা প্ৰকাশিত আলোচনীখন চিহ্নিত হয়। ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰীসকলৰ কলমেৰে নিগৰা সাহিত্য প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিবলগীয়া আলোচনীখনত বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ মনত গঁজালি মেলা নতুন চিন্তাই স্বকীয় সাহিত্যৰ সেউজীয়া পথাৰখন চহকী কৰাৰ উপৰিও বিদ্যালয়ৰ গৌৰৱোজ্জ্বল স্মৃতি তথা বাৰ্তাসমূহ প্ৰকাশ পোৱাৰ লগতে ভিন্নজনৰ সৃষ্টিৰ সমাহাৰত এই আলোচনীখন প্ৰাণ পাই উঠিব বুলি আশা ৰাখিলো।

মহাবিদ্যালয়খনিৰ উত্তৰোত্তৰ উন্নতি কামনাৰে আলোচনীখন সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ হোৱাৰ আন্তৰিক শুভ ইচ্ছা জ্ঞাপন কৰিলোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

দিনাংক ঃ ২৫ ডিচেম্বৰ, ২০১৮ খ্ৰীষ্টাব্দ

( ড° পৰমানন্দ ৰাজবংশী)
সভাপতি, অসম সাহিত্য সভা

*Md. Ilias Ali*
**M.L.A.**
**68 No. Dalgaon L.A.C.**

सत्यमेव जयते

## শুভেচ্ছাবাণী

মই অতি আনন্দিত যে, অইন বছৰবোৰৰ দৰে এই চলিত বছৰতো খাৰুপেটীয়া মহাবিদ্যালয়খনৰ শিক্ষক তথা ছাত্ৰ সমাজৰ প্ৰতিভা বিকাশৰ বাবে সম্পাদনা সমিতিয়ে নতুন আলোচনী প্ৰকাশৰ প্ৰস্তুতি হাতত লৈছে ।

ক্ৰমাগতভাৱে যোৱা বছৰ কেইটাত মহাবিদ্যালয়খনৰ আলোচনীৰ পাতত উন্নত মানৰ লিখনি প্ৰকাশ কৰি থকা পৰিলক্ষিত হৈছে, এই প্ৰয়াস সচাঁকৈ প্ৰশংসনীয় ।আশা কৰিছো এই চলিত বছৰৰ আলোচনীৰ পাতত মহাবিদ্যালয়ৰ পৰিয়ালে আৰু অধিক উন্নত মানৰ লিখনিৰ জৰিয়তে বৌদ্ধিক সমাজৰ পৰা প্ৰশংসা বুটলিবলৈ সক্ষম হওঁক ।

সম্পাদনা সমিতিয়ে আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ কৰিবলৈ সক্ষম হওঁক তাৰে কামনা কৰি শুভেচ্ছা যাছিলো ।

**With respect, love and good wishes.**

**(MD. ILIAS ALI)**
**M.L.A**
**68 NO. DALGAON LAC**



# MESSAGE

It gives me immense pleasureto express my heartfelt feelings for the present issue of Kharupetia College Magazine. Both in contents and look it has been developed magnificently. It is a mirror that reflects various literary and non-literary activities of the college. The teachers as well as the students contribute write-ups for the magazine every year which express their creative interest in different spheres of life, besides research and studies respectively. However, the 'advancement of knowledge' is taking place by the process of continuous development of human mind, which is also considered the ultimate goal of education.

My best wishes for the faculty members, administrators and students of this temple of higher learning for their relentless efforts in fulfilling their dreams of making this college a centre of academic excellence.

Thanks

**Subhas Saha**
**President G.B.**
**Kharupetia College**



**Abdul Mozid**
**Ex president**
**Kharupetia College**
**Governing Body**

'Knowledge is virtue like pikless mountain''Publication of good magazine helps the students to express their hopes, aspiration and innner talents. College magazine also helps the students to creect healthy Educational environment in the college.

I take the oppoutunity to convey my best wishes to all Concerned for success full publication and I do hope that the Kharupetia College magazine will contribute in augmenting the image of Khurepetia College.

A. mozid
Abdul Mazid
22-1-19



# পদূলিতে...

## তত্বাৱধায়কৰ মেজৰ পৰা



দৰং জিলাৰ এখন বাণিজ্য প্ৰধান ঠাই হ'ল খাৰুপেটীয়া। বাণিজ্যৰ লগতে কৃষিৰ ক্ষেত্ৰটো খাৰুপেটীয়া আৰু ইয়াৰ ওচৰে পাজৰে থকা ঠাই সমূহে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। অসমৰ পাঁচলিৰ বজাৰখন খাৰুপেটীয়া অঞ্চলে দখল কৰি আছে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। কথিত আছে যে মহাপুৰুষ শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ আহি এই ঠাইতেই খাৰু পেলাইছিল। গুৰুজনাই খাৰু পেলোৱা ঠাইখনেই কালক্ৰমত খাৰুপেটীয়া হয় বুলি কোৱা হয়। তাহানি ব্ৰহ্মপুত্ৰ নদীৰে কলিকতালৈ যেতিয়া জাহাজ চলাচল কৰিছিল, তেতিয়া এই খাৰুপেটীয়াতেই এটা জাহাজ ঘাট আছিল। এই ঘাটটোকেই খাৰুপেটীয়া জাহাজ ঘাট বুলিও কোৱা হয়। আকৌ লোক কথা অনুযায়ী পঞ্চ পাণ্ডৱৰ পত্নী দ্ৰৌপদীৰ খটাসুৰ বধ কৰা খাৰুপাত ইয়াতেই হেৰাইছিল বুলি কোৱা হয়। দ্ৰৌপদীয়ে হেৰোৱা খাৰুপাতৰ নামেৰেই এই অঞ্চলৰ নাম খাৰুপেটীয়া হয়। কোনো কোনোৱে কব খোজে যে দৰঙী ৰজাসকলৰ খাৰ-বাৰুদৰ ঘৰ ইয়াতেই আছিল। খাৰ-বাৰুদ ৰখা ঠাইখনৰ নামেই সময়ত খাৰুপেটীয়া হয় বুলিও কোৱা হয়। খুউব সম্ভৱ খাৰুৰ দৰে ঘূৰণীয়া ব্ৰহ্মপুত্ৰৰ জাহাজ ঘাটৰ পৰা নামটো খাৰুপেটীয়া হোৱাটোৱেই গ্ৰহণযোগ্য। এই খাৰুপেটীয়া নামেৰেই মহাবিদ্যালয়খনৰ নাম খাৰুপেটীয়া মহাবিদ্যালয় হয়।

মানৱ সভ্যতাৰ লগে লগে সংস্কৃতিৰো বীজ অংকুৰিত হৈছিল। মানুহৰ সমাজবদ্ধ জীৱন ধাৰাই সংস্কৃতি সৃষ্টিত অৰিহণা যোগাইছিল। সমাজবদ্ধ মানুহেই আয়ত্ব কৰিছিল সুন্দৰভাৱে জীয়াই থকাৰ কৌশল। সেইবাবেই সংস্কৃতিত প্ৰতিফলিত হয় এটা জাতিৰ জাতীয় জীৱনৰ পৰিচয়। মানুহৰ সৌন্দৰ্যবোধ, প্ৰতিভা, মানসিক উৎকৰ্ষতা ইত্যাদি সংস্কৃতিয়ে সামৰি লয়। মুঠতে সংস্কৃতিৰ স্ৰষ্টা হ'ল মানৱ। মানুহেই সংস্কৃতিৰ ধাৰক আৰু বাহক।

সভ্য মানুহৰ বাবে সাহিত্যও তেনে এবিধ মানৱীয় সৃষ্টি। সভ্য সমাজত সাহিত্যৰ গুৰুত্ব কিমান সেই বিষয়ে বিশ্ববিখ্যাত দাৰ্শনিক কাৰ্লাইলে এনেদৰে মন্তব্য আগবঢ়াইছে— "মোৰ সন্মুখত যদি ভাৰত সাম্ৰাজ্য আৰু ছেক্সপীয়েৰৰ গ্ৰন্থৰাজি থোৱা হয় আৰু মোক যদি কয় এই দুটাৰ ভিতৰত যিটো লাগে লোৱা, তেনেহ'লে মই ছেক্সপীয়েৰৰ গ্ৰন্থৰাজি তুলি লম আৰু ভাৰত সাম্ৰাজ্য দি দিম।" দাৰ্শনিক ডণ্টেয়াৰেও গ্ৰন্থৰ গুৰুত্ব এনেদৰে প্ৰকাশ কৰিছে— "বৰ্বৰ জাতিৰ বাহিৰে সমস্ত পৃথিৱীখনক কিতাপেই শাসন কৰিছে। যি সমাজত কিতাপৰ প্ৰচলন নাই সেই সমাজ থকা নথকা একেই কথা।" সমগ্ৰ বিশ্ববাসী চিৰদিন গ্ৰন্থৰ ওচৰত ঋণী। কাৰণ গ্ৰন্থত যদি মানুহৰ সভ্যতা সংস্কৃতি, চিন্তাধাৰা আদি লিপিবদ্ধ হৈ নাথাকিলহেঁতেন, তেনেহ'লে সেই যুগৰ জ্ঞানৰ ভাণ্ডাৰ চিৰকাললৈ হেৰাই গ'লহেঁতেন। গ্ৰন্থ সময়ৰ বুকুত এগচি বন্তি। বন্তি নুমাই গ'লে যে অন্ধকাৰ হৈ পৰিব, সেয়া নিশ্চিত। মাৰ্কিন লেখক EP Whipple ৰ মতে— "Books are the light houses erected on the great shore of time."

জাগতিক সৌন্দৰ্যই মানুহৰ মনত আলোড়নৰ সৃষ্টি কৰে। ন-ন সৌন্দৰ্যই মানুহৰ হৃদয়ত দোলা দি যায়। মানুহে সত্যৰ অন্বেষণ কৰে। সত্য আৰু সৌন্দৰ্যৰ মিশ্ৰিত ৰূপতেই সৃষ্টি হয় সাহিত্যৰ। সাহিত্যই মানুহক জগত সৌন্দৰ্যৰ সোৱাদ দিয়ে। 'সাহিত্যই এজনৰ বাণী হেজাৰ জনক বিলায়, এযুগৰ বাৰ্তা যুগ যুগলৈ সাঁচি ৰাখে। সাহিত্যই সমাজক কলুষিত কৰিব নোৱাৰে। সাহিত্যই মানুহক

# পদূলিতে...

অন্ধকাৰ দেখুৱাই দি পোহৰলৈ লৈ যায়।" (নিৰ্মলপ্ৰভা বৰদলৈ)।

মহেশ্বৰ নেওগদেৱেও সাহিত্যৰ বিষয়ে এনেদৰে কৈছে— "মানুহৰ কল্পনাক জীপ দিবলৈ বা বাস্তৱক নতুনকৈ ৰূপ দিবলৈ ভাষাৰ নিচিনা নিমজ সঁজুলি আৰু নাই। সেই কাৰণেই সাহিত্য শ্ৰেষ্ঠ আৰ্ট।" সাহিত্য এখন চিৰ প্ৰবাহিত নৈ, যাৰ বুকুৰেদি বৈ যায় হৃদয়ৰ অলেখ ঢৌৰ কপনি, মানৱৰ জয়ধ্বনি। সাহিত্য জাতিৰ দাপোন, সেই দাপোনত প্ৰতিবিম্বিত হয় জাতিৰ কৃষ্টি-সংস্কৃতি, প্ৰগতি ইত্যাদি।

আলোচনী এখনো সাহিত্যৰেই এটা অবিচ্ছেদ্য অংগ। ইয়াত প্ৰতিফলিত হয় কোনো এটা অনুষ্ঠানৰ বিভিন্ন দিশৰ ৰেহ ৰূপ। মহাবিদ্যালয় পৰ্য্যায়ৰ আলোচনী এখন যৌৱনে গৰকা ছাত্ৰ-ছাত্ৰী সকলৰ মৌলিক প্ৰতিভা, বৌদ্ধিক গভীৰতা, মানসিক চিন্তা-ধাৰা, সচেতনতা আদি প্ৰকাশ কৰাৰ এক শক্তিশালী মাধ্যম। কোনো এটা অনুষ্ঠানৰ পৰা প্ৰকাশ পালেও এনে পুথিবোৰে সেই নিৰ্দিষ্ট অনুষ্ঠানৰ পৰিধি অতিক্ৰমি বিশাল সাহিত্যৰ ভঁৰাললৈ ঢাপলি মেলে। "এটোপ দুটোপ কৰি ডাৱৰৰ পানী পৰি ভৰি গ'ল বহল সাগৰ" হোৱাৰ দৰেই স্কুল কলেজৰ আলোচনীবোৰেও অসমীয়া সাহিত্যৰ ভঁড়াল চহকী হোৱাৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়াইছে। আধুনিক অসমীয়া সাহিত্যৰ সোণালী অধ্যায়ৰো বাটকটীয়া আছিল আলোচনীয়েই।

আজিৰ যুগৰ যুৱ প্ৰজন্মক ফেচবুক, হোৱাটছ এপ, কম্পিউটাৰ আদিয়ে ডিঙিলৈকে গ্ৰাস কৰি পেলোৱাৰ পিছতো তেওঁলোকৰ হৃদয়ৰ কোনোবা এচুকত যে সাহিত্যৰ ফল্গুধাৰা প্ৰবাহিত হৈ আছে, তাৰেই সাক্ষী স্বৰূপ স্কুল কলেজৰ আলোচনীসমূহ। এইবোৰৰ বুকুতেই খোদিত হৈ থাকিব যুৱ প্ৰজন্মৰ সৃষ্টিৰ দলিল। মহাবিদ্যালয়ৰ আলোচনী সমূহ যুৱ প্ৰজন্মৰ সাহিত্য চৰ্চাৰ মুকলি পথাৰ, যি পথাৰত অংকুৰিত হয় ভৱিষ্যৎ সাহিত্যৰ সেউজীয়া সপোন।

ছাত্ৰ-ছাত্ৰীসকলৰ লিখনিয়েহে আলোচনী এখনৰ পূৰ্ণতা আনিব পাৰে। এই বৰ্ষৰ আলোচনীখনতো ছাত্ৰ-ছাত্ৰীৰ লিখনি যথেষ্ট সঁহাৰিমূলক। ছাত্ৰ-ছাত্ৰীসকলৰ লিখনি অবিহনে আলোচনীখনে প্ৰকাশৰ বাট নেদেখিলেহেঁতেন। এই ছেগতে খাৰুপেটীয়া মহাবিদ্যালয়ৰ সেইসকল ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আন আন ছাত্ৰ-ছাত্ৰী সকলকো লিখা-মেলাৰ প্ৰতি আগ্ৰহান্বিত হ'বলৈ আহ্বান জনালোঁ।

আলোচনীখনৰ সকলো লিখনি মৌলিক নহয়। কিছুমান লিখনি কাৰোবাৰ ছাঁ লৈ লিখা হৈছে। এই ক্ষেত্ৰত সম্পাদনা সমিতিয়ে সীমিত জ্ঞানৰ দ্বাৰা পৰ্য্যবেক্ষণো কৰিছে। তাৰ মাজতো যদি কোনোবাটো লিখনিয়ে কাৰোবাক স্পৰ্শ কৰিছে নাইবা কোনোবাটো লিকনি যদি নকল লিখনি হোৱা স্বত্বেও প্ৰকাশ পাইছে, তাৰ বাবে সম্পাদনা সমিতি দায়ী নহয়। সম্পাদনা সমিতিৰ যৎপৰোনাস্তি চেষ্টাৰ পিছতো আলোচনীখনত ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা মাগিছোঁ। মহাবিদ্যালয়ৰ আলোচনীখনৰ মুখ্য পৃষ্ঠপোষক মাননীয় অধ্যক্ষ ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱে আমাৰ ওপৰত এনে গুৰু দায়িত্ব অৰ্পণ কৰাৰ পিছত সেই দায়িত্ব পালন কৰিবলৈ চেষ্টা কৰিছো যদিও কোনো কোনো ক্ষেত্ৰত ভুল-ভ্ৰান্তিও হৈ গৈছে যেন বোধ হয়। মোক এই দায়িত্ব পালন কৰিবলৈ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয় অধ্যক্ষ মহোদয়লৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।



# পদূলিতে...

আলোচনী সম্পাদনা সমিতিৰ মাননীয় সদস্যা অধ্যাপিকা শ্ৰীমতী কনকলতা শইকীয়া, অধ্যাপক আবুল কৰিম, ড০ নুৰুল ইছলাম, দীপক কলিতা, নাজিৰ হুছেইন চৰকাৰ, জালালউদ্দিন আহমেদ, আব্দুল আওৱাল, আব্দুৰ ৰহিম, হবিবৰ ৰহমান, ড০ নুৰ জামান, ড০ মিজানুৰ ৰহমান, ইমৰাণ আলি, শিকদাৰ আনোৱাৰুল ইছলাম, প্ৰণতি দত্ত, জাহিদা চুলতানা, গ্ৰন্থাগাৰিক জীবেন্দ্ৰ মোহন দেশ শৰ্মা, কাৰ্য্যালয় উচ্চ বৰ্গৰ সহায়ক আবুবক্কৰ ছিদ্দিকক শলাগ লোৱাৰ লগতে সকলোলৈ মোৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ। তেওঁলোকৰ সহায়-সহযোগিতা অবিহনে এই কাম কেতিয়াও সম্পূৰ্ণ কৰিব পৰা নগ'লহেঁতেন। লগতে অধ্যাপিকা ড০ মৌচুমী চাহা কলিতা, অধ্যাপক আব্দুল হান্নান, আব্দুৰ ৰহমান, জাকিৰ হুছেইন আহমেদ, জ্যোতিষ চহৰীয়া, জাকিৰ হুছেইন চৌধুৰী, আবুল বাছাৰ আহমেদ, আমজাদ হুছেইন মজুমদাৰ, আব্দুল মতিন, মুস্তাফা নুৰুজ জামান, মিচিৰা পাৰবিন, নীলক ৰাজবংশীলৈও ধন্যবাদ জ্ঞাপন কৰিলো।

ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আতাপ আলি, উপ-সভাপতি ৰাহুল আমিন আৰু আলোচনী বিভাগৰ সম্পাদক মফিদুল ইছলামলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। বৰদৌলগুৰিস্থিত পাৰামাউণ্ট অফচেটৰ স্বত্বাধিকাৰীৰ লগতে আন আন কৰ্ম-কৰ্তাৰ মই শলাগ ল'লো। তেওঁলোকৰ চেষ্টাৰ ত্ৰুটিয়ে হয়তো আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিলেহেঁতেন। তেওঁলোক সঁচাকৈয়ে ধন্যবাদৰ পাত্ৰ।

শেষত আলোচনীখনত অনিচ্ছাকৃত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা কৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

— ড০ আছমান আৰা বেগম
তত্ত্বাৱধায়ক শিক্ষয়িত্ৰী, আলোচনী বিভাগ, খাৰুপেটীয়া মহাবিদ্যালয়

# সম্পাদকীয়...



### আলোচনী বিভাগৰ প্ৰতিবেদন

পলে পলে আমি এটা কথা বিশ্বাস কৰো যে ভোগবাদী সকল এদিন সময়ৰ সোতত হেৰাই যাব। কিন্তু যিসকলে ভাল কামৰ কাৰণে নিজকে উৎসাহিত কৰিব সেই সকল জীয়াই থাকিব চিৰ দিনৰ বাবে। ভাল চিন্তা আমি কৰিব পাৰো আমাৰ ছাত্ৰ সকলেও কৰিব পাৰে। কিন্তু আমাৰ পৰিকল্পিত আঁচনি নথকাৰ বাবেই হয়তো আমি আগবাঢ়িব নোৱাৰো নিজ লক্ষ্যৰ অভিমুখে। এই ক্ষেত্ৰত ডেল কাৰ্নেগীয়ে কথা এযাৰ কৈছে— “এটাই মাত্ৰ উদ্দেশ্যৰ প্ৰতি সজ্ঞান একাগ্ৰতা থাকিলে সাৰ্থকতা তোমাৰ এদিন নিশ্চয় আহিবই।”। আমাৰ বেছিভাগ দুচিন্তা আৰু দুৰ্দশাৰ কাৰণ হৈছে আমাৰ মাজৰ বহুতেই নাজানে যে কোনটো কাম আমি ভাল পাওঁ কোনটো কাম আমি কৰিব পাৰো। যিটো কাম আমি পছন্দ নকৰো, সেই কামত নিস্ফল ভাৱে জীৱনৰ মূল্যবান সময়বোৰ নষ্ট কৰো। পৰিকল্পনা নকৰাকৈ লক্ষ্যত উপনীত হব নোৱাৰি। সাফল্য অৰ্জন কৰিবলৈ হ'লে আমি এটা লক্ষ্য ঠিক কৰি ল'ব লাগিব আৰু সেই লক্ষ্যৰ অভিমুখে গৈ থাকিলে এদিন নহয় এদিন আমি সফল হমেই।

আলোচনী প্ৰকাশৰ সম্পৰ্কে ঃ

আলোচনী এখন মহাবিদ্যালয়ৰ প্ৰতীক। আলোচনীখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ হয়। যিসকল ছাত্ৰ-ছাত্ৰীৰ গল্প, প্ৰবন্ধ, কবিতা আদি প্ৰকাশ নাপালে তেওঁলোকৰ ওচৰত মই ক্ষমা প্ৰাৰ্থী। আলোচনী সম্পাদক হোৱাটো ডাঙৰ কথা নহয় সম্পাদক হৈ আলোচনী এখন সু-সজ্জিত ভাৱে সজাই ছাত্ৰ-ছাত্ৰীৰ আগত উন্মোচন কৰাটো ডাঙৰ কথা। আলোচনীখনৰ বাবে লেখা বিচাৰি হাবাথুৰী খাব লগা হয়। যি কেইটা লিখনি পাইছো তাৰেই আলোচনীখন প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছো। ছাত্ৰ-ছাত্ৰীৰ লিখনিৰ অভাবে ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰ প্ৰতি থকা উদাসীন মনোভাৱ চিন্তিত কৰি তুলিছিল। তথাপিও মই নিজকে হতাশ হ'বলৈ দিয়া নাছিলোঁ।

সামৰণি ঃ

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সম্পাদনা সমিতিয়ে যৎপৰোনাস্তি চেষ্টা কৰিছে। এবছৰীয়া কাৰ্যকালৰ ভিতৰত পৰা সকলো কাৰ্যাসূচী সুচাৰুৰূপে পৰিচালনা কৰাৰ লগতে আলোচনী প্ৰকাশৰ ক্ষেত্ৰত মোক বিভিন্ন ধৰণৰ সহায় সহযোগ, দিহা-পৰামৰ্শ আগবঢ়োৱা সকলোলৈ মই মোৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে আলোচনী সম্পাদনা সমিতিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শেষত ভুল ভ্ৰান্তিৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা কৰিছো যদিও কৰবাত কিবা ভুল-ভ্ৰান্তি ৰৈ যাব পাৰে তাৰ বাবে ক্ষমা বিচাৰি মই মোৰ বছৰেকীয়া প্ৰতিবেদনৰ অন্ত পেলাইছো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

জয় আই অসম

শ্ৰদ্ধাৰে—

মফিদুল ইছলাম, আলোচনী সম্পাদক



# — সূচীপত্ৰ —

প্ৰবন্ধ—

মানৱতাবাদী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। ড০ ধনশ্ৰী শৰ্মা। ২১।। — বিৰল প্ৰতিভাৰ গৰাকী শ্ৰীশ্ৰীমাধৱদেৱ আৰু নামঘোষা। আৰিফা চুলতানা ইয়াচমিন। ২৪।। — গান্ধীজীৰ দৃষ্টিত স্বাধীনতাৰ ধাৰণা। আব্দুল মজিদ। ২৬।। — অসমীয়া আনুবাদ নাটক। ড০ মিচিৰা পাৰবিন। ২৮।। — সংস্কৃত সাহিত্যলৈ কালিদাসৰ অৱদান। মনিকা মজুমদাৰ। ৩২।। — বৰ্তমান যুগত সংস্কৃত ভাষা অধ্যয়নৰ প্ৰাসংগিকতা। ৩৪।। — আৰবী ভাষা সাহিত্যৰ এক চমু ৰূপৰেখা। জিয়াউৰ ৰহমান। ৩৬।। — মহৎ লোকৰ জীৱনী অধ্যয়ন। মোহিম মোকতাৰ। ৪০।। — জীৱনত বন্ধু-বান্ধৱীৰ ভূমিকা। নজমুল হক। ৪১।। — প্ৰকৃত বন্ধু। শ্বাহাৰ আলি। ৪২।। — শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ সম্পৰ্ক। উম্মে ৰুমান। ৪৪।। — কলেজীয়া জীৱনৰ ছাত্ৰ-ছাত্ৰী। মৰিয়ম খাতুন। ৪৫।। — শিক্ষাই জাতিৰ মেৰুদণ্ড। জাকিয়া পাৰবিন। ৪৭।। — নাৰী নিৰ্যাতন ঃ এটি অভিমত। মিজানুৰ ৰহমান। ৪৮।। — নাৰীৰ উত্থান আৰু সামাজিক দায়িত্ব। উম্মে ছালমা ছিদ্দিকা। ৫০।। — শিক্ষাৰ অধিকাৰ আইন, ২০০৯। জিনাৰা খাতুন। ৫২।। — বংগীয় মুছলমানৰ আৱদান। হবিবুল আলম। ৫৪।। — প্ৰাথমিক শিক্ষাত মধ্যাহ্ন ভোজন আঁচনি। ওৱাহিদা বেগম। ৫৭।। — সমাজৰ উত্তৰোত্তৰত নাৰী শিক্ষাৰ সবলীকৰণৰ প্ৰয়োজনীয়তা। তমজিদা বেগম। ৫৮।। — অৱসৰ সময়ৰ শিক্ষা। মাফুজা খাতুন। ৬০।। — আন্ধাৰত আলোকৰ সন্ধান। নাজমা পাৰবিন। ৬৪।। — মহান বিজ্ঞানীৰ চানেকী। আব্দুৰ ৰহমান। ৬৬।। — পৃথিৱীৰ কৃত্ৰিম উপগ্ৰহৰ সহায়। নাজিমুদ্দিন আহমেদ। ৬৮।। — ৰাণীপুখুৰীৰ চমু ইতিবৃত্ত। আশ্ৰাফুল পাৰবিন। ৬৯।। — মোৰ ভ্ৰমণ অভিজ্ঞতা। জাহাঙ্গীৰ আলম। ৭২।।

## — সূচীপত্ৰ —

### একাংকিকা নাট—

থেঙ্ক ইউ। নছিউৰ ৰহমান (প্ৰাক্তন ছাত্ৰ)। ৭৩।।

### গল্প—

সমবেদনা। কনকলতা শইকীয়া। ৭৮।। — দায়বদ্ধতা। প্ৰণতি দত্ত। ৭৭।। — পায়ো হেৰুৱালো। মনিৰুল ইছলাম। ৭৯।। — ৰমেনৰ সংসাৰ। খন্দকাৰ দেলোৱাৰ হুছেইন। ৮২।। — বাস্তৱ কথা। খাইৰুল হক। ৮৫।। — অচিনাকি ল'ৰা। নাজমা হেপতুল্লাহ। ৮৭।। — তেতেলীবোৰৰ আমেজেই বেলেগ আছিল। আৰিফা চুলতানা। ৮৮।। — প্ৰেম আৰু কিছু অনুভৱ। আবিজল হক। ৮৯।। — বন্ধুত্ব। ছফিকুল ইছলাম। ৯০।। — তিনিজনী পখিলা। আফৰোজা ইয়াচমিন চেহেনাজ বেগম। ৯১।। — এক অবুজ প্ৰেম। আৰিফুল হক। ৯২।। — ৰং চ'ৰা। খন্দকাৰ ৰাহিমা মূৰ্শেদী। ৯৪।। — অপ্ৰকাশিত প্ৰেম। মইনুল হক। ৯৫।। — ঢেঁকীয়া ফুলীয়া সপোন তাইৰ। শ্বেখ ফৰিদ। ৯৭।। — মোৰ এতিয়া টোপনি লাগিছে। গুলজাৰ হুছেইন। ৯৯।।



## — সূচীপত্ৰ —

### কবিতা—

এখন শান্তিৰ পৃথিৱীৰ সন্ধানত। জৰজিনা বেগম। ১০৪।। — মাতৃভূমি। ছাহনাজ নাছৰিণ। ১০৫।। — বান পানীৰ গীত। মুৰছিদা ইয়াচমিন। ১০৬।। — জাগৰণ। মাহিদুল ইছলাম। ১০৭।। — মৰমে কান্দিছে। হামিদুল ইছলাম। ১০৭।। — অতীতৰ স্মৃতি। দুলাল হক। ১০৮।। — সেউজ সোণোৱালী পথাৰ। মহঃ ছফিকুল ইছলাম। ১০৮।। — ভাল পাওঁ। মুশ্বিদা খাতুন। ১০৯।। — খাৰুপেটীয়া মহাবিদ্যালয়। ৰিংকুবালা দাস। ১০৯।। — বাট। প্ৰণতি দত্ত। ১১০।। — সোণবৰণীয়া সপোন (মা)। দিনেশ প্ৰসাদ। ১১০।। — ঈশ্বৰৰ খেলা। হবিবুল আলম। ১১১।। — নেদেখা নদীৰ সিপাৰে। অবিৰ আলী। ১১১।। —আমাৰ গাঁও। জায়েদা খাতুন। ১১২।। — চৰিত্ৰ। আজিজুন নেহাৰ আহমেদ। ১১৩।। — মা। গোলনেহাৰ ৰেজিনা। ১১৪।। — অচিনাকি-চিনাকি। শ্বহিদুল আলম। ১১৪।। — স্মৃতি। আমেনা খাতুন। ১১৫।। — জীৱনৰ নীতি। ৰাজু লাহা। ১১৫।। — মোৰ মন যায়। চামচুল হক। ১১৬।। — সমাজ। নাছিমা হাছান। ১১৬।। — হে চিৰ সেউজীয়া সেউজ। মমি আখতাৰা। ১১৭।। — দূৰ স্বৰ্গত। ইয়াছমিন চুলতানা। ১১৮।। — খবৰ। ড০ আছমানআৰা বেগম। ১১৮।। — এতিয়া হাঁহি নোলায়। আৰজুমা বেগম। ১১৯।। — মানুহ। জাহিদা বেগম। ১১৯।। — শ্ৰদ্ধাৰ শিক্ষক। অজুফা বেগম। ১২০।। বিসৰ্জন। ছেলিম আক্তাৰ। ১২০।। — জানানে দেউতা। চুৰ ভানো। ১২১।। — যন্ত্ৰ মানৱ। ছায়েদুৰ ৰহমান। ১২১। — বসন্তৰ গীত। তমজিদা বেগম। ১২২।। — ব'হাগ। জাকিয়া পাৰবিন। ১২২।। — যুগে স্মৰণ কৰিব তোমাক। মইফুল ইয়াচমিন সৰকাৰ। ১২৩।। — সপোনৰ পখী। আয়ুব আলী। ১২৩।। — মোৰ মন যায়। ফাতিমা খাতুন। ১২৪।। — বিহু। নাছিৰ উদ্দিন। ১২৪।। — ভূপেন দা। ছাইদা নাছৰিণ চুৰিয়া আহমেদ। ১২৫।। — মোৰ মন যায়। ওৱাহিদা নুৰী। ১২৫।। — দুৰ্ভগীয়াৰ মালিতা। ছামিনা ইয়াছমিন। ১২৬।। — অভিশপ্ত শনিবাৰ। আছকৰ আলি। ১২৭।। — গোলাপ ফুল। নুৰুদ্দিন আহমেদ। ১২৮।। — আই। মমতাজ বেগম। ১২৮।। — আমাৰ বিদ্যালয়। প্ৰতিমা দাস। ১২৯।। — প্ৰশাসন। ছহিদুল ইছলাম। ১২৯।। — মানুহ। মহিদুল ইছলাম। ১৩০।। — মহাবাহু ব্ৰহ্মপুত্ৰ। নাজিমুদ্দিন আহমেদ। ১৩১।। — দুখীয়াৰ ল'ৰা। নজৰুল ইছলাম। ১৩১।। — বেদনা। আছমিনা খাতুন। ১৩২।। মোৰ মৰমৰ মা। ইমৰাণা পাৰবিন। ১৩২।। — মানুহ। মুস্তাফিজুৰ ৰহমান। ১৩৩।। — নদী। খুছিদা বেগম। ১৩৩।। — মা। অজুফা বগম। ১৩৪।। — পৰীক্ষাত ফেইল। জোচনা বেগম। ১৩৪।। — আমাৰ মহাবিদ্যালয়। তমজিদা বেগম। ১৩৫।। — আমাৰ মহাবিদ্যালয়। হুচেইন আলি। ১৩৫।। — শিক্ষা। নাজিমা বেগম। ১৩৬।। — মোৰ সমাজ। আছহাদুছ জামান। ১৩৬।। — বেদনা। ৰহিমা খাতুন। ১৩৭।। — জীৱন। প্ৰমিলা মণ্ডল। ১৩৭।। — কুটিল সময়। মমি আখতাৰা। ১৩৮।। — কল্পনা। কুটুব উদ্দিন আহমেদ। ১৩৮।। — তোমাৰ মহিমা। ছাজিদা খাতুন। ১৩৯।। — ভিক্ষুক। মেহেদি মাচুদ। ১৩৯।। — কল্পনা মন মোৰ। ছাহনাজ নাছৰিণ। ১৪০।। — জীৱন ইমান নিষ্ঠুৰ। আমিৰ হুছেইন। ১৪০।। — জীৱন। মিজানুৰ ৰহমান। ১৪১।। — ডাঙৰ মানুহ। সুৰ ভানু। ১৪১।। — মোৰ ভাল লাগে আপোনাক। চিৰাজিম মুনিৰা। ১৪২।। — আমাৰ সমাজ। ছাজিদা খাতুন। ১৪৩।। — অপেক্ষা। ৰাজাকুল ইছলাম। ১৪৩।।

## — সূচীপত্র —

**সাধুৰ শিতান—**

চিৰিয়াৰ সাধু। ইমৰাণ হুছেইন। ১৪৪।। — নুমলীয়া পো। দিলোৱাৰ হুছেইন। ১৪৫।। — यह घर किसका है। पवन कारकी चेत्री। 146 ॥

**ENGLISH SECTION**

Geo-Politics on river water for globl supremacy, An analysis of water security of southand southeast Asia : Dr. Kalidas Sarma : 147 — Human Rights violation in India with special reference to women : Hasina Rehena Rahman : 154 — The Blemish : Dr. Ruken Uddin Ahmed : 159 — A Look in to Mamoni Raisom Goswami's "Adha lekha Dastabej" : 162 — Waiting for you : Shahidul Islam : 164 — A Dream of love : Yasmin Sultana : 164 — My hankerings : Aparajita Devi : 165 — Pray for all... : Sajid Akram : 165

**HINDI SECTION**

आधुनिक हि्दी साहित्य का स्वरूप। सिकदार आनवारूल इसलाम। 166 ॥ — शंकरदेव की सुधारवादी चेतना । मोस्ताफा नुरउज जामा। 169 ॥ — हिन्दी का विकाश भारत का विकाश। आब्दुल मतिन। 172 ॥ — सोने से भी कीमती। आफसाना पारबिन। 174 ॥ — माँ। सुनीता सिंह। 176 ॥ — एक पागल सी लड़की। आब्दुर रसिद। 176 ॥ — बालविवाह। श्रीकार्तीक हरिजन। 177 ॥ — बेटी। श्रीदिपিका डेका। 177 ॥ — माँ। मासुमा बेगम। 178 ॥ — हिन्दी भाषा। सुलताना यासमीन। 178 ॥

**অন্যান্য—**

| | |
|---|---|
| ছাত্র একতা সভাৰ সাধাৰণ সম্পাদকৰ প্রতিবেদন | —১৭৯ |
| সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্রতিবেদন | —১৮০ |
| খেল আন্তঃ বিভাগৰ সম্পাদকৰ প্রতিবেদন | —১৮২ |
| খেল বহিঃ বিভাগৰ সম্পাদকৰ প্রতিবেদন | —১৮৩ |
| ছাত্ৰী জিৰণি কোঠাৰ প্রতিবেদন | —১৮৪ |
| ছাত্র জিৰণি কোঠাৰ প্রতিবেদন | —১৮৫ |
| তর্ক আৰু বক্তৃতা বিভাগৰ প্রতিবেদন | —১৮৬ |
| মহাবিদ্যালয়ৰ বার্ষিক প্রতিযোগিতাৰ ফলাফল | —১৮৭ |
| আলোকচিত্র | —১৯৩ |
| মহাবিদ্যালয়ৰ গৌৰৱ | —১৯৬ |



# মানৱতাবাদী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ

ড০ ধনশ্ৰী শৰ্মা
বাণিজ্য বিভাগ

শ্ৰী মন্ত শংকৰদেৱ, শ্ৰীশ্ৰীশংকৰদেৱ, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, জগতগুৰু শ্ৰীমন্ত শংকৰদেৱ, যুগনায়ক শংকৰদেৱ আদি অনেক বিভুষণে শংকৰদেৱ নামটোৰ আগত শোভা কৰি তেৰাৰ গুৰুত্ব আৰু বিশেষত্ব প্ৰতিপন্ন কৰিছে । মহাপুৰুষ জনাৰ প্ৰতি মুগ্ধ হৈ অলেখ ভক্তপ্ৰাণ লোকে কেইবা শতিকাজুৰি স্বাভাৱিকভাৱে সন্মানজনক বিশেষণ ব্যৱহাৰ কৰি আহিছে। সৰ্বগুণাকৰ শংকৰ দেৱক কোনো কোনোৱে অৱতাৰী নতুবা তেওঁৰ গাত ঈশ্বৰত্ব আৰোপ কৰি লোকালয়ৰ পৰা আঁতৰাই থাপনাত বহুৱাব খোজে। অতিশয় ভক্তিভাৱত আৱেগ প্ৰৱণ হৈ ভক্তপ্ৰাণলোকসকলে এনে 'ঈশ্বৰ' এজনৰ কল্পনা কৰি ভাল পায়। আৱেগৰ আতিশয্যাত তেজ-মঙহৰ শংকৰদেৱক দেৱতাৰ শাৰীলৈ উন্নীত কৰি শান্তি লাভ কৰে ।

ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল ।
দাতাত চোৰত যাৰ দৃষ্টি একতুল।। ( কীৰ্তন ঘোষা )

এই লোক দৰ্শনেৰে সমাজত মানৱতাৰ বীজ ৰোপণ কৰা শ্ৰীমন্ত শংকৰদেৱ আছিল মানৱতাৰ পূজাৰী। পঞ্চদশ শতিকাত শ্ৰীমন্ত শংকৰদেৱে অসমৰ ধৰ্মীয় আৰু সামাজিক জীৱনৰ ভেঁটিত ভক্তি আন্দোলনৰ যি সোঁত বোঁৱাই আনিলে সেই ভক্তি আন্দোলন প্ৰধানকৈ প্ৰেম আৰু মানৱতাৰ ভেঁটিৰ ওপৰত প্ৰতিষ্ঠিত আছিল। যুগনায়কজনে নৱ বৈষ্ণৱ আন্দোলনৰ জৰিয়তে সমাজত ধৰ্মীয় শোষণ আৰু নিপীড়নৰ পৰা মানুহক মুক্তি দিয়াৰ লগতে সামাজিক শৃংখলা আৰু সমতা আনিবলৈ সক্ষম হৈছিল। জাতি, বৰ্ণ, সম্প্ৰদায় নিৰ্বিশেষে সকলো শ্ৰেণীৰ মানুহৰ মুক্তিৰ পথৰ সন্ধান দিওঁতা শংকৰদেৱে সমাজ সংস্কাৰৰ লগতে মানৱধৰ্ম আৰু প্ৰেমেৰে উদ্ভাষিত হ'বলৈ সমগ্ৰ মানৱ জাতিকে আহ্বান জনাইছিল।

জগতগুৰু শংকৰদেৱে সেই সময়ৰ ৰাজনৈতিক, সামাজিক, ধৰ্মীয় আৰু সাংস্কৃতিক সকলো দিশতে বিভিন্ন অৰাজকতাৰ লগতে কুসংস্কাৰ, অন্ধবিশ্বাস ইত্যাদি বিশৃংখলতাৰ সমাধানৰ পথ সৃষ্টি কৰিছিল নৱবৈষ্ণৱ আন্দোলনৰ জৰিয়তে। মহাপুৰুষজনাই সমগ্ৰ ভাৰতবৰ্ষতে তীব্ৰতৰ হোৱা ভক্তি আন্দোলনৰ লগত জড়িত হৈ অসমক ভাৰতবৰ্ষৰ লগত পৰিচয় কৰি দি মানৱতাৰ বাৰ্তা কঢ়িয়াইছিল। বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত ধৰ্মৰ বিভিন্নতা আৰু জটিলতা আঁতৰাই শংকৰদেৱে নামধৰ্ম বা ভক্তিধৰ্ম প্ৰচাৰ কৰিছিল। অসমত ইতিপূৰ্বে প্ৰচলিত বলি-বিধান, পূজা উপাসনাক

ব্ৰাহ্মণোত্তৰ বা অব্ৰাহ্মণ গোষ্ঠী-বৰ্ণৰ মাজত ভক্তি ধৰ্ম সুমুৱাটো বৰ উজু নাছিল । সমাজত পূজা-উপসনা ইমানেই ব্যাপক আছিল যে দেৱী পূজা কৰি সৰ্বস্বান্ত হোৱাৰ উদাহৰণো আছে। আনকি শংকৰদেৱৰ পৰিয়ালেও দেৱী পূজা মানিছিল।

এহি বুলি শংকৰক আৰ্শীবাদ কৰি।
জয়ধ্বনি কৈলা সবে দেৱীক সুমৰি।'

তেওঁৰ পৰিয়ালৰ শ্ৰাদ্ধ, পূজা-পাৰ্বণৰ দায়িত্ব লৈছিল নৰোত্তম বিপ্ৰই। অৰ্থনৈতিক ভাবে পিছপৰা তেতিয়াৰ অসমৰ মানুহ আছিল নিৰুদ্বিগ্ন। সেই সময়ৰ ভাৰতৰ আন ঠাইত উচ্চ বৰ্ণ, নিম্ন বৰ্ণৰ ব্যৱধানৰ সীমাৰেখা কঠোৰভাবে প্ৰয়োগ কৰিছিল। 'পাল ৰজাসকলৰ দিনত বৌদ্ধ আৰু নিম্নবৰ্গৰ লোক সকলৰ উচ্চবৰ্গৰ হিন্দুসকলে নিকৃষ্ট জীৱ বুলি গণ্য কৰিছিল, ঘোৰ দুৰ্ব্যৱহাৰ কৰিছিল। মুণ্ডিত মস্তক ভিক্ষুক দেখিলেই 'ন্যাড়া' বুলি বিদ্ৰূপ কৰিছিল। কিন্তু অসমত বিভিন্ন জনগোষ্ঠীৰ সহাৱস্থানৰ বা সহনশীলতাৰ গুণত সেই বৰ্ণ-গোষ্ঠী বিদ্বেষ নাছিল। গতিকে শংকৰদেৱে প্ৰচলিত ব্যৱস্থা আৰু ধৰ্মবিশ্বাসৰ লগত যুঁজিবলগীয়া হ'লেও অনুকূল পৰিৱেশে শংকৰদেৱক সহায়ো কৰিছিল। সমাজৰ এটা অংশই যুক্তিৰ পন্থা বিচাৰি শংকৰদেৱৰ কাষ চাপিছিল। সেই কাৰণেই শংকৰদেৱে ক্ষেত্ৰ প্ৰস্তুত কৰিব পাৰিছিল। মহাপুৰুষ জনাই সৰ্বভাৰতীয় ভক্তি আন্দোলনক নব্য- ৰূপ দি স্থানীয় লোকৰ গ্ৰহণযোগ্য হোৱাকৈ নৱবৈষ্ণৱ ধৰ্মপ্ৰচাৰ কৰিছিল যদিও দক্ষিণ ভাৰতৰ ৰামানুজ নিম্বাকাচাৰ্য, কৰ্ণাটকৰ মধ্বাচাৰ্য, তামিল দেশৰ বল্লভাচাৰ্য আৰু পুৰীৰ শ্ৰীধৰ স্বামী আদি বৈষ্ণৱ গুৰুৰ আদৰ্শগত মিলো বৈষ্ণৱ ধৰ্মত দেখিবলৈ পোৱা গৈছিল। বিভিন্ন জাতি জনজাতিক একগোট কৰি মহাপুৰুষ জনাই ধৰ্ম প্ৰচাৰ কৰিছিল। ভক্তি আন্দোলনক ধৰ্মগ্ৰন্থ বা শাস্ত্ৰই বান্ধি ৰাখিছিল যদিও আন ধৰ্ম গুৰুসকলৰ দৰে মহাপুৰুষ জনাই গীত-পদ ৰচনা কৰি ভক্তবৃন্দক উদ্বুদ্ধ কৰিছিল আৰু সৰ্বসাধাৰণ লোককো আপ্লুত কৰিছিল। সংস্কাৰৰ পথেৰে আগুৱাই নিয়া নৱবৈষ্ণৱ ধৰ্মক নাটকীয় ভাৱে মাধৱদেৱে শংকৰদেৱৰ একান্ত অনুগামী হৈ কৃতিত্বৰ অংশীদাৰ হ'ল। ভক্তিধৰ্মক আগবঢ়াই লৈ গ'ল দামোদৰদেৱ, হৰিদেৱ, গোপাল আতা, বংশী গোপালদেৱ, ভট্টদেৱ আদি ধৰ্মপ্ৰচাৰকসকলে।

একেশ্বৰবাদী বা 'একশৰণ ধৰ্ম' তত্বগতভাবে সৰল নাম ধৰ্ম। হৰিৰ নাম উচ্চাৰণতেই মুক্তিৰ মাৰ্গ লাভ কৰিব পাৰি-

"কলি যুগে নাম নাম নাম মাত্ৰসাৰ।
নাম এৰি নাই নাই গতি আৰ।"

এই ধৰ্মমত লৈয়েই শংকৰদেৱে সমাজত সাম্য-মৈত্ৰীৰ বাণী বিলাইছিল। অহিংসা, বিনয়, দয়া, ত্যাগ, সংযম, সহিষ্ণুতা সকলোৰে প্ৰতি সমদৃষ্টি আদি মৌলিক মানৱীয় প্ৰমূল্যসমূহক গুৰুত্ব দিছিল শংকৰদেৱে। অহিংসা সহনশীলতাই শংকৰদেৱক মহত্ব প্ৰদান কৰিছিল।

'পৰম ধৰ্মক নিহিংসিবা কদাচিত।
কৰিবা ভুতক দায়াসকৰুণ চিত্ত।
হুইবা শান্ত চিত্তসৰ্ব ধৰ্মত ব্যসল।
এহি ভাগৱত ধৰ্ম জানা মহাবল।'

নীতি আচৰণ কৰি শংকৰদেৱে মানুহক এক ঈশ্বৰৰ সন্তান জ্ঞান কৰিছিল। ৰজো আৰু তমো গুণৰ পৰা ভক্তক আঁতৰাই সত্ত গুণৰ দ্বাৰাহে নিজক পৰিশুদ্ধ কৰিব পাৰি আৰু আনকো বিলাব পাৰি সেয়া উপলব্দি কৰাইছিল-

"ৰজো গুণ তম গুণময় বৃত্তি
কেৱল আসুৰি ভাৱ।
শুদ্ধ সত্ত বৃত্তি দেৱৰ সম্পতি।
লৈয়া ভজা কৃষ্ণ পাৱ।।"

এই সময়ত জাতি প্ৰথাই তিক্ততা অনা ভাৰতবৰ্ষত ভক্তি আন্দোলনে ইয়াৰ চোক কমাবলৈ সমৰ্থ হৈছিল। সমাজৰ সকলো বৰ্ণৰ লোকৰ বাবে হৰিভক্তিৰ দুৱাৰ খোলা থাকে। এই নীতি মহাপুৰুষজনাই কঠোৰভাবে মানি চলিছিল।তেওঁ মুকলি মনেৰে প্ৰচাৰ কৰিছিল-

'জাতি অন্ত্য জাতি আদি
সবাকো পৱিত্ৰ কৰে
সমস্ত প্ৰাণীৰ ননোনীত।
আতি অপ্ৰয়াসে তৰে
সমস্ত পাতক হৰে
কহিয়ো হেনসে প্ৰায়চিত্ত।"

নৱবৈষ্ণৱ ধৰ্মত জাতি-গোষ্ঠী বা বৰ্ণ সম্প্ৰদায়ৰ যে সম অধিকাৰ তাকে অধিক বিস্তৃতভাবে দাঙি ধৰিছে তলৰ বৰ্ণনাটোৱে—

ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য ইটো তিনি জাতি।
নশুনিব হৰি ভকতিক বৰ্ণ পাতি।।
শূদ্ৰসৱ অনেক কৈৱৰ্ত আদি কৰি।
অন্ত্যজ পৰ্যন্ত ভজিবেক মহাহৰি।।
প্ৰয়াসে লভিবে ঈশ্বৰ মহাজ্ঞান।



এতেকে কলিত শুদ্ৰ- কৈৱৰ্ত প্ৰধান।।

ইয়াতে জাতি প্ৰয়াতে জাতি পথা উলংঘা নকৰাকৈ সাম্যৰ ভাব সিঁচি অনুপ্ৰাণিত কৰাৰ প্ৰমাণ দাঙি ধৰে।

শংকৰদেৱ-মাধৱদেৱে ভক্তি দৰ্শনৰ জটিল তত্বলৈ সৰ্বসাধাৰণক টানি নিনি সহজভাবে উচ্চাৰিত হৰিনাম লৈ মুক্তি পাব পাৰি বুলি দুখীয়া-দৰিদ্ৰক পতিয়ন নিয়াইছিল। নিৰক্ষৰ মানুহক সামন্তযুগীয় ধ্যান-ধাৰণা লৈ স্থবিৰ ৰূপত জীৱন নিৰ্বহ কৰাৰ পৰা উন্নত জীৱন প্ৰণালীলৈ আকৰ্ষিত কৰিছিল। ক্ষুদ্ৰ ক্ষুদ্ৰ জনজাতীয় বেষ্টনী ভাঙি বৃহত্তৰ অসমীয়া জাতি নিৰ্মাণৰ অংশীদাৰ কৰিছিল। বংশগতভাবে সামন্ত শাসক গুৰুজনাই ৰজা আৰু স্ত্ৰীক শৰণ দিয়া নাছিল যদিও জাতি-জনজাতিৰ প্ৰতি আছিল উদাৰ মনোভাব। নামঘৰ আৰু সমুহীয়া প্ৰাৰ্থনাই সকলোকে গণতান্ত্ৰিক সম অধিকাৰ প্ৰদান কৰিছিল। সাধাৰণ মানুহৰ প্ৰতি তেওঁ আছিল অত্যন্ত সহানুভূতিশীল। মানুহৰ মানসিক বিকাশত গুৰুত্ব আৰোপ কৰিছিল আৰু জীৱন-যৌৱন-ধন অনিত্য, নিত্য বস্ত হৰিনাম' বুলি সবল জ্ঞানবোধ দিছিল। প্ৰয়োজন অনুসৰি শংকৰদেৱে ধৰ্মীয় শিথিল নীতিৰ পোষকতা কৰি শ্ৰাদ্ধাদিৰ ক্ৰিয়াৰ সংস্কাৰ কৰি হিন্দু ধৰ্মৰ লোকক সকাহ দিছিল। কেইবা হাজাৰ মাইল পৰিভ্ৰমণেৰে অভিজ্ঞতা সঞ্চয় কৰা অদ্বিতীয় মহাপুৰুষ শংকৰদেৱে ভাৰতীয় ধৰ্মীয় মতবাদসমুহ অসমৰ পটভুমিত পুণবিন্যাস কৰি প্ৰয়োগ কৰাৰ কাৰণে তেওঁ প্ৰৱৰ্তন কৰা বৈষ্ণৱ ধৰ্ম সৰল।

নৈতিক প্ৰমূল্যক গুৰুত্বদিয়া যুগনায়কজনে ব্যক্তিগত আৰু সমাজিক জীৱনক শৃংখলাবদ্ধ ৰূপত অনুশসিত কৰাৰ প্ৰয়াসেৰে সংস্কৃতিক নিৰ্মূল কৰিবলৈ যত্ন কৰিছিল।

কলাকাৰ সৃজনী প্ৰতিভাসম্পন্ন লেখক গৰাকীয়ে ধৰ্ম প্ৰচাৰৰ স্বাৰ্থত শাস্ত্ৰ চৰ্চা আৰু সমাজ সংস্কাৰৰ নামত ত্যাগৰ আদৰ্শ প্ৰতিষ্ঠা কৰাৰ যোগেদি সম সাময়িক বিৰুদ্ধ শক্তিকো পৰাভূত কৰিব পাৰিছিল। ধৰ্ম প্ৰচাৰ আৰু সমাজ সংস্কাৰ এই দুই গুৰু দায়িত্ব পালনৰ মাধ্যম ৰূপেহে তেওঁ সাহিত্য চৰ্চা কৰিছিল। জন্মগত বহুমুখী প্ৰতিভাৰ অধিকাৰী শংকৰদেৱে বংশানুক্ৰমিক গুণ, স্বকীয় সাধনালব্ধ গুণ, সামাজিক গুৰুত্ব লাভ কৰি সমাজৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা কাৰণে মহাপুৰুষ হ'ব পাৰিছিল। যোগ সাধনাৰে শৰীৰ চৰ্চা কৰি দীৰ্ঘায়ু লাভ, অধ্যয়নজনিত পাণ্ডিত্য, প্ৰশাসনীয় অভিজ্ঞতা বা সামন্তবৃত্তি জ্ঞান আৰু ৰাজনৈতিক পৰিপক্কতা আদিৰে তেওঁ পূৰ্ণ মানৱলৈ উন্নীত হৈছিল। সাম্প্ৰদায়িকতাৰ উৰ্ধ্বৰ্ত বিশাল উদাৰতা, দেশ কালৰ ভেদাভেদৰহিত সৰ্বজনৰ গ্ৰহণীয় মতবাদ, সৰ্বোপৰি উচ্চ আদৰ্শৰ মানৱতাবাদ আদি জগতগুৰুৰ সকলো গুণৰ অধিকাৰী শংকৰদেৱে সাংস্কৃতি সাধনাৰে অসমীয়া সমাজ গঢ়ি অসমৰ মানুহক একতাৰ এনাজৰীৰে বান্ধি থৈ গ'ল।

❑❑❑

* আমি যাক সৃষ্টি কৰিব নোৱাৰো তাক ধ্বংস কৰাৰ অধিকাৰো আমাৰ নাই।

— গুৰু নানক

* এজন জ্ঞানী মানুহে যিজোপা গছ দেখে, সেই একেজোপা গছ কোনো মূৰ্খই দেখিব নোৱাৰে।

— উইলিয়াম ব্লেক

# বিৰল প্ৰতিভাৰ গৰাকী শ্ৰীশ্ৰীমাধৱদেৱ আৰু নামঘোষা

আৰিফা চুলতানা ইয়াচমিন
স্নাতক ষষ্ঠ ষণ্মাসিক

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নামধৰ্মৰ যিখিনি প্ৰেম অমৃতৰ নদী সৃষ্টি কৰিলে, সেই নদীৰ অমৃত জলধাৰা বৈ আছে মাধৱদেৱৰ নামঘোষাত। সৃষ্টিকালৰে পৰা সদাসৰ্বদা ব্যৱহৃত এখন অসাধাৰণ গ্ৰন্থ হ'ল মাধৱদেৱৰ ৰচিত নামঘোষা। যাদুকৰী আৰু সন্মোহিনী শক্তিৰে শক্তিমান এখন আচৰিত আৰু সৰ্বজন সমাদৃত গ্ৰন্থ যাৰ তুলনা পাবলৈ নাই। শৰণ, ভজন, স্তুতি, নিবেদন, প্ৰাৰ্থনা, নমস্কাৰ, কাকূতি, কাৰ্পূণ্য আদি বিভিন্ন ভাৱধাৰাৰ সমাহাৰ ঘটিছে এই অপূৰ্ব গ্ৰন্থ নামঘোষাত। অতিথি সেৱা, ভকত সেৱা, ঈশ্বৰ সেৱা যিয়েই নোৱলক লাগে, নামঘোষাৰ এফাঁকি ঘোষা নাগালে সেৱকৰ দেহা শাত নপৰে। পুৱা-গধূলি গোঁসাই ঘৰত চাকিগছি জ্বলাই "ব্ৰহ্ম আদি কৰি জীৱ য'ত ৰাম ৰাম ৰাম" ঘোষাফাঁকি গাই প্ৰাৰ্থনা কৰাটো মহাপুৰুষীয়া সমাজত প্ৰত্যেক গৃহস্থৰে দৈনন্দিন এক নিয়মিত কাম। অসমত এনে এটা দিন পাৰ হোৱা নাই যিটো দিন নাম ঘোষাৰ এফাঁকি হলেও ঘোষা কোনেও নোগোৱাকৈ থকা নাই। মহাপুৰুষ শংকৰদেৱ ৰচিত কীৰ্ত্তন কেৱল নাম প্ৰসংগ আৰু পাঠ প্ৰসংগতে ব্যৱহাৰ কৰা হয়। কিন্তু তাৰ তুলনাত নামঘোষাৰ ব্যৱহাৰ অনেক গুণে বেছি। মহাপুৰুষীয়া সমাজত একেবাৰে হৃদয়ত স্থান দখল কৰা গ্ৰন্থখন হ'ল নামঘোষা। নামঘোষাৰ সমাদৰ অতুলনীয়। পদ, দুলৰী, লেচাৰি, ছবি আদি বিভিন্ন ছন্দত ৰচিত নামঘোষাৰ ভাষা অতিশয় প্ৰাঞ্জল আৰু অতি সবল। ভাৱৰ অভিব্যঞ্জনা নামঘোষাই যিদৰে প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে তেনেদৰে আন কোনো গ্ৰন্থই তেনে ভাৱ প্ৰকাশ কৰাৰ সামৰ্থ অৰ্জন কৰিব পৰা নাই। সেইবাবেই নামঘোষাৰ আদৰ আন গ্ৰন্থতকৈ বহুত গুণে বেছি।

কথিত আছে যে মহাপুৰুষ গুৰুজনাই শেষবাৰলৈ বেহাৰলৈ যোৱাৰ আগতে এদিন কথন প্ৰসংগত মাধৱপুৰুষে গুৰুজনাৰ অবৰ্তমানত ভকতসকলে কি আলমত ধৰ্ম চৰ্চা কৰিব বুলি সোধাত মহাপুৰুষে বোলে-

'শুনিও মাধৱ মোৰ থাকিবাৰ থান।
কীৰ্ত্তন দশম মোৰ মূৰ্তিৰ সমান।।
নিপুণ মোহোক গুৰু যিজন বোলয়।
কীৰ্ত্তনতে দশমতে দেখিব নিশ্চয়।।
দশম কীৰ্তন পুথি থাকয় যথাত।
সাক্ষাতে মাধৱ মই থাকিবো তথাত।।"



গুৰুজনে মাধৱদেৱক উদ্দেশ্য কৰি (পকা বগৰীৰ দৰে বাহিৰৰ ভাগ কোমল মিঠা ভিতৰৰ ভাগ কঠিন) নামৰ মহিমা প্ৰকাশ পোৱাকৈ এভাগি ঈশ্বৰৰ নাম প্ৰকাশক গ্ৰন্থ ৰচনা কৰি তাতে তেওঁকো অৱস্থান কৰিবলৈ আজ্ঞা কৰিলে- 'ঘোষা নামে শাস্ত্ৰ এখানি তুমিও লিখিবা/ ঘোষা ৰত্নাৱলী মধ্যে তুমিও থাকিবা।।'

গুৰু আজ্ঞা শিৰোধাৰ্য কৰি মাধৱ পুৰুষে এহাজাৰ ঘোষাৰে নামঘোষা শাস্ত্ৰখন ৰচনা কৰিলে। ইয়াক হাজাৰী ঘোষাও বোলে। শাস্ত্ৰভাগিক নামঘোষা বোলাৰ ৰহস্যটো হ'ল প্ৰত্যেকটি ঘোষাতে ঈশ্বৰৰ নাম (ৰাম, কৃষ্ণ, কেশৱ, হৰিগোবিন্দ, নাৰায়ণ ইত্যাদি) বোৰ ঘোষিত হৈছে। বিশেষ মন কৰিবলগীয়া কথাটো হ'ল যে ইয়াৰ প্ৰত্যোকটি ঘোষাতে ঈশ্বৰৰ নাম উল্লেখ কৰি এনেভাৱে ৰচনা কৰা হৈছে যাতে কোনোৱে যদি ইয়াৰ এফাঁকি ঘোষাও পাঠ কৰে তাতে ঈশ্বৰৰ নাম উচ্চাৰণ হবই। প্ৰথম ঘোষাটিকে মন কৰক- মুক্তিতো নিস্পৃহ যিটো, সেহি ভকতক নমো, ৰসময় মাগোহো ভকতি। সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য, ভজো হেন দেৱ যদুপতি।। (০০০১) ইয়াত যদুপতি নামটোৱে ভগৱান 'শ্ৰীকৃষ্ণ' বুজাইছে।

সমস্ত নামঘোষা মাধৱদেৱৰ আজীৱন সাধনাৰ ফল বুলিব পাৰি, চৈধ্য বছৰ ছমাহ কালত পূৰ্ণ কৰা শাস্ত্ৰখন সম্পৰ্কত তেৰাই উল্লেখ কৰি গৈছে- 'গুৰু সেৱা কৰি মই যিবা সত্য পালো। সমস্তকে আনি ঘোষা শাস্ত্ৰত লিখিলো।। শাস্ত্ৰ বিচাৰিয়া মই যিবা তত্ত্ব পালো। সমস্তকে আনি ঘোষা শাস্ত্ৰে নিবন্ধিলো।।' সেয়েহে ঘোষা শাস্ত্ৰখনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ দ্বাৰা প্ৰৱৰ্তিত একশৰণ হৰিনাম ধৰ্মৰ সমস্ত তত্ব মৰ্ম নামঘোষাত আৰোপিত কৰা হৈছে। এই ভাগৰ অতি গুৰুত্বপূৰ্ণ বিশ্লেষণ, আলোচনা, অধ্যয়ন আৰু গৱেষণা কৰাৰ প্ৰয়োজন নিশ্চয় আছে আৰু কৰা উচিত।

মহাপুৰুষ মাধৱদেৱেও তেৰাৰ প্ৰয়াণৰ আগত ভকত সকলৰ আলাপন প্ৰসংগত ভকতৰ প্ৰশ্নত ঘোষাশাস্ত্ৰখনৰ বিষয়ে কৈছিল-

'পৃথিৱীৰ ধৰ্মশাস্ত্ৰ আছে য'ত য'ত।
সমস্তৰে সাৰ আছে ঘোষাৰ মধ্যত।।
নশ্বৰ আমাৰ দেহা হৈবেক গত।
কিন্তু মোৰ আত্মা ৰৈব ঘোষাৰ মধ্যত।।

মহাপুৰুষ গুৰুজনাই নিজে কীৰ্তন দশমত অৱস্থান কৰি নামধৰ্মৰ দিক্ দৰ্শন কৰি আছে আৰু মাধৱ পুৰুষে ঘোষা ৰত্নাৱলীত অৱস্থান কৰি নামধৰ্মক সকলোৰে প্ৰাণত প্ৰতিষ্ঠা কৰি সজীৱ কৰি ৰাখিছে। ভক্তিকেন্দ্ৰিক শাস্ত্ৰ নামঘোষা ভক্তি প্ৰকাশক গ্ৰন্থ। প্ৰথম ঘোষাতে ৰসময় ভকতি কামনাৰে ভজো হেন যদুপতি বুলি আৰম্ভ কৰি শেষত ভগৱন্ত ভজনেৰে সামৰণি কৰিছে।

ভগৱন্ত ভজিয়া জনম ৰাহুভাৱে।
আন যত সৱ মিছা ভক্তিৰ অভাৱে।।
জানিয়া ভজিয়ো ভাই ভগৱন্ত পাৱে।
এহু ৰস মাধৱ মুৰুখমতি গাৱে।। ((১০০১)

❑❑❑

* মানৱ সেৱাৰ মাজেদিয়েই মই ঈশ্বৰক পাবলৈ যত্ন কৰিছো। কাৰণ মই জানো যে, ঈশ্বৰ স্বৰ্গতো নাই পাতালতো নাই, আছে মাথোঁ প্ৰত্যেকৰে অন্তৰত।
— মহাত্মা গান্ধী

* গভীৰ জ্ঞানৰ কথা কেৱল মানুহৰ মগজুৰ পৰা নোলায়; হৃদয়ৰ পৰাও জ্ঞানৰ কথা ওলাব পাৰে। হৃদয়ৰ জ্ঞানৰ তুলনাত আন সকলো জ্ঞানক তুচ্ছ বুলি ভাবিবলৈ নিশিকিলে আমি জীৱনৰ আচল অৰ্থ কেতিয়াও বুজিব নোৱাৰিম।
—হোমেন বৰগোহাঞি

# গান্ধীজীৰ দৃষ্টিত স্বাধীনতাৰ ধাৰণা

আব্দুল মজিদ
প্ৰাক্তন সভাপতি, খাৰুপেটীয়া মহাবিদ্যালয় পৰিচালনা সমিতি

গান্ধীজীক জাতিৰ পিতা বুলি কোৱা হয়। এয়া কোনো নতুন ব্যাখ্যা নহয়। পিতৃয়ে যেনেকৈ সত্য পথত চলাৰ জ্ঞান আৰু মাৰ্গ দৰ্শন দিয়ে গান্ধীজীয়েও তেনেকৈ ভাৰতবাসীক আলোক পথৰ সন্ধান দিছিল।

"মুগ্ধ হব আলোক পথৰ যাত্ৰী
শেষ হব শেষ নোহোৱা ৰাত্ৰি।"

জীৱন যাত্ৰাত মানুহে দুটা পথৰ সন্মুখীন হয়। এটা হ'ল সুষম আৰু আনটো হ'ল কণ্টকময়। মহাত্মাই মানুহক সুষম পথৰ সন্ধান দিছিল। স্বাধীনতা আৰু দেশ বিভাজনৰ পিছত নৱ ভাৰত গঢ়াৰ বাবে গান্ধীজীয়ে অক্লান্ত পৰিশ্ৰম কৰিবলগীয়া হৈছিল; যাতে বিচিত্ৰময় ভাৰতবৰ্ষত বিভিন্ন ধৰ্ম, ভাষা, সংস্কৃতিৰ অনৈক্যৰ মাজত ঐক্য সাধিত হয় আৰু ভাতৃত্ববোধৰ এনাজৰীডাল দুৰ্বল নহয়। গান্ধীজীৰ মতে 'যুদ্ধ কেতিয়াও অধিকাৰ ৰক্ষাৰ মাঁপকাঠি হব নোৱাৰে (War is not means to Get the right end) গান্ধীজীৰ এই বাণী হৃদয়ঙ্গম কৰি ১৯৬১ চনত গান্ধী আদৰ্শত বিশ্বাসী ডাঃ জি.চি. কুমাৰাম্পাই ইউৰোপ ভ্ৰমণৰ সময়ত এইদৰে লিখিছিল— 'যুদ্ধ কেতিয়াও বাহ্যিক কাৰণত সৃষ্টি নহয়, যুদ্ধ সৃষ্টি হয় মানুহৰ মাজত থকা হিংসাত্মক অনুভূতিৰ দ্বাৰা।' সেয়েহে গান্ধীজীৰ দৃষ্টিত ভাৰতৰ নৱ প্ৰজন্মই পৰস্পৰৰ মাজত হিংসাত্মক অনুভূতিবোৰ নিয়ন্ত্ৰণ কৰা নাইবা হিংসাত্মক অনুভূতিৰ ৰিপুবোৰ দমন কৰা।

**মহাত্মা গান্ধীৰ দৃষ্টিত স্বাধীনতা, সমাজ আৰু জীৱশ্ৰেষ্ঠ মানৱঃ**

গান্ধীজীয়ে ভাৰতৰ স্বাধীনতা সঙ্কীৰ্ণ অৰ্থত ব্যাখ্যা নকৰি ইয়াক বহল ব্যাখ্যা কৰি এইদৰে কৈছে-"Liberation of India of sometime I tried to achieve liberation of mankind"— এই মন্ত্ৰ সাৰোগত কৰি মহাত্মা গান্ধীয়ে বিশ্বৰ বিভিন্ন প্ৰান্তত দাসত্বৰ শিকলিৰে বন্দী হৈ থকা সকলৰ মুক্তি কামনা কৰিছিল আৰু সক্ৰীয়ভাৱে অংশ গ্ৰহণ কৰি বিশ্বৰ বিভিন্ন প্ৰান্তত থকা জনগণক অনুপ্ৰাণিত কৰিছিল।

*গান্ধীজীৰ মতে 'যুদ্ধ কেতিয়াও অধিকাৰ ৰক্ষাৰ মাঁপকাঠি হব নোৱাৰে (War is not means to Get the right end) গান্ধীজীৰ এই বাণী হৃদয়ঙ্গম কৰি ১৯৬১ চনত গান্ধী আদৰ্শত বিশ্বাসী ডাঃ জি.চি. কুমাৰাম্পাই ইউৰোপ ভ্ৰমণৰ সময়ত এইদৰে লিখিছিল— 'যুদ্ধ কেতিয়াও বাহ্যিক কাৰণত সৃষ্টি নহয়, যুদ্ধ সৃষ্টি হয় মানুহৰ মাজত থকা হিংসাত্মক অনুভূতিৰ দ্বাৰা।'*

আফ্ৰিকাত কৃষ্ণবৰ্ণ সকলক শ্বেতবৰ্ণ ইংৰাজ সকলৰ দাসত্বৰ পৰা মুক্তি কৰাৰ হকে গান্ধীজীয়ে দক্ষিণ আফ্ৰিকাত উপস্থিত হৈ কৃষ্ণবৰ্ণসকলক স্বাধীনতাৰ প্ৰতি অনুপ্ৰাণিত কৰি নিজেই সেই আন্দোলনৰ গুৰিবঠা ধৰিছিল।



গান্ধীজীৰ মতে আইন মানি চলা প্ৰতিজন নাগৰিকৰ পবিত্ৰ কৰ্ত্তব্য; কিন্তু দেশমাতৃক বিদেশী শাসনৰ পৰা মুক্ত কৰিবলৈ বিদেশীয়ে প্ৰৱৰ্তন কৰা আইন অমান্য কৰাটো সচেতন নাগৰিকৰ কৰ্ত্তব্য। গান্ধীজীৰ 'আইন অমান্য আন্দোলন' আৰু 'অসহযোগ আন্দোলনে' দেশৰ জনতাৰ মাজত এক নতুন আলোড়নৰ সৃষ্টি কৰিছিল। ১৮ জুলাই ১৯২০ চনত গান্ধীজীয়ে সেইমৰ্মে প্ৰথম বাৰৰ বাবে 'আইন অমান্য আন্দালন' ঘোষণা কৰিছিল। ফলত ইংৰাজ সকলৰ কু-শাসন ব্যৱস্থাৰ প্ৰতি ভাবুকিৰ সৃষ্টি হয়। কঠোৰ দমন নীতিয়েও এই আন্দোলন ম্লান কৰিব নোৱাৰিছিল। 'আইন অমান্য আন্দোলন'ৰ সমান্তৰালকৈ গান্ধীজীয়ে 'অসহযোগ আন্দোলনৰো' এলানি কাৰ্য্যসূচী ঘোষণা কৰি ইংৰাজে দিয়া উপাধি বৰ্জন কৰি, আদালত বৰ্জন কৰি, গোচৰবোৰ নিজৰ ভিতৰত নিষ্পত্তি কৰা, বিদেশী বস্ত্ৰ বৰ্জন কৰি দেশীয় বস্ত্ৰ প্ৰস্তুত কৰা ইত্যাদি কাৰ্য্যপন্থা হাতত লোৱাৰ ফলত ইংৰাজসকল বিমোৰত পৰিছিল।

স্বাধীনতাৰ ধাৰণা ব্যাখ্যা কৰি গান্ধীজীয়ে কৈছে— 'দুখীয়াৰ পঁজালৈ যেতিয়ালৈকে স্বাধীনতাৰ পোহৰ নপৰে যেতিয়ালৈ দুখীয়াৰ মনৰ পৰা ভয় আঁতৰ নহয়, তেতিয়ালৈ স্বাধীনতাৰ ধাৰণাৰ প্ৰকৃত মূল্য পোৱা নাযায়।' গ্ৰামীণ বিকাশ আৰু দুখীয়াৰ ভগা পঁজাবোৰৰ উন্নতি সাধন হলেহে প্ৰকৃততে স্বাধীনতা পোৱা বুলি কব পাৰি। গান্ধীজীৰ স্বাধীনতাৰ ধাৰণা (Concept of freedom) ১৯৯০ চনত বিশ্ব শান্তি পৰিষদত উত্থাপন কৰা হয়। বসন্তৰ আগমনত যেনেকৈ প্ৰকৃতিয়ে নতুনত্ব লাভ কৰে আৰু যৌৱনপ্ৰাপ্ত হয়, তেনেকৈ স্বাধীনতা বা মুক্তিয়ে আমাৰ জীৱন সঞ্জীৱিত কৰি তোলে, অৰ্থাৎ স্বাধীনতা এটা জাতিৰ মৃত্যু সঞ্জীৱনী।

মহাত্মা গান্ধীৰ মতে, ৰাজনৈতিক স্বাধীনতা মানে এঠাইৰ পৰা আন ঠাইলৈ ৰাজধানী স্থানান্তৰ কৰা (According to Gandhiji political freedom means only change of capital from one place to another) স্বৰাজ বা মুক্তিৰ দেশবাসীক সকলো শোষণ নিষ্পেষণৰ পৰা মুক্ত কৰা আৰু অত্যাধিক চৰকাৰী নিয়ন্ত্ৰণৰ পৰা মুক্তি পোৱা।

ঋষিমুণি সকলে উদ্ভাৱন কৰা ভাৰতীয় সমাজ ব্যৱস্থাৰ মূল বিষয়বস্তু হৈছে 'অহিংসা নীতি' যিটো গান্ধীজীৰ মূল সাধনা। গান্ধীজীৰ মতে, 'অহিংসা নীতি নিউটনৰ শক্তিত কৈয়ো শক্তিৱান আৰু অশুভ শক্তিতকৈয়ো অতি শক্তিশালী'। গান্ধীজীৰ এই নীতি আজি সমগ্ৰ বিশ্বত সমাদৃত।

❑❑❑

* নেতিবাচক চিন্তা চৰিতাৰ্থ কৰি আজিলৈকে কোনোৱে পৃথিৱীত অবিস্মৰণীয় হ'ব পৰা নাই। ইতিবাচক লোক সকলক মানুহে চিনি পোৱাত পলম হয়। কিন্তু তেওঁলোক মৰিও অমৰ হয়।

—ড০ পাৰ্থ চট্টোপাধ্যায়

* জীৱনৰ সমস্ত কলাৰে শ্ৰেষ্ঠ কলা হৈছে ভালদৰে জীয়াই থাকিব জনাটো। যি এইদৰে জীয়াই থাকিব জানে তেৱেঁই প্ৰকৃত কলাকাৰ।

—ৰবীন্দ্ৰ নাথ ঠাকুৰ

# অসমীয়া অনুবাদ নাটক

ড০ মিচিৰা পাৰবিন
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

অসমীয়া নাট্য সাহিত্যৰ ইতিহাস বহু পুৰণি। পঞ্চদশ শতিকাত মহাপুৰুষ শংকৰদেৱে যেতিয়া অসমীয়া (ব্ৰজবুলি) ভাষাত নাটক (অংকীয়া ভাওনা) ৰচনা কৰিছিল তেতিয়া বিশ্ববৰেণ্য নাট্যকাৰ শ্বেক্সপীয়েৰৰ জন্মই হোৱা নাছিল। (শ্বেক্সপীয়েৰৰ জন্ম ১৫৬৪ খৃঃত) এটা দীঘলীয়া সময় গুৰুজনাৰ অংকীয়া নাট ভাওনাই অসমীয়া মানুহৰ হৃদয় মন জয় কৰি ৰাখিছিল। কালক্ৰমত ইংৰাজসকলে ভাৰতবৰ্ষ শাসন কৰাত পাশ্চাত্যৰ ভাৱাদৰ্শ ভাৰতীয় সাহিত্যৰ লগতে অসমীয়া সাহিত্যতো সোমাই পৰিল। বৰ্তমানৰ আধুনিক নাটক সম্পূৰ্ণৰূপে পাশ্চাত্য নাট্যদৰ্শৰ ফচল। তাত শংকৰদেৱৰ নাট ভাওনাৰ প্ৰভাৱ নাই বুলিয়েই কব পাৰি। তথাপি অসমীয়া নাটকৰ জন্মদাতাৰ স্বীকৃতি শংকৰদেৱৰ এককভাৱে প্ৰাপ্য।

বৰ্তমান আধুনিক অসমীয়া নাটক ভাৰতৰ অন্যান্য প্ৰদেশৰ নাটকৰ তুলনাত অতি উচ্চমানদণ্ডৰ বুলি বিবেচিত হৈছে। অসমৰ বাহিৰতো অসমীয়া নাটকে দৰ্শকৰ পৰা অভূতপূৰ্ব জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। আনকি সৰ্বভাৰতীয় পৰ্যায়ত অসমীয়া নাট্যকাৰৰ নাটকে সৰ্বশ্ৰেষ্ঠ নাটকৰ সন্মান লাভ কৰিছে। আমি এই লেখাত অন্যান্য ভাষাৰ পৰা অসমীয়া ভাষালৈ অনুবাদ কৰা নাটকৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰিছোঁ।

অসমীয়া নাট্যকাৰসকলে মৌলিক নাটক ৰচনা কৰাৰ উপৰিও দেশী বিদেশী ভালেমান নাট্যকাৰৰ উল্লেখযোগ্য নাটকবোৰ অসমীয়া ভাষালৈ অনুবাদ কৰিছে। অনুবাদ কাৰ্যত অসমীয়া নাট্যকাৰসকল পিছপৰি থকা নাই। এনে অনুদিত নাটকবোৰ দৰ্শকে আদৰি লোৱাও দেখা গৈছে। বিশেষকৈ নাটকবোৰ আমাৰ জন-জীৱনৰ লগত খাপ খুৱাই অনুবাদ কৰা বাবে মঞ্চত বিশেষ জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। সংখ্যাত কম হ'লেও এনে অনুদিত নাটকে অসমীয়া নাটকৰ সমৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। অসমীয়ালৈ অনুদিত বা অভিযোজিত বিদেশী নাটকৰ ভিতৰত বিশ্ববিশ্ৰুত ইংৰাজী নাট্যকাৰ শ্বেক্সপীয়েৰৰ নাটকৰ সংখ্যাই সৰ্বাধিক। শ্বেক্সপীয়েৰৰ নাটকবোৰে ঊনবিংশ শতিকাৰ শেষ দশকৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে অসমীয়া নাট্যকাৰ সকলক



বিশেষভাৱে আকৰ্ষণ কৰি আহিছে। এই আকৰ্ষণৰ ফলতেই তেওঁৰ প্ৰায় আটাইবোৰ নাটক অসমীয়ালৈ অনুবাদ কৰা হৈছে। এই কাৰ্যৰদ্বাৰা বিশ্বশ্ৰেষ্ঠ নাট্যকাৰজন অসমীয়া দৰ্শক পাঠকৰ মাজত অধিক জনপ্ৰিয় হোৱাৰ উপৰিও অসমীয়া নাট ৰচনাৰ এটা নতুন পৰম্পৰা সৃষ্টি হ'ল। শ্বেক্সপীয়েৰৰ পিছতেই নৰৱেৰ নাট্যকাৰ হেনৰিক ইবচেনৰ ভালেমান নাটক অসমীয়ালৈ অনুবাদ হোৱাটো মন কৰিবলগীয়া। আমাৰ ভাৰতীয় নাট্যকাৰৰ ভিতৰত মহাকবি কালিদাস আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ সৰহসংখ্যক নাচকৰ অনুদিত ৰূপ অসমীয়া ভাষাত প্ৰকাশ পাইছে।

অসমীয়া ভাষালৈ অনুবাদ হোৱা শ্বেক্সপীয়েৰৰ প্ৰথমখন নাটক 'Comedy of Errors'। 'ভ্ৰমৰঙ্গ' নাম দি ১৮৮৭-৮৯ খৃষ্টাব্দৰ ভিতৰত অসমীয়া ৰূপান্তৰ কৰিছিল কলিকতা প্ৰবাসী চাৰিজন অসমীয়া ছাত্ৰই। তেওঁলোক হ'ল- ৰত্নধৰ বৰুৱা, ঘনশ্যাম বৰুৱা, ৰমাকান্ত বৰকাকতি আৰু গুঞ্জাণন বৰুৱা। অসমীয়া পৰিবেশত কৰা অনুবাদে 'ভ্ৰমৰংগ'ক বিশেষভাৱে জনপ্ৰিয় কৰি তুলিছিল আৰু সেই সময়ত অভিনয়ৰ বাবে সকলোৱে নাটখন গ্ৰহণ কৰিছিল। 'চন্দ্ৰাৱলী' নামেৰে শ্বেক্সপীয়েৰৰ বিখ্যাত কমেদি 'As you Like It' অসমীয়ালৈ অনুবাদ কৰে দুৰ্গেশ্বৰ শৰ্মাই। তেওঁ 'Cymbeline' ও অনুবাদ কৰে 'পদ্মাৱতী' নামেৰে। অৱশ্যে অনুবাদ নুবুলি অভিযোজনা বোলাহে উচিত হ'ব। দুৰ্গেশ্বৰ শৰ্মাই মহাকবিজনাৰ নাটকৰ কেৱল জকাটোহে লৈছে। চৰিত্ৰ, পটভূমি, ভাৱ-চিন্তা সকলো অসমীয়া পৰিবেশত অংকন কৰিছে। পদ্মধৰ চলিহাই আকৌ 'Romeo and Juliet' ৰ অনুবাদ কৰে 'অমৰলীলা' নামেৰে। দেবানন্দ ভৰালীৰ 'Macbeth'ৰ অনুবাদ 'ভীমদৰ্প' এখন উল্লেখযোগ্য অনুবাদ নাটক।

শৈলধৰ ৰাজখোৱাই শ্বেক্সপীয়েৰৰ দুখন নাটকৰ অসমীয়া অনুবাদ কৰিছিল। 'Othelo' আৰু 'Twelfth Night' যথাক্ৰমে 'ৰণজিৎ সিং' আৰু 'মনৰ মানুহ' নামেৰে। নবীনচন্দ্ৰ বৰদলৈৰ শ্বেক্সপীয়েৰৰ প্ৰতি বিশেষ অনুৰাগ আছিল। তেওঁ শ্বেক্সপীয়েৰৰ চাৰিখন নাটকৰ অনুবাদ কৰাৰ পৰাই ইয়াৰ প্ৰমাণ পোৱা যায়। তেওঁৰ 'দন্দুৰী' (Taming of the Shrew), 'তৰুণ কাঞ্চন' (Troilus and Cresida), 'ভ্ৰান্ত বিনোদ' (As you Like It) আৰু 'বিষাদ কাহিনী' (King Lear) শ্বেক্সপীয়েৰৰ নাটকৰ ৰস আস্বাদন কৰাইছিল। ভালেসংখ্যক মৌলিক নাটকৰ স্ৰষ্টা অতুল চন্দ্ৰ হাজৰিকাৰ 'বণিজ কোঁৱৰ' আৰু 'অশ্ৰুতীৰ্থ' শ্বেক্সপীয়েৰৰ Merchant of Venice আৰু King Lear নাটকৰ অভিযোজিত নাট্যৰূপ।

অসমীয়া নাট্যসাহিত্যৰ ভঁড়াল সমৃদ্ধ কৰাত সত্যপ্ৰসাদ বৰুৱাৰ অৱদান সৰ্বজনবিদিত। এজন ভাল অভিনেতা হিচাপে খ্যাত বৰুৱাই শ্বেক্সপীয়েৰৰ বিখ্যাত ট্ৰেজেদি Othelo আৰু Macbethৰ অনুবাদ কৰে একে নামেৰে। শ্বেক্সপীয়েৰৰ শ্ৰেষ্ঠতম ট্ৰেজেদি Hamletৰ আধাৰত কীৰ্তিকমল ভূঞাই 'হেমলেট' বোধনাথ পটঙ্গীয়াই 'চন্দ্ৰবীৰ' আৰু অমৃতজ্যোতি মহন্তই 'হেমলেট' ৰচনা কৰে। দীনেশ শৰ্মায়ো উক্ত নাট্যকাৰজনৰ দুখন নাটক অনুবাদ কৰে। Julius Ceasar আৰু Merchant of Veniceৰ অসমীয়া নাট্যৰূপ ক্ৰমে 'জুলিয়াচ চিজাৰ' আৰু 'মাৰ্চেণ্ট অৱ ভেনিচ'। কুমুদেশ্বৰ বৰঠাকুৰেও 'জুলিয়াচ চিজাৰ' অনুবাদ কৰে। দয়ানন্দ পাঠকে শ্বেক্সপীয়েৰৰ Romeo and Juliet, Hamlet, Julius Ceasar আৰু Measure for Measureৰ অসমীয়ালৈ অনুবাদ কৰে নাম সলনি নকৰাকৈ। পাঠকৰ নাটককেইখনে অসমীয়া দৰ্শক পাঠকৰ মাজত শ্বেক্সপীয়েৰক জনপ্ৰিয় কৰি তোলাত বিশেষ অৰিহণা যোগাব পাৰিছে।

শ্বেক্সপীয়েৰৰ পিছতেই অসমীয়া নাট্যকাৰক সৰ্বাধিক আকৰ্ষণ কৰা পাশ্চাত্যৰ নাটকবোৰৰ ভিতৰত ইবচেনৰ নাটকেই সৰ্বাধিক। নৰৱেৰ প্ৰখ্যাত নাট্যকাৰ হেনৰিক ইবচেনৰ সৰহ সংখ্যক নাটকেই অসমীয়া ভাষালৈ অনুদিত হৈছে। ইবচেনৰ The Warriors of Helgeland নাটকখন সুৰেশ গোস্বামীয়ে 'ৰুণুমী' নামেৰে অনুবাদ কৰে। পদ্ম বৰকটকীৰ 'পুতলা ঘৰ' এখন মঞ্চসফল নাটক। নাটখন ইবচেনৰ A Doll's House নাটকৰ অসমীয়া অভিযোজনা। সত্যপ্ৰসাদ বৰুৱাৰ মৌলিক নাটকৰ লগতে অনুবাদ নাটকলৈয়ো অৰিহণা আছে। তেওঁ ইবচেনৰ 'An Enemy of the People', 'The Wild Duck' আৰু 'King Oedipus' নামৰ নাটক তিনিখন ক্ৰমে 'গণশত্ৰু', 'বনহংসী' আৰু 'ৰজা অডিপাছ' নামেৰে অসমীয়ালৈ অনুবাদ কৰে। বৰুৱাৰ অনুদিত আটাইকেইখন নাটকেই দৰ্শকৰ পৰা উৎসাহজনক সঁহাৰি লাভ কৰিব পাৰিছে। মহেন্দ্ৰ বৰায়ো ইবচেনৰ বিখ্যাত নাটক 'Ghost'ৰ সাৱলীল অনুবাদ আগবঢ়াই 'ভূত' নামকৰণেৰে।

ইবচেনৰ 'An Enemy of the Poeple'ৰ একাধিক ব্যক্তিয়ে অনুবাদ কৰিছে, তাৰে ভিতৰত শশী শৰ্মাৰ 'গণশত্ৰু' আৰু অমৰেন্দ্ৰ কলিতাৰ 'এন এনিমি অব দি পিপ'ল' উল্লেখযোগ্য। নাট্যকাৰ যোগেন চেতিয়ায়ো কেবাখনো বিদেশী নাটকৰ অসমীয়া অনুবাদ কৰে। তেওঁৰ 'সতৰ্ক-প্ৰহৰী' কাৰ্ভেণ্টিজৰ 'The Vigiland Sentinal'ৰ অনুবাদ; 'চেনেহৰ সোঁতা', ষ্টেনলি হ'টনৰ 'The Bear Departer'ৰ অনুবাদ; 'বেং', ইউৰিপীডউছৰ 'The Frogs'ৰ অনুবাদ বিশেষভাৱে উল্লেখয্যেগ্য।

বাণীকান্ত কাকতি ঘাইকৈ ভাষাতত্ত্ববিদ আৰু চিন্তাশীল লেখক হিচাপেহে আমাৰ মাজত পৰিচিত হ'লেও গ্ৰীক নাট্যকাৰ ইউৰিপীডউছৰ বিখ্যাত নাটক 'The Clouds'ৰ অসমীয়া অনুবাদ কৰি তেওঁ নাট্যসাহিত্যৰ লগতো জড়িত হৈ পৰিছে। অনুদিত নাটকখনৰ নাম 'ডাৱৰ'। লোকসংস্কৃতিৰ গৱেষক পণ্ডিত প্ৰফুল্লদত্ত গোস্বামীৰো অনুবাদ নাটকলৈ অৰিহণা আছে। তেওঁ আয়াৰলেণ্ডৰ নাট্যকাৰ লেডী গ্ৰেগৰীৰ জনপ্ৰিয় নাটক Rising of the Moon'ৰ অনুবাদ কৰে 'জোনৰ পোহৰ' নামেৰে। তদুপৰি গ্ৰীক নাট্যকাৰ চফ'ক্লিজৰ 'Antigone' 'এণ্টিগণি' নামেৰেই অনুবাদ কৰে। তছদ্দুক ইউছুফ আৰু ডম্বৰু দাসৰ 'নাট্যকাৰৰ সন্ধানত' এখন উৎকৃষ্ট অনুবাদ নাটক। এই নাটকখন প্ৰখ্যাত ইটালিয়ান নাট্যকাৰ লুইজি পিৰানদেলোৰ বিখ্যাত নাটক 'Six Characters of an Author'ৰ সুন্দৰ অনুবাদ। এটা নতুন নাট্যধাৰাৰ প্ৰবৰ্তক ফৰাচী নাট্যকাৰ চেমুৱেল বেকেটৰ বিশ্ববিখ্যাত উদ্ভট নাটক (Absurd Drama) 'Waiting for Godot'ৰ অসমীয়া অনুবাদ কৰে নাট্যসমালোচক শৈলেন ভৰালীয়ে 'গডোৰ অপেক্ষাত' নামেৰে। আনহাতে ইউজিন আয়নেস্কৰ 'Rhinocros' অতি জনপ্ৰিয় উদ্ভট নাটক। কবি অজিৎ বৰুৱাই এই নাটকখন 'গড়' নামেৰে অসমীয়ালৈ অনুবাদ কৰে। শৈলেন ভৰালী আৰু অজিৎ বৰুৱাৰ অনুদিত নাটকে মঞ্চত দৰ্শকৰ পৰা যথেষ্ট সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছে। অজিৎ বৰুৱাই এলবাৰ্ট কেমুৰ নাটকৰো অসমীয়া নাট্যৰূপ দিছে। কেমুৰ Les Justes নামৰ নাটকৰ অনুবাদ 'ন্যায়নিষ্ঠা' নাট্যসাহিত্যৰ এখন উল্লেখনীয় নাটক।

প্ৰখ্যাত জাৰ্মান নাট্যকাৰ এপিক থিয়েটাৰৰ প্ৰৱৰ্তক বাৰ্টোল্ট ব্ৰেখটৰ নাট্যৰীতিয়ে অসমীয়া নাট্যকাৰসকলক বাৰুকৈয়ে প্ৰভাৱিত কৰিছে। সংখ্যাত কম হ'লেও তেনে ৰীতিৰ নাটক অসমীয়া নাট্যসাহিত্যত কিছু আছে। আনহাতে অসমীয়া নাট্যকাৰে তেওঁৰ নাটকৰ অসমীয়া অনুবাদো কৰিছে। ব্ৰেখটৰ বিখ্যাত নাটক Mother Courageৰ অনুবাদ কৰে ক্ৰমে পবিত্ৰ কুমাৰ ডেকা আৰু ৰত্ন ওজাই। দুয়োজনে 'মা' নামেৰে নামকৰণ কৰা নাটক দুখনৰ সফল মঞ্চায়নো হয়। জে.বি. প্ৰিষ্টলি এজন প্ৰখ্যাত ইংৰাজ নাট্যকাৰ। তেওঁৰ An Inspector Calls নাট্যসাহিত্যৰ লগত সম্পৰ্ক থকা সকলোলোকৰে চিনাকি নাটক। এই বিখ্যাত নাচকখনো অসমীয়া তিনিগৰাকী নাট্যকাৰে বেলেগে বেলেগে অনুবাদ কৰিছে। তেওঁলোক হ'ল তছদ্দুক ইউছুফ, ফণী শৰ্মা আৰু ভবেন্দ্ৰ নাথ শইকীয়া। বাৰ্ণাড শ্ব'ৰ Pygmalionৰ দুলাল ৰয়ে কৰা অসমীয়া অনুবাদ 'প্ৰেয়সী', আগাথা কৃষ্টিৰ The Mousetrap ৰাম গোস্বামীয়ে কৰা অসমীয়া অনুবাদ 'পিঞ্জৰা', অস্কাৰ ওৱাইভৰ The Importance of Being Earnestৰ প্ৰফুল্ল বৰুৱাই কৰা অসমীয়া অনুবাদ 'বিভ্ৰাট' আৰু জে.বি. প্ৰিষ্টলিৰ Dangerous Cornerৰ শুচিব্ৰতা ৰায়চৌধুৰীয়ে কৰা অনুবাদ 'বিপদ সীমা'ই অসমীয়া অনুবাদ নটকৰ ভঁড়াল চহকী কৰাত বিশেষ সহায় কৰিছে।

ভাৰতীয় নাটকৰ ভিতৰত সংস্কৃত ভাষাৰ ভালেমান নাটক অসমীয়ালৈ অনুবাদ হৈছে। প্ৰাচীন কালৰে পৰা সংস্কৃত ভাষাত ৰচিত কালিদাসৰ নাটকবোৰে সমগ্ৰ ভাৰতীয় লোকৰে হৃদয় জয় কৰি আহিছে। তেওঁৰ অমৰ সৃষ্টি 'অভিজ্ঞান শকুন্তলম'ৰ অনুবাদ কৰিছিল অতুলচন্দ্ৰ হাজৰিকাই 'শকুন্তলা' নামেৰে। তেওৰ 'মালবিকাগ্নিমিত্ৰ' অনুবাদ কৰে ক্ৰমে উমাকান্ত মিশ্ৰ আৰু কামেশ্বৰ বৰাই। কামেশ্বৰ বড়াই কালিদাসৰ অন্য এখন প্ৰখ্যাত নাটক 'বিক্ৰমোবৰ্শীয়ম'ৰ অনুবাদ কাৰ্যও সম্পন্ন কৰে। এইখিনিয়েই নহয় কালিদাসৰ আৰু আন নাটককেইখনো অসমীয়ালৈ বিভিন্নজনে অনুবাদ কৰিছে।

ভাৰতীয় প্ৰাচীন নাট্যকাৰসকলৰ ভিতৰত শূদ্ৰকৰ স্থান আগশাৰীত। 'মৃচ্ছকটিক' নাটকে সংস্কৃত সাহিত্যৰ ইতিহাসত এওঁৰ নাম অমৰ কৰি ৰাখিছে। এই বিখ্যাত সংস্কৃত নাটকখন অনুবাদ কৰিছে 'ৰাজনটী' নামেৰে। 'মৃচ্ছকটিক'ৰ অনুবাদ কৰি অনুবাদক প্ৰভাত শৰ্মা ধন্য হৈছে। অৱশ্যে থানেশ্বৰ শৰ্মা আৰু ভবেন হাজৰিকায়ো শূদ্ৰকৰ নাটকখন বেলেগে বেলেগে সুন্দৰ অনুবাদ কৰিছে। বিশাখ দত্তৰ 'মুদ্ৰৰাক্ষস' ৰজনীকান্ত দেৱশৰ্মাই অনুবাদ কৰে 'মুদ্ৰাৰাক্ষস' নামেৰে। ৰাজশেখৰৰ 'কৰ্পূৰ মঞ্জৰী' এখন সৰ্বজনপ্ৰিয় নাটক।



নাটকখন প্ৰাকৃত (মহাৰাষ্ট্ৰী আৰু শৌৰশেনী প্ৰাকৃত) ভাষাত ৰচিত। সংস্কৃত ভাষাৰ বিদগ্ধ পণ্ডিত মুকুন্দ মাধৱ শৰ্মাই 'কৰ্পূৰ মঞ্জৰী'ৰ লগতে মহাকবি ভাসৰ স্বপ্ন বাসবদত্তাৰো অনুবাদ কৰে। ভাসৰ উক্ত নাটকখন ডিম্বেশ্বৰ ভট্টাচাৰ্যয়ো অনুবাদ কৰে। 'উত্তৰ ৰাম চৰিত' ভৱভূতিৰ 'উত্তৰ ৰাম চৰিত'ৰ পূৰ্ণানন্দ চৌধুৰীয়ে কৰা অসমীয়া অনুবাদ। সাহিত্যৰ নবেল বঁটা বিজয়ী ৰবীন্দ্ৰনাথ ঠাকুৰৰ লেখনিৰ জনপ্ৰিয়তা সৰ্বজনবিদিত। আনকি ভাৰতৰ বাহিৰতো তেওঁৰ লিখনিৰ পাঠক আছে। তেওঁৰ নাটকবোৰেও আন নাট্যকাৰৰ লগতে অসমীয়া নাট্যকাৰকো প্ৰভাৱিত কৰি আহিছে। সেই বাবেই অসমীয়া নাট্যকাৰে ৰবীন্দ্ৰনাথৰ নাট অসমীয়ালৈ অনুবাদ কৰি অসমীয়া নাট্যৰসিকক তেওঁৰ নাটকৰ সোৱাদ দিবলৈ চেষ্টা কৰিছে। এই চেষ্টাত তেওঁলোক সফলো হৈছে। ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'বিসৰ্জন' (অতুলচন্দ্ৰ হাজৰিকাৰ 'বিসৰ্জন'), 'চিত্ৰাংগদা' (বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'চিত্ৰাংগদা), 'চিৰকুমাৰ সভা' (আব্দুল মালিকৰ 'চিৰকুমাৰ সভা'), 'ৰাজা' (মহেন্দ্ৰ বৰাৰ 'ৰাজা'), 'ডাকঘৰ' (নিৰ্মলপ্ৰভা বৰদলৈৰ 'ডাকঘৰ') 'মুক্তধাৰা' (নৱকান্ত বৰুৱাৰ 'মুক্তধাৰা') 'ৰক্তকৰবী' (কেশৱ মহন্তৰ 'ৰক্তকৰবী' আৰু ৰাম গোস্বামীৰ 'নটীৰ পূজা') আদি কেবাখনো নাটক অসমীয়ালৈ অনুদিত হৈছে।

ওপৰত উল্লিখিত অনুদিত নাটকবোৰৰ কিছুমান মূলৰপৰা হুবহু অনুবাদ আৰু কিছুমান কেৱল ভাবানুবাদহে। আন কিছুমান নাটক আকৌ অসমীয়া সাঁচত ঢালি একেবাৰেই অসমীয়া কৰি পেলাইছে। অনুবাদেই হওঁক বা অভিযোজনাই হওঁক এই কাৰ্যৰ দ্বাৰা বিশ্বসাহিত্যৰ লগত যোগসূত্ৰ স্থাপন কৰিব পৰা যায়। বেলেগ ভাষাৰ জ্ঞান নথকা লোকেও সেই সাহিত্যৰ ৰস আস্বাদন কৰিব পাৰে লগতে নিজৰ জাতীয় সাহিত্যৰ মানদণ্ডও উপলব্ধি কৰিব পাৰে। অসমীয়া নাট্যকাৰসকলে অন্যান্য ভাষাৰ নাটক অসমীয়া ভাষালৈ অনুবাদ কৰি অসমীয়া নাট্যসাহিত্যক সমৃদ্ধ কৰাই নহয় অজস্ৰজন নাট্যৰসিকক বিশ্ব নাট্য সাহিত্যৰ লগত পৰিচয় কৰাই দিছে।

❑❑❑

* এখন ভাল কিতাপ সকলো বন্ধুতকৈ আপোন, কাৰণ বন্ধুসকল কেনেবাকৈ আঁতৰি গ'লেও কিতাপখন চিৰকাললৈ থাকে।

—মাৰ্টিন টুপাৰ

* মই কিতাপৰ লগত কথা পাতো, কাজিয়া কৰো, প্ৰেম কৰো আৰু কিতাপক বেছি সময় দিব লাগে কাৰণেই মই মানুহৰ সঙ্গ এৰাই চলো।

—হোমেন বৰগোহাঞি

# সংস্কৃত সাহিত্যলৈ কালিদাসৰ অৱদান

মনিকা মজুমদাৰ
পঞ্চম যাণ্মাসিক

সংস্কৃত সাহিত্যৰ উজ্জ্বল নক্ষত্ৰ স্বৰূপ মহাকবি কালিদাস এগৰাকী শ্ৰেষ্ঠ কবি তথা নাট্যকাৰ হিচাপে সৰ্বজন বিদিত। তেওঁৰ জীৱনৰ গভীৰ উপলব্ধি আৰু ঈশ্বৰ প্ৰদত্ত গুণৰাশিৰে সৃষ্ট ৰচনা সম্ভাৰ আজিও সংস্কৃত সাহিত্যৰ স্তম্ভ স্বৰূপ। মহাকাব্য, নাটক, খণ্ডকাব্য-এই সকলো ধৰণৰ ৰচনাতেই এইজন কবিয়ে স্বতন্ত্ৰতাৰ পৰিচয় দি সমগ্ৰ সাহিত্য কোষৰ ধ্ৰুৱতৰাৰূপে সমাজত এক সুকীয় আসনৰ গৰাকী হৈ আহিছে। এই জনা মহাকবিৰ জন্ম সম্পৰ্কে সঠিক তথ্য পোৱা নাযায়। বিখ্যাত পণ্ডিত কীথৰ মতে কালিদাসৰ জন্ম পঞ্চম শতিকাত হৈছিল। আনকিছুমান পণ্ডিতৰ মতে মহাকবি কালিদাস ৰজা বিক্ৰমাদিত্যৰ ৰাজসভাৰ "নৱৰত্নৰ" এজন।

"কবিকুল শিৰোমণি" ৰূপে খ্যাত এইজনা কবিক কেৱল প্ৰাচ্য পণ্ডিতসকলেই নহয়, পাশ্চাত্যৰ বহু পণ্ডিতেও শ্ৰেষ্ঠতাৰ  স্বীকৃতি দিছে। সংস্কৃত গদ্যকাৰ বাণ ভট্টই তেওঁৰ "হৰ্ষচৰিত" নামৰ আখ্যায়িকাৰ আৰম্ভণিতে কালি দাসৰ কাব্যৰ গুণ-কীৰ্তন কৰি কৈছে-

"নিৰ্গতাসু ন বা কস্য কালিদাসস্য সূক্তিষু।
প্ৰীতি মধুৰৰসান্দ্ৰাসু মঞ্জৰীষিব জায়তে।।"

অৰ্থাৎ মিঠাৰসেৰে পৰিপূৰ্ণ আমমঞ্জৰীৰ নিচিনাকৈ কালিদাসৰ সুন্দৰ ৰচনাত কাৰ আনন্দ নহয়? গদ্যকাৰ বাণ ভট্টৰ মতে আমমঞ্জৰীৰ মিঠা ৰসৰ আকৰ্ষণ যেনেকুৱা তীব্ৰ, সেইদৰে কালিদাসৰ সুন্দৰ ৰচনাৰ আকৰ্ষণো সহৃদয়ৰ ওচৰত অত্যন্ত বেচি। অধ্যাপক ল্যাসেনে কালিদাস সম্পৰ্কে কৈছে-"kalidasa is the brightest star in the firmanent of indian poetry" অৰ্থাৎ ভাৰতীয় কাব্যাকাশত কালিদাস হ'ল উজ্জলতম জ্যোতিষ্ক। জাৰ্মাণ কবি গ্যেটেৰ মতে কালিদাসৰ অভিজ্ঞান শকুন্তলমতেই বিচাৰি পোৱা যায় স্বৰ্গীয় আৰু পাৰ্থিৱ সৌন্দৰ্যৰ সংমিশ্ৰণ। ৰঘুবংশম, কুমাৰ সম্ভৱম, মেঘদূতম ঋতুসংহাৰম, অভিজ্ঞান শকুন্তলম্ আৰু মালবিকাগ্নি মিত্ৰম্ এই সাতখন আপুৰুগীয়া গ্ৰন্থৰে সংস্কৃত কাব্যজগতক পোহৰাই থোৱা মহাকবি কালিদাস অপ্ৰতিদ্বন্দ্বী কবি। ভাৰতীয় সাহিত্যত দুৰ্লভ মহাকবি কালিদাসে নিজৰ কাব্যৰ যোগেদি শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে। চাৰ মনিয়েৰ উইলিয়ামছে কালিদাসৰ শকুন্তলা ৰচনাৰ ক্ষেত্ৰত তেওঁক "ভাৰতৰ শ্বেইক্সপীয়েৰ" বুলি কৈছে। কালিদাসৰ ৰচনাশৈলীত ৰমনীয়তা, কমনীয়তা, আৰু মনোহাৰিত্ব সুস্পষ্ট। এওঁৰ কবিতা সমুহ শৃংগাৰ আৰু কৰুণ ৰস প্ৰধান।



মহাকবি কালিদাসৰ কাব্যকৃতিৰ অপূৰ্ব কাব্য-সুষমা আৰু ৰচনাশৈলীৰ মাধুৰ্য্য সংৰক্ষিত হোৱা অন্যতম মহাকাব্য খন হৈছে-'ৰঘুবংশ'। তেওঁৰ মহান প্ৰতিভা আৰু কাব্যৰ ভাষাই চিৰদিনৰ বাবে সন্মান আৰু সমাদৰ লৈ বৰ্ত্তি আছে। ৰঘুবংশত কালিদাসে নিজৰ বিনয় প্ৰকাশেৰে তেওঁৰ পূৰ্বসুৰী ৰাময়ণৰ কবি বাল্মীকিক মহাকবি আখ্যা দিছে। মহাকবি কালিদাস ভাৰত-বিভূতি। তেওঁ "ৰাষ্ট্ৰকবি"। ৰাষ্ট্ৰ কবি বুলিলে এনেকুৱা এজন কবিক বুজোৱা যায় যি জনা কবি নিজৰ ৰাষ্ট্ৰত সমাদৃত হোৱাৰ লগে লগে পৃথিবীৰবেলেগ ৰাষ্ট্ৰৰ যি কোনো কবিৰ লগত ফেৰ মাৰিব পাৰিছিল। কালিদাসৰ আন ধৰ্ম জ্ঞান থকাৰ লগতে আছিল সীমাহীন ব্যৱহাৰিক জ্ঞান। তেওঁ মানুহক বাৰুকৈ বুজিছিল আৰু জীৱক অৰ্থপূৰ্ণ কৰিব পৰা অফুৰন্ত সূক্তি বা সুভাষিতেৰে নিজৰ কাব্যক সমৃদ্ধ কৰি থৈ গৈছিল।

কালিদাস ধৰ্মভীৰু নহ'লেওঁ ধাৰ্মিক স্বভাৱৰ আছিল। আদৰ্শ জীৱন, যোগ, তপস্যা ইত্যাদি শিকাবলৈ তেওঁ কাব্যৰ সাহায্য লৈছিল। ৰঘুবংশৰ প্ৰথম শ্লোকত শিৱ-পাৰ্বতীৰ বন্দনা কৰিছিল। কুমাৰ সম্ভৱমৰ প্ৰথম শ্লোকত দেবতাত্মা হিমালয় বৰ্ণনা আৰু মেঘদূতমৰ প্ৰথম শ্লোকত 'সীতা' আৰু ৰামৰ নাম লোৱা, ইত্যাদিয়ে তেওঁ ধাৰ্মিক হোৱাটো সূচায়। নিজৰ সৰ্বশ্ৰেষ্ঠ কৃতি অভিজ্ঞান শকুন্তলমৰ শেষ শ্লোকত তেওঁৰ মানৱতাবাদ আৰু সংস্কৃত প্ৰেম স্পষ্ট হৈ আছে-

প্ৰৱৰ্ততাং  প্ৰকৃতিহিতায় পাৰ্থিব:
সৰস্বতী শ্ৰুতি মহতী মহীয়তাম্।

সকলোৱে আনৰ বাবে কাম কৰাৰ বাবে সাজুহওঁক, সংস্কত ভাষাৰ উৎকৰ্ষ সাধিত হওক-এয়া সংস্কৃত আৰু সংস্কৃতি প্ৰেমী কালিদাসৰ সপোন। মানসিকতাৰ ফালৰ পৰা কালিদাস অতি উচ্চ খাপৰ সম্পূৰ্ণ মানৱ আছিল। তেওঁ কেতিয়াও আদৰ্শৰ কথা কৈ জীৱন উপভোগ কৰাত বাধা আৰোপ কৰা নাছিল।

কবিকুলগুৰু ৰূপে খ্যাত এই গৰাকী মহাকবিৰ ৰচনাত ভাৰতীয় দৰ্শনৰো ইংগিত পোৱা যায়। বিশেষকৈ ৰঘুবংশ আৰু কুমাৰ সম্ভৱ-এই মহাকাব্য দুখনত আৰু অভিজ্ঞান শকুন্তলম আৰু বিক্ৰমোৰ্বশীয় এই দুই নাটকত ভাৰতীয় দৰ্শনৰ তত্ত্বৰ উল্লেখ থকা দেখা যায়। মহাকবি কালিদাসৰ কাব্য সম্পৰ্কে পৃথিবীত দেশে বিদেশে বিস্তৃত আলোচনা হৈছে। তথাপি কালিদাসৰ কাব্যক প্ৰতিভা সম্পৰ্কে ক'ব লগীয়া বহুকথা আছে। "উপমা কালিদাসস্য" এই উক্তিটো মহাকবি কালিদাসৰ বিষয়ে এটা প্ৰখ্যাত উক্তি। কালিদাসে প্ৰয়োগ কৰা উপমা সমূহৰ কেইটা মান হৈছে উৎকৃষ্ট চিত্ৰ কল্প। সংস্কৃতত ইংৰাজীৰ "image" আৰু অসমীয়াৰ "চিত্ৰ কল্প" শব্দটোৰ প্ৰতিশব্দ নাই। তাৰ ফলত বিভিন্ন চিত্ৰ কল্পক উপমা, ৰূপক, উৎপ্ৰেক্ষা আদি পাৰিভাষিক নামেৰে বুজাবলগীয়া হৈছে। তেওঁ অভিজ্ঞান শকুন্তলম নাটকৰ প্ৰথম অংকত ভীত সন্ত্ৰস্ত এটা হৰিণা পহু পলায়নৰ দৃশ্যত ভয়ানক ৰসৰো নিপুণ বৰ্ণনা আগবঢ়াইছে। বিশ্বনাথ কবিৰাজেও তেওঁৰ ৰচিত সাহিত্য দৰ্পনত কালিদাসক "মহাকবি" বুলি কৈছে।

মহাকবি কালিদাস প্ৰকৃতি কবি। তেওঁৰ কবিতা প্ৰকৃতিৰ সহচৰী। প্ৰাকৃতিক দৃশ্যৰ মনোমোহা বৰ্ণনা তেওঁৰ কবিতাৰ ভূষণ। কালিদাসীয় ৰচনা ৰাজিৰ বৈশিষ্ট্য আৰু সৌন্দৰ্য্যই দেশে বিদেশে আধুনিক সমালোচক সকলকো বিমোহিত কৰিছে। প্ৰাচীন ভাৰতীয় সাহিত্য সমালোচক তথা সহৃদয় গোষ্ঠী সমূহত চলি থকা শ্লোকৰ এটা শ্লোক হৈছে-

"উপমা কালিদাসস্য ভাৰৱেৰৰ্থ গৌৰৱম।
নৈষধে পদলালিত্যং মাঘে সান্তি এয়ো গুণাঃ।"

অৰ্থাৎ কালিদাসৰ ৰচনাত উপমা, ভাৰৱিৰ ৰচনাত অৰ্থগৌৰব, নৈষধচৰিত কাব্যত পদলালিত্য আৰু কবি মাঘৰ কাব্যত এই তিনিওটা বৈশিষ্ট্য পৰিলক্ষিত হয়। ধৰ্মপ্ৰাণ, নীতিবান, তপোপ্ৰেমী মহাকবি কালিদাসে তেওঁৰ কাব্যৰ যোগেদি সংস্কৃত সাহিত্যৰ ৰচনাৰাজিত ধৰ্ম, অৰ্থ, কাম, মোক্ষ— এই চতুবৰ্গ তথা আদৰ্শ জীৱনৰ কথাও বৰ্ণনা কৰি গৈছে।

এনেদৰে মহাকবি কালিদাসে সংস্কৃত সাহিত্য জগতলৈ অৱদান আগবঢ়াই সংস্কৃত সাহিত্যৰ জগত গৌৰৱময় কৰি তুলিছে।

প্ৰসঙ্গ পুথি—

১। কালিদাস প্ৰতিভা পুস্প প্ৰকাশন (প্ৰকাশক শ্ৰী প্ৰদীপ কুমাৰ ভট্টচাৰ্য)।
২। সংস্কৃত সাহিত্যৰ ইতবৃত্ত— ড০ থানেশ্বৰ শৰ্মা।
৩। ৰঘুৰপি কাব্যম্— ড০ মালিনী গোস্বামী।

❑❑❑

# বৰ্ত্তমান যুগত
# সংস্কৃত ভাষা অধ্যয়নৰ প্ৰাসংগিকতা

ছঞ্জু সাহা
স্নাতক পঞ্চম যাণ্মাসিক

সংস্কৃত ভাষাটো পৃথিৱীৰ অতি প্ৰাচীন ভাষা। এই ভাষাক ভাৰতৰ প্ৰায়বোৰ আঞ্চলিক ভাষাৰ মাতৃ বুলি কোৱা হয়। এই ভাষাই প্ৰাচীন কালৰ পৰাই ইয়াৰ মাধুৰ্য বহন কৰি চিৰপ্ৰবাহমান হৈ আছে। সেয়ে এই ভাষাৰ স্থায়িত্ব চিৰকলীয়া। সংস্কৃত ভাষাত ৰচিত কাব্য, নাটক, ব্যাকৰণ, দৰ্শন আদি অলেখ গ্ৰন্থ আজিও ভাৰতীয়ৰ মনত নিত্যনতুন হৈ আছে। আধুনিক যুগৰ ভাষাবিদসকলৰ মতেও সংস্কৃতৰ দৰে বিজ্ঞানসন্মত গঠন প্ৰণালী বিশিষ্ট আন ভাষা পৃথিৱীত নাই।

ভাৰতবৰ্ষত প্ৰতিষ্ঠিত বস্তু দুটা হ'ল ১) সংস্কৃত আৰু ২) সংস্কৃতি। সমগ্ৰ ভাৰতবৰ্ষ সংস্কৃতৰ প্ৰচাৰক্ষেত্ৰ। গতিকে ইয়াক বাদ দি ভাৰতীয়তাৰ কথা কল্পনাও কৰিব নোৱাৰি।

বৰ্ত্তমানৰ বিজ্ঞানৰ যুগতো সংস্কৃত ভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা আছে বুলি মই ভাবো। এই ভাষাটো গাঁঠনিক দৃষ্টিৰে কম্পিউটাৰত ব্যৱহাৰৰ বাবে আটাইতকৈ উপযোগী ভাষা বুলি বিবেচিত হৈছে। সংস্কৃতৰ বৰ্ণমালা, স্বৰ-ব্যঞ্জনৰ বৰ্গীকৰণ, সন্ধিৰ নিয়ম, ধাতু প্ৰত্যয় আদিৰ নিৰ্মাণৰ পদ্ধতি আদি সম্পূৰ্ণ বৈজ্ঞানিক ভিত্তিসম্বলিত। যদি সংস্কৃতভাষা কম্পিউটাৰৰ বাবে উপযুক্ত কৰা যায়, তেতিয়াহ'লে সকলোবোৰ ভাৰতীয় ভাষাৰ উদ্ধাৰ হ'ব। ভাৰতবৰ্ষত এনে এটা ভাষা নাই, যি সংস্কৃতভাষাক উপেক্ষা কৰি চলিব পাৰে। সকলোবোৰ আৰ্য-দ্ৰাৱিড় পৰিয়ালৰ ভাষাত সংস্কৃত শব্দ বহু পৰিমাণে পোৱা যায়। সংস্কৃতৰ বাহিৰে আন এটা আৰ্যভাষা নাই, যাক অলপ সময়তে আহৰণ কৰিব পাৰি। বেদ, উপনিষদ, দৰ্শন, সাহিত্যশাস্ত্ৰ, ব্যাকৰণ, আয়ুৰ্বেদ, নাট্যশাস্ত্ৰ, ধৰ্মশাস্ত্ৰ, গণিত, জ্যোতিষ, বাস্তু শাস্ত্ৰ আদিয়ে সংস্কৃত ভাষাৰ সৰ্বাঙ্গীণত্বকে সমৰ্থন কৰে। প্ৰাণায়াম বিষয়ত সংস্কৃত ভাষাত অতি প্ৰাচীন কালত পৰাই বহুত চৰ্চা কৰা হৈছিল। সম্প্ৰতি স্বাস্থ্যবিজ্ঞানীয়ে কৈছে যে এটা নাকেৰে পানী লৈ আনটো নকেৰে উলিয়াই দিলে sinus নামৰ ৰোগ ভাল হয়। এই পানী উলিয়াই দিয়া পদ্ধতিটো বহু কালৰ পৰাই সংস্কৃত ভাষাত পোৱা যায়। এনে আৰু বহুবিধ পদ্ধতি সংস্কৃতত পোৱা যায়। সংস্কৃত ভাষাত বহুত স্তুতি-প্ৰাৰ্থনাদি আছে। প্ৰাৰ্থনাই অন্তৰ পবিত্ৰ কৰে। সেয়ে এই ভাষাৰ অধ্যয়নৰ প্ৰাসংগিকতা আজিও আছে। সম্প্ৰতি সমগ্ৰ পৃথিৱীতে পৰিবেশ বিষয়ত জনজাগৰণ সৃষ্টি হৈছে। সংস্কৃত ভাষাত বিৰচিত গ্ৰন্থবোৰ এই বিষয়ত উদাখীন নহয়। বেদ, উপনিষদ পুৰাণ, মহাভাৰত আদি প্ৰাচীন গ্ৰন্থসমূহত পৰিবেশ সচেতনতা বিষয়ক তত্ত্ব পোৱা যায়। বৰ্ত্তমানৰ মানবীয় মূল্যবোধৰ অবক্ষয়ৰ সময়ত সংস্কৃত ভাষা সাহিত্যত পোৱা নীতিমূলক অমৃতময় বাণীবোৰে সত্যৰ অনুসন্ধান দিয়ে, যাৰ দ্বাৰা নতুন প্ৰজন্মক বেয়া কাম কৰাৰ পৰা আঁতৰি থাকিবলৈ সকিয়নি দিয়া হয়। এটা কথা ঠিক যে, যিয়ে নিজৰ পৰিচয় নাজানে, তেওঁহে সংস্কৃতক নিন্দা কৰে। আধুনিক সমাজত মানুহৰ মাজত দেখা দিয়া হিংসা, পৰশ্ৰীকাতৰতা আদিৰ মূল কাৰণ হ'ল সংস্কৃত ভাষাৰ প্ৰতি বিমুখিতা। বৰ্ত্তমানৰ ভয়াবহ নিবনুৱা সমস্যাৰ দুৰ্যোগৰ সময়তো এই ভাষা বিষয়ক পাঠ্যক্ৰম অধ্যয়ন কৰি কামত নিযুক্ত হোৱাৰ সম্ভাৱনাও কিছু পৰিমানে নোহোৱা নহয়। অনুন্নত গাঁও অঞ্চলৰ কিছুমান দুখীয়া ছাত্ৰ-ছাত্ৰীয়ে টকাৰ অভাৱত মহাবিদ্যালয় পৰ্যায়ত কলা শাখাত ভৰ্ত্তি হৈ সংস্কৃত আৰবী আদি বিষয় অধ্যয়ন কৰি শিক্ষকতা কৰা আশা পোষণ কৰা দেখা যায়। অসমৰ ঠাই বিশেষে আজিকালিও এই বিষয়টোৰ প্ৰায়োগিক অনুশীলন হোৱা দেখা যায়। এই কথাটোও লক্ষনীয় যে অসমৰ চুকে কোনে থকা কিছুমান বিদ্যালয়, মহাবিদ্যালয় আদিত শিক্ষকৰ অভাৱত কিছুমান পদ অপূৰণ হৈ থকা বাবে আগ্ৰহী ছাত্ৰ-ছাত্ৰীয়েও সংস্কৃত অধ্যয়নৰ পৰা বঞ্চিত হৈ থাকিবলগা হৈছে। এই ক্ষেত্ৰত অৱশ্যে চৰকাৰৰ সদিচ্ছায়ো নিৰ্ণয়কৰ ভূমিকা লয়।

মানৱজীৱনৰ উপযোগী এনে এটা বিষয় নাই যাক এই ভাষাত গৱেষণা কৰা হোৱা নাই। জাৰ্মানি, ফৰাচী, ইংৰাজী আদি ভাষাত সংস্কৃত তৎসম, তদ্‌ভৱ শব্দ দেখা যায়।

সংস্কৃতৰ প্ৰতি উদাসীনতাই সন্ত্ৰাসবাদৰ মূল। যি ভাষা "সৰ্বে ভবন্তু সুখিন" অথাৰ্ৎ সকলো সুখী হওক বুলি ভাৰতীয়ৰ মনৰ সংবাদ ঘোষণা কৰিবলৈ সমৰ্থ, সেই ভাষা ৰাষ্ট্ৰৰ ঐক্য সাধনৰ বাবে সকলো প্ৰকাৰে আদৰণীয়। বৰ্ত্তমান বিজ্ঞান, প্ৰযুক্তিবিদ্যা আদিৰ অধ্যয়নৰ বাবে পাৰিভাষিক শব্দৰ ব্যৱহাৰ অপৰিহাৰ্য হৈ পৰিছে। সেইবাবে সংস্কৃত ভাষাৰ অধ্যয়ন আৰু চৰ্চাৰ বাহিৰে অসমীয়া সাহিত্যৰ ভৱিষ্যৎ অন্ধকাৰ বুলিব পাৰি। তদুপৰি অসমীয়া ভাষাতত্ব আৰু ব্যাকৰণৰ অধ্যয়ন অধ্যাপনাৰ বাবে অসমীয়া পণ্ডিত সকলে সংস্কৃত ব্যাকৰণ আৰু ভাষাৰ আশ্ৰয় গ্ৰহণ নকৰাকৈ এখোজো আগবাঢ়িব নোৱাৰে। সংস্কৃত ভাষাৰ অবিহনে নিভাঁজ অসমীয়া তত্ত্বকথা প্ৰকাশ কৰিব নোৱাৰি

ভাৰতীয় ইতিহাস, দৰ্শনকে ধৰি ভাৰতীয় সভ্যতা সংস্কৃতিৰ মৰ্ম অনুধাৱনৰ বাবে সংস্কৃত ভাষাৰ জ্ঞান আজিও অপৰিহাৰ্য বুলি পৰিগনিত হৈ আছে। ভাৰতৰ বিভিন্ন ভাষাৰ ভিতৰৰ সংযোগী ভাষা হিচাবে সংস্কৃতৰ স্থিতি এতিয়াও যথেষ্ট গুৰুত্বপূৰ্ণ। আৰ্যমূলীয় ভাষাৰ উপৰিও আৰ্যতৰ পৰিয়ালৰ ভাষাৰ লগত সংস্কৃত ভাষাৰ ঘনিষ্ঠ সম্পৰ্ক এতিয়াও জীৱন্ত হৈ আহিছে। আধুনিক জীৱনযাত্ৰাৰ লগত মিলাকৈ পৰিভাষা নিৰ্মাণৰ বাবে সংস্কৃতেই হৈছে আটাইতকৈ নিৰ্ভৰযোগ্য উৎস।

অতীতত ভাষাটোৰ যি মৰ্যদা আৰু ক্ষমতাৰ স্থান আছিল, তাৰ ভেঁটি ইতিমধ্যে যথেষ্ট দুৰ্বল হৈ পৰিছে। তথাপি ভাষাটোৰ ব্যৱহাৰিক উপযোগিতা নিঃশেষ হৈ যোৱা নাই।

মুঠৰ ওপৰত এই কথা ক'ব পাৰি যে সংস্কৃত ভাষাৰ মহত্ত্ব চিৰকালেই থাকি যাব। যেতিয়ালৈকে ভাৰতবৰ্ষ থাকিব, যেতিয়ালৈকে বিন্ধ্য-হিমাচল পৰ্বত থাকিব, যেতিয়ালৈকে গংগা-গোদাবৰী নদী বৈ থাকিব তেতিয়ালৈকে এই সংস্কৃত ভাষা জীয়াই থাকিব।

সংস্কৃতভাষাৰ অন্তিত্বৰ প্ৰসংগত পণ্ডিতসমাজে এইদৰে মন্তব্য কৰিছে—

"যাবদ ভাৰতবৰ্ষ ং স্যাদ্ যাবদ্ বিন্ধ্য হিমাচলৌ।
যাবদ্ গংগা চ গোদা চ তাবদেব হি সংস্কৃতম ।।

সহায়ক পুথি—
১) লৌহিত্যতীৰত সংস্কৃত চৰ্চাঃ
সম্পাদনা — ডº ভাৰতী গোস্বামী, ডº কল্পিতা বুজৰবৰুৱা
২) সংস্কৃত নিবন্ধ শতকম্ — ডº কপিলদেৱ দ্বিবেদী
৩) ইন্টাৰনেট।

❑❑❑

# আৰবী ভাষা সাহিত্যৰ এক চমু ৰূপৰেখা

জিয়াউৰ ৰহমান
স্নাতক তৃতীয় ষাণ্মাসিক

আৰব ভূখণ্ডত প্ৰাচীন কালত বসবাস কৰা চেমিটিক গোষ্ঠীৰ লোকসকলক ঐতিহাসিক সকলে আৰব বুলি অভিহিত কৰিছে। আৰব শব্দৰ অভিধানিক অৰ্থ হ'ল নিপুন। বহু বচন আৰাব অৰ্থাৎ যিসকলে নিপুনতাৰে কথা ক'ব পাৰে, বাকপটু। খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ আগত আৰবৰ লোকসকলৰ কোনো ঐতিহাসিক তথ্য সম্পৰ্কে বিৱৰণ পোৱা নাযায়। খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ পৰাহে আৰব শব্দৰ অৰ্থ অনুধাবন কৰা হৈছে আৰু সপ্তম শতিকাত আৰব শব্দই অধিক প্ৰধান্য লাভ কৰে। আৰব দেশৰ ভৌগলিক পৰিসীমাৰ মাজত বসবাস কৰা লোকসকলেই হ'ল আৰব। প্ৰাক ইছলামী যুগত আৰবৰ ৰাজনৈতিক, ধৰ্মীয়, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অৱস্থা অতি শোচনীয় আছিল। সেয়েহে এই যুগক আইয়ামা জাহিলিয়া বা অজ্ঞতাৰ যুগ বুলি অভিহিত কৰা হয়। এনে এক অস্থিৰ বাতাবৰণৰ মাজতো আৰব সকলৰ মাজত সাহিত্য চৰ্চা গা কৰি উঠিছিল।

আৰবী সাহিত্যৰ উত্তৰণক কেইবাটাও যুগত বিভক্ত কৰিব পাৰি। ইছলাম ধৰ্মৰ আৱিৰ্ভাৱৰ প্ৰায় এশ বা ডেৰশ বছৰ সময়ছোৱাক প্ৰাক্ইছলামী যুগ (৫০০-৬১০), ইছলামী যুগ। হজৰত মহম্মদ (ছঃ) নবুৱতৰ পৰা অৰ্থাৎ (৬১০-৬৬১) খলিফা ৰাছিদিনৰ সময়ছোৱাক ইছলামী যুগ। উমাইয়া সকলৰ শাসনকাল ((৬৬২-৭৬০) লৈ উমাইয়া যুগ আৰু আব্বাছী সকলৰ শাসনৰ সময়ছোৱা (৭৫০-১২৫৮) আব্বাছী যুগ। আব্বাছী সকলৰ পতনৰ পিছত তুৰ্কী সকলৰ যুগ আৰু বৰ্তমান আধুনিক যুগ। কাব্য সাহিত্য আছিল প্ৰাক্ইছলামী যুগৰ আৰব সকলৰ সামাজিক, ৰাজনৈতিক, বৌদ্ধিক জীৱনৰ দাপোন স্বৰূপ। কবিতাৰ মাজেৰে নিজ নিজ দলৰ মতামত, মনোভাৱ, আশা-আকাংখা, ইতিহাস চিন্তা-চেতনা প্ৰয়োজন অনুসৰি প্ৰকাশ কৰিছিল। সেয়েহে ইয়াক দিওৱানুল আৰব বুলি কোৱা হয়। এই যুগৰ কবিসকল আছিল জাতীয় জীৱনৰ মুখপাত্ৰ। কবিসকলে আন্ত-ৰাজ্যিক আৰু আন্ত ৰাষ্ট্ৰীয় বিবাদসমূহ নিষ্পত্তি কৰিছিল। কবিসকলে নিজ সম্প্ৰদায়ক আক্ৰমনৰ পৰা ৰক্ষা কৰাৰ উপৰিও উত্তেজনাপূৰ্ণ কাব্যৰ দ্বাৰা আক্ৰমণকাৰী বা শত্ৰুসকলক থকা-সৰকা কৰিছিল।

সেই কাৰণে কোনো গোত্ৰত কবিৰ আৱিৰ্ভাৱ হলে সেই সম্প্ৰদায়ৰ গৌৰৱ অনুভৱ কৰিছিল। এই বিষয়ে বিশিষ্ট সমালোচক 'ইবনে ৰাচিকে' কৈছে, যেতিয়া কোনো সম্প্ৰদায়ত এজন কবি জন্ম হয় তেতিয়া আন আন গোষ্ঠীয়ে অভিনন্দন জনাইছিল, ভোজ-ভাতৰ আয়োজন কৰিছিল, মহিলাসকলে সমবেত হৈ গীতাৰ বজাইছিল যিদৰে কোনো বিবাহ অনুষ্ঠানত কৰা হৈছিল আৰু ল'ৰা-ছোৱালীয়ে পৰস্পৰে পৰস্পৰক সম্ভাষণ জনাইছিল। এনে ধৰণৰ মূল উদ্দেশ্য আছিল যাতে কবিয়ে তেওঁলোকৰ সন্মান অক্ষুণ্ণ ৰাখে, স্মৰণীয় কাম যুগমীয়া আৰু খ্যাতি দীৰ্ঘস্থায়ী কৰিব পাৰে



প্ৰাক ইছলামী কবিতা সমূহ বাস্তৱমুখী। এইবোৰ ভাৱ বৰ্ণনাত কোনো কৃত্ৰিমতা দেখা পোৱা নাযায়। এই কবিতাসমূহ হ'ল—
দীহা- প্ৰশংসাসূচক কবিতা
ৰিছা- শোকসূচক কবিতা
হিজা- নিন্দাত্মক কবিতা
ওৱাছফ্- বৰ্ণনাত্মক কবিতা
হামাছা- বীৰত্বসূচক কবিতা

প্ৰাক্ইছলামী যুগত মক্কাৰ নিকটৱৰ্তী উকাজ নামে ঠাইত এখন বৃহৎ মেলা অনুষ্ঠিত হৈছিল। উক্ত মেলাত ব্যৱসায় বাণিজ্যৰ উপৰিও সাহিত্য-সংস্কৃতৰ চৰ্চা আৰু প্ৰতিযোগিতা চলিছিল। আৰবৰ বিভিন্ন প্ৰান্তৰ পৰা কবি সাহিত্যিক সকলে সেই মেলাত উপস্থিত হৈ নিজৰ নিজৰ উৎকৃষ্ট কবিতা সমূহ পাঠ কৰিছিল। তাত নিয়োজিত বিচাৰক মণ্ডলীয়ে শ্ৰেষ্ঠ বিবেচিত কবিতাসমূহ সোণালী আখৰেৰে কাবা ঘৰৰ দুৱাৰত ওলোমাই ৰাখিছিল। সেয়েহে ইয়াক মুজাহবিয়াত বোলা হৈছিল বা ইহঁতক চাবআ মোৱাল্লাকা বোলা হৈছিল। এই কবিতা সাতটা আছিল। প্ৰাক ইছলামী যুগৰ বিখ্যাত কবিসকল হ'ল— ইমৰুল কাইছ, তাৰাফা, লাবিদ, আনতাৰা, নাবিগা, হাৰিছ বিন হিল্লিজা, ওমৰ বিন কলচুম আদি।

<u>উমাইয়া যুগ</u>ঃ উমাইয়া খলিফা মোৱাবিয়াই ইছলামী সাম্ৰাজ্যৰ খলিফা পদত অধিষ্ঠিত হোৱাৰ লগে লগে উমাইয়া যুগৰ সূচনা হয়। (৬৬১-৭৫০) উমাইয়া শাসনৰ ৯০ বছৰীয়া কালছোৱা বুৰঞ্জী, সাহিত্য অধ্যয়নত উৎসাহ প্ৰদান কৰা হৈছিল আৰু ৰাজধানী চহৰ দামাস্কত ইয়াৰ উন্নয়নৰ হকে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। সেই যুগৰ উল্লেখযোগ্য বুৰঞ্জীবিদ সকল হ'ল— আবিদ বিন শ্বুৰাইয়া আৰু আবিদ বিন মুনাব্বাহ। উমাইয়া যুগত আৰবী কাব্যই বিশেষ স্থান লাভ কৰিছিল। কবিসকলে ৰাজসভাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। সেই যুগৰ কবিসকলৰ ধৰ্মীয় পৰিচয় গুৰুত্বপূৰ্ণ বিষয় নাছিল। এই কবিসকল হ'ল— ওমৰ বিন আবি ৰাবিয়া, আখতাল, ফাৰাজদাক, জাৰিৰ ৭৫০ খ্ৰীঃ উমাইয়া সকলৰ পৰা প্ৰথম আব্বাছী খলিফা আবুল আব্বাছ আচ্ছাফাই শাসনৰ বাঘজৰী হস্তগত কৰাৰ লগে লগে ইছলামী ইতিহাসত আব্বাছী যুগ (৭৫০) আৰম্ভ হয়। আব্বাছী যুগ (৭৫০-১২৫৮) পাঁচশ বছৰ অধিক উদাৰ আৰু ৰক্ষণশীল বৰ্জিত শাসনেৰে আৰব তথা ইছলামৰ স্থিতিত এক নতুন ৰূপ দি ইছলামী ৰাষ্ট্ৰৰ উন্নতি তথা পৰিসৰ বৃদ্ধিৰ লগে লগে সাহিত্য, সংস্কৃতি, বিজ্ঞান, ভূগোল, গণিত আদিৰ অভূতপূৰ্ণ অগ্ৰতিৰ জৰিয়তে দেশত এক বিৰাত পৰিৱৰ্তনৰ সূচনা কৰিছিল। ইছলামী ইতিহাসত আব্বাছী যুগত সোণালী যুগ বুলি কোৱা হয়।

এই ইছলামী সভ্যতাৰ প্ৰাণকেন্দ্ৰ আছিল ইৰাক। প্ৰাচীন কালৰপৰাই বহু সভ্যতাৰ লগত জড়িত এই অঞ্চলত থকা বেবিলণীয়া, ইৰাকত অৱস্থিত। ইৰাকৰ বিখ্যাত নগৰ বাগদাদ, সাহিত্য বিজ্ঞানৰ প্ৰাণকেন্দ্ৰ আছিল।

এই যুগত কাব্য সাহিত্যত গতানুগতিক ঐতিহ্যৰ পৰা আঁতৰি আহি নৱচেতনাৰ জোৱাৰত উপস্থিত হৈ বিষয়বস্তু তথা সৌন্দৰ্য্যৰ পৰিৱৰ্তনৰ উপায়েৰে উন্নতি লাভ কৰিবলৈ সক্ষম হৈছিল। এই যুগৰ প্ৰখ্যাত কবিসকল হ'ল— মুতি বিন ইয়াছ, আবুল আলা আল মাৰৰী, আবু নোৱাছ, আবুল আতাহিয়া আৰু আল মুতানব্বী। এই যুগৰ আৰম্ভণিৰ পৰাই বৌদ্ধিক আন্দোলনৰ আৰম্ভ হৈছিল। খলিফা সকলে অকল কাব্য সাহিত্যৰ প্ৰতি মনোযোগ দিয়া নাছিল। বৰঞ্চ সাহিত্যৰ বিভিন্ন দিশৰে উন্নতিৰ অৰ্থে ব্যৱস্থা গ্ৰহণ কৰিছিল। বুৰঞ্জী, হাদিছ, দৰ্শন আদি বিকাশপ্ৰাপ্ত হৈছিল। বুৰঞ্জীবিদ সকল হ'ল— আল বালজুৰী, আল দিনয়াৰী, আল মাছুদী আদি অন্যতম। এই যুগৰ ভূগোল, সাহিত্যৰ প্ৰভূত উন্নতি হৈছিল। পবিত্ৰ তীৰ্থস্থানসমূহৰ দৰ্শন তথা মছজিদ নিৰ্মাণৰ পবিত্ৰ কাবা শ্বৰিফৰ দিশ নিৰ্ণয় তথা নামাজৰ বাবে দিশ নিৰ্ণয়ৰ বাবে মুছলিম পণ্ডিত সকলক ভূগোলৰ চৰ্চা কৰিবলৈ উৎসাহিত কৰিছিল। কেইগৰাকীমানৰ ভূগোলবিদ হ'ল— খোৰছাদ্বীয়, আল ইয়াকুতী, আল ইস্তাখাৰী, আল মুকাদ্দিছী আদি আব্বাছী যুগত চিকিৎসা বিজ্ঞান, গণিতত যথেষ্ট প্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছিল। এই সময়তে বিখ্যাত গণিতজ্ঞ আৰু পণ্ডিতৰ জন্ম হৈছিল, যি সকলৰ দ্বাৰা বহুত নতুন পদ্ধতি আৰু সাংকেতিক চিহ্ন আৱিস্কৃত হৈছিল। আব্বাছীয়া যুগৰ আন এক অৱদান হ'ল বীজ গণিতৰ উদ্ভাৱন। ইয়াৰ উপৰিও দশমিকৰ অংক, জ্যামিতি আৰবী সাংকেতিক চিহ্ন আৰু শূণ্যৰ ব্যৱহাৰ আৰু প্ৰয়োগ পদ্ধতিও আৱিস্কাৰ হৈছিল। সেই যুগৰ বিখ্যাত গণিতজ্ঞ হ'ল— মহম্মদ মুছা ইবনে খোৱাৰিজমী ইবনে ইছহাক আল কিন্দি, ওমৰ ইবনে আল খায়াম, আবু ৰায়হান, মহাম্মদ আল বিৰুণী অন্যতম। আব্বাছী যুগত চিকিৎসা বিজ্ঞানে যথেষ্ট উন্নতি লাভ কৰিবলৈ সক্ষম হৈছিল। বহুতো কঠিন ৰোগৰ ঔষধ দেশতেই তৈয়াৰ কৰা হৈছিল।

এই যুগত গদ্য সাহিত্যয়ো বিশেষ উন্নতি লাভ কৰা

পৰিলক্ষিত হয়। এই যুগৰ গদ্য সাহিত্যক ৰাজাজ বা মিত্ৰাক্ষৰ যুক্তগদ্য সাহিত্য ৰূপে অভিহিত কৰা হয়। এনে ধৰণৰ সাহিত্য সাধাৰণতে ধৰ্মীয় বৰ্ণনা ঘটনা উপখ্যান আদি বহুল পৰিমাণে প্ৰচাৰ হৈছিল। আব্বাছী যুগত গদ্য সাহিত্যৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা ব্যক্তিসকল বদিউজ জামান আল হামদানী, আল হাৰিৰী এওঁলোকে এটি নতুন ধাৰাৰ আৰম্ভ হৈছিল। এই যুগত ভাষাতত্ব, ব্যাকৰণ আদিয়ে বিশেষ অগ্ৰগতি লাভ কৰিছিল। আনহাতে অনুবাদ সাহিত্যৰ এক বিশেষ স্থান আছিল। গ্ৰীক ভাষা, ইউৰোপীয় ভাষা বিভিন্ন দেশৰ বহুতো মুল্যবান গ্ৰন্থ আৰবীলৈ অনুদিত হৈছিল আৰু ঠিক তেনেকৈ বহু আৰবী নিবন্ধ ইউৰোপ তথা ভাৰতীয় ভাষালৈ অনুদিত হৈছিল। আব্বাছী যুগত প্ৰতিষ্ঠিত বায়তুল হিকমা (জ্ঞানৰ আলয়) নামৰ পুথি ভঁৰালটিত বিশ্বৰ বিভিন্ন বিষয়ৰ গ্ৰন্থ সংগৃহীত কৰি ৰখা হৈছিল।

**আধুনিক আৰবী সাহিত্য** ঃ আধুনিক যুগটো আৰম্ভ হৈছিল উনৈশ শতিকাৰ সাহিত্যিক নৱজাগৰণ ছিৰিয়া, ইজিপ্ত, লেবানন আৰু ইৰাক আদিত ধ্ৰুপদী সাহিত্যৰ নতুন উদ্দীপনা আৰু অনুপ্ৰেৰণা বিচাৰৰ সৈতে। এফালে এইটো আৰম্ভ হৈছিল ইজিপ্তত, য'ত ফ্ৰান্সৰ চমু অধিকাৰৰ ১৭৯৮ চনৰ পৰা ১৮০১ চনলৈ ভাইচৰয় আৰু ইজিপ্তৰ পাচাৰ দ্বাৰা মহম্মদ আলিক স্বায়িত্ব শাসক হিচাপে নিয়োগ কৰা হৈছিল। আনহাতে ছিৰিয়া, লেবানন আদি খ্ৰীষ্টান সম্প্ৰদায়বোৰ ১৬ শতিকাৰ পৰা ইউৰোপৰ সম্পৰ্কত আহিছিল। ইজিপ্তৰ মুকলি ব্যৱস্থাই বহুতো চিৰিয়ান আৰু লেবানিজ লিখকসকলক ইজিপ্তলৈ প্ৰবাসী হিচাপে আহিবলৈ সহায় কৰিছিল আৰু এনেদৰে 'ইজিপ্ত' নৱজাগৰণৰ কেন্দ্ৰলৈ ৰূপান্তৰিক হৈছিল। পিছলৈ ইবলে আৰব দেশসমূহলৈ প্ৰথম বিশ্বযুদ্ধৰ প্ৰভাৱত আৰু দ্বিতীয় বিশ্বযুদ্ধৰ পিছত স্বাধীন অৱস্থাৰ যোগেদি প্ৰসাৰিত হৈছিল।

**আধুনিক আৰবী কাব্য সাহিত্য** ঃ প্ৰথম বিশ্বযুদ্ধৰ পাছত আৰবী কাব্য সাহিত্য জগতলৈ দুটা নতুন চিন্তাধাৰাৰ জন্ম হয়। ইয়াৰে এটা হ'ল (১) নৱধ্ৰুপদ কবিতা বা Neo-Classicism আৰু আনটো হ'ল (২) প্ৰাক্ৰোমাণ্টিকতাবাদ বা Pre-Romanticism

**নৱধ্ৰুপদ** ঃ নৱধ্ৰুপদ কবিতাৰ পথ প্ৰদৰ্শক আছিল আল বাৰুদী। তেওঁ ১৮৩৮ খ্ৰীঃ কাইৰুত জন্ম গ্ৰহণ কৰে। তেওঁৰ কাব্যিক প্ৰতিভাৰ জলন্ত উদাহৰণ হ'ল 'মুখতাৰাতুল আল বাৰুদী'। তেওঁ আৰবী কবিতাত এক নৱজাগৰণৰ সূত্ৰপাত কৰিছিল।

ইয়াৰ পিছত যুদ্ধৰ অন্তৰৱৰ্তী বছৰছোৱাত হাফিজ ইব্ৰাহিম নৱধ্ৰুপদ কবিসকলৰ মাজত সৰ্বাধিক জনপ্ৰিয় আৰু সুপৰিচিত আছিল। তেওঁৰ জন্ম হয় ১৮৭০ খ্ৰীঃত মিছৰৰ আচিউত প্ৰদেশৰ নীল নদীৰ পাৰৰ বেইৰুত চহৰত। তেওঁ মিচৰীয় স্পষ্টবাদিতাৰে আৰবৰ প্ৰান্তিকতাবাদ আৰু আৰবৰ জাতীয়তাবাদ সমৰ্থন কৰিছিল। কম পৰিমাণ অথচ অধিক আবেদন সহকাৰে আহম্মদ শ্বৌকীবেক আগমন কৰি তেওঁৰ কবিতাৰ যোগেদি দেশ মাতৃৰ আধুনিকিকৰণত সুৰ ব্যক্ত কৰে। ইয়াৰ উপৰিও আৰু কেইজনমান বিশিষ্ট কবিয়ে নৱধ্ৰুপদ কবিতাত উল্লেখনীয় বৰঙণি আগবঢ়ায়। তেওঁলোক হ'ল— ইজিপ্তৰ আয়শা তাইমৰীয়া, (d. 1906 A.D.) খালিল আল খুৰী (d. 1907 A.D.), ছোলাইমান আল বুষ্টানী, (d. 1925 A.D.) মাৰুফ আল ৰুছাফী (d. 1945 A.D.) আৰু জামিল ছিদকি আল জাহাবী (d. 1936 A.D.)। ইয়াৰ মাজত অতি গুৰুত্বপূৰ্ণ নৱধ্ৰুপদ কবি আছিল আহম্মদ শ্বৌকীবেক, হাফিজ ইব্ৰাহিম আৰু জামীল ছিদকী আল জাহাবী।

**ৰোমাণ্টিকতাবাদ** ঃ দ্বিতীয় মহাযুদ্ধৰ নিকটৱৰ্তী যুগটোত ৰোমাণ্টিকতাবাদৰ জন্ম হয়। লেবাননৰ খলিল মিত্ৰানআৰু মিচৰৰ আব্বাছ মাহমূদ আল আক্কাদ এই ৰোমাণ্টিকতাবাদৰ প্ৰধান অগ্ৰদূত আছিল।

খলিল মিত্ৰান ৰোমাণ্টিক অনুভূতিৰ প্ৰৱণতা সজাই লিখাত আৰু তেওঁৰ আবেগ অনুসাৰে কাল্পনিক অভিব্যক্তি প্ৰদান কৰোতা বিশেষ ব্যক্তি আছিল। আল আক্কাদে তেওঁৰ কবিতাত গীত কাব্যৰ বং সানি আৰু এখোজ আগুৱাই গৈছিল। প্ৰচলিত প্ৰথাৰ দ্বাৰা বাধাপ্ৰাপ্ত হোৱাৰ কাৰণে তেওঁলোকে পৰৱৰ্তী ৰোমাণ্টিকতাবাদৰ স্বত:স্ফুৰ্ত অভিব্যক্তি অৰ্জন কৰিব নোৱাৰিছিল। এই কবিসকলৰ কবিতাত নৱধ্ৰুপদ আৰু প্ৰাক্ৰোমাণ্টিক কবিতাৰ বিভিন্ন প্ৰকাৰৰ ছাঁ পৰিছে।

**আধুনিক আৰবী উপন্যাস সাহিত্য** ঃ আধুনিক আৰবী উপন্যাস চিৰিয়ান দেশীয় আৰু বিদেশী কাল্পনিক লিখনীৰ ওপৰত ঋণী। ফৰাচী মূলৰ ওপৰত ভিত্তি কৰি লিখা লিখকসকলৰ ভিতৰত ইজিপ্তৰ উথমান জালাল (১৮২৯-১৯৮৯) প্ৰধান আছিল, যিয়ে ১৮৯২ চনত তুলি লোৱা পৰৱেট ভাৰ্জিন প্ৰকাশ কৰে। আহমদ চৌকী (১৮৬৮-১৯৩২) ইজিপ্তৰ কবি, তেওঁ কাল্পনিক কিন্তু আকৰ্ষণীয় উপন্যাস, 'আধৰা আল হিন্দ' লিখে জুৰজী জায়দান (১৮৬১-১৯১৪)ৰ বুৰঞ্জীমূলক শৈলীত। ইয়াৰ মাজতে উপন্যাস লিখকসকলে মধ্যযুগীয় 'মাকামাহ' আধুনিক উপন্যাসৰ ক্ষেত্ৰত ব্যৱহাৰ কৰাৰ কথা ভাবে। প্ৰথমখন ইজিপ্তৰ উপন্যাস যিখনে বিভিন্ন ক্ষেত্ৰত গতিশীলতা প্ৰদান কৰিছিল সেইখন আছিল 'জইনাৰ' ১৯১৪ চনত। ১৯২৯ চনত হুছেইন হাইকালৰ দ্বাৰা ইয়াৰ চিনেমা বনোৱা হয়। দুজন ইজিপ্তৰ লিখক আব্দুল কাদেৰ আল মাজানী (জন্ম ১৮৯০) আৰু মহম্মদ আব্দুল্লাহ ইনানে (জন্ম ১৮৯৬) আৰবী উপন্যাস উন্নয়নৰ তদন্ত কৰিছিল। আধুনিক আৰবী উপন্যাস সাহিত্যত ১৯৮৮ চনত ইজিপ্তৰ প্ৰখ্যাত লেখক নাজিব মাহফুজে নবেল বঁটা লাভ কৰে।

**আধুনিক আৰবী নাট্য সাহিত্য** ঃ ১৯শ শতিকাৰ মাজভাগলৈ আৰবী ধ্ৰুপদ সাহিত্যত নাটকৰ আসন শূণ্য। ইয়াৰ কোনো যুক্তি সঙ্গত কাৰণ দৰ্শোৱা হোৱা নাই। জাহেলীয়া বা অজ্ঞতাৰ যুগতো বোধকৰো নাটক ৰচিত হৈছিল। কিন্তু সেইবোৰ পৌত্তলিকতাৰ লগত ওতপ্ৰোতভাৱে জড়িত থকাৰ কাৰণে জন জীৱনত উপেক্ষিত হৈছিল।

আৰব পণ্ডিতসকলে প্ৰাথমিক ইছলামী যুগৰ পৰাই অন্যান্য ভাষাৰ প্ৰধান প্ৰধান পুথিবোৰ আৰবী ভাষাত অনুবাদ কৰিলেও কোনো পণ্ডিতেই নাটক অনুবাদ কৰা নাছিল। কোনেও কালিদাসৰ সংস্কৃত নাটক অথবা এৰিষ্টটোলৰ নাটক আৰবী ভাষালৈ অনুবাদ কৰাৰ কথা ভৰা নাছিল। পৰৱৰ্তী যুগত ইবনে ৰুচদে এৰিষ্টটোলৰ নামৰ নাটক অনুবাদ কৰি কিছুমান সমস্যাৰ সন্মুখীন হৈছিল। যেতিয়া ইবনে ৰুচদৰ সমসাময়িক লেখকসকলে প্ৰশংসামূলক আৰু নিন্দামূলক কবিতা ৰচনাত ব্যস্ত, তেতিয়া তেওঁ অকলে যোগান্ত আৰু বিয়োগান্ত নাটক লিখি তিষ্ঠি থকাটো কেনেকৈ সম্ভৱপৰ?

Napoleon য়ে ইজিপ্তত ১৭৯৮ চনত তেওঁৰ সৈন্য বাহিনীক মনোৰঞ্জন দিবৰ কাৰণে প্ৰতিষ্ঠা কৰা মঞ্চয়ো আৰবসকলক আকৃষ্ট কৰিব নোৱাৰিছিল। ইয়াৰ প্ৰধান কাৰণ এয়ে যে নাটকবোৰ আৰবী ভাষাত লিখা হোৱা নাছিল। পৰৱৰ্তী যুগত যেতিয়া আৰব আৰু পশ্চিমৰ মাজত সাহিত্যিক আৰু সাংস্কৃতিক সম্পৰ্ক স্থাপিত হয় তেতিয়াৰ পৰাহে নাটক সাহিত্যই আৰবসকলৰ মন আকৰ্ষণ কৰিবলৈ ধৰে।

প্ৰথম আৰবী নাটক লেখক জনৰ নাম আছিল লেবালনৰ মাৰুণ আল নক্কাছ (১৮১৭-১৮৫৫)। তেওঁ ইটালীৰ অপেৰাৰ দ্বাৰা অনুপ্ৰাণিত হৈ البخيل (বখিল বা কৃপন) নামৰ এটা সংগীত নাটক ৰচনা কৰিছিল (১৮৪৮ চনত) এই নাটকখন Maliereৰ L অপেৰাত বেইৰুটত মঞ্চস্থ কৰা হৈছিল। কিছুমানে আল নাক্কাছ্ক আধুনিক নাটকৰ জনক বুলি কয়।

আৰবসকলে নাটকক তৎক্ষণাত গ্ৰহণ কৰা নাছিল। বহুদিন পৰ্যন্ত ইয়াক আৰবীয় পৰম্পৰাগত সহনৃত্যৰ দৰে এটা বিজাতীয় সংমিশ্ৰণ আৰু পশ্চিমীয়া নতুনত্ব (বেদাৎ) হিচাপে গণ্য কৰা হৈছিল। মাৰুণে ৰঙ্গমঞ্চক জনপ্ৰিয় কৰিবলৈ চেষ্টা কৰাৰ পাছত লেবাননীসকলে ক্ৰমাগতভাৱে নাটক অনুবাদ কৰিবলৈ পৰিৱেশ অনুযায়ী সলনি কৰি লিখিবলৈ আৰু মঞ্চস্থ কৰিবলৈ ধৰে। এই ক্ষেত্ৰত অগ্ৰণী আছিল ছালিমুন নাক্কাছ, আদিব ইছাহাক (মৃঃ ১৮৮৫), ইব্ৰাহিম আল আহদাৰ (১৮২৬-৯৪), ছালাম আল বুস্তানী আৰু খলিল। ইজিপ্তবাসীয়ে ওপৰত উল্লেখ কৰা নাট্যকাৰসকলৰ ভালে কেইজনক ফুচুলাই নিজ দেশলৈ নিছিল ছালিম আন্নাকাচে তেওঁৰ নাট্যদল সহকাৰে আলেকজেন্দ্ৰীয়লৈ স্থানান্তৰ হৈছিল আৰু Levantৰ পৰা Egyptলৈ ৰঙ্গমঞ্চ তুলি নিছিল।

মিছৰলৈ থিয়েটাৰ মাতি অনাৰ মৰ্যাদা লাভ কৰিছিল ইছমাইলে। তেওঁ ফৰাচী সাংস্কৃতিক মান আৰবী জীৱনলৈ কঢ়িয়াই অনাৰ পক্ষপাতী আছিল। সেইদেখি তেওঁ ফ্ৰান্স আৰু ইটালীৰ পৰা শিল্পীদল আনি নাচক মঞ্চস্থ কৰিছিল ১৮৬৯ চনত চুবেজ খালৰ উদ্বোধন উপলক্ষে কাইৰো অপেৰা প্ৰতিষ্ঠিত হৈছিল। পাছলৈ Verdi য়ে ১৭৭১ চনত কাইৰো বিশেষকৈ কাইৰোৰ অপেৰাৰ কাৰণে 'আইদা' নামৰ নাটকখন লিখিছিল।

বিখ্যাত লিখিক আবু নুবাছৰ অমৰগ্ৰন্থ الف ليلة وليلة (এহেজাৰ এনিশা)ৰ ওপৰত ভিত্তি কৰি আল কাববানীয়ে নাটক সাহিত্যত এটা নতুনত্ব প্ৰৱৰ্তন কৰিছিল। তেওঁৰ চন্দ আৰু লোকনৃত্য মিহলোৱা নাটবোৰ সৰ্বত্ৰ উচ্চ প্ৰশংসিত হৈছিল।

*সহায়ক গ্ৰন্থপঞ্জী ঃ*

১। History of the Arabs : P.K. Hitti
২। আৰবী সাহিত্যৰ ইতিহাস— আব্দুৰ ৰছিদ
৩। আধুনিক আৰবী সাহিত্য আৰু ইছলামৰ ইতিহাস— শ্বাহ জাহান আমিন
৪। Literary History of the Arabs: R.A. Nicholson

□□□

# মহৎ লোকৰ জীৱনী অধ্যয়ন

মোহিম মোকতাৰ
একাদশ শ্ৰেণী

ভূমিকা ঃ

মহৎ আদৰ্শৰ দ্বাৰা পৰিচালিত ব্যক্তিসকলেই মহৎ লোক বুলি সমাজত পৰিচিত হয়। ঐকান্তিকতা আৰু অধ্যৱসায়ৰ যোগেদি এই লোকসকলে নিজক প্ৰতিষ্ঠিত কৰাৰ লগতে দহৰ উন্নতি আৰু মঙ্গলৰ কাৰণে অহোপুৰুষাৰ্থ চেষ্টা কৰে। মহৎ লোকসকলৰ জীৱনৰ আলেখ্য তেওঁলোকৰ জীৱনীৰ মাজত পৰিস্ফুট হৈ উঠে।

জীৱনী অধ্যয়নৰ প্ৰয়োজনীয়তাঃ

জীৱনী অধ্যয়নৰ যোগেদি একো একোজন ব্যক্তিৰ জীৱনৰ বিষয়ে আমি জানিব পাৰো। মহৎলোক সকলৰ ব্যক্তিগত জীৱনবোৰ কেনে আছিল তাক অনুমান কৰিব পাৰি। সম্প্ৰতি জীৱনী লিখাৰ নতুন ধাৰা প্ৰবৰ্তিত হৈছে। এই ধাৰাত একো একোজন মহৎ ব্যক্তিৰ খুটি-নাটিবোৰ পুঙ্খানুপুঙ্খভাৱে আঙুলিয়াই দেখুওৱা হয়। এই উদাহৰণবোৰে সাধাৰণ মানুহ বোৰক বিশেষ ভাবে অনুপ্ৰাণিত কৰে। জীৱনত কৰা ভুলবোৰৰো যে মূল্য আছে, তাক উপলদ্ধি কৰিবলৈ শিকে।

আত্ম জীৱনীৰ উপযোগিতাঃ

কিছুমান মহাপুৰুষে নিজে নিজৰ মহৎ জীৱনালেখ্যক অংকন কৰি থৈ যায়। তেনে মহৎ লোক সকলে নিজৰ বিষয়ে লিখোতে সকলো কথা খৰচি আলোচনা কৰে। তদুপৰি তেওঁলোকৰ মহত্বৰ পৰা পাঠকে নিজৰ জীৱনৰ ভুল-ভ্ৰান্তিবোৰকো অকপটে প্ৰকাশ কৰে। ইয়াৰ কাৰণে সেই জীৱনীবোৰ হৈ পৰে আনৰ কাৰণে বিশেষ প্ৰেৰণা দায়ক। তদুপৰি নিজৰ অতিজ্ঞতাৰ মাজেৰে বৰ্ণনীয় বিষয়বোৰ প্ৰকাশি উঠাৰ কাৰণে সেইবোৰ হৈ পৰে বিশেষ ভাৱে চিত্তাকৰ্যক।

মহৎ লোকৰ পৰা পোৱা শিক্ষা ঃ

মহৎ লোকৰ জীৱনীৰ পৰা শিকিৱলগীয়া ব'হু কথা আছে। জীৱনীবোৰে তাকেই পৰিস্ফুট কৰি তোলে। মহৎ কাৰ্য সিদ্ধি কৰিবলৈ যাওঁতে বহুতে বহু-ধৰণে লাঞ্ছিত হয়, সমাজৰ দ্বাৰা তিৰস্কৃত হয়। আনকি মৃত্যুকো সাবটি লৱ লগীয়া হয়। কিন্তু এইবোৰে সেই মহৎ জীৱনৰ দীপ্তি ম্লান কৰিব নোৱাৰে। তেওঁলোকৰ সত্যান্বেষণৰ যে মুল্য আছে তাকেই তেওঁলোকৰ কৰ্মই প্ৰতিপন্ন কৰে। গতিকে ইয়ে আমাক এক শিক্ষা দিয়ে, দহজনে তৎক্ষণাৎ ভাল নোপোৱা কথা এটাও মহৎ সত্যৰূপে পৰিগণিত হ'ব পাৰে।

সামৰণিঃ

মহাপুৰুষৰ জীৱনী অধ্যয়নে মহৎ আদৰ্শৰ প্ৰতি মানুহক উদ্ধুদ্ব কৰে। সেই বাবেই মহাপুৰুষৰ জীৱনী সমুহ একো-একোখন মূন্যবান গ্ৰন্থ। এনে গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহ জন্মিলে শিশু কালৰ পৰাই নানা গুণৰ বিকাশ হ'ব পাৰে। 'মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ, আমিওঁ কৰিব পাৰো জীৱন গঢ়িত" কথাষাৰ সচাঁকৈ মুল্যবান। মহৎ লোকৰ জীৱনী পঢ়িলেই চৰিত্ৰ গঢ় লৈ উঠে। চৰিত্ৰ গঠনৰ ক্ষেত্ৰত মহাপুৰুষ সকলৰ জীৱনীয়ে প্ৰভুত অৱদান আগবঢ়ায়।

❑❑❑



# জীৱনত বন্ধু-বান্ধৱীৰ ভূমিকা

নজমুল হক
প্ৰাক্তন ছাত্ৰ

বন্ধুত্ব এটা পবিত্ৰ সম্পৰ্ক। স্কুল, কলেজীয়া জীৱনৰ মাদকতা বন্ধুত্বৰ জৰিয়তে পোৱা যায়। বন্ধুত্বৰ মাজত সোমাই আছে মৰম, ভালপোৱা, বিশ্বাস, আন্তৰিকতা, ত্যাগ, একাত্মবোধ, সহায়-সহযোগিতা আদি। দুজন ব্যক্তিৰ মাজত গঢ়ি উঠা আত্মিক সম্বন্ধই গঢ় দিয়ে বন্ধুত্ব নামৰ এক মধুৰ সম্পৰ্ক। ভিন ভিন মানুহে যদিও বন্ধুত্বক বিভিন্ন ধৰণে ব্যাখ্যা কৰে তথাপি এই পৃথিৱীত বন্ধুত্বতকৈ উৎকৃষ্ট সম্পৰ্ক নাই। সেয়ে জীৱনত এজন প্ৰকৃত আৰু সৎ বন্ধুৰ খুবেই প্ৰয়োজন। কিন্তু বৰ্তমান যুগত এজন উৎকৃষ্ট আৰু প্ৰকৃত বন্ধু- ৱান্ধৱী পোৱাটো অতি পৰিতাপৰ বিষয়।

পৃথিৱীৰ প্ৰতিজন মানুহৰে কম-বেছি পৰিমানে বন্ধু-ৱান্ধৱী আছে। জীৱন বাগিছাখনত ফুলি থকা আটাইতকৈ ধুনীয়া ফুলজুপিয়ে হৈছে বন্ধুত্ব। তাক কেতিয়াও সহজতে হেৰাই যাব দিব নালাগে। মই জীৱনত বহুতো বন্ধু লগ পাইছিলো। কালৰ সোঁতত তেওঁলোক আজি হয়তো মোৰ পৰা বিদায় ল'ব লগা হৈছে। কিছুমানে পৰীক্ষাত অকৃতকাৰ্যতা, অৰ্থনৈতিক সমস্যা, পাৰিবাৰিক সমস্যা বা অন্যান্য সমস্যাৰ কাৰণে পঢ়া শুনাৰ পৰা বিৰত আছে। মই যিখন প্ৰতিষ্ঠানতেই নাযাও কিয়, অতি কম সময়তে মোৰ বহুতো বন্ধু- ৱান্ধৱী গঢ় লৈ উঠে। ইয়াৰ কাৰণ হ'ল— মই সকলোৰে দুখ-কষ্টত সহযোগিতা আগবঢ়াও, সদায় মনটো প্ৰফুল্ল কৰি ৰাখো, হাস্য ৰসাত্মক কথা-বতৰা পাতো আৰু সকলোৰে লগত মিলা-প্ৰীতিৰে চলা-ফুৰা কৰো। মোৰ যিসকল বন্ধু-ৱান্ধৱী আছে তেওঁলোকক মই যিমানে পাৰো সহায়-সহযোগিতা আগবঢ়াবলৈ যত্ন কৰো। ইয়াৰ বাবে মই আটাইতকৈ বেছি আনন্দ লাভ কৰো। মই সচৰাচৰ বন্ধু-বান্ধবীসকলৰ সমস্যাৰ সময়তহে বেছি লগ দিওঁ। কাৰণ, মই জানো যে যেতিয়া এজন বন্ধু বিপদত পৰে তেতিয়া তাৰ নিজৰ বুলিবলৈ কোনো নাথাকে হয়তো প্ৰেমিক-প্ৰেমিকায়ো তেতিয়া পিছ হুহকি মাৰে। ঠিক সেই মুহূৰ্তত তেনে এজন বন্ধু-বান্ধবীক সহায় কৰি মই পোৱা আনন্দৰ পাৰ নোপোৱা হওঁ।

মই জীৱনত দুটা কথাত অতি দুখ কষ্ট অনুভৱ কৰো। প্ৰথমটো হ'ল— মই অতি ভালপোৱা আৰু বিশ্বাস কৰা বন্ধুজনে কৰা বিশ্বসঘাতকতা আৰু দ্বিতীয়তে, মই অতি ভালপোৱা বন্ধুৰ পৰা লোৱা বিদায়ৰ মুহূৰ্ত। এনে কাৰণত মোৰ মন একেবাৰে ভাঙি যায় আৰু দ্বিতীয়বাৰৰ বাবে কাৰো লগত বন্ধুত্ব গঢ়িবলৈ মন নাযায়। জীৱনত বন্ধু- ৱান্ধৱী এজনৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। মোৰ জীৱনত অহা আনন্দ বা দুখৰ প্ৰতিটো মুহূৰ্তত মই মোৰ বন্ধু-বান্ধবীক কাষত বিচাৰো। আনন্দৰ সময়ত বন্ধু-বান্ধবী কাষত থাকিলে সঁচাকৈয়ে মোৰ আনন্দ দুগুণ বৃদ্ধি পায়। আনহাতে দুখৰ সময়ত থাকিলে মনৰ দুখ পাতল হৈ পৰে আৰু এয়া তেতিয়াহে সম্ভৱ হ'ব যেতিয়া জীৱনত প্ৰকৃত বন্ধু-বান্ধবী এজন থাকিব। মই লগ পোৱা বন্ধু-ৱান্ধৱী সকলৰ অধিকাংশই বৰ স্বাৰ্থলোভী, অহংকাৰী, কু-কাৰ্য্যৰ প্ৰতি আকৰ্ষিত আৰু মোক scaffoldingৰ দৰে ব্যৱহাৰ কৰা বন্ধু-বান্ধবী। তথাপিও এওঁলোকক ভাল পথ দেখুৱাবৰ বাবে যত্ন কৰো। কিন্তু মই জীৱনত এনে কিছু সংখ্যক বন্ধু-বান্ধবী লগ পাইছো বা বৰ্তমানেও আছে যিসকলে হয়তো মোৰ মানৱতাক চিনি পাইছে আৰু প্ৰতিটো কাম-কাজতে সহায়-সহযোগ কৰে। মই মোৰ তেনে বন্ধু-বান্ধবীৰ পৰা প্ৰেৰণাৰ ফলত মনত অধিক সাহস আৰু শক্তি পাওঁ। যাৰ ফলত প্ৰতিটো পদক্ষেপতে মই সফল অনুভৱ কৰো।

সেয়েহে সকলোৱে যত্ন কৰা উচিত যাতে বন্ধুত্বৰ সম্বন্ধ সদায় অমৰ আৰু চিৰ সেউজ হয়। লগতে আমি সকলোৱে সাৱধান হ'ব লাগে যাতে বন্ধুত্বৰ মাজত কোনো কাৰণতে কোনো ধৰণৰ অন্ধবিশ্বাস, বিশ্বাসঘাতকতা, হিংসা, পৰনিন্দা, ভুল বুজাবুজি আৰু নেতিবাচক মনোভাৱ গঢ় লৈ বন্ধুত্বৰ নিচিনা এক অতি মধুৰ সম্পৰ্ক বিনষ্ট নহয়। কাৰণ, ইয়াৰ ফলত দুজন ব্যক্তিৰ সঁচা বন্ধুত্ব ধ্বংস হোৱাৰ লগতে দেহ-মন ভাঙি যায়। লগতে কিছুমানে ইয়াৰ বেদনাত আত্মহত্যাৰ নিচিনা অতি ঘৃণনীয় কাৰ্যও সংগঠিত কৰিব পাৰে যিটো উচিত কাম নহয়। ❑❑❑

# প্ৰকৃত বন্ধু

শ্বাহাৰ আলি
স্নাতক চতুৰ্থ ষণ্মাসিক

দুজন ব্যক্তিৰ মাজত গঢ়ি উঠা আত্মীয়তাৰ সম্বন্ধ, যাক আমি বন্ধুত বুলি কও। এটা শব্দত কবলৈ গ'লে বন্ধুত্ব মানে হ'ল— এক মিঠা সম্বন্ধ, যি সম্বন্ধই বিনা স্বাৰ্থত আন আন বন্ধু বা বান্ধৱীক বিপদত সহায়ৰ হাত আগবঢ়াব পাৰে। আচলতে তাকেহে প্ৰকৃত বন্ধু বা বান্ধবী বুলি কব পাৰি। কিন্তু বৰ্তমান যুগত এনে বন্ধু বান্ধবী সহজে বিচাৰি পোৱা টান।

পৃথিৱীত জীয়াই থকা প্ৰতিজন মানুহৰেই কম বেছি পৰিমানে বন্ধু বান্ধবী থাকেই। মোৰ বিগত জীৱনৰ বাটত লগ পোৱা বিভিন্ন মানুহৰ লগত মই বন্ধুত্ব গঢ়িছিলো যদিও ইয়াৰ অধিকাংশই সোঁতত হেৰাই গ'ল।

আনবোৰ সম্বন্ধতকৈ বন্ধুত্বই আমাৰ জীৱনত অধিক প্ৰভাৱ পেলায়। আন মানুহৰ লগত কাৰোবাৰ বন্ধুত্ব স্থাপন হলে কেনেকুৱা ভাৱ হয়, মই কব নোৱাৰিলেও কিছু কথা জানো যেনে কেতিয়াবা কোনোবা এজনী ছোৱালী আৰু ল'ৰাৰ মাজত যেতিয়া বন্ধুত্ব গঢ়ি উঠে তেতিয়া তেওঁলোকৰ মাজত লাহে লাহে প্ৰেমৰ সৃষ্টি হয়। তেনে বন্ধু বা বান্ধবীক মই সমৰ্থন নকৰো। মোৰ লগত কোনোবা এজনৰ বন্ধুত্ব স্থাপন হলে সেই বন্ধু বা বান্ধবী গৰাকী মোৰ ইমান আপোন হৈ পৰে যে তেওঁৰ সুখত মই সুখী, তেওঁৰ দুখত মই দুখী হৈ পৰো। মোৰ যিসকল বন্ধু আছিল তেওঁলোকক মই মৰম স্নেহ আৰু বিভিন্ন ধৰণে সহায় সহযোগ কৰিছো। বিশেষকৈ মই বান্ধবী সকলক সন্মানৰ চকুৰে চাও। বান্ধবী সকলক মই কেতিয়াও বেয়া ব্যৱহাৰ কৰা নাই। কিন্তু আজিৰ সমাজত তেনে মানুহ বিচাৰি পোৱাটো টান হৈ পৰিছে।

মই ভাবো যে নাৰী সমাজক সন্মানৰ চকুৰে চাব লাগে। কাৰণ নাৰী সমাজৰ পৰাই আমাৰ জন্ম হৈছে। বৰ্তমানৰ এগৰাকী শিক্ষিত নাৰী ভৱিষ্যতে এটা শিক্ষিত পৰিয়ালৰ এগৰাকী শিক্ষয়িত্ৰী। এজন ল'ৰা মানুহক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষা দিয়া। আনহাতে এগৰাকী নাৰীক শিক্ষা দিয়া মানে সমগ্ৰ পৰিয়ালক শিক্ষিত কৰা। সৰ্বপল্লি ৰাধাকৃষ্ণনে কৈছিল শিক্ষিত নাৰী অবিহনে শিক্ষিত পুৰুষ হ'ব নোৱাৰে।

কিন্তু বৰ পৰিতাপৰ বিষয় যে যুগ যুগ ধৰি চলি থকা সামাজিক লিংগ বৈষ্যমতাৰ প্ৰভাবৰ ফলত আজি নাৰী জাতি চৰম নিৰ্যাতনত বলি হব লগা হৈছে। অপমানিত হৈছে নিজৰ বন্ধু তথা পিতৃসম, পুত্ৰসম ব্যক্তিৰ হাতত আৰু অকালতে মৃত্যুকো আকোৱালী লবলগীয়া হৈছে। মই অনুৰোধ কৰো যাতে আমাৰ বান্ধবী সকলেও সাৱধানে সতৰ্কতাৰে জীৱন পথত আগবাঢ়ে। আমি বিনম্ৰ ভাবে বন্ধু সকলকো কওঁ যে আমাৰ বান্ধবী সকলক অপমান কৰি মহান মানৱ জাতিৰ কলংকিত নকৰে আৰু যদি আমি আমাৰ বান্ধবী সকলক মাতৃসম বুলি যদি এবাৰ ভাবো, তেতিয়াহ'লে আমাৰ সমাজখন কু-সংস্কাৰৰ পৰা মুক্ত হ'ব।



এতিয়া মোৰ জীৱনলৈ অহা আনন্দ বা দুখৰ প্ৰতিটো মুহূৰ্তত মই মোৰ বন্ধু বা বান্ধবীক কাষত বিচাৰো। আনন্দৰ সময়ত বন্ধু বা বান্ধবীসকল কাষত থাকিলে সঁচাকৈ মোৰ আনন্দ যে দুগুণ হৈ পৰে। আনহাতে দুখৰ সময়ত লগত থাকিলে মোৰ দুখ পাতল হোৱাত সহায় কৰে। সেয়েহে আমাৰ প্ৰত্যেকৰ জীৱনত এজন প্ৰকৃত বন্ধু বান্ধবীৰ প্ৰয়োজন। কিন্তু দুৰ্ভাগ্যৰ কথা যে মোৰ লগত যিসকলৰ বন্ধুত্ব গঢ় লৈ উঠিছিল সেই সকলক প্ৰকৃত বন্ধু-বান্ধবী বুলি কব নোৱাৰি তেওঁলোকে নতুনক পাই যেন অতীতক পাহৰি যায়। যিয়েই নহয়ক কিয় প্ৰকৃত বন্ধু বান্ধবীয়ে আমাক অনাবিল আনন্দ উপহাৰ দিয়াৰ দৰেই কেতিয়াবা চৰম দুখো দিব পাৰে আৰু বন্ধু বান্ধবীৰ প্ৰতাৰণাই হৃদয় ভাঙি থান বান কৰি দিব পাৰে। বন্ধুৰ পৰা পোৱা দুখৰ বোজাটো কঢ়িওৱা মোৰ বাবে অসহনীয় হৈ পৰে। মোৰ বিশ্বাসী বন্ধুজনে বা বান্ধবীজনীৰ যেতিয়া তেওঁৰ জীৱনৰ অতি আনন্দৰ মহূৰ্তত মোক পাহৰি যায় তেতিয়া বন্ধু বা বান্ধবীৰ পৰা পোৱা এনে আঘাতে মোৰ হৃদয়ত ধুমুহাৰ সৃষ্টি কৰে। আনকি মোক দিশহাৰা কৰিও তুলিব পাৰে। অন্যথা জীৱনৰ গতি পথ সলনি কৰিব পাৰে। আনবোৰতকৈ বন্ধুত্বৰ সম্বন্ধ অধিক গধুৰ হোৱাৰ বাবে ইয়াৰ পৰা পোৱা বিষাদো অতি গধুৰ। কাৰণ বন্ধু বান্ধবীক মই নিৰ্বাচন কৰি লৈছো আৰু হৃদয়েৰে তেওঁৰ লগত বান্ধ খাই পৰিছো। সেইবাবে বন্ধু বান্ধবীয়ে মোক আঘাত দিলে তাক সহ্য কৰা বৰ টান হৈ পৰে।

এজন বন্ধু-বান্ধবীৰ বিশ্বাসঘাতকতাই মোৰ বন্ধুৰ প্ৰতিয়েই সন্দিহান কৰি তোলে আৰু পুণৰ এনে সম্বন্ধ আন এজনৰ লগত গঢ়িবলৈ মোৰ হৃদয়ে মোক অনুমতি নিদিয়ে। কাৰণ যদি পুনৰ আঘাত পাও। আনহাতে এজন বন্ধু বা বান্ধবীৰ শত্ৰুতাও হ'ব পাৰে ভয়াবহ। ইয়াৰ কাৰণ হ'ল বন্ধু- বান্ধবীয়ে মোৰ জীৱনৰ প্ৰতিটো গোপন কথা জানে আৰু মোৰ দুৰ্বলতাখিনিয়ো তেওঁৰ জ্ঞাত, সেয়েহে অতি সহজেই তেওঁ মোক বিপদত পেলাব পাৰে।

বন্ধুত্ব এক মধুৰ সম্বন্ধ এই সম্বন্ধই দুজন ব্যক্তিক হৃদয়ৰ কাষ চপাব পাৰে বা কাষ চপাই আনিব পাৰে। এজন বন্ধু বান্ধবীৰ প্ৰতাৰণাই কাৰোবাক নৱ জীৱনো দিব পাৰে।

কিন্তু বিশ্বাসঘাতকতাই এই পবিত্ৰ সম্বন্ধ কলংকিত কৰিব পাৰে। সেয়েহে সকলোৱে যত্ন কৰা উচিত যাতে বন্ধুত্বৰ সম্বন্ধ সদায় চিৰসেউজ আৰু অমৰ হয়। কিন্তু এজন প্ৰকৃত বন্ধুৰ মৰমৰ উম বিচাৰি পোৱাটো ইমান সহজ নহয়।

গতিকে সাৱধান বন্ধুত্ব স্থাপন কৰাৰ আগতে ভাবি চিন্তি কৰিব। অচিন কাঠৰ থোৱা নলগাব। যাৰ-তাৰ লগত বন্ধুত্ব স্থাপন নকৰিব। আনহাতে বৰ্তমান যুগত প্ৰকৃত বন্ধুকো নিজৰ অতি গোপনীয় কথা প্ৰকাশ নকৰিব। কাৰণ মই বিপদত পৰিছিলো। প্ৰকৃত বন্ধু বান্ধবীৰ লগত কথা পাতিবলৈ হ'লৈ কেতিয়াও অনৰ্থক বাজে কথা নাপাতিব। এৰিষ্টট'লে কৈছে যি কথা কলে তোমাৰ বা আনৰ একো উপকাৰ নহয় তেনে কথা নকব। তুচ্ছ অৰ্থহীন বাজে কথা কৈ সময় নষ্ট নকৰিব।

❑❑❑

* আমি যাক সৃষ্টি কৰিব নোৱাৰো তাক ধ্বংস কৰাৰ অধিকাৰো আমাৰ নাই।
—গুৰু নানক

# শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ সম্পৰ্ক

উম্মে ৰুমান
স্নাতক দ্বিতীয় ষাণ্মাসিক

গুৰু আৰু শিষ্যৰ মাজৰ থকা সম্পৰ্ক যুগ যুগ ধৰি পৃথিৱীত অতি মহান আৰু উচ্চতম সম্পৰ্ক সমুহৰ মাজত এটি প্ৰধান সম্পৰ্ক হিচাপে স্থান দি অহা হৈছে। অতীত কালত ভাৰত বৰ্ষত আশ্ৰমপ্ৰদানৰ পদ্ধতি প্ৰচলিত আছিল। কিন্তু সময় আৰু মানুহৰ চিন্তা চৰ্চাৰ পৰিৱৰ্তনে এই ব্যৱস্থাৰ উন্নতি সাধন কৰে আৰু ক্ৰমান্নয়ে আমাৰ দেশৰ শিক্ষা ব্যৱস্থা চাৰিবেৰৰ মাজত সোমাই পৰিল। প্ৰাচীন কালত হোৱা শিক্ষা লাভৰ উপায় আছিল গুৰুসেৱা। শিষ্যই পোন প্ৰথমে গুৰুৰ ওচৰলৈ গ'লে হাতত কেইডালমান যজ্ঞৰ বাবে খৰি লৈ যাব লাগিছিল। তাৰ অৰ্থ এয়াই যে শিষ্যই গুৰুৰ সেৱাৰ বাৰে যজ্ঞৰ খৰিৰ পৰা আৰম্ভ কৰি সকলো কাম কৰিবলৈ প্ৰস্তুত। গুৰু আৰু শিষ্যৰ সেই সম্পৰ্কৰ মাজত কোনো ধৰণৰ অকৃত্ৰিমতাৰ অৱকাশ নাছিল। মহাভাৰতৰ কাহিনীত উল্লেখ আছে যে একলব্যই তেওঁৰ গুৰু দ্ৰোনাচাৰ্যক গুৰুদক্ষিণাৰূপে নিজৰ সোঁহাতৰ বুঢ়া আঙুলি কাটি গুৰু দাক্ষিণা দিছিল। এনেকুৱা আছিল তেওঁলোকৰ মাজৰ সম্পৰ্ক।

কিন্তু আজি একবিংশ শতিকাৰ দুৱাৰদলিত ব্যস্ত পৃথিৱীত গুৰু আৰু শিষ্যৰ মাজৰ সম্পৰ্ক দিনক দিনে কৃত্ৰিম হৈ পৰিছে। 'শ্ৰদ্ধাৱান লভতে জ্ঞানম' অৰ্থাৎ শ্ৰদ্ধা যাৰ মনত বৰ্তমান তেওঁ জ্ঞান লাভ কৰিবলৈ সক্ষম হয়। কিন্তু এই খিনিতে এটা প্ৰশ্ন উদয় হয় যে ছাত্ৰ-ছাত্ৰীৰ মনত ভক্তিয়ে তেওঁলোকক জ্ঞানী কৰিবলৈ যথেষ্ঠনে? এই ক্ষেত্ৰত শিক্ষক মহলৰ দায়িত্ব কিছু পৰিমাণে কম নেকি?

গুৰু শব্দৰ অৰ্থ হ'ল 'গু' মানে অন্ধকাৰ আৰু 'ৰু' মানে হ'ল পোহৰ, যিয়ে পোহৰৰ সন্ধান দিব পাৰে, তেওঁহে গুৰুৰ উপযুক্ত। ঠিক তেনেদৰে বৰ্তমান প্ৰচলিত শিক্ষক শব্দটোৰ বাখ্যাও এনেদৰে দিব পাৰি যে 'শি' মানে শিষ্টাচাৰ 'ক্ষ' মানে ক্ষমা আৰু 'ক' মানে হ'ল কৰ্তব্য পৰায়ণ অৰ্থাৎ এজন শিক্ষক হ'বলৈ বহু গুণৰ মাজত এই কেইটা গুণ থাকিব লাগিব। শিক্ষক এজন ছাত্ৰ-ছাত্ৰীৰ পৰম বন্ধু আৰু পথ প্ৰদৰ্শক হোৱা উচিত। ছাত্ৰ-ছাত্ৰীৰ মানসিক স্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কোন সময়ত কোনখিনি কথা কলে তেওঁলোকৰ পাঠ্যপুথিৰ প্ৰতি মনোযোগ আহিব সেইটোৰ প্ৰতি গুৰুত্ব প্ৰদান কৰা উচিত। পাঠ্যপুথিৰ সীমাবদ্ধ জ্ঞানৰ বিতৰণে শিক্ষক সকলৰ দায়িত্ব শেষ নকৰে। বৰঞ্চ ছাত্ৰী-ছাত্ৰীৰ জীৱনৰ প্ৰতিটো খোজতেই শিক্ষকসকলৰ উৎসাহৰ প্ৰয়োজন। তদুপৰি এনে কিছুমান ছাত্ৰ-ছাত্ৰী আছে যি সকলৰ শিক্ষাৰ প্ৰতি মানসিক প্ৰস্তুতি নাথাকে, গতিকে শিক্ষক শিক্ষয়িত্ৰী সকলে সদায় শ্ৰেণীটো ৰসাল কৰি তেওঁলোকক আকৰ্ষিত কৰিবলৈ চেষ্টা কৰিব লাগে।

অৱশ্য এনে ক্ষেত্ৰত আন এটা কথা লক্ষ্য ৰখাৰ প্ৰয়োজন যে শিক্ষাদানৰ ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰী সকলে সা-সুবিধা পাইছে নে নাই এই ক্ষেত্ৰত চৰকাৰৰ গুৰুত্ব থাকিব লাগিব। অতীতৰ সেই গুৰু সেৱাৰ মনোভাৱ সমাজতে যেন ক্ৰমে নোহোৱা হ'ব ধৰিছে। আজিৰ প্ৰজন্মৰ উচ্ছৃংখলতাই শিক্ষক সকলৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বহু ক্ষেত্ৰত শিক্ষক সকল প্ৰাপ্য সন্মানৰ বিপৰীতে লাঞ্চিত হোৱাহে পৰিলক্ষিত হয়। তাৰ বাবে নিশ্চয় বৰ্তমানৰ যুৱ মানসিকতা, মাদক দ্ৰব্যৰ ব্যাপক প্ৰচলন আৰু আধুনিক সমাজৰ ব্যৱস্থাই দায়ী।

এখন সুস্থ সবল আৰু সু-শৃংখল সমাজ গঠনত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলৰ অৱদান উল্লেখনীয়। প্ৰগতিকামী বিশ্বৰ লগত খোজ মিলাবলৈ হ'লে নাগৰিকসকল শিক্ষিত হোৱাটো প্ৰয়োজন। শিক্ষাৰ দিশত এই যুটীয়া প্ৰচেষ্টাইহে সমাজখনক আগুৱাই নিয়াত সহায় কৰিব। গতিকে প্ৰতিখন শিক্ষানুষ্ঠানত আৰু সমাজত ছাত্ৰ-ছাত্ৰীৰ আৰু শিক্ষকৰ মাজৰ সম্পৰ্ক অতি মধুৰ কৰি তোলাত আমি সকলোয়ে সহায় কৰা উচিত। ❑❑❑



# কলেজীয়া জীৱনৰ ছাত্ৰ-ছাত্ৰী

মৰিয়ম খাতুন
স্নাতক দ্বিতীয় ষাণ্মাসিক

কিবা লিখিবলৈ মন গ'ল। কি লিখো কি নিলিখো বুলি ভাবি থাকোতে হঠাৎ কলেজখনৰ বিষয়ে লিখিবলৈ ইচ্ছা হ'ল তাকে লিখিবলৈ কলম হাতত তুলি ললো আৰু লিখিবলৈ আৰম্ভ কৰিলো।

উচ্চতৰ মাধ্যমিক শিক্ষাৰ ফলাফল ওলোৱাৰ আগমুহূৰ্তত পৰিকল্পনা কৰা আগন্তক দিনবোৰৰ কথা য'ত বহু আশা সপোন লৈ অপেক্ষা কৰা হয় ফলাফললৈ। মাক-দেউতাকে তেওঁলোকৰ ল'ৰা-ছোৱালী ডাঙৰ মানুহ হোৱাৰ বাট মুকলি হোৱা বুলি ভাৱে। মাক-দেউতাকৰ হাড়-ভঙা কঠোৰ পৰিশ্ৰমৰ বলেৰে তেওঁলোকৰ ল'ৰা-ছোৱালীক কলেজলৈ পঠায় পঢ়িবৰ কাৰণে কিন্তু সেই কলেজখনত গৈ ল'ৰা ছোৱালীবোৰে পায় এক নতুন পৰিবেশ য'ত নিজকে খাপ খুৱাবলৈ গৈ ল'ৰা-ছোৱালী বেয়া পথত পৰিচালিত হোৱাও দেখা যায়। ফলত ল'ৰা-ছোৱালীয়ে ভাল বেয়া বিচাৰ কৰিব নোৱাৰা হৈ পৰে। শেষত অনুতাপ কৰিবলগীয়া হয়।

শিক্ষক-শিক্ষয়িত্ৰী সকল বহু দূৰৰ পৰা ঘৰৰ কাম-বন এৰি কলেজলৈ ছাত্ৰ-ছাত্ৰী সকলক কিবা শিকাবলৈ আহে। কিন্তু এনে বহুতো ছাত্ৰ-ছাত্ৰী আছে যি সকলে শিক্ষকৰ কোনো কথা, আদেশ উপদেশ মানি চলিবলৈ টান পায় আনকি তেওঁলোকৰ অধ্যয়নৰ ক্ষেত্ৰতো। কিয়নো তেওঁলোক কলেজলৈ প্ৰত্যেক দিনাই আহে কিন্তু অধ্যয়ন কৰিবলৈ নহয় নিজৰ নিজৰ হাবিয়াস পূৰণ কৰিবলৈহে। যেতিয়া কলেজত কিবা অনুষ্ঠান পতা হয় তেতিয়া আমাৰ বহু ছাত্ৰ-ছাত্ৰীয়ে সেই অনুষ্ঠান সমূহত যোগদান নকৰে। অনুষ্ঠান সমৃহত যোগদান কৰিলেই যে পুৰস্কাৰ পাব লাগিব সেয়া নহয় অনুষ্ঠানত যোগদান কৰাটোহে ডাঙৰ কথা। সিহঁতে অনুষ্ঠান সমূহত যোগদান নকৰি গছৰ তলত নাইবা বহু ছাত্ৰ-ছাত্ৰী অনাই বনাই ঘূৰি ফুৰা দেখা যায় আনকি কেন্টিনত বা মুকলি খেলপথাৰত বহি আড্ডা মাৰি সময়খিনি পাৰ কৰি গুচি যায়।

অনুষ্ঠান সমূহত বক্তৃতা অনুষ্ঠান, কুইজ প্ৰতিযোগিতা ইত্যাদি অনুষ্ঠান পতা হয় ছাত্ৰ-ছাত্ৰী সকলৰ বাবে। কিন্তু সেই অনুষ্ঠান সমূহত কমসংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে যোগদান কৰা দেখা যায়। কিছুমান ছাত্ৰ-ছাত্ৰী আছে যে সিহঁতে ভাৱে এইবোৰ অনুষ্ঠানৰ কোনো মূল্য নাই। সেইবাবে হয়তো এনে অনুষ্ঠানত দৰ্শক শ্ৰোতাৰ আসনবোৰ লাহে লাহে খালী হৈ পৰে আৰু সেই ছাত্ৰ-ছাত্ৰী সকলেই পেক্ষাগৃহৰ পৰা ওলাই গৈ আড্ডা মাৰি থকা পৰিলক্ষিত হয়। আচলতে কিছু সংখ্যক ল'ৰা ছোৱালীয়ে কলেজ পোৱা মানে স্বৰ্গ পোৱা বুলি ভাৱে। সেই বাবে বহু ছাত্ৰ-ছাত্ৰী কলেজীয়া আচল শিক্ষাৰ পৰা পিছ পৰা দেখা যায়। কলেজ খনত মাজে মাজে বিভিন্ন বিষয়ৰ

ওপৰত অনুষ্ঠিত হোৱা সভা-সমিতি সমূহত শিক্ষক শিক্ষয়িত্ৰীয়ে বা আন আন বিজ্ঞজনে দিয়া বক্তৃতাৰ পৰা বহু জ্ঞান লাভ কৰিব পাৰো। কিন্তু ছাত্ৰ-ছাত্ৰীয়ে ভাৱে যে 'মই এজন' কিন্তু সিহঁতৰ ওপৰতো যে এজন আছে সিহঁতে সেইটো নাভাৱে। হায় কি অধঃপতন।

মাক দেউতাকে ভাবে যে মোৰ ছোৱালী বা ল'ৰাই কলেজত পঢ়ে। সেইবাবেই হয়তো ল'ৰা ছোৱালী যি বিচাৰে তাকে বহু কষ্ট কৰি হ'লেও যোগাৰ কৰি দিয়ে। মোবাইল লাগে মোবাইল কিনি দিয়ে, বাইক লাগে বাইক কিনি দিয়ে। ল'ৰা-ছোৱালীয়ে কলেজত কিবা অঘটন ঘটালে মুৰব্বী সকল আহি কৰ্তৃপক্ষকো কেতিয়াবা দোষাৰোপ কৰা দেখা যায়। আচলতে ছাৰ-বাইদেউ বা কৰ্তৃপক্ষ জগৰীয়া নহ'বও পাৰে। নিজে ভালে থাকিলে কোনেও একো কৰিব নোৱাৰে। কলেজত যে অকল সকলো ল'ৰা-ছোৱালীয়েই বেয়া বা সকলো ল'ৰা ছোৱালীয়েই ভাল সেয়া নহয়। কলেজত এনে কিছুমান ল'ৰা ছোৱালী আছে যি সকল অধ্যয়নশীল, সৎ আৰু সু-চৰিত্ৰবান। কিন্তু এই সকলক বেয়া পথত কেনেকৈ পতিয়ন নিয়াব পাৰি তাৰহে চেষ্টা কৰে একাংশই। কিন্তু এয়া জানো এজন ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য। কোনো কোনো ল'ৰা-ছোৱালীয়ে আন ল'ৰা-ছোৱালীক বেয়া পথলৈ পৰিচালিত কৰাও দেখা যায়। তেওঁলোকে ভবা উচিত যে এজন মানুহ হিচাপে কেৱল খাই বই ঘূৰি ফুৰা হাঁহি তামাচা কৰি সময় কটোৱাটোৱেই সঠিক জীৱন নহয়। যিহেতু প্ৰত্যেকেই মানুহ, গতিকে মানুহ হিচাপে জীয়াই থাকিবলৈ হ'লে জ্ঞান বিবেচনাৰে কাম কৰিব লাগিব। প্ৰথমতে নিজৰ অধ্যয়নৰ প্ৰতি, শিক্ষাগুৰু সকলৰ প্ৰতি, মা-দেউতাৰ প্ৰতি, সমাজৰ প্ৰতি দায়িত্ববোধ থাকিব লাগিব। যিহেতু আজিৰ ছাত্ৰ-ছাত্ৰীয়ে কাইলৈ দেশৰ নাগৰিক। গতিকে নিজৰ, সমাজৰ, দেশৰ ভৱিষ্যৎ ভাল আশা কৰিবলৈ হ'লে আগতে নিজেই ভাল হব লাগিব। যিদৰে মহান ব্যক্তি সকলে কৈছিল যে "আগতে নিজে ভাল হোৱা তেতিয়া জানিবা যে পৃথিৱীৰ পৰা এজন বেয়া মানুহ কমিল"।

ময়ো এগৰাকী ছাত্ৰী। সেই হিচাপে মই ভাবো যে কলেজখন এনেকুৱা এখন অনুষ্ঠান যিখন অনুষ্ঠান কাৰোবাৰ বাবে আশীৰ্বাদ স্বৰূপ আৰু আন কাৰোবাৰ বাবে অভিশাপ স্বৰূপ।

❑❑❑

* লোকৰ কথা মন দি শুনিবা, ভাল কিতাপ মন দি পঢ়িবা আৰু অসাৰুৱাভাগ বাদ দি সাৰুৱা ভাগ মনত ৰাখিবা।

—লক্ষ্মীনাথ বেজবৰুৱা



# শিক্ষাই জাতিৰ মেৰুদণ্ড

**জাকিয়া পাৰবিন**
**স্নাতক দ্বিতীয় ষাণ্মাসিক**

শিক্ষা হৈছে মানুহৰ এক অন্যতম সম্পদ, যি সম্পদ চোৰে চুৰ কৰিব নোৱাৰে। ধন ভগালে কমি যায় কিন্তু শিক্ষা বাঢ়েহে। শিক্ষা জাতিৰ মেৰুদণ্ড। শিক্ষাই দাঙি ধৰে যিকোনো জাতি, ঠাই তথা মানুহৰ পৰিচয়। শিক্ষাই দিব পাৰে মানুহৰ উচ্চ মানসিকতাৰ পৰিচয়। বৰ্তমান সময়ত শিক্ষা নহলে একোৱেই নাই। মানুহৰ মৌলিকপ্ৰয়োজন তিনিটা। এই তিনিটা হ'ল সাজপাৰ, খাদ্য আৰু বাসস্থান। এই তিনিটা প্ৰয়োজনৰ একেবাৰে কাষৰ প্ৰয়োজনটোৱেই হ'ল শিক্ষা।

মানুহৰ গোটেই জীৱনটো শিক্ষাৰ সময় যদিও শিক্ষা জীৱনৰ এটা নিৰ্দিষ্ট সময় আছে। শিক্ষা জীৱন হৈছে ছাত্ৰ জীৱন। শিক্ষা জীৱনটো বৰ আৰামৰ নহয়। কিন্তু শিক্ষা পূৰ্ণাঙ্গভাৱে গঢ়ি তুলিব পাৰিলে মানুহৰ জীৱনটো বৰ সুখজনক হয়। প্ৰকৃত শিক্ষিত এজন দেশ তথা সমাজৰ এটা ছাতি। ছাতি এটা মানুহৰ লগত থাকিলে হঠাৎ বৰষুণ আহিলে সম্পূৰ্ণ নহলেও কিছু পৰিমানে হলেও বৰষুণৰ পৰা ৰক্ষা পাব পাৰি। তেনেদৰে শিক্ষিত এজনে দেশ আৰু দহৰ বহুতো উপকাৰ সাধন কৰিব পাৰে। শিক্ষিত মানুহৰ সমাজত বহুতো সন্মান আছে। শিক্ষাৰ এটা ভাল গুণ আছে। শিক্ষাৰ গুণ সকলোৱে বুজি নাপায়। অসমীয়া ভাষাত এটা কথা কোৱা হয় যে গুণীয়ে গুণীৰ মোল বুজি পায়। কিন্তু মুৰ্খই গুণীৰ মোল বুজি নাপায়।

শিক্ষাই মানুহক ভিন্ন ভিন্ন সোৱাদ দয়ে। সেই জ্ঞান অৰ্জন কৰিয়েই মানুহে জীৱনত উন্নতিৰ জখলাত বগাব পাৰে। বৰ্তমানৰ পৃথিৱী সভ্যতালৈ দোপত দোপে আগবাঢ়িছে একমাত্ৰ জ্ঞানৰ প্ৰসাৰৰ দ্বাৰা। সভ্যতাৰ মুল উৎস হৈছে জ্ঞান। জ্ঞানৰ প্ৰসাৰৰ দ্বাৰা মানুহে বিজ্ঞানৰ অৱদানৰ সহায়ত ইমান আগবাঢ়িব পাৰিছে। বিজ্ঞানৰ বলতেই গোটেই পৃথিৱী আজি মানুহৰ হাতৰ মুঠিত। ছাত্ৰ জীৱন হৈছে শিক্ষাৰ প্ৰকৃত জীৱন। "ছাত্ৰানাং অধ্যয়নং তপঃ" বুলি কওঁতে বিদ্যালয়ৰ পাঠ্যপুথিখিনি পঢ়ি অকল পৰীক্ষা পাছ কৰাটো বুজালে অধ্যয়নং আৰু তপঃ শব্দ দুটাৰ মৰ্যদাকে হানি কৰা হ'ব। আমাৰ স্কুল কলেজত শিক্ষা এতিয়াওঁ পূৰ্ণাঙ্গ কৰি তুলিব পৰা নাই। পাঠ্যপুথিৰ শিক্ষাৰ উপৰিও জীৱনত কৃতকাৰ্যতা লাভ কৰাটো আমাৰ সকলো ছাত্ৰ-ছাত্ৰীৰ মৌলিক কৰ্তব্য। আমাৰ ছাত্ৰ-ছাত্ৰীসকলে এই প্ৰাথমিক শিক্ষাকে নিয়াৰিকৈ কৰিব পৰা দেখা নাযায়। পৰীক্ষাত উত্তীৰ্ণ হোৱাটো একমাত্ৰ ছাত্ৰ জীৱনৰ উদ্দেশ্য বুলি ধৰি কোনোৱে আকৌ তাৰ বাবে অসৎ উপায় অৱলম্বন কৰে। এনে অসৎ কাৰ্যৰ দ্বাৰা কোনোৱে শিক্ষিত হ'ব নোৱাৰো আৰু নিজেই নিজকে ফাঁকি দিয়া হয়। ছাত্ৰ অৱস্থাত জীৱনৰ লক্ষ্য থিৰ কৰি ভৱিষ্যত কৰ্মপন্থা বাছি ল'ব লাগে, অৰ্থাৎ সকলোৱে জীৱনত এটা লক্ষ্য থাকিব লাগে। লক্ষ্য নোহোৱা জীৱন ব'ঠাহীন নাৱৰ দৰে। যিটো লক্ষ্য বাছি লোৱা হ'য় সেই লক্ষ্য অনুযায়ী নিজেই নিজকে প্ৰস্তুত কৰি লব লাগে। তেতিয়াহে ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যৎ জীৱন গঢ় দিব পাৰিব, ভৱিষ্যতে এজন দেশৰ সু-নাগৰিক হ'ব পাৰিব। সু-শিক্ষাই সু-নাগৰিক গঢ়ি তুলিব পাৰে আৰু দেশৰ উন্নতিত সময়ৰ সতে হাত আগবঢ়াব পাৰে। শিক্ষিত সমাজ উদিত সূৰ্যৰ দৰে, যাৰ পোহৰত চৌদিশ প্ৰাণৱন্ত হয়।

❑❑❑

# নাৰী নিৰ্যাতন

## এটি অভিমত

**মিজানুৰ ৰহমান**
**স্নাতক দ্বিতীয় ষাণ্মাসিক**

একবিংশ শতিকাৰ সভ্যতাৰ দুৱাৰডলিত ভৰি দি বিজ্ঞানে লাভ কৰা অগ্ৰগতিৰে বৰ্তমান সময়তো প্ৰতিটো মুহূৰ্ততে, প্ৰতিটো দিনতে ক'ৰবাত নহয় ক'ৰবাত ঘটি আছে নাৰী নিৰ্যাতন। কি সাংসাৰিক জীৱন, কি সামাজিক জীৱন সকলোতে নাৰী নিৰ্যাতনৰ ঘটনাবোৰে ভয়াবহ ৰূপ ধাৰণ কৰিছে, যি সমূহে বৰ্বৰ যুগকো চেৰাই গৈছে। প্ৰত্যেক নাৰীয়ে মনৰ একোণত সংগোপনে লালন-পালন কৰে বিবাহিত জীৱনৰ এক মধুৰ স্বপ্ন। সুন্দৰ, সংযমী, সহনশীল, মৰমীয়াল স্বামী এজনৰ কল্পনাৰে মন আকাশত সাতো বৰণৰ ৰামধেনু ৰেখা টানে। কিন্তু বাস্তৱ জীৱনত কিমান জনীয়েনো মনে বিচৰা ধৰণেৰে স্বামীৰ সুখ পায়। সমাজ হিতৈষী বুলি সমাজত পৰিচিত ব্যক্তি গৰাকীৰ ঘৰলৈ গ'লেও দেখা পাব ক'ৰবাত নহয় ক'ৰবাত নিৰ্যাতন।

বিশেষ এটা বিভাগত চাকৰি কৰা শিক্ষিত ব্যক্তি এজনৰ অভাৱনীয় আচৰণত মই একপ্ৰকাৰ আচৰিত হৈছিলো। মনৰ মাজত নানা ধৰণৰ প্ৰশ্নই হেতা-ওপৰা লগাইছিল। মোৰ কোনো ব্যক্তিগত ক্ষোভ-আখেজ নাছিল। তেওঁৰ প্ৰতি মোৰ ক্ষোভ উপজিল তেতিয়া, যেতিয়া দেখিলো তেওঁ কয় এটা, কৰে আন এটাহে। সভা-সমিতিত নাৰী নিৰ্যাতনৰ বিৰুদ্ধে মাত মাতে, সুস্থিৰ সমাজ গঠনৰ কথা কয়, ভাষাৰ ফুলজাৰি মাৰিব ঠিকেই, অথচ নিজৰ পত্নীৰ বেলিকা? "লাও যিমানেই ডাঙৰ নহওক কিয় পাতৰ তল" — এই আপ্তবাক্য তেওঁ ঘৰত ব্যৱহাৰ কৰে। ঘটনাটো উল্লেখ কৰিবলৈ গৈ মোৰ বান্ধৱী দুগৰাকীৰ ছদ্ম নাম উল্লেখ কৰিলোঁ।

কিছুদিন আগতে মই মোৰ বান্ধৱী ৰীতাক লৈ আন এগৰাকী বান্ধৱী ফাৰিয়াৰ ঘৰলৈ গৈছিলোঁ। তাইৰ গৃহস্থৰ লগত কথা পাতি থাকোতে তাই চাহ কৰি আনিলে। আমাক খাবলৈ দিয়া চাহৰ কাপটো একে কিন্তু তাইৰ গৃহস্থক খাবলৈ দিয়া চাহৰ কাপটো অন্য ধৰণৰ। কেনাটো লাগিল তাতেই। তেওঁ কাপটো দলিয়াই দি খং কৰি ক'লে— "এইটো আকৌ কি ধৰণৰ ষ্টাইল? ঘৰত কাপ নাই নেকি"? তাই লাহেকৈ ক'লে— "সেইবুলি কাপ দলিয়াই দিব লাগে নেকি? তেওঁ উচ্চ স্বৰত ক'লে— "ননচেঞ্চ কৰবাৰ, তই মোক শিকাবলৈ আহিছ নেকি?

তেওঁৰ ব্যৱহাৰত আমি ওলাই আহিব খুজিলো যদিও সৌজন্যতাৰ খাতিৰত খাবলৈ বহিলো। মই কিবা এটা ক'বলৈ মুখ মেলোতেই ফাৰিয়াই পাকঘৰত উস্ বুলি চিঞৰ এটা মাৰি দিলে। আমি দৌৰি তাইৰ কাষলৈ গ'লো। আমাৰ পাছে পাছে তাইৰ গৃহস্থও গ'ল। তাইৰ হাতৰ আঙুলি কাটিছে তাই হাতত টিপা মাৰি ধৰি ফটাকানি এডোখৰ ৰীতাৰ ফালে আগবঢ়াই দি ক'লে— "বান্ধি দেনা"। গৃহস্থৰ ফালে চাই ক'লে— "ডেটলৰ বটলটো আনি দিয়কনা। তেওঁ নিৰ্দয়তাৰে ক'লে বেছি পেংলাব



নালাগে, লাগে যদি লৈ নাহা কিয়? মোক অৰ্ডাৰ দিব আহিছে।

এই কথাখিনি কলে যদিও গৃহস্থই ডেটলৰ বটলটো আনি দিলে। আমি ভাত নাখাওঁ বুলিয়ে ভাবিলোঁ। ইফালে ফাৰিয়াইও এৰি নিদিয়ে। তাই মাছকেটা ডেক্‌চিত লৈ চামুচেৰে খচিব ধৰিলে। ডেক্‌চি আৰু চামুচৰ মিলনত শব্দ এটা হ'ব ধৰিলে। এইবাৰ তাইৰ গৃহস্থই আকৌ খং কৰি ক'লে— "কমনচেন্স বোলা বস্তুটো নাই নেকি। গৰুৰ দৰে কাম যে কৰি আছা, তোৰ এই ঘট্ ঘট্ শব্দত মোৰ কাণ ফাটি যায়"। তাই সেমেকা মাতেৰে ক'লে— "আপুনিও যে আৰু, যি মুখত আহে তাকে কয়, মানুহ-দুনুহ নাচায় নেকি।" তইনো ক'ৰ লাট চাহাবৰ বেটি ওলাইছ? মানুহ চাই যে তোৰ লগত কথা কব লাগে"। এই বুলি ফাৰিহাৰ গৃহস্থই ফাৰিহাক প্ৰত্যুওৰ দিলে।

দুয়োৰে কথা শুনি মই ফাৰিয়াৰ মুখৰ ফালে চাই বহাৰ পৰা উঠি ফাৰিয়াক ক'লো— "মোৰ দৰকাৰী কাম এটা আছে। সেয়ে দেৰি কৰিব নোৱাৰিম, বেয়া নাপাবি দেই, অন্য এদিন আহি খাম। এইবাৰ ফাৰিয়াই আমাক থাকিবলৈ জোৰ নকৰিলে। নিজ ঘৰতে নাৰীয়ে মন খুলি কথা ক'ব নোৱাৰে, নিজৰ ঘৈনীয়েকক দাসীৰ দৰে ব্যৱহাৰ কৰে। ৰাজহুৱাভাৱে অপদস্থ কৰিবলৈ কুণ্ঠাবোধ নকৰে। আলহী অতিথিৰ সমুখতে কোনো ভাল মানুহে ঘৈণীয়েকক তেনে দুৰ্ব্ৱহাৰ কৰেণে? কিমানজনী নাৰীয়েনো ঘৰত যুক্তিৰে মুক্ত মনে কথা কব পাৰে। অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ ধৰ্মৰ দোহাই দি প্ৰতিটো খোজতে নাৰীক বন্দী কৰি ৰাখিব বিচাৰে। মই পৰিস্থিতিটো পাতল কৰাৰ বাবে মাথোঁ হাঁহি মাৰি ক'লো "যদি ঘৈণীয়েকক অত্যাচাৰে কৰিব নোৱাৰে তেওঁনো কিহৰ পুৰুষ হ'ল। শেষত মই ইয়াকে ক'ব বিচাৰো ঘৰখনৰ লগতে সমাজৰ প্ৰতিও নাৰীৰ দায়িত্ব অতি গধুৰ। যদি সেই নাৰীসকলক সুশিক্ষাৰ সুযোগ দিয়া নহয়, নাৰীক উপযুক্ত সন্মান দিয়া নহয়, তেনেহ'লে সেইখন ঘৰ আৰু ঘৰ হৈ নাথাকে। কোৱা হয় ঘৰখনেই হৈছে সন্তানৰ বাবে শিক্ষাৰ কঠীয়াতলী, প্ৰথম পাঠশালা। মাতৃগৰাকীয়ে হৈছে সন্তানৰ প্ৰথম শিক্ষয়িত্ৰী। নাৰী হৈছে ত্যাগৰ প্ৰতীক। পিছে যিখন ঘৰত ঘৰৰ মুৰব্বীয়ে অনবৰতে চিঞৰ-বাখৰ কৰি থাকে, গালি-গালাজ পাৰি থাকে সেইখন ঘৰৰ নাৰীয়ে হাজাৰ ত্যাগ কৰিলেও সন্তানে সুশিক্ষা নাপাব। কাৰণ শিশু অনুকৰণপ্ৰিয়। উপাদেশতকৈ আৰ্হি ভাল। ফাৰিয়াৰ গৃহস্থই বাৰু ঘৰখনত সন্তানৰ বাবে কি আৰ্হি দেখুৱাইছে। সভ্যতা-শিষ্টাচাৰ মানৱ সমাজৰ এক অপৰিহাৰ্য অংগ। মানুহ পৰিৱেশৰ দাস। পৰিবেশ ভাল হব তেতিয়া, যেতিয়া প্ৰতিজন ল'ৰা ছোৱালীয়ে অভিভাৱকৰ পৰা ভাল শিষ্টাচাৰৰ শিক্ষা পায়। শিশুৰ আচাৰ-ব্যৱহাৰ গঠনত সহায় কৰে ঘৰখনৰ পৰিৱেশ, পিতৃ-মাতৃ আৰু অন্যান্য ডাঙৰসকলৰ কথা-বতৰা আচাৰ-ব্যৱহাৰ, চলন-ফুৰণ আদিয়ে। এই লিখনিৰ জৰিয়তে ফাৰিয়াৰ গৃহস্থৰ দৰে মানুহবোৰক অনুৰোধ জনাওঁ যে সন্তানৰ মঙ্গলৰ বাবেই হওঁক ঘৰখনত যাতে অশ্ৰাব্য গালি-গালাজ নাপাৰে, আনক সমালোচনা কৰাৰ আগতে যাতে আত্মসমালোচনা কৰে তাত আপোনাৰে মঙ্গল। যিখন ঘৰত নাৰীক সন্মান দিয়া হয় সেইখন ঘৰেই হৈছে সুখৰ আলয়।

❑❑❑

> * যদি তুমি পবিত্ৰ আৰু শক্তিশালী হোৱা, তেতিয়া তুমি গোটেই বিশ্বকে জয় কৰিব পাৰিবা।
> —স্বামী বিবেকানন্দ

# নাৰীৰ উত্থান আৰু সামাজিক দায়িত্ব

উম্মে ছালমা ছিদ্দিকা
স্নাতক প্ৰথম যাণ্মাসিক

বিধাতাৰ সৃষ্টি নাৰী আৰু পুৰুষৰ সমষ্টিয়েই সমাজ। সমাজত নাৰী আৰু পুৰুষ এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। নাৰীয়ে পুৰুষৰ সাহচৰ্যত আৰু পুৰুষেও নাৰীৰ সাহচৰ্যত সামাজিক, সাংসাৰিক জীৱন যাত্ৰাত অগ্ৰসৰ হয়। সমাজ বিজ্ঞানে দাঙি ধৰে নাৰীৰ উত্থান-পতনৰ বহু ইতিহাস। ভাৰতীয় সমাজ পুৰুষ প্ৰধান। পুৰুষ প্ৰধান সমাজত নাৰীয়ে সামাজিক, অৰ্থনৈতিক আদি নানা কাৰণত বহু সংগ্ৰাম আৰু ঘাত-প্ৰতিঘাতৰ সন্মুখীন হ'বলগীয়া হয়। এইবোৰৰ মাজেদিয়েই নাৰীয়ে জীৱন যাত্ৰাত নিজকে প্ৰতিষ্ঠা কৰিবলগীয়া হয়।

লিংগ বৈষম্য সমাজৰ এক ডাঙৰ ব্যাধি। এসময়ত কিছুমান পিতৃ-মাতৃয়ে কন্যা-সন্তানৰ প্ৰতি বৈষম্যমূলক আচৰণ কৰিছিল। কিছুমানে কন্যা সন্তানক মৰম কৰিছিল হয়, কিন্তু ডাঙৰ হ'লে পৰম্পৰা অনুসৰি আনৰ ঘৰলৈ পঠাই দিব লাগিব। গতিকে ছোৱালীয়ে পঢ়া-শুনা কৰি কি লাভ। এনে ধাৰণাৰ বশৱৰ্তী হৈ ছোৱালীক ঘৰৰ কাম-বন কৰাইছিল। কিছুমানে আকৌ স্কুললৈ পঠালেও পঢ়াৰ লগতে ঘৰৰ সকলো কাম-বন কৰাইছিল। কিন্তু ল'ৰা হ'লে ঘৰৰ কাম-বন একোকে কৰিব নালাগে। এয়াই আমাৰ সমাজ।

এটা সময় আছিল যেতিয়া নাৰীৰ কোনো অধিকাৰ নাছিল। এই ক্ষেত্ৰত আজি নাৰী-পুৰুষৰ বৈষম্য সমাজৰ পৰা বহুখিনি আঁতৰিছে। আজি বিভিন্ন দেশ বা ৰাজ্যত নাৰীয়ে ৰাজনীতিতো অংশগ্ৰহণ কৰিছে। ইয়াৰ উপৰিও, অৰ্থনৈতিক সমাজিক আদি দিশতো নাৰীৰ সফলতাৰ শাৰী বহু দীঘলীয়া। পুৰণি মূল্যবোধক আঁতৰ কৰাৰ বাবে প্ৰয়োজনীয় মানসিকতা গঢ় লৈ উঠিছে আজিৰ নাৰীৰ মাজত। নাৰীসকলে আজি মুক্তি লাভ কৰিছে। মুক্তিৰ অৰ্থ কেৱল অভিভাৱকত্ব বন্ধনৰ পৰা মুক্ত হৈ সমাজৰ শৃংখলা ভংগ কৰি খুচিমতে জীৱন কটোৱাকে নুবুজায়। মুক্তিৰ অৰ্থ হ'ল শোষণবিহীন জীৱন, অন্যায়ৰ প্ৰতিবাদ কৰিব পৰা মানসিকতা আৰু নিজৰ চিন্তা চৰ্চাৰে আত্ম মৰ্য্যদা সহকাৰে জীয়াই থকা। সুস্থ চিন্তা তথা নিজৰ যোগ্যতা সাব্যস্ত কৰিব পৰা নাৰীয়েহে বিচাৰি পায় জীনৱত মুক্তিৰ সন্ধান। কিন্তু নাৰী মুক্তি, নাৰী স্বধীনতা বুলি প্ৰকৃততে কি বুজায় সেয়া আজিও অধিক নাৰীয়ে বুজি পোৱা নাই। মুক্তি, স্বাধীনতা আদিৰ



পাছত দৌৰি থাকোতে গম নোপোৱাকৈয়ে সোমাই পৰে অন্ধকাৰৰ গৰাহত। আধুনিকা হবলৈ গৈ বিক্ৰী হৈ পৰে পণ্য সামগ্ৰীৰ দৰে। এইচাম আধুনিকাই পুৰুষৰ অন্তৰত অংশ লৈয়ে বিচাৰি পায় জীৱনৰ মুক্তি স্বাধীনতা। ফলত আজিও বহু ঠাইত শুনিবলৈ পোৱা যায় নাৰীৰ কৰুণ আৰ্তনাদ। নিজৰ শক্তিৰে সঠিক বাট উলিয়াব নোৱাৰাৰ বাবেই নাৰী ঘৃণণীয় কামনাৰ বলি হ'বলগীয়া হয়, লাঞ্চিতা হয় মৃত্যুও ঘটে বহুতৰে। এই সকলোবোৰ ৰোধ কৰিবৰ বাবে প্ৰয়োজন মাথোঁ মানসিক শক্তিৰ। অধিকাৰ কোনেও দি থৈ নাযায়। আপোনাৰ অধিকাৰ আপুনি নিজে বিচাৰি পাব লাগিব, মাথো লাগে আমাক একাগ্ৰতা, ধৈৰ্য, সততা আৰু নিজৰ ওপৰত আস্থা। সৃষ্টিকৰ্তাই সকলোকে এনে আস্থা এটি গুণৰ অধিকাৰী কৰি পঠিযায় তাৰ দ্বাৰা আমি সমাজত নিজকে মানৱীয় মৰ্যদা দিব পাৰো। প্ৰয়োজন কেৱল আমাৰ মাজৰ প্ৰতিভাখিনি উলিয়াই অনাৰ। নাৰীয়ে নিজস্ব ধ্যান ধাৰণাৰ মাজত বৰ্তি থকাৰ মাজতে হঠাৎ নিজকে আন এক পৰিবেশত বিলীন কৰিবলগীয়া হয়। এই সংসাৰ ধৰ্ম পালন কৰাৰ পিছতো আমাৰ মাজত বিভিন্ন ক্ষেত্ৰত বহু সাহসী নাৰী আগবাঢ়ি আহিছে।

কোৱা হয় যে এগৰাকী নাৰীক শিক্ষা দিয়া মানে এটা প্ৰজন্মক শিক্ষিত কৰি তোলা। তেনে ক্ষেত্ৰত আজি শিক্ষিত হ'ব লাগিব কেৱল পাঠ্যপুথিৰ দ্বাৰাই নহয় বাহ্যিক জ্ঞানৰ দ্বাৰাও।

❑❑❑

* তুমি যদি সময়ক অপব্যয় কৰা সময়ে তোমাক অপব্যয় কৰিব।
—এ.পি.জে. আব্দুল কালাম

* জীৱনটো এক মহৎ উপহাৰ। যিসকলে জীৱনক ভাল নাপায় সেইসকল ইয়াৰ অনুপযুক্ত।
—সৰ্বেপল্লী ৰাধাকৃষ্ণণ

* যিজন মানুহৰ নিজৰ ওপৰত বিশ্বাস নাই তেওঁ কোনো কামতে সফল হ'ব নোৱাৰে।
—নেপোলিয়ন বোনাপাৰ্ট

# শিক্ষাৰ অধিকাৰ আইন, ২০০৯

জিনাৱা খাতুন
স্নাতক প্ৰথম ষাণ্মাসিক

১৯৯৮ চনৰ ডিচেম্বৰৰ ১০ তাৰিখে ৰাষ্ট্ৰসংঘই মানৱ অধিকাৰ সাৰ্বজনীন ঘোষণা কৰি প্ৰস্তাৱনাত উল্লেখ কৰিছিল যে ৰাষ্ট্ৰসমূহে জনগণক জ্ঞান, দক্ষতা, শিক্ষা প্ৰদান কৰি মানৱ অধিকাৰৰ বিকাশ সাধন কৰাটোৱেই শিক্ষাৰ লক্ষ্য হোৱা উচিত।

শিশুসকলৰ অধিকাৰৰ ক্ষেত্ৰত কোৱা হৈছিল যে " শিশুসকলে অন্তত: প্ৰথমিক স্তৰৰ শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলকভাৱে গ্ৰহণ কৰাৰ সুবিধা থাকিব লাগে আৰু শিক্ষাই তেওঁলোকক সমাজৰ উপযোগী ব্যক্তিলৈ ৰূপান্তৰিত কৰি সামাজিক সক্ষমতা, সাংস্কৃতিক সক্ষমতা, সুবিবেচনাসম্পন্ন তথা দায়িত্ববোধৰ প্ৰসাৰ আৰু বিকাশ ঘটাব লাগে। লগতে খেলা, গানগোৱা আৰু আজৰি সময় উপভোগৰ সা-সুবিধা দিয়াটোত শিক্ষা লাভৰ উদ্দেশ্যৰ দৰেই হব লাগে"।

ৰাষ্ট্ৰসংঘই মানৱ আধিকাৰৰ ক্ষেত্ৰত এনেদৰে ঘোষণা কৰাৰ পিছতহে ২০০২ চনত আমাৰ সংবিধান সংশোধন কৰা হৈছিল। সংবিধানৰ ৯৩ নং অনুচ্ছেদৰ সংশোধন ঘটাই অনুচ্ছেদ ২১ (ক)ত শিক্ষা লাভৰ অধিকাৰক মৌলিক অধিকাৰৰ মৰ্য্যদা প্ৰদান কৰা হৈছে। লগতে উল্লেখ কৰিছিল যে "ৰাজ্য চৰকাৰ সমূহে আইনৰ দ্বাৰা ৬-১৪ বছৰীয়া সকলো শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।"

আনহাতে সংবিধানৰ ২১(ক) সংশোধিত অনুচ্ছেদ অনুসৰি কেন্দ্ৰীয় চৰকাৰে ২০০৯ চনত এখন আইন জাৰি কৰে। এই আইন খনেই হ'ল "শিশুৰ বিনামূলীয়া আৰু বাধ্যতা মূলক শিক্ষাৰ অধিকাৰ আইন-২০০৯"। আইন খনক ২০০৯ চনৰ ২০জুলাই তাৰিখে ৰাজ্য সভাত, ২০০৯ চনৰ ৪ আগষ্টত লোকসভাত আৰু ২০০৯ চনৰেই ৩ ছেপ্তেম্বৰ তাৰিখে ৰাষ্ট্ৰপতিয়ে সন্মতি প্ৰদান কৰে। অৱশ্যে ইয়াৰ কাৰ্যকৰীকৰণ হৈছিল ২০১০ চনৰ ১ এপ্ৰিলৰ পৰাহে। এই আইনখনেই শিক্ষাৰ অধিকাৰ আইন নামে জনাজাত।

শিক্ষাৰ অধিকাৰ আইনে কেনে ধৰণে আমাক সুবিধা প্ৰদান কৰিছে তাৰ বিষয়ে তলত আলোচনা কৰা হ'ল -

১) প্ৰত্যেক শিশুৱে ওচৰৰ বিদ্যালয়ত ৬-১৪ বছৰ বয়সৰ ভিতৰত বিনামূলীয়াকৈ বাধ্যতামূলক শিক্ষা গ্ৰহণ কৰি প্ৰাথমিক শিক্ষা গ্ৰহণৰ সুবিধা পাব লাগিব।

২) প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত কোনো মাচুল লব নোৱাৰিব। যিয়ে শিশুক শিক্ষা লোৱাত বাধাৰ সৃষ্টি কৰে।



৩) বিশেষভাৱে সক্ষম শিশুসকলৰো বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা লোৱাৰ অধিকাৰ থাকিব।

৪) যিসকল শিশুৱে আধৰুৱাকৈ বিদ্যালয় ত্যাগ কৰিছিল তেওঁলোককো বিশেষভাৱে প্ৰশিক্ষণ দি উপযুক্ত কৰি প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ যিকোনো শ্ৰেণীত নাম ভৰ্তিৰ সুবিধা দিব লাগিব।

৫) যিবিলাক স্কুলত ৮ বছৰীয়া প্ৰাথমিক শিক্ষা সম্পন্ন কৰাৰ সুবিধা নাই সেই স্কুলৰ পৰা শিশুক বদলি হৈ যোৱাৰ সুবিধা দিব লাগিব। প্ৰয়োজন সাপেক্ষে এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ বদলি হৈ যাবলগীয়া হ'লেও পঢ়ি থকা বিদ্যালয়ৰ প্ৰধান শিক্ষকে সোনকালে বদলিৰ প্ৰমাণ-পত্ৰ দিব লাগিব।

পাঠ্যক্ৰম প্ৰস্তুতি আৰু মূল্যায়ন ব্যৱস্থা সম্পৰ্কে শিক্ষাৰ অধিকাৰ আইনে তলত দিয়া মতামত সমূহ আগবঢ়াইছিল—

ক) দেশৰ সংবিধানত লিপিবদ্ধ মূল্যবোধৰ ওপৰত ভিত্তি কৰি পাঠ্যক্ৰম প্ৰস্তুত কৰা।

খ) শিশুৰ সৰ্বাংগীন বিকাশৰ ওপৰত গুৰুত্ব দিয়া।

গ) শিশুৰ জ্ঞান, সক্ষমতা আৰু আত্মনিৰ্ভৰশীলতা অৰ্জন কৰাৰ ওপৰত গুৰুত্ব দিয়া।

ঘ) শাৰীৰিক, মানসিক সক্ষমতাসমূহৰ পূৰ্ণ বিকাশ সাধন কৰা।

ঙ) শিশুক কেন্দ্ৰ কৰি, শিশুৰ অনুকূল ধৰণৰ কাম, উদ্ভাৱন আৰু আৱিস্কাৰৰ জৰিয়তে শিক্ষা লাভৰ সুবিধা দিয়া।

চ) শিশুক যিমানদূৰ সম্ভৱ মাতৃভাষাৰ-সহায়ত শিক্ষা প্ৰদান কৰা।

<u>গ্ৰন্থপঞ্জীঃ</u>

1. Prof. Pradip Dutta, Prof. Mahendra Hazarika, Madan Gogoi: Elementary Education in India Asocio-cultural perspective.
2. Prof. K.Vijay Kumar : Right to Education-2009
3. Ajit Mandal, Dr. Jayanta Mete : Right to Education Act-2009
4. Dr. Krishna Pal Malik : Right to Elementray Education.

❑❑❑

* কিতাপ মোৰ হৃদয়লৈ আহিছে গৈছে, আহিছে গৈছে, মোৰ হৃদয়ৰ আলমাৰীত থকা ঠাক্-ঠাক্ নিসঙ্গতা আঁতৰাই সেইবোৰে দিছে মোক জীয়াই থকাৰ নতুন অৰ্থ।

—নীলিম কুমাৰ

# বংগীয় মুছলমানৰ অৱদান

হবিবুল আলম
স্নাতক দ্বিতীয় ষাণ্মাসিক

১৮৫৯ চনৰ পিছত ব্ৰিটিছে অসনৰ চাহ বাগিচাবোৰলৈ উৰিষ্যা, বিহাৰ আৰু মধ্যপ্ৰদেশৰ দুৰ্ভিক্ষুপীড়িত অঞ্চলৰ পৰা শ্ৰমিক হিচাপে কাম কৰিবলৈ চাহ বনুৱাসকলক আমদানি কৰে। চাহ খেতিৰ বাবে শ্ৰমিকসলক আমদানিৰ সামসাময়িক ভাৱে অসমলৈ পূৰ্ব বংগৰ পৰা বংগীয়মূলৰ মুছলমান কৃষকৰ আমদানি প্ৰক্ৰিয়াও আৰম্ভ হয়। অৱশ্যে এই প্ৰক্ৰিয়া পোনতে আৰম্ভ হৈছিল ব্যক্তিগত পৰ্য্যায়ত। উনৈশ শতিকাৰ মাজভাগৰ পৰা গোৱাল পাৰা জিলাৰ ভূ-স্বামী আৰু জমিদাৰ সকলে পূৰ্ব বংগৰ পৰা মুছলমান কৃষকসকলক নিজ দায়িত্বতে আনিবলৈ আৰম্ভ কৰে। এই দৰে আৰম্ভ হয় পূৰ্ব বংগৰ পৰা দৰিদ্ৰ বংগীয় মূলৰ মুছলমান কৃষক সকলৰ অসম আগমন। ১৮৯১ চনত গেইট চাহাবৰ তত্বাৱধানত যেতিয়া লোকপিয়ল হয়, তেতিয়া অসমলৈ ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশৰ পৰা অহা লোক কোন জিলাত কিমান আছিল তাৰ এটা হিচাপ উলিয়াইছিল। সেইমতে ১৮৯১ চনতে গোৱাল পাৰা, কামৰূপ, দৰং, আৰু নগাঁও এই চাৰিখন জিলাত বংগৰ পৰা প্ৰব্ৰজন কৰা সৰ্বমুঠ ৮৫,২০৭ গৰাকী কৃষক আছিল। মন কৰিবলগীয়া যে এই সকল লোকৰ মাজৰে বংগীয় মূলৰ মুছলমান হুছেইন আলী সৰকাৰে ১৮৯৯ চনত মৈৰাবাৰীত এখন অসমীয়া মাধ্যমৰ প্ৰাথমিক বিদ্যালয় স্থাপন কৰিছিল। ১৯১১ চনত বংগৰ পৰা প্ৰবজিত লোকৰ সংখ্যা ব্ৰহ্মপুত্ৰ উপত্যকাত ২,৫৮,০০০ আৰু পাহাৰীয়া অঞ্চলত ৬,০০০ গৰাকী আছিল। ১৯২১ চনত প্ৰবজিত বংগমূলীয় খেতিয়কৰ সংখ্যা ৩,৪৮,০০০ আৰু ১৯৩১ চনত ৫ লাখ গৰাকী হয়গৈ। ১৯৪৩-৪৫ চনৰ কালছোৱাত প্ৰায় ৫,৯৫,৭৭২ গৰাকী পূৰ্ববংগীয় খেতিয়কক 'অধিক শস্য উৎপাদান আঁচনিৰ অধীনত অসমলৈ ব্ৰিটিছে আমদানি কৰিছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ সময়ত ১৯৩১ চনৰ পাঁচ লাখ আৰু পিছৰ প্ৰায় ৬ লাখ বংগীয়মূলৰ খেতিয়ক আৰু তেওঁলোকৰ সতি-সন্ততি অসমত আছিল।

এই জনগোষ্ঠীটোৱে অসমীয়া ভাষা সাহিত্যৰ উত্তৰণৰ ক্ষেত্ৰত প্ৰভূত বৰঙণি যোগাইছে। আনাকি এই লোক সকলে অসমীয়া ভাষাক মাতৃ ভাষাৰূপে গ্ৰহণ নকৰিলে, অসমৰ ৰাজ্য ভাষা ৰূপে অসমীয়া ভাষাই স্থান নাপালেহেঁতেন, অবিভক্ত গোৱালপাৰা জিলা আজি পশ্চিমবংগৰ অংশৰূপে বিৰাজ কৰিলেহেঁতেন। অনেকেই ধাৰণা কৰে যে চৰ-চাপৰিবাসী মুছলমান সকলে ১৯৫১ চনৰ লোকপিয়লৰ সময়তহে অসমীয়া ভাষাক মাতৃ ভাষা ৰূপে গ্ৰহণ কৰিছে। এনে ধাৰণা ভুল। ১৯৫১ চনৰ বহু পূৰ্বেই এইসকললোকে অসমীয়া ভাষা-সাহিত্যৰ সংস্পৰ্শলৈ আহিছিল। ১৮৯৯ চনত হুছেইন আলী সৰকাৰে মৈৰাবাৰীত প্ৰাথমিক বিদ্যালয় স্থাপন কৰাৰ কথা পূৰ্বেই কোৱা হৈছে। ১৯০২ চনত নগাঁৱৰ আলী টাঙনীত ওচমান আলী সদাগৰে প্ৰাথমিক বিদ্যালয় এখন স্থাপন কৰে আৰু সেইখনত বৰদোৱাৰ পৰা পণ্ডিত মহেন্দ্ৰ চন্দ্ৰ মহন্তই আহি অসমীয়া শিকাইছিল। ১৯১৭ চনত এইখন বিদ্যালয় হাইস্কুললৈ উন্নীত হয়। বিগত শতিকাৰ তৃতীয় দশকটোত বৰপেটা নগৰৰ আশে-পাশে বৰপেটাৰ লোকেল বৰ্ডৰ তদানীন্তন অধ্যক্ষ ধনীৰাম



তালুকদাৰ আৰু সমাজ কৰ্মী কুদ্দুছ খানৰ উদ্যোগত অনেক প্ৰাইমাৰী আৰু মজলীয়া বিদ্যালয় গঢ়ি উঠিছিল। অসমৰ বিভিন্ন ঠাইত গঢ়ি উঠা এই বিদ্যালয় বোৰৰ জৰিয়তে চৰ-চাপৰি বাসী কৃষক সন্তান হঁতে অসমীয়া ভাষা সাহিত্যৰ সংস্পৰ্শলৈ আহে আৰু তেওঁলোকৰ অন্তৰতো সাহিত্য চৰ্চাৰ বীজ অংকুৰিত হ'ব ধৰে। ১৮৯৯ চনতে চৰ-চাপৰিবাকী মুছলমানে অসমীয়া ভাষাক নিজৰ মাতৃভাষা বুলি গ্ৰহণ কৰিবলৈ আৰম্ভ কৰাৰ নজীৰ পোৱা গ'লেও ১৯৫১ চনতহে এওঁলোকে অসমীয়া ভাষাক মাতৃভাষাৰূপে গ্ৰহণ কৰাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হয় । ইয়াৰ ফলত অসমীয়া ভাষীৰ সংখ্যা ১৯৩১ চনত ৩৬ শতাংশৰ ঠাইত ১৯৫১ চনত ৬২ শতাংশ হয়গে। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদে এওঁলোকক 'অসমীয়া ডেকাৰ উক্তি' কবিতাটোত 'ন-অসমীয়া মৈমনছিঙীয়া' বুলি বৃহত্তৰ অসমীয়া জাতিৰ বৰঘৰলৈ আদৰি আনে।

১৯৫৬ চনত ভাষা ভিত্তিক ৰাজ্য পুনগঠনৰ বাবে আয়োগ গঠন কৰা হ'ল। পশ্চিমবংগ কংগ্ৰেছৰ সভাপতি অতুল্য ঘোষৰ নেতৃত্বত অবিভক্ত গোৱালপাৰা জিলা বাংলাভাষী প্ৰধান বুলি আয়োগক পতিয়ন নিয়াই জিলাখন পশ্চিম বংগৰ লগত সাঙুৰি দিবলৈ ভাষা ভিতিক ৰাজ্য পুনগঠন আয়োগৰ ওচৰত আবেদন কৰিলে। পূৰ্ববংগীয় মুছলমান আবুল হুছেইন পণ্ডিত, বজলুল বাছিত আদি চৰ-চাপৰিবাসীৰ নমস্য পূৰ্বপুৰুষ সকলে Assam valley Immigrant Associatian গঠন কৰি আয়োগৰ সমুখত সাক্ষ্য দিলে গোৱালপাৰা বাসী চৰ-চাপৰিৰ মুছলমানসকল অসমীয়া বুলি। ফলত গোৱালপাৰা অসমৰ লগতে থাকিল। আজিও এই অঞ্চল অসমীয়া ভাষী প্ৰধান।

১৯৭১ চনত অসমত অসমীয়া ভাষীৰ সংখ্যা হয়গৈ ৬১শতাংশ। ১৯৯১ চনত দেখা গ'ল অসমীয়া ভাষীৰ সংখ্যা চাৰি শতাংশমান কমিছে। ২০০১ চনত অসমত অসমীয়া ভাষীৰ সংখ্যা প্ৰায় ৪৯ শতাংশ হয়গৈ। ইয়াৰ প্ৰধান কাৰণ জনজাতিসকলে অসমীয়াৰ সলনি নিজ নিজ মাতৃভাষাক লোকপিয়লত লিপিবদ্ধ কৰাটো বৰাক উপত্যকাৰ এচাম বাংলাবাসী নেতাৰ উচটনিত আৰু অসম আন্দোলনৰ সময়ত ঘটা কেতবেৰ হিংস্ৰ ঘটনাৰ ফলত তিক্ত বিৰক্ত হৈ এচাম চৰ-চাপৰিবাসীৰ মুছলমানে অসমীয়াৰ সলনি বাংলাক মাতৃভাষা বুলি ঘোষণা কৰাটোও ইয়াৰ অন্য এক কাৰণ। ২০১১ চনৰ লোকপিয়ালৰ অসমৰ ভাষিক পৰিসংখ্যা প্ৰকাশ নহ'লেও বিশ্বস্তসূত্ৰে এই কথা জানিব পৰা গৈছে যে অসমত ইতিমধ্যে অসমীয়া ভাষীৰ সংখ্যা ৪৩ শতাংশলৈ কমি অহাৰ বিপৰীতে বংলাভাষাৰ সংখ্যা ৩১ শতাংশলৈ বৃদ্ধি পাইছে। ধৰ্ম ভিত্তিক জাতিগঠনৰ প্ৰবক্তাসকলে প্ৰয়োজন হ'লে মাতৃভাষাৰ ৰাজ্যিক মৰ্যাদাক জলাঞ্জলি দি বাংলাভাষী হিন্দু বিদেশী নাগৰিকক নাগৰিকত্ব প্ৰদানৰ বাবে উঠি পৰি লাগিছে।

এনে পৰিস্থিতিত অসমীয়া ভাষাৰ স্বমৰ্যদা অসমখনত ৰক্ষা কৰাটো জৰুৰী হৈ পৰিছে। এই কথা চৰ-চাপৰিৰ সচেতন জনগণে স্পষ্টভাৱেই বুজি পায়। সেয়ে উগ্ৰ বাংলাভাষীৰ শত প্ৰৰোচনা আৰু নিজৰ মাজৰে এচাম ঘৰ বিভীষণৰ প্ৰৰোচনা সত্বেও চৰ-চাপৰিৰ গৰিষ্ঠসংখ্যক লোকে নানা অন্যায়-অত্যাচাৰ মূৰ পাতি লৈও অসমীয়া ভাষাৰ সপক্ষে থিয় দি আছে।

তদুপৰি তেওঁলোকে পাহৰা নাই অসমীয়া ভাষাৰ সপক্ষে তেওঁলোকৰ পূৰ্বপুৰুযে কৰা অপৰিসীম ত্যাগৰ কথা। প্ৰাণ উছৰ্গা কৰাৰ কথা। ১৯৬০ চনৰ ভাষা অন্দোলনৰ সময়ত চৰ-চাপৰিবাসী মুছলমান সকলে অগ্ৰজ অসমীয়াৰ সৈতে কান্ধত কান্ধ মিলাই সংগ্ৰাম চলাই অসমীয়া ভাষাক ৰাজ্য ভাষৰূপে প্ৰতিষ্ঠা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ১৯৭২ চনৰ মাধ্যম আন্দোলনৰ সময়তো অসমীয়া ভাষাৰ সপক্ষে থিয় দিছিল মুছলমানসকলে। প্ৰায় দুমাহ ধৰি চলা এই আন্দোলৰ বিভিন্ন পৰ্যয়ত চৰ-চাপৰিবাসীয়ে অকুণ্ঠ সমৰ্থন আগবঢ়াইছিল।

খাৰুপেটীয়া অঞ্চলত চলা আন্দোলনৰ কাৰ্যসূচীত যোগ দিবলৈ ১৯৭২ চনৰ ৫ অক্টোবৰ তাৰিখে খাৰুপেটীয়া নগৰৰ আশে-পাশে থকা চৰ-চাপৰিবোৰৰ পৰা হাজাৰ হাজাৰ লোক ওলাই আহিছিল। জংগলপাৰা বৰংগাবাৰী আদি গাঁওৰ পৰাও ওলাই আহিছিল অসংখ্য লোক।

আন্দোলনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ অহা মোজাম্মিল হক নামৰ ফুলকুমলীয়া ছাত্ৰজনক অসমীয়া বিৰোধী চক্ৰই লোহাৰ ৰ'ডেৰে আক্ৰমণ কৰাত তেওঁ পলাই গৈ মছজিদত আশ্ৰয় লৈছিল। কিন্তু দুৰ্বৃত্তহঁতৰ পৰা মোজাম্মিলে ৰেহাই পোৱা নাছিল। গুৰুতৰভাৱে আহত মোজাম্মিল হকৰ পিছদিনা চিকিৎসালয়ত মৃত্যু হৈছিল।

সিদিনাখন খাৰুপেটীয়া নগৰখন অসমীয়া বিৰোধী চক্ৰই ৰণক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিছিল। পিকেটিংকাৰীসকলৰ ওপৰত সশস্ত্ৰভাৱে জপিয়াই পৰিছিল। দুৰ্বৃত্তৰ গুলীত নিহত

হৈছিল জঙ্গলপাৰাৰ ওমৰ আলী আৰু জহৰ আলী। শ্বহীদ ওমৰ আলীৰ দেহাটো বিচাৰি পোৱা নগ'ল। দুকুৰি বছৰীয়া এইগৰাকী শ্বহীদ তেতিয়া আছিল তিনি গৰাকী পুত্ৰ আৰু এগৰাকী কন্যা সন্তানৰ পিতৃ। জহৰ আলীৰ নিথৰ দেহাটো তেওঁৰে আত্মীয়সকলে জঙ্গলপাৰালৈ কঢ়িয়াই আনে। অন্যহাতে বৰঙ্গাবাৰীৰ গোলাপ আলীৰ ভৰিত গুলি লগাত তেওঁ চিৰদিনৰ বাবে ঘূণীয়া হৈছিল। কোনো ধৰনৰ কাম বন কৰিব নোৱাৰি গোলাপ আলীয়ে শেষ জীৱনত ৰাইজৰ পৰা খুজি-মাগি খাইছিল। একে গাঁৱৰে আতাব আলীৰো ভৰিত গুলি লগাত তেওঁৰ ভৰি এখন কাটি পেলাবলগীয়া হৈছিল।

এইসকলৰ ভিতৰত একমাত্ৰ ওমৰ আলীকহে প্ৰফুল্ল মহন্ত দেৱৰ নেতৃত্বাধীন প্ৰথমখন অগপ চৰকাৰে ১৯৮৬ চনৰ ২৪ ডিচেম্বৰ তাৰিখে এখন মানপত্ৰ আৰু তাম্ৰপত্ৰৰে মৰণোওৰ ভাৱে সন্মানিত কৰিছিল। শ্বহীদ গৰাকীৰ পৰিয়াললৈ মহন্ত চৰকাৰে ত্ৰিছ হেজাৰ টকাৰ আৰ্থিক অনুদানো আগবঢ়াইছিল। চৰ-চাপৰি সাহিত্য পৰিষদ, অসমে অসমীয়া ভাষাৰ হকে প্ৰাণ দিয়া সকলো শ্বহীদলৈকে শ্ৰদ্ধঞ্জলি যাচিছে। পৰিষদে দুৰ্বৃত্তৰ গুলীত খাৰুপেটীয়াত ১৯৭২ চনত ৫ অক্টোবৰত নিহত জহৰ আলীকো ভাষা আন্দোলনৰ এগৰাকী শ্বহীদ ৰূপে শ্ৰদ্ধাৰে সুঁৱৰিছে।

এই বীৰ শ্বহীদ সকলে ভাষা আন্দোলনত অংশ গ্ৰহণ কৰি কোনোৱাই হয়তো নিজৰ জীৱন উছৰ্গা কৰিলে আৰু কোনোৱাই গুলি খাই চিৰদিনৰ কাৰণে ঘুনিয়া হৈ আমাৰ মাতৃভাষা অসমীয়া ভাষাটো ৰক্ষা কৰিলে।

সেয়েহে আমি ক'ব পাৰো যে "বংগীয় মূলৰ মুছলমান সকল প্ৰকৃততে অসমীয়া"।

❑❑❑

> * ভাষা কেৱল সাহিত্যৰ সঁজুলি নহয়, ই জাতীয় জীৱন আৰু জাতীয় ইতিহাসৰ স্মৃতিচিহ্ন আৰু সমাজৰ উন্নতিৰ সংকেত।
>
> —কালিৰাম মেধি
>
> * যি শিক্ষাই নিজক আনৰ হাতত বেচিবলৈ শিকায় তেনে শিক্ষাৰে শিক্ষিত হোৱাতকৈ জধামূৰ্খ হোৱা বহু গুণে ভাল।
>
> —হেম বৰুৱা
>
> * আনৰ ওচৰত আঠু লোৱা ভদ্ৰলোকতকৈ নিজৰ ভৰিত থিয় হৈ হাল বোৱাজনৰ স্থান বহু ওপৰত।
>
> —ফ্ৰেংকলিন



# প্ৰাথমিক শিক্ষাত মধ্যাহ্ন ভোজন আঁচনি

ওৱাহিদা বেগম
স্নাতক ষষ্ঠ ষাণ্মাসিক

৬ বছৰ বয়সৰ পৰা ১০-১২ বছৰ বয়সলৈকে শিশুৰ বিধিগত আৰু আনুষ্ঠানিক শিক্ষাদানৰ পৰ্যায়েই হৈছে প্ৰাথমিক শিক্ষা। এই শিক্ষা 'প্ৰাথমিক' এই বাবেই যে শিশুক প্ৰথমবাৰৰ বাবে এক অনুষ্ঠানৰ যোগেদি বিধিগত নীতি নিয়মৰ অনুবৰ্তী কৰি পাঠদান কৰা হয়। লিখা পঢ়া আৰু গণনাৰ জ্ঞান সকলোৰে জীৱনৰ প্ৰাথমিক জ্ঞান; এই দৃষ্টিকোণৰ পৰাও এই স্তৰৰ শিক্ষা প্ৰাথমিক শিক্ষা। বৰ্তমান সময়ত প্ৰাথমিক শিক্ষা হৈছে প্ৰত্যেকজন শিশুৰ বাবে এক জন্মগত অধিকাৰ।

১৯৯৫ চনত মধ্যাহ্ন ভোজন আঁচনি ৰূপায়ন কৰা হৈছিল যদিও পিছলৈ ২০০১ চনত কাৰ্যকৰী কৰা হৈছিল। এই মধ্যাহ্ন ভোজন আঁচনিৰ উদ্দেশ্য হৈছে যে দৰিদ্ৰ সীমাৰেখাৰ তলৰ ল'ৰা-ছোৱালীসকলক পুষ্টি সাধন কৰা তথা বিদ্যালয়মুখী কৰি তোলা। শিশুৰ দেহ শাৰিৰীক মানসিক বিকাশ আৰু শৈক্ষিক উৎকৰ্ষ সাধনত মধ্যাহ্ন ভোজন আঁচনিৰ ভূমিকা বিশেষ ভাৱে উল্লেখযোগ্য। মধ্যাহ্ন ভোজন আঁচনিয়ে শিশুৰ শাৰিৰীক আৰু মানসিক বিকাশৰ লগতে শিশুসকলক শিক্ষামুখীও কৰি তুলিছে।

প্ৰাথমিক শিক্ষা ব্যৱস্থাটো সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে অতি প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ শিক্ষা ব্যৱস্থা। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক মধ্যাহ্ন ভোজন আঁচনিয়ে সৰ্বতো প্ৰকাৰে সহায় কৰিছে। অনাহাৰে বিদ্যালয়লৈ অহা শিশুসকলে সুস্থভাৱে পাঠ গ্ৰহণ কৰিব নোৱাৰে। এই আঁচনিয়ে অনাহাৰে থকা শিশুসকলক ভোক নিৰাময় কৰাত সহায় কৰিছে আৰু শ্ৰেণীকোঠাত শিশুসকলক মনোযোগ প্ৰদান কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। এই আঁচনিৰ ফলত বিদ্যালয়ত নামভৰ্ত্তিৰ সংখ্যাও বৃদ্ধি পাইছে।

চৰকাৰীভাৱে আগবঢ়োৱা মধ্যাহ্ন ভোজন আঁচনি এখন জনহিতকৰ আঁচনি। ইয়াৰ বাবে চৰকাৰে পুঁজি নিৰ্দ্ধাৰিত কৰিছে। বিদ্যালয়সমূহে এই আঁচনি সুচাৰুৰূপে পৰিচালনা কৰাটো নিতান্তই প্ৰয়োজনীয়। খাদ্য সম্ভাৰ যাতে স্বাস্থ্যসন্মত হয়, তালৈ চকু দিয়াটো বিদ্যালয় কৰ্তৃপক্ষৰ দায়িত্ব। খাদ্যৰ ভড়ালঘৰ, ৰান্ধনীঘৰ, ৰান্ধনী আদিও পৰিস্কাৰ-পৰিছন্ন হোৱাটো বাঞ্ছনীয়। খাদ্যৰ নামত শিশুসকলে যাতে অখাদ্য গ্ৰহণ কৰিবলগীয়া নহয় তালৈ আমি সকলোৰে চকু ৰখাটো খুবেই প্ৰয়োজনীয়। তেতিয়াহে এই আঁচনিখন এখন সফল আঁচনি ৰূপে পৰিগণিত হ'ব।

❑❑❑

> * শিক্ষাৰ শিপাডাল বৰ তিতা কিন্তু তাৰ ফল মিঠা।
>
> —এৰিষ্টটল
>
> * মানুহে যিমান পঢ়িবলৈ শিকে সিমান ভাবিবলৈ শিকে।
>
> —জৱাহৰলাল নেহেৰু

# সমাজৰ উত্তৰোত্তৰত নাৰী শিক্ষাৰ সবলীকৰণৰ প্ৰয়োজনীয়তা

তমজিদা বেগম
স্নাতক প্ৰথম ষাণ্মাসিক

পাতনি ঃ

বিশ্বৰ বৃহত্তম গণতন্ত্ৰ ভাৰতবৰ্ষৰ সংবিধানে গৌৰৱেৰে ঘোষণা কৰা সমতাৰ মৌলিক অধিকাৰত জাতি, ধৰ্ম, বৰ্ণ, লিংগ নিৰ্বিশেষে সকলোকে সমান অধিকাৰ প্ৰদান কৰিছে। সংবিধান প্ৰণেতাসকলে ভাৰতবৰ্ষৰ আওঁপুৰণি সমাজ ব্যৱস্থাত যাতে নাৰীসকল অৱহেলিত, অনগ্ৰসৰ হৈ নাথাকে তাৰ প্ৰতি সচেতন আছিল। ৰাজা ৰামমোহন ৰায়ৰ বাল্য বিবাহ বন্ধ কৰা, সতীদাহ প্ৰথা ৰোধ কৰা, বিধবা বিবাহ প্ৰচলন কৰা আদি সমাজ সংস্কাৰৰ দ্বাৰা সদায় উদ্বুদ্ধ ভাৰতীয় সমাজে নাৰীক সদায় মৰ্যদাৰে উচ্চ আসন দি আহিছে যদিও স্বাধীন ভাৰতত নাৰীসকলৰ এতিয়াও যেন অনেক সমস্যাৰ সন্মুখীন হৈয়েই আছে। সেয়েহে ড০ সৰ্বপল্লী ৰাধাকৃষ্ণনে কৈছিল "শিক্ষিত মহিলা অবিহনে শিক্ষিত লোক পোৱাটো সম্ভৱ নহয়।" ('There cannot be educated people without educated women"- Said Dr. Radhakrishnan) স্বাধীন ভাৰতত প্ৰথম প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৱে কৈছিল, "এজন মানুহক শিক্ষিত কৰা মানে এজন ব্যক্তিক শিক্ষিত কৰা আনহাতে এগৰাকী মহিলাক শিক্ষিত কৰা মানে এখনি পৰিয়াল (সমাজ) শিক্ষিত কৰা।" ("Educating a man is educating an individual while educating a woman is educating a family.") Pen Liyuan Said, "A child's first teacher is its mother." (মাতৃগৰাকীয়েই শিশুৰ আদি গুৰু।)

সেয়েহে নাৰীসকলক শিক্ষা-দীক্ষা, কৰ্ম আদি সৰ্ব দিশত আগুৱাই নিব পাৰিলেহে আমাৰ দেশৰ সমাজৰ উন্নতি সম্ভৱ। অৱশ্যে ভাৰতীয় নাৰীসকলে ইতিপূৰ্বে কিছু কিছু ক্ষেত্ৰত উল্লেখনীয়ভাৱে উন্নতিৰ উচ্চ শিখৰত আৰোহণ কৰিছে। ঝাঞ্চী ৰাণী লক্ষ্মীবাই, ধাত্ৰী পান্না, ছুলতানা ৰেজিয়া, কণকলতা, সৰলা থাকৰাল, সৰোজিনী নাইডু, ইন্দিৰা গান্ধী, কল্পনা চাওঁলা, ৰীতা ফাৰিয়া, মেধা পাটোকাৰ ইত্যাদি।

বিশ্ববৰেণ্য নাৰীসকলৰ অলেখ উদাহৰণ থাকিলেও সমগ্ৰ দেশত নাৰীসকল আজিও যেন নানান ক্ষেত্ৰত উপেক্ষিত। ভাৰতীয় সমাজ ব্যৱস্থাত নাৰীসকলক প্ৰায়ে অৱহেলা কৰা দেখা যায়। নাৰী শিক্ষাৰ বাবে দেশৰ চৰকাৰে নানান আঁচনি হাতত লৈছে যদিও নাৰী সমাজৰ উন্নতি সুদূৰ পৰাহত। ইয়াৰ প্ৰধান কাৰণ হৈছে পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত নাৰীসকল যেন সম্পূৰ্ণ মুক্ত নহয়। আইনৰ চকুত সমানাধিকাৰ লাভ কৰিলেও নাৰীক সদায় অৱলা, দুৰ্বলা বুলিয়েই সাধাৰণতে ভবা হয়। ইয়াৰ বাবে আমাৰ সমাজত যি ধৰণৰ মানসিকতা গঢ় লৈ উঠিছে তাক দূৰ কৰাটো নিতান্তই প্ৰয়োজন।

**অসমৰ মহিলা সমাজ** ঃআমাৰ অসম ৰাজ্যৰ নাৰীসকলৰ সন্মুখত কনকলতাৰ আদৰ্শ, সতী জয়মতীৰ পতিব্ৰততা সদা বিদ্যমান যদিও অসমৰ নাৰী সমাজো নানান ক্ষেত্ৰত অৱহেলিত। শিক্ষা, দীক্ষা, কৰ্ম, সামাজিক মৰ্যদা সৰ্বদিশতে নাৰী সমাজ পিছপৰি আছে। এই প্ৰসংগত ২০০১ চনৰ লোকপিয়লৰ মতে মহিলাৰ সাক্ষৰতাৰ নিৰিখ হ'ল ৫৪.১৬%। ইয়াৰ বিপৰীতে পুৰুষৰ সাক্ষৰতাৰ হাৰ হ'ল ৭৫.৮৫% আৰু ২০১১ চনৰ লোকপিয়লৰ মতে পুৰুষ মহিলাৰ স্বাক্ষৰতাৰ হাৰ হ'ল ৭৮.৮১% বনাম ৬৭.২৭%।

**অসমত মহিলাসকলে সন্মুখীন হোৱা সমস্যাঃ** আমাৰ সমাজ ব্যৱস্থাত নাৰীসকলে সন্মুখীন হোৱা সমস্যাসমূহ এনেধৰণৰ-

ক) অভিভাৱকৰ আৰ্থিক দুৰাৱস্থা ঃ পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত ঘৰৰ সমস্ত সা-সম্পত্তিৰ মালিকীস্বত্ব পুৰুষজনৰ তাত থাকে যদিও দুখীয়া অভিভাৱকে ছোৱালী সন্তানৰ নামত ধন খৰচ কৰিব নোৱাৰে।

খ) সংকীৰ্ণ প্ৰাচীন ৰক্ষণশীল সংস্কাৰ ঃ আমাৰ সমাজত প্ৰচলিত প্ৰাচীনকালৰ সংকীৰ্ণ সংস্কাৰৰ বাবেও ছোৱালী সন্তানক শিক্ষা-দীক্ষা তথা আন কাম-কাজত প্ৰাধান্য দিয়া



নহয়, যিমানখিনি ল'ৰা সন্তানক দিয়া হয়।

গ) নিৰাশজনক সামাজিক মনোভাৱ ঃ সামাজিকভাৱে ল'ৰা সন্তানেহে বংশৰ মান মৰ্যদা ৰক্ষা কৰিব, ছোৱালী সদায় আনৰহে ইত্যাদি মনোভাৱৰ বাবেও নাৰী শিক্ষা বাধাগ্ৰস্ত হৈছে।

ঘ) অভিভাৱকৰ নিৰক্ষৰতা আৰু অজ্ঞতা ঃ অধিকাংশ অভিভাৱক নিৰক্ষৰ হোৱা হেতুকে নাৰীসকলক যে শিক্ষিত কৰি গঢ়ি তুলিব লাগিব তাৰ নূন্যতম জ্ঞানো নাই।

ঙ) আগতীয়াকৈ হোৱা বিবাহ ঃ অতি কম বয়সত ছোৱালীসকলক বিয়া দিয়া হয়, যাৰ ফলত শিক্ষা লাভৰ বয়সত সাংসাৰিক জালা-যন্ত্ৰনা, শিশু-মাতৃ অকাল বৈধব্য আদিৰহে বলি হয়। বাল্য বিবাহ কিমান হাৰত হয়, তাৰ সমীক্ষা ২০১৮ তলত দিয়া হ'ল-

অসম - ৩২.৬%, বৰপেটা - ৪৬.৯%, ধুবুৰী - ৪৮.৩%

চ) ছাত্ৰী নিবাসৰ অভাৱ ঃ ছোৱালীসকলৰ থকাৰ বাবে শিক্ষানুষ্ঠানবোৰত হোষ্টেলৰ অভাৱৰ বাবে বহু নাৰীয়ে শিক্ষা সাং কৰিব লগাত পৰে।

ছ) গ্ৰামাঞ্চলত পৰ্য্যাপ্ত যোগাযোগ আৰু পৰিবহনৰ অভাৱ ঃ গাঁৱলীয়া অঞ্চলৰ মহিলা সকলে যান-বাহনৰ অসুবিধাৰ বাবে শিক্ষানুষ্ঠানলৈ যাব নোৱাৰি উপযুক্ত শিক্ষাৰ পৰা বঞ্চিত হয়। আওহতীয়া অঞ্চলত অৱস্থিত বিদ্যালয়ত অকলে অকলে গৈ মহিলাই শিক্ষা লাভ কৰাটো জটিল।

জ) আঁসোৱাহপূৰ্ণ পাঠ্যক্ৰম ঃ আমাৰ বিদ্যালয় সমূহত প্ৰচলিত পাঠ্যক্ৰম সমূহো নাৰী শিক্ষাৰ অনুকূলে নহয়। বোৱা-কটা, নৃত্য, সংগীত আদি নানান বিষয়সমূহ আমাৰ সকলো বিদ্যালয়ত নাই।

ঝ) প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষয়িত্ৰীৰ অভাৱ ঃ বহুতো বিদ্যালয়ত প্ৰশিক্ষিত মহিলা শিক্ষকৰ অভাৱৰ হেতুক গাঁৱলীয়া অঞ্চলৰ অজ্ঞ অভিভাৱকসকলে তেওঁলোকৰ নিজ নিজ কন্যা সন্তানক বিদ্যালয়লৈ পঠিয়াবলৈ ইচ্ছা প্ৰকাশ নকৰে। তাৰোপৰি ৰক্ষণশীল অঞ্চলৰ কন্যাশিশুসকল অত্যাধিক লাজকুৰীয়া হয় বাবে পুৰুষ শিক্ষক থকা বিদ্যালয়লৈ নাযায়।

ঞ) চৰকাৰী অৱহেলা আৰু প্ৰশাসনিক অসহযোগিতা ঃ স্বাধীনতাৰ ৭২ বছৰৰ পিছতো কোনো এখন চৰকাৰেই নাৰীশিক্ষাৰ বাবে উপযুক্ত পদক্ষেপ নললে। Article No. 45 of Indian constitutionত উল্লেখ থকাৰ পিছতো প্ৰশাসনিক অমনোযোগিতাৰ বাবে নাৰী শিক্ষা পিছ পৰিয়েই ৰ'ল।

**নাৰী শিক্ষাৰ সমস্যা সমাধানৰ বাবে পৰামৰ্শৰলী ঃ**

(১) সকলো স্তৰৰ ছাত্ৰীসকলক বিনামূলীয়া শিক্ষাৰ সুবিধা প্ৰদান কৰা।

(২) ছাত্ৰীসকলক ইচ্ছানুযায়ী শিক্ষাৰ বিষয়সমূহ বাঁচনি কৰাৰ সুযোগ প্ৰদান কৰা।

(৩) পিতৃ-মাতৃ, অভিভাৱক সকলে আন্তৰিকতাৰে কন্যাসন্তানসকলক শিক্ষা লোৱাৰ বাবে অনুপ্ৰাণিত কৰা।

(৪) চৰকাৰে নিজাববীয়াকৈ গ্ৰামাঞ্চল সমূহত বিদ্যালয়-মহাবিদ্যালয় স্থাপন কৰি কন্যা সন্তানসকলক অনায়াসে শিক্ষাৰ্জনত অনুপ্ৰাণিত কৰা।

(৫) বিদ্যালয়ত শিক্ষাৰত কন্যা শিক্ষাৰ্থী সকলৰ সকলো ধৰণৰ মাছুল ৰেহাই কৰা, বিনামূলীয়া কিতাপ-পত্ৰ, যা যোগাৰ আৰু ঐক্য পোছাক, দৰৱ পাতি আদি যোগান ধৰা।

(৬) চৰকাৰীভাৱে ছাত্ৰীসকলক অধিক সংখ্যক বৃত্তি প্ৰদানৰ সু-ব্যৱস্থা কৰা।

(৭) ৰাজ্যখনৰ চুকে-কোনে নানান ধৰণৰ সাংস্কৃতিকমূলক অনুষ্ঠান পালন কৰি নাৰী শিক্ষাৰ প্ৰতি সকলোকে আকৰ্ষিত কৰা।

(৮) অধিক সংখ্যক মহিলাক বিদ্যালয়সমূহত মকৰল কৰি নাৰীক উচ্চস্থান প্ৰদানৰ বাস্তৱ চিত্ৰ সমাজত স্থাপন কৰা।

(৯) মহিলাসকলক নিজৰ ভৰিত থিয় হ'বলৈ চৰকাৰী অনুদান পৰিমান শিক্ষিত মহিলাসকলক অনায়াসে প্ৰদান কৰিলে কন্যা সন্তানক শিক্ষিত কৰিবলৈ দুখীয়া অভিভাৱক সকল অনুপ্ৰাণিত ও উৎসাহিত হ'ব।

(১০) পাঠ্যক্ৰম প্ৰস্তুতিৰ সময়তে নাৰী সকলৰ যাতে শিক্ষা গ্ৰহণত কোনো ধৰণৰ কষ্ট নহয় তাৰ প্ৰতি বিশেষ দৃষ্টি ৰখাটো অতি প্ৰয়োজনীয়।

সহায় লোৱা গ্ৰন্থ ঃ (Reference Books)

1. Emerging Issues and Education : Dr. Parul Das & Dr. B.P. Talukdar
2. Emerging Issues and Eduaction : Dr. Phunu Das Sarmah & Dr. Fatima Tohsim Sahidullah
3. শিক্ষা ঃ Assam Higher Secondary Education Council, Guwahati
4. Google.com

❑❑❑

# অৱসৰ সময়ৰ শিক্ষা

মাফুজা খাতুন
স্নাতক প্ৰথম ষাণ্মাসিক

**আৰম্ভণি ঃ**

প্ৰাচীন কালৰে পৰা কৃষি প্ৰধান সমাজৰ মানুহৰ জীৱন-যাপনৰ প্ৰণালী অতি সহজ-সৰল আছিল। কিন্তু মানুহৰ যেতিয়া জীৱন ধাৰণ প্ৰক্ৰিয়া পৰিবৰ্তন হৈ এক সুকীয়া অৱস্থা পালে তেতিয়া মানুহৰ কাম কাজ অতি সোনকালে যন্ত্ৰৰ জৰিয়তে সম্পন্ন কৰিবলৈ সক্ষম হ'ল আৰু তাৰ লগতে বহুত সময় আজৰি পালে। এই সময়খিনি কটোৱাৰবাবে তেওঁলোকে ধৰ্মমূলক কাম, কলা সম্পৰ্কীয় আৰু ইয়াৰ বাহিৰে আলোচনা বিলোচনাৰ মাজেৰে কটোৱাব লগা হৈছিল। পিছত যেতিয়া বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ আৰম্ভণি ঘটিল তাৰ লগতে মানুহৰ জীৱন-যাত্ৰাৰ প্ৰণালী অধিক জটিল দিশলৈ গতি কৰিলে। ইয়াৰ ফলত ব্যক্তিৰ মনৰ আবেগ-অনুভূতিৰ সুস্থ বিকাশত বাধাৰ সৃষ্টি কৰিলে। মানুহৰ মনৰ পৰা এই বাধা আতঁৰাবৰ কাৰণে মানুহৰ প্ৰয়োজন হ'ল বিভিন্ন ৰং ধেমালীৰ আৰু ইয়াক অৱসৰ সময়ৰ মাজেৰে প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

**What is education for Leisure:**

অৱসৰ সময়ৰ শিক্ষা সকলো পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ সকলো শ্ৰেণীলোকৰ বাবেই সমানে প্ৰয়োজন। অৱসৰ সময় হৈছে যি সময়ত আমি কোনো ব্যৱসায়-বাণিজ্য, বৃত্তি বা জীৱিকা নিৰ্বাহৰ বাবে ধন উপাৰ্জন কৰাৰ দায়িত্বৰ পৰা বিৰত থাকো। সকলো ধৰণৰ অৰ্থ উপাৰ্জনকাৰী মানসিক বা দৈহিক ব্যস্ততাৰ পৰা মুক্ত হৈ থকা অৱস্থিতি হৈছে অৱসৰ সময় বা আজৰি সময়। অৱসৰ সময়ৰ উপযুক্ত ব্যৱহাৰৰ ওপৰতে এখন দেশ তথা এটা জাতিৰ ভৱিষ্যত বহু পৰিমাণে নিৰ্ভৰ কৰে।

অৱসৰ সময় মানে আমি নিজ ঘৰত এলেহুৱা হৈ বহি থকা বিচনাত শুই থকা অথবা উদ্দেশ্য বিহীন ভাৱে বাট-পথত ঘূৰি ফুৰাটোক নুবুজায়। এই অৱসৰ সময়খিনিতেই মানুহৰ বৃত্তিয় স্বাৰ্থৰ আৰু সংকীৰ্ণ চিন্তা ধাৰাৰ পৰা আঁতৰি গৈ মনৰ সুক্ষ্ম কলাত্মক আৰু সৌন্দৰ্য্য বোধৰ ফালে আকৃষ্ট হোৱা দেখা যায়। এনে মানৱীয় অনুভূতি আৰু অভিজ্ঞতাই মানুহক পশুত্বৰ পৰা দেৱত্বলৈ উন্নীত কৰি তুলিব পাৰে।

**Definition of Leisure Education:**

Ida Craven "Leisure means simply freedom from activities, centering round the making of a livelihood- It is a time during which one does what one wishes.

ইংৰাজী "Leisure" শব্দটো লেটিন শব্দ "Licere" আৰু পুৰণি ফ্ৰান্স শব্দ Leisir"ৰ পৰা আহিছে যাৰ অৰ্থ 'মুক্ত', 'অৱসৰ সময়', 'কোনো কাৰ্য নকৰা'। গতিকে অৱসৰ সময়ৰ শিক্ষা বুলি কলে আমি জিৰণি সময়ত আয়ত্ব কৰা কেতবোৰ কাৰ্যদক্ষতা বুলি কব পাৰো। ব্যক্তিয়ে যাতে জিৰণি লোৱা বা পোৱা সময়খিনি ভালদৰে ব্যৱহাৰ কৰিব পাৰে তাৰ বাবে কিছুমান উপায় অৱলম্বন কৰা উচিত, যাতে এই অৱসৰ সময়খিনিত কোনো অনৰ্থক কামত নিয়োজিত হ'ব পৰা নাযায়।

অৱসৰ সময়ৰ বাবে উপযুক্ত শিক্ষা ব্যৱস্থা কৰিব নোৱাৰিলে আমাৰ অৱসৰ সময়ে মন অৱসাদ, বিষাদ আৰু বিষাক্ত কৰি তুলি 'চয়তানৰ ক্ৰিয়া ভূমিত (Devil's workshop) পৰিণত কৰিবলৈ বেছি সময় নালাগে। অৱসৰ সময়ত একো কৰিবলৈ নথকাৰ দৰে যাতনাদায়ক অৱস্থা এটা আমাৰ জীৱনত আন একো হব নোৱাৰে। আজৰি সময়ত শিক্ষিত ব্যক্তি মাত্ৰেই এই কথাৰ প্ৰতি বিশেষ সচেতন।

**Changing philosophy of education for leisure:**

পুৰণি গ্ৰীক দাৰ্শনিক সকলে মত প্ৰকাশ কৰিছিল যে অৱসৰ সময়ৰ শিক্ষা কেৱল সমাজৰ বিলাসিতা জীৱন-যাপন কৰা লোকৰ বাবে প্ৰয়োজন। সিহঁতে কৰ্ম আৰু কায়িক শ্ৰমৰ পৰা মুক্ত হৈ উঠি অৱসৰ সময় বিনোদনৰ সৌভাগ্য লাভ কৰিছিল। সেই সময়ত সিহঁতৰ অৱসৰ সময়খিনিত আনন্দ দিবৰ বাবে সাহিত্য, কলা, সংগীত আদি বিষয় অধ্যয়ন কৰিছিল।

বৰ্তমান সময়ত সমাজত এই পুৰণি দৃষ্টি ভংগী আৰু চিন্তা দৰ্শনৰ সলনি হৈ উঠিছে। Philosophy of pragmatism জ্ঞানৰ ব্যৱহাৰিকতা, উপযোগিতা আৰু উৎপাদনশীলতাৰ ওপৰতহে বিশ্বাস কৰে। আজিৰ এনেবোৰ আদৰ্শ আৰু চিন্তাধাৰাই আমাৰ সমাজ ব্যৱস্থাৰো পৰিৱৰ্তন আনিছে। সেই অনুসৰি সমাজৰ উচ্চ-নীচ, ধনী-দুখীয়া, শ্ৰমজীৱি, বুদ্ধিজীৱি আদি সকলো শ্ৰেণীৰ লোকে অৰ্থনৈতিক উৎপাদনশীলতাৰ বাবে নিজ নিজ ভাৱে শ্ৰম কৰিব লাগে আৰু এই শ্ৰমৰ অন্তত অৱসৰ সময়ৰ শিক্ষাৰ সুবিধা লাভ কৰে। বৰ্তমান সময়ত কোনো নিৰ্দ্দিষ্ট শ্ৰেণীৰ বাবে এই সুবিধা আচুতীয়াকৈ ৰখা নহয়।

**Significance of leisure time education in modern Society:**

একো কাম বন কৰিবলৈ নথকা অৱসৰ সময় বৰ্তমান যান্ত্ৰিক সভ্যতাৰ এক লক্ষ্যণীয় পৰিণতি বুলিব পাৰি। কাম বন নথকা মানুহৰ দিনটো নাযায় নুপুৱায়। অৱসৰ সময় কটোৱাটো আজি তেওঁলোকৰ বাবে এক জটিল সমস্যা হৈ পৰিছে। সেয়েহে সমাজৰ চিন্তনীয় বা চিন্তাশীল লোক সকলে অৱসৰ সময় কিদৰে সাৰ্থকভাৱে কটোৱা যায় তাৰ কিছুমান উপায় অৱলম্বন কৰিছে।

(ক) অৱসৰ সময়ৰ শিক্ষাই আজিৰ সমাজৰ যান্ত্ৰিক জীৱন ব্যৱস্থাই সৃষ্টি কৰা অৱসাদ, বিৰক্তি, অসুস্থ, অপৰাধ প্ৰৱণতা আদি আঁতৰাই সুস্থ আৰু নতুন উৎসাহ উদ্দীপনা যোগাব পাৰে।

(খ) ই মানুহৰ মনৰ অসুস্থ ভাৱ-চিন্তা দুৰ্ভাৱনা আৰু নেতিবাচক মনোভাৱ আৰু দৃষ্টিভংগী আদি সলনি কৰি দেহ-মন সুস্থ আৰু গঠনাত্মক বিধৰ কৰি তুলিব পাৰে।

(গ) অৱসৰ সময়ৰ গঠনাত্মক আৰু সৃজনাত্মক প্ৰয়োগে আমাৰ মানসিক স্বাস্থ্য ৰক্ষা কৰিব পাৰে।

(ঘ) মানুহৰ মনৰ সুপ্ত প্ৰতিভা বিকশাই তোলাত অৱসৰ সময়ৰ শিক্ষাই সহায় কৰে।

(ঙ) এখন দেশ বা জাতিৰ চৰিত্ৰ সেই সমাজৰ লোকৰ অৱসৰ সময় শিক্ষাত ফুটি উঠে।

(চ) এই শিক্ষাই ব্যক্তিক সামাজিকভাৱে উপযোগী আৰু উৎপাদনমূলক ক্ৰিয়াৰ অভ্যাস গঢ়ি তুলিব পাৰে।

(ছ) এই শিক্ষাৰ দ্বাৰাই সমাজৰ নিৰক্ষৰ মানুহক সুখী আৰু সন্মানজনক জীৱন-যাপন কৰাব পাৰি।

(জ) ই ব্যক্তিৰ দৈহিক, মানসিক আৰু আধ্যাত্মিক বিকাশত সমন্বয় সাধন কৰি তুলিব পাৰে।

ঝ) সমাজৰ সৰ্বসাধাৰণ লোকৰ মনৰ ঘৃণা, হিংসা আৰু ধ্বংশৰ পথ ত্যাগ কৰি বিকাশৰ পথত আগবঢ়াই নিব পাৰে এই অৱসৰ সময়ৰ শিক্ষাই।

এই অৱসৰ সময়ৰ শিক্ষাৰ সম্পৰ্কে বিখ্যাত দাৰ্শনিক Aristotle য়ে মন্তব্য আগবঢ়াই কয় যে "সুখী জীৱন যাপনৰ বাবে তিনিটা বস্তুৰ প্ৰয়োজন— জ্ঞান, সুখ আৰু অৱসৰ সময়। অৰ্থাৎ উপযুক্তভাৱে অৱসৰ সময় যাপন কৰিব পাৰিলেহে মানুহ জ্ঞানী আৰু সুখী হব।

এতিয়াৰ দিনত বিভিন্ন কামৰ বাবে যন্ত্ৰ ব্যৱহাৰ কৰা হয় যাৰ ফলস্বৰূপে শ্ৰমিক সকলৰ কামৰ বোজা কমি যায় ফলত সিহঁতৰ অৱসৰ সময়ৰ পৰিমাণ বহুগুণে বৃদ্ধি পাইছে। ফলস্বৰূপে শ্ৰমিক সকলে সস্তীয়া নিম্নমানৰ আমোদ-প্ৰমোদ, মদ খোৱা, জুৱা খেলা আদিৰ জৰিয়তে অৱসৰ সময়খিনি কটায়। গতিকে ইয়াৰ পৰিৱৰ্তন সাধন কৰিবলৈ অৱসৰ সময়ৰ

শিক্ষাৰ প্ৰয়োজন।

বৰ্তমান সময় সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক তথা সাংস্কৃতিক জীৱনত হোৱা পৰিৱৰ্তন ছাত্ৰ-ছাত্ৰীয়ে যাতে সহজে গ্ৰহণ কৰিব পাৰে তাৰ বাবে কম্পিউটাৰ, ইণ্টাৰনেট আদিৰ সহায়ত ছাত্ৰ-ছাত্ৰীক জ্ঞান দি অতি তীক্ষ্ণ কৰি তুলিব পৰা যায়।

<u>Objectives and principles of leisure time education</u>:

অৱসৰ সময়ৰ শিক্ষাৰ উদ্দেশ্য ঘাইকৈ শিশুৰ সৃষ্টিধৰ্মী, অভিৰুচি (Hobby) অনুযায়ী শিক্ষা লাভ কৰি আনন্দ লাভ কৰা। এই সময়ছোৱাত যাতে শিক্ষাৰ্থীয়ে কোনো ধৰণৰ অসামাজিক, অপৰাধমূলক কামত লিপ্ত নহয় তাৰ বাবে নানা ধৰণৰ সহ-পাঠ্যক্ৰমৰ কাৰ্যৱলী আদিৰ ব্যৱস্থা কৰিব লাগে। আচলতে শূণ্য মনক Devil's workshop বোলা হয়।

অৱসৰ সময়ৰ শিক্ষাৰ কিছুমান লক্ষ্য আৰু উদ্দেশ্য উল্লেখ কৰা হ'ল—

(ক) অৱসৰ সময়ৰ শিক্ষাত ব্যক্তিৰ সৃজনাত্মক দিশত গুৰুত্ব দিব লাগে।

(খ) এই শিক্ষাত ব্যক্তিৰ জন্মগত প্ৰতিভা বিকাশত সুবিধা দিব লাগে।

(গ) ব্যক্তিয়ে যাতে অৱসৰ সময়খিনি সুস্থ আৰু সাৰ্থকভাৱে কটাব পাৰে তাৰ ওপৰত গুৰুত্ব দিব লাগে।

<u>Types of Leisure time activities</u>:

1. Plorytul and organisational activities:

শিশু মাত্ৰেই খেলা-ধূলা, নৃত্য-গীতৰ মাজেৰে আত্ম প্ৰকাশ কৰিবলৈ বিচাৰে। দৌৰা, লুকা-ভাকু, কাবাডি আদিৰ দৰে বালিঘৰ সজা, দৰা কইনা খেলা আদি ল'ৰা ছোৱালীৰ জনপ্ৰিয় খেল। কিন্তু পিছৰ সময়ত সমাজত খাপ খাই লবলৈ দলবদ্ধভাৱে কাম কৰা দলীয় নেতৃত্ব লোৱা, প্ৰতিযোগিতাৰ মনোভাৱ জগাই তোলাৰ বাবে সংগঠনমূলক খেলৰ বৰ প্ৰয়োজন। সেয়েহে টেবুল টেনিচ, ক্ৰিকেট, ফুটবল, বাস্কেট বল, লুডু আদি নানা ধৰণৰ খেলত শিশুক আগ্ৰহী কৰি প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ জৰিয়তে ব্যক্তিৰ প্ৰতিভা বিকাশ কৰিব লাগে।

2. Artful Activities:

ছন্দময় গতিত নৃত্য-গীত, চিত্ৰাংকণ, ভাস্কৰ্য, পুতুলা সজা, কাগজৰ বস্তু তৈয়াৰ কৰা, মাটিৰ কাম, উল গোঁঠা, চিলাই কৰা আদি কামৰ জৰিয়তে ব্যক্তিৰ সৃষ্টি প্ৰতিভাৰ বিকাশ সাধন কৰিব পাৰি।

3. Intellectual development:

স্কুলৰ পাঠ্যক্ৰমত থকা নিৰ্ধাৰিত বিষয় সূচীতকৈ অৱসৰ সময়ৰ বৌদ্ধিক ক্ৰিয়া কলাপ সমূহৰ উদ্দেশ্য কিছু পৃথক। বিষয় বস্তুৰ বিশিষ্ট জ্ঞানৰ গভীৰতালৈ প্ৰৱেশ কৰাৰ পৰিৱৰ্তে ব্যক্তিৰ বিশিষ্ট মানসিক ক্ষমতা, আগ্ৰহ-অভিৰুচি আৰু সুপ্ত প্ৰতিভাৰ উন্মোচন কৰাটোহে ইয়াৰ সুক্ষ্ম উদ্দেশ্য।

4. Social Service Centre:

নানা ধৰণৰ সামাজিক ক্ৰিয়াৰ অনুষ্ঠান স্থাপনৰ দ্বাৰা উঠি অহা যুৱক-যুৱতীসকলক সমাজৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে সজাগ কৰিব পাৰি। ছাত্ৰ-ছাত্ৰীয়ে যিখিনি অৱসৰ সময় পায় সেই অৱসৰ সময় সামাজিক কল্যাণমূলক কামত নিয়োজিত বা আত্মনিয়োগ কৰিব পাৰে।

5. Establishment of Hobby Centres:

মানুহৰ বিভিন্ন ৰুচি, অভিৰুচি, আগ্ৰহ আনুযায়ী কিছুমান হবি কেন্দ্ৰ স্থাপন কৰিব পাৰি। এনেবোৰ ক্ষেত্ৰত ব্যক্তিয়ে নিজৰ প্ৰিয় কাম কৰি সময়ৰ সদ্ ব্যৱহাৰ কৰিব পাৰে। যেনে- ডাক টিকট, প্ৰাচীন মুদ্ৰা, পুৰণি কিতাপ-আলোচনী আপুৰুগীয়া চিত্ৰ আদি সংগ্ৰহ কৰা ইত্যাদি।

<u>Problems of Leisure at present</u>:

1. In urban life: নগৰীয়া জীৱনত বৰ্তমান উন্নত নগৰ চহৰবোৰত শিল্প আৰু প্ৰযুক্তি বিজ্ঞানৰ সভ্যতাই মানুহৰ জীৱনত অৱসৰ সময়ৰ সমস্যাৰ সৃষ্টি কৰি তুলিছে। ইয়াৰ ফলত মানুহৰ চিন্তাধাৰা, মূল্যবোধ আৰু জীৱন প্ৰক্ৰিয়াত বিৰূপ প্ৰভাৱ পৰিছে।

2. In rural life: গাঁৱলীয়া জীৱনত আমাৰ গ্ৰাম্য সমাজত কৃষক সকলে তেওঁলোকৰ গ্ৰীষ্মকালীন খেতি কৰা আৰু খেতি চপোৱাৰ মাজত প্ৰায় চাৰি-পাঁচ মাহ সময় এনেয়ে এলেহুৱা হৈ কটাব লগা হয়। এই অৱসৰ সময়খিনি গঠনাত্মক ভাৱে কটাবৰ বাবে তেওঁলোকৰ হাতত কোনো সুস্থ ক্ৰিয়া আঁচনি নথকাৰ বাবে ই এক জটিল সমস্যা হৈ পৰিছে।

3. In student life: ছাত্ৰ জীৱনত বৰ্তমান সময়ত শিক্ষাৰ্থীৰ বাবেও ই এক জটিল সমস্যাৰ সৃষ্টি কৰিছে। তেওঁলোকে গ্ৰীষ্মকালীন আৰু শীতকালীন দীঘলীয়া বন্ধৰ সময়খিনি শিক্ষা অনুষ্ঠানৰ পৰা সম্বন্ধহীন হৈ কটাব লগা হয় আৰু বিভিন্ন সময়ত শিক্ষা দান কাৰ্যৰ পৰা আঁতৰত থকা হয়।



কিন্তু এই সময়খিনিৰ বাবে কোনো পূৰ্বৰ পৰিকল্পনা নথকাৰ বাবে বিভিন্ন সমস্যাই গা কৰি উঠিছে।

**অৱসৰ সময়ৰ শিক্ষা সংগঠিত কৰাৰ নিয়মসমূহ ঃ**

(Principles for organizning education for liesure)

অৱসৰ সময়ৰ শিক্ষাৰ গুৰুত্ব আৰু প্ৰাসংগিকতালৈ চাই শিক্ষা অনুষ্ঠানবোৰত এই সিক্ষা দিয়াৰ ব্যৱস্থা কৰাৰ প্ৰয়োজনীয়তা বৰ্তমান গভীৰভাৱে অনুভৱ কৰা হৈছে। সেয়েহে অৱসৰ সময়ৰ শিক্ষা সাৰ্থকভাৱে ৰূপায়ন কৰিবৰ বাবে শিক্ষক আৰু শিক্ষা কৰ্তৃপক্ষই কেতবোৰ প্ৰধান নীতি পদ্ধতিৰ প্ৰতি দৃষ্টি ৰাখিছে।

ক) অৱসৰ সময়ৰ শিক্ষা শিক্ষাৰ্থীক বাধ্যতামূলক হোৱাৰ পৰিৱৰ্তে স্ব:স্ফূৰ্ত আৰু মনোগ্ৰাহী বিধৰ কৰি তুলিব লাগে।

খ) ব্যক্তিৰ পাৰ্থক্যৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ অভিৰুচি অনুসৰি বিষয় নিৰ্বাচনৰ স্বাধীনতা প্ৰদান কৰিব লাগে।

গ) স্কুলৰ অনুশাসন নীতি শিক্ষাৰ্থীসকলে মুক্তভাৱে আত্ম প্ৰকাশৰ অনুকূল কৰি গঢ় দি তুলিব লাগে।

ঘ) অৱসৰ সময়ৰ শিক্ষাই যাতে শিভাৰ্থীৰ মনত সৌন্দৰ্য্য অনুভূতি আৰু উন্নত ৰুচিবোধ ভাৱ জগাই তুলিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

ঙ) এই শিক্ষা শিক্ষাৰ্থীৰ ভৱিষ্যত জীৱনৰ বাবে স্থায়ী আৰু সুদূৰ প্ৰসাৰী প্ৰভাৱস্বৰূপ হৈ উঠাকৈ গঢ় দি তুলিব লাগে।

*<u>সহায়ক গ্ৰন্থঃ</u>*

স্নাতক মহলাৰ শিক্ষাতত্ত্ব— ড০ ফুনু দাস শৰ্মা, ড০ জ্যোতিৰাণী বৰা, নিৰ্মালি মালাকাৰ

শিক্ষা তত্ত্ব অধ্যয়ন— যতীন বৰুৱা।

❑❑❑

* শিক্ষকসকল জীৱন দাতা পিতৃ-মাতৃতকৈয়ো বেছি শ্ৰদ্ধাৰ পাত্ৰ, কাৰণ পিতৃ-মাতৃয়ে সন্তান জন্মহে দিয়ে কিন্তু জীৱন যাত্ৰাৰ প্ৰাণালী শিক্ষকেহে নিৰূপণ কৰে।

—এৰিষ্টটল

* সকলো কিনিছা কিনা, পৰাপক্ষত এখন ভাল কিতাপ কিনিবলৈ অৱহেলা নকৰিবা।

—যতীন্দ্ৰ নাথ দুৱৰা

# আন্ধাৰত আলোকৰ সন্ধান

*(সংগ্ৰহ)*

নাজমা পাৰবিন
স্নাতক ষষ্ঠ ষাণ্মাসিক

জন মিল্টনৰ On His Blindness ইংৰাজী সাহিত্যৰ উৎকৃষ্ট কবিতাবিলাকৰ অন্যতম। অকালতে দৃষ্টিশক্তি হেৰুৱাই চৰম হতাশাগ্ৰস্ত কবিয়ে বুজি পোৱা নাছিল নিজৰ কবি প্ৰতিভাৰ জৰিয়তে স্ৰষ্টাৰ মহানতা প্ৰচাৰৰ বাবে তেখেতে গ্ৰহণ কৰা অঙ্গীকাৰ কেনেদৰে পূৰ্ণ কৰিব আৰু এনে হতাশাৰ মাজতেই লিখি উলিয়াইছিল উপৰোক্ত কবিতাটো। পৰৱৰ্তী কালত অন্ধত্বক নেউচি কবিয়ে ৰচনা কৰিবলৈ সক্ষম হৈছিল কেইবাখনো যুগশ্ৰেষ্ঠগ্ৰন্থ।

অন্ধত্ব এক বিষাদময় অভিজ্ঞতা। বাটে পথে মছজিদ-মন্দিৰৰ গেটৰ সন্মুখত, ৰেল-ষ্টেচন, বাছ-আস্থানত আমি সকলোৱেই মুখামুখি হওঁ অন্ধ কিম্বা আন বিকলাঙ্গ পুৰুষ মহিলাৰে। সচ্ছলজনৰ পৰা দুই টকা, পাঁচ টকা বিচৰাটোৱেই যেন এওঁলোকে কৰিব পৰা একমাত্ৰ কাম, আনহাতে ৰাইজেও উক্ত মামূলি সহায়খিনি আগবঢ়োৱাৰ জৰিয়তে কৃপা প্ৰদৰ্শনৰ মাধ্যমেৰে উক্ত দুৰ্ভগীয়া সকললৈ নিজৰ দায়িত্ব সামৰা পৰিলক্ষিত হয়। প্ৰশ্ন হ'ল- অন্ধ কিম্বা আন বিকলাঙ্গসকল মাথোন আনৰ কৃপাত জীয়াই থকাৰ বাহিৰে এওঁলোকৰ আন কোনো যোগ্যতা কিম্বা দক্ষতা নাইনে? এওঁলোকৰ প্ৰতি ৰাইজৰ দায়বদ্ধতা অকল দুটকা-পাঁচটকা দান দক্ষিণাৰ মাজতেই সীমাবদ্ধনে?

মানৱ জীৱন ৰহস্যময় আৰু বৈচিত্ৰময়। আল্লাহৰ দৃষ্টি ত্ৰুটিহীন, নিৰ্ভেজাল। সকলো সৃষ্ট জীৱলৈ আল্লাহতালাই দান কৰিছে অগণন নিয়ামত। সৃষ্টিৰ শ্ৰেষ্ঠ মানুহৰ প্ৰদত্ত নিয়মটো স্বাভাৱিকতেই সৰ্বশ্ৰেষ্ঠ। বিবেক, প্ৰজ্ঞা, বিশ্লেষণ ক্ষমতা, লজ্জাবোধ, সভ্যতা আদিয়েই আন জীৱৰ ওপৰত মানুহক শ্ৰেষ্ঠত্ব দান কৰিছে।

জীয়াই থকাৰ বাবে অত্যাৱশ্যকীয় উপকৰণবিলাক আল্লাহে সকলোৰে বাবে সহজলভ্য কৰি ৰাখিছে। উদাহৰণস্বৰূপে বায়ু আৰু পানীৰ কথাকেই উল্লেখ কৰিব পাৰি। বাকীবিলাক উপকৰণ যেনে- ধন, সৌন্দৰ্য, কাৰ্যক্ষমতা, জ্ঞান আদিৰ ক্ষেত্ৰত এচামক অধিক আৰু আন এচামক কমকৈ দিয়া হৈছে। যিবিলাকক অধিককৈ দিয়া হৈছে তেওঁলোকৰ ওপৰত কমকৈ দিয়া সকলক জাকাত প্ৰদান কৰিব লাগে, জ্ঞানীসকলে অজ্ঞসকলৰ মাজত জ্ঞান বিতৰণ কৰিব লাগে। সক্ষমসকলে অক্ষমসকলক সহায় কৰিব লাগে ইত্যাদি। অন্ধ তথা আন বিকলাঙ্গ সকলোকো তেওঁলোকৰ আংশিক অক্ষমতাক নেউচি কেনেদৰে স্বাৱলম্বী হব পাৰে সেইক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱাৰ দায়িত্বও শাৰীৰিকভাৱে সক্ষমসকলেই লব লাগে। লক্ষ্যণীয় কথাটো হ'ল আল্লাহে তেওঁৰ বিস্ময়কৰ সৃষ্টিৰাজিৰ মাজত নিয়মত বণ্টনৰ ক্ষেত্ৰত ভাৰসাম্য ৰক্ষা কৰিছে। উদাহৰণস্বৰূপে মুকবধিৰ ব্যক্তি এজন বাকশক্তিহীন হলেও আন সাধাৰণ মানুহতকৈ অধিক চতুৰ আৰু মেধাৱী হোৱা পৰিলক্ষিত হয়, বাক শক্তিহীনতাৰ সুযোগলৈ এনে ব্যক্তি এজনক কোনোবাই প্ৰতাৰণা কৰাটো সহজ বুলি ভৱাৰ থল নাই, আমাৰ জীৱন অভিজ্ঞতাৰ পৰা এনে কথা ডাঠি কব পৰা যায়। অন্ধসকলৰ ক্ষেত্ৰতো একে কথা প্ৰযোজ্য? চকুৰ নেদেখিলেই এওঁলোকে হাতৰ আঙুলিৰ স্পৰ্শৰে পূৰ্বতে লগ পোৱা কাৰোবাক অতি সহজেই চিনাক্ত কৰিব পাৰে। আমাৰ দেশৰ পঞ্চাশ, এশ, পাঁচশ আৰু হাজাৰ চকীয়া নোটত থকা নিৰ্দিষ্ট একোত্ৰ কোটা আৰু সৰু কলা চিহ্নত আঙুলিৰ স্পৰ্শৰ জৰিয়তে তেওঁলোকে নোটবিলাকক চিনাক্ত কৰি লব পাৰে। আৰু সেইকাৰণেই বিকলাঙ্গসকলক Physically disabled (শাৰীৰিকভাৱে অক্ষম) বুলি কোৱাৰ পৰিৱৰ্তে আজিকালি Differently abled (বিকল্প সক্ষমতাৰ গৰাকী) বুলি কোৱা হয়। অৰ্থাৎ ব্যক্তি এজনৰ এটি মাত্ৰ অঙ্গ অক্ষম হোৱাটোৱেই তেওঁৰ সামগ্ৰিক কৰ্মক্ষমতাৰ কথা নুবুজায়। এটা অঙ্গ বিকল হলেও নিশ্চয়কৈ আল্লাহে তেওঁক বেলেগ ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা দান কৰিছে আৰু



ইয়াৰ বিকাশ ঘটাই তেখেতক স্বাৱলম্বী হবলৈ উৎসাহিত কৰাটো সকলোৰে কৰ্তব্য।

পাতনিত উল্লিখিত সপ্তদশ শতিকাৰ ইংৰাজ কবি মিল্টনৰ দৰে আজিৰ পৃথিৱীতো এনে দৃষ্টান্ত নথকা নহয়। দিল্লী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক নাৱাজ নিজাৰৰ নামটো এইক্ষেত্ৰত লেখত লবলগীয়া। কেৰেলাৰ কজিকৰ্ড জিলাৰ অধিবাসী তথা বাহৰাইনৰ ৰাজধানী চহৰ মানাথাত ১৮৮৪ চনৰ ৬ ফেব্ৰুৱাৰীত জন্ম গ্ৰহণ কৰা নাৱাজ নিজাৰ জন্মান্ধ আছিল। কজিকৰ্ড জিলাত থকা স্থানীয় প্ৰাথমিক বিদ্যালয়ত আনুষ্ঠানিক শিক্ষাৰ পাতনি মেলা নাৱাজে সৰু কালতেই দেউতাকে বাতৰি কাকত পঢ়ি থাকোতে মনোযোগেৰে শুনিছিল আৰু ৰাজনীতিৰ বিষয়ে পিতা-পুত্ৰই আলোচনা কৰিছিল। অতঃপৰ তালি পাৰস্পাৰ ছাৰ ছৈয়দ কলেজৰ পৰা প্ৰাক স্নাতক আৰু এৰণাকুলামৰ মহাৰাজা কলেজৰ পৰা ৰাষ্ট্ৰ বিজ্ঞানক প্ৰধান বিষয় হিচাপে লৈ ডিগ্ৰী লাভ কৰি অৱশেষত জৱাহৰলাল নেহেৰু বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰিছিল অন্ধত্বৰ ওপৰত হাৰ নমনা ব্যতিক্ৰমী প্ৰতিভাধৰ নাৱাজে। যোৱা সাত বছৰ ধৰি দিল্লী বিশ্ব বিদ্যালয়ত অধীনস্থ দয়াল সিং কলেজত ৰাষ্ট্ৰ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা নাৱাজে জামিয়া মিল্লিয়া ইছলামীয়াৰ অধ্যাপক সুজিত দত্তৰ তত্বাবধানত "Popular sports and confict transformation, a case study of India Pakistan Cricket Relations" বিষয়ৰ ওপৰত গৱেষণা চলাই আছিল। তদুপৰি Media OneTv নামৰ দূৰদৰ্শন চেনেলত অনুষ্ঠিত ৰাজনৈতিক আলোচনা চক্ৰসমূহত এক অতি চিনাকী মুখ আছিল এই নাৱাজ নিজাৰ। Cricket Association for the Blind in India ৰ অধীনস্থ Cricket Association for the Blind in Kerala (CABK)ৰ তেওঁ আছিল সভাপতি।

কেৰেলাত অনুষ্ঠিত এখন সন্মিলনত অংশগ্ৰহণ কৰি থকা অৱস্থাত অস্বস্থতা বোধ কৰাত বিৰল ব্যক্তিত্বৰ অধিকাৰী নাৱাজক চিকিৎসালয়লৈ লৈ যোৱা হয় আৰু তাতেই তেখেতে মৃত্যুবৰণ কৰে। উল্লেখ্য প্ৰয়াত ৱানাজ নিজাৰ ব্ৰেইন টিউমাৰত ভূগি আছিল। পত্নী আৰু দুই সন্তানক এৰি থৈ যোৱা নাৱাজৰ মৃত্যুত তেখেতৰ পি এইছ ডিৰ তত্বাৱধায়ক অধ্যাপক সুজিত দত্তই শোক প্ৰকাশ কৰি দিয়া বিবৃতিত তৰুণ এই মেধাৱী শিক্ষকজনৰ বহুমুখী প্ৰতিভাৰ প্ৰমাণ পোৱা যায়। অধ্যাপক দত্তৰ মতে "Nawaz was brilliant full of life cultured actively involved in thingd, progressive and had all the qualities of becoming a great Scholar."

অষ্ট্ৰেলিয়াত নিক বুজিকিক (Nick Vujicic)ৰ নাম কোনে নাজানে। চলা-ফিৰা কৰাৰ বাবে প্ৰয়োজনীয় নূন্যতম অংগও নিকৰ নাই। দুয়োখন হাত আৰু দুয়োখন ভৰি অবিহনে জীৱন আৰম্ভ কৰা নিকে ১৭ বছৰ বয়সত হঠাৎ আৱিস্কাৰ কৰে জীৱনৰ অৰ্থ। হতাশাৰ পৰিৱৰ্তে পৃথিৱীৰ বিভিন্ন ঠাইত অনুপ্ৰেৰণামূলক বক্তব্য আগবঢ়াই ফুৰা নিক বিশ্ববাসীৰ এজন সফল ব্যক্তি। নিজৰ অক্ষমতাৰ বাবে সৃষ্টিকৰ্তাক ধন্যবাদ দিয়া নিকে কয় যে আন সাধাৰণ মানুহৰ দৰে স্বাভাৱিক অংগ লৈ জন্মিলে আজি তেওঁ পৃথিৱীজুৰি বিখ্যাত নহলহেঁতেন। চেষ্টা আৰু ইচ্ছাশক্তিৰ বলত আজি তেওঁ সকলো কাম অনায়াসে কৰিব পৰাই নহয় শাৰীৰিকভাৱে সক্ষম লোককো অনুপ্ৰাণিত কৰি আহিছে।

মিল্টন, নাৱাজ আৰু নিক মাথোন উদাহৰণহে, বিশ্বৰ চুকে কোণে বিভিন্ন সময়ত এনে ধৰণৰ ব্যক্তিত্বৰ আবিৰ্ভাৱ নিশ্চয় হৈছে। আনহাতে আমি দুটকা-পাঁচটকা দি সহায় কৰা, বাটে-পথে লগ পোৱা অন্ধ কিংবা আন বিকলাঙ্গসকলৰ মাজত যে সৃষ্টিশীলতাৰ সম্ভাৱনা নাই সেয়া কোনেও কব নোৱাৰে। মিল্টন, নিক আৰু নাৱাজ নিজাৰৰ দৃষ্টান্তই আমাক এইটো কথা শিকাই দিয়ে যে আপাত দৃষ্টিত বিষাদময় যেন লগা এটি পৰিস্থিতিৰ মাজতো আমি সন্ধান পাব পাৰো আশা আৰু সফলতাৰ আন্ধাৰৰ মাজতো পাব পাৰো পোহৰৰ সন্ধান। প্ৰয়োজন এটাই ঃ আমাৰ দৃষ্টিভঙ্গীৰ পৰিৱৰ্তন।

*বিঃদ্রঃ*— আন্ধাৰত আলোকৰ সন্ধান, লিখক— ৰশ্বীদ আহমেদ, গ্ৰন্থ— 'জ্ঞান সম্ভাৰ' সপ্তদশ বছৰৰ প্ৰথম সংখ্যাৰ পৰা সংগৃহীত।

❑❑❑

# মহান বিজ্ঞানীৰ চানেকী

## ড০ এ.পি.জে. আব্দুল কালাম

*(সংগ্ৰহ)*

আব্দুৰ ৰহমান
স্নাতক তৃতীয় ষাণ্মাসিক

কণমানি ল'ৰাটোৱে ঘণ্টাৰ পিছত ঘণ্টা বহি কটাইছিল সাগৰৰ পাৰত। বিশাল সাগৰৰ বুকুৰ নীলাভ, পাৰত খুন্দা খাই মাৰ যোৱা ঢৌবোৰ চাই খুব আমোদ পাইছিল কণমানি ল'ৰাটোৱে। লগতে ল'ৰাটোৱে ভাল পাইছিল বিশাল সাগৰ। সেই কণমানি ল'ৰাটোৰ দেউতাক আছিল সাগৰত চলা নাৱৰ নাৱৰীয়া। দিনটো নাও চলাই যি সামান্য টকা পাইছিল তাৰেই কোনোমতে পোহপাল দিছিল পৰিয়ালটো। ডাঙৰ হৈ নাৱৰীয়াজনৰ সাগৰ চাই ভালপোৱা সেই কণমানি ল'ৰাটোৱে হৈ পৰিছিল ভাৰতৰ ৰাষ্ট্ৰপতি তথা বিশ্ববিখ্যাত এজন বিজ্ঞানী। ল'ৰাজনৰ নাম হ'ল এ.পি.জে. আব্দুল কালাম। সম্পূৰ্ণ নাম আবুল পাকিৰ জয়নুলাৱেদিন আব্দুল কালাম। আব্দুল কালামৰ জন্ম হৈছিল ১৯৩১ চনৰ ১৫ অক্টোবৰত তামিলনাডুৰ ৰামেশ্বৰমৰ ধনুছকোড়িত।

আব্দুল কালাম সৰু কালৰে পৰা আছিল নম্ৰ প্ৰকৃতিৰ। সকলো কথাৰে আঁতি গুৰি মাৰি জানিবলৈ বিচৰাটো তেওঁৰ আছিল স্বভাৱ। শিশুকালটো তেওঁ অতিবাহিত কৰে দক্ষিণ ভাৰতৰ ৰামেশ্বৰমতে। সৰু কালৰে পৰা কালামৰ হাবিয়াস আছিল আকাশত উৰাৰ। আকাশেৰে উৰি যোৱা উৰাজাহাজৰ শব্দ শুনিলেই তেওঁ ঘৰৰ বাহিৰলৈ দৌৰিছিল। উৰাজাহাজখন উৰি যোৱাৰ পিনে বহু সময়লৈকে চাই আছিল।

কালামৰ পিতৃৰ নাম আছিল জয়নুলাৱেদিন আৰু মাতৃৰ নাম আছিল আছিয়াম্মা। তেওঁৰ পৰিয়ালটো আছিল নিৰামিষহাৰী। লগতে আছিল অতি ধৰ্মভীৰু। পৰিয়ালৰ প্ৰভাৱ, বিশেষকৈ পিতৃ জয়নুলাৱেদিনৰ প্ৰভাৱ কালামৰ গাত বাৰুকৈয়ে প্ৰস্ফুটিত হৈছিল। ঘৰখনৰ ৰক্ষণশীলতাৰ বাবেই হয়তো সেই ল'ৰাজন আজিৰ ভাৰতৰ ৰাষ্ট্ৰপতি এ.পি.জে. আব্দুল কালাম হ'ব পাৰিছিল। ঘৰখনৰ পৰাই তেওঁ ভগৱানৰ প্ৰতি অগাধ বিশ্বাসী হ'বলৈ বাধ্য হৈছিল। সৰুকালতে তেওঁ কোৰাণ আৰু গীতা অধ্যয়ন কৰিছিল।

কালামে শিক্ষা জীৱন আৰম্ভ কৰে ৰামেশ্বৰমৰ প্ৰাইমেৰী স্কুলত। পিছত তেওঁ ৰামানাথপুৰৰ মিছনেৰী স্কুলত নামভৰ্তি হয়। দেউতাকে পোৱা সামান্য টকাৰে কোনোমতেহে পৰিয়ালটো পোহপাল দি ৰাখিছিল। কিন্তু কালামৰ সৰুৰে পৰা আছিল অধ্যয়নপিপাসু মন এটা। কিন্তু কেতিয়াবা স্কুলৰ ফীজ দিব নোৱাৰা বাবে কালামে শিক্ষকৰ গালি খাবলগীয়া হৈছিল। কালাম কিন্তু ভাগি পৰা নাছিল। কালামে কেনেকৈ স্কুলৰ খৰচ উলিয়াব পাৰি তাৰেই চিন্তা কৰাত লাগিল। অৱশেষত তেওঁ সিদ্ধান্ত ললে বাতৰি কাকত বিলোৱা হ'কাৰ কাম কৰাৰ। বাতৰি কাকত বিলাই যিখিনি ধন পাইছিল সেই ধনেৰেই তেওঁ পঢ়াৰ খৰচ উলিয়াইছিল।

কালাম আছিল অতি মেধাৱী ছাত্ৰ। শিক্ষকসকলেও কালামে পঢ়াৰ বাবে কৰা কষ্টৰ কথা গম পালে। সেইবাবে তেওঁলোকে কালামৰ অধ্যয়নত সহায় কৰাৰ বাবে আগবাঢ়ি আহিল। তেওঁলোকে কালামক আগবাঢ়ি যোৱাত সহায় কৰিবলৈ আৰম্ভ কৰিলে। ১৯৫০ চনত কালামে ছেন্ট যোছেফ কলেজত নামভৰ্তি কৰে।

সৰুৰে পৰা কালামৰ মন আছিল এজন পাইলট হোৱাৰ। সেয়ে তেওঁ পিছত মাদ্ৰাজৰ ইনষ্টিটিউট অৱ টেক্‌ন'লজীত নামভৰ্তি কৰে। মাদ্ৰাজৰ ইনষ্টিটিউট অৱ চেক্‌ন'লজীৰ পৰা তেওঁ ট্ৰেইনী হিচাপে হিন্দুস্তান এৰ'নৈটিক্‌ছ লিমিটেডত ভৰ্তি হয়। বাংগালোৰৰ এই প্ৰতিষ্ঠানত প্ৰশিক্ষণ গ্ৰহণৰ পিছত তেওঁৰ সন্মুখত নিযুক্তিৰ বাবে দুটা পথ খোল খালে- এটা হ'ল ডাইৰেক্টৰেট অফ্ট টেক্নিকেল ডেভেলপমেন্ট এণ্ড প্ৰডাকশ্যনত আৰু আনটো হ'ল সেনা বা বায়ু সেনাবাহিনীত। কিন্তু কালামে অৱশেষত প্ৰথমটোত নিযুক্তি হোৱাটো বিচাৰিলে আৰু তাত ছিনিয়ৰ ছাইণ্টিফিক এছিছটেন্ট হিচাপে মাহে ২৫০/= টকা দৰমহাত নিযুক্তি লাভ কৰিলে। তেওঁৰ শিশুকালৰ সপোন বাস্তৱত পৰিণত কৰাৰ পথ তেওঁ বিচাৰি পালে। তাৰ পিছত তেওঁ মহাকাশ গৱেষণা সমিতিত যোগ দিয়ে। সমিতিত যোগ দি তেওঁ বিভিন্ন ক্ষেত্ৰত আৰম্ভ কৰিলে গৱেষণাৰ কাম। তেওঁৰ গৱেষণাৰ মূল বিষয় হ'ল মিছাইল টেক্‌ন'লজী আৰু ৰকেট সম্পৰ্কীয়। তেওঁ আৱিষ্কাৰ কৰিলে অগ্নি আৰু পৃথিৱী ক্ষেপণাস্ত্ৰ। অকল এয়াই নহয় শুকান পথাৰ সেউজীয়া কৰাৰ টেক্‌ন'লজীও আৱিষ্কাৰ কৰিলে তেওঁ। অৰ্থাৎ তেওঁ তৃতীয় বিশ্বৰ দেশখনক উন্নত দেশৰ শাৰীলৈ নিয়াৰ সপোন বাস্তৱত ৰূপ দিয়াৰ সপোন বাস্তৱ হ'ল। কালামে বিশ্বাস কৰিছিল যে ২০২০ চনৰ ভিতৰত ভাৰতবৰ্ষ এখন সৰ্বদিশত উন্নত দেশত পৰিণত হ'ব। কিন্তু তাৰ বাবে ভাৰতবাসীক কোনেও সহায় নকৰে। ভাৰতবাসীয়ে নিজেই আগুৱাই যাব লাগিব উন্নতিৰ পথত।

আব্দুল কালাম ভাৰতৰ ৰাষ্ট্ৰপতি হোৱাৰ আগৰ সময়ছোৱাক চাৰিটা ভাগত ভাগ কৰিব পাৰি-

প্ৰথম ভাগ হ'ল ১৯৬৩ চনৰ পৰা ১৯৮২ চনলৈ। এই সময়ছোৱাত তেওঁ ভাৰতীয় মহাকাশ গৱেষণা সংস্থাত কাম কৰিছিল। কিছুদিনৰ ভিতৰতে তেওঁ থুম্বাৰ মহাকাশযান প্ৰক্ষেপণকাৰী দলৰ লগত যোগ দিয়ে। এই দলৰ লগত থাকি তেওঁ এছ এল ভি-৩ ৰ আঁচনি প্ৰস্তুত কৰিছিল। তেওঁ লিখিছিল- "এয়া হ'ল মোৰ প্ৰথম খোজ, যিটো খোজ দিয়াৰ বাবে মোক বাট দেখুৱাইছিল ড০ বিক্ৰম চাৰাভাই, প্ৰফেছৰ সশীত ধাৱন আৰু ড০ ব্ৰহ্ম প্ৰকাশে। সেয়া আছিল মোৰ শিক্ষা গ্ৰহণ আৰু জ্ঞান আহৰণ কৰা সময়।" তেওঁৰ জীৱনৰ দ্বিতীয় ভাগ আৰম্ভ হয় ১৯৮২ চনৰ পৰা। এই সময়ছোৱাত দেশৰ সুৰক্ষাৰ বাবে মিছাইল সম্পৰ্কত গৱেষণা কৰিছিল। তেওঁৰ তত্ত্বাৱধানতে ভাৰতবৰ্ষই লাভ কৰে নাগ, পৃথিৱী, আকাশ, ত্ৰিশূল, অগ্নি আদিৰ দৰে ক্ষেপণাস্ত্ৰ। তেওঁ লিখিছিল- "এই সময়ছোৱাত বহুক্ষেত্ৰত মই সফল হ'লেও বিফলো হৈছিলো। বহুক্ষেত্ৰত বিফলতাবোৰৰ পৰাই মই লাভ কৰিছিলো শিক্ষা। মোৰ জীৱনৰ এয়া হ'ল দ্বিতীয় খোজ।" জীৱনৰ এই সময়ছোৱাতেই কালাম বিশ্বত পৰিচিত হয় ভাৰতৰ 'মিছাইল মেন' হিচাপে।

আব্দুল কালামৰ জীৱনৰ তৃতীয় দফাত ভাৰতে আণৱিক ক্ষেত্ৰখনত যথেষ্ট উৎকৰ্ষ সাধন কৰিবলৈ সক্ষম হয়। ভাৰতক বিশ্বৰ আন দেশে আণৱিক শক্তিধাৰী দেশ হিচাপে স্বীকৃতি দিয়ে। তেতিয়া কালাম আছিল টেক্‌ন'লজী ভিছন-২০২০ আৰু ইণ্ডিয়া মিলেনিয়াম মিছন-২০২০ প্ৰধান ব্যক্তি।

১৯৯৯ চনত আব্দুল কালাম প্ৰিন্সিপাল ছাইণ্টিফিক এডভাইছেৰী নিযুক্ত হোৱাৰ লগে লগে আৰম্ভ হয় তেওঁৰ জীৱনৰ চতুৰ্থ দফা। এই সময়ছোৱাত তেওঁৰ লক্ষ্য আছিল ভাৰত মিলেনিয়াম মিছন ২০২০ ৰ বিষয়ে দেশৰ ভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীয়ে অৱগত হওঁক। অন্তঃ ২০০৩ চনৰ ভিতৰত এই বিষয়ে ভাৰতৰ ভিন্ন প্ৰান্তৰ প্ৰায় ১ লাখ ছাত্ৰ-ছাত্ৰীৰে এই মিছনৰ বিষয়ে আৱগত হোৱাটো তেওঁ বিচাৰিছিল। আনকি তেওঁ নিজে লগ ধৰিও মিছনৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক বুজাইছিল।

এই গৰাকী মহান ব্যক্তিক দেশৰ ৰাষ্ট্ৰপতি পদ যাঁচি যোগ্য সন্মান দিয়ে দেশবাসীয়ে। কালাম ৰাষ্ট্ৰপতি হৈ থকা কালছোৱাত ভাৰতৰ ৰাষ্ট্ৰপতিৰ পদটো বহু ওপৰলৈ তুলি লৈ যায়।

১৯৯৭ চনত বিজ্ঞানী ড০ কালামক ভাৰতৰ আটাইতকৈ উচ্চ সন্মান 'ভাৰত ৰত্ন'ৰে সন্মানিত কৰে। ইয়াৰ আগতে কালামক ১৯৮১ চনত পদ্মভূষণ আৰু ১৯৯০ চনত পদ্ম বিভূষণেৰে সন্মানিত কৰা হয়। ১৯৯০ চনতে যাদৱপুৰ বিশ্ববিদ্যালয়ে কালামক পি.এইছ. ডি. উপাধি প্ৰদান কৰে।

এইগৰাকী হ'ল ড০ আব্দুল কালাম, যিগৰাকী ব্যক্তিয়ে নানা সংঘাতৰ মাজেৰে ৰাষ্ট্ৰপতিৰ দৰে সন্মানীয় পদত অধিষ্ঠিত হৈ আহিছে যদিও তেওঁ এগৰাকী বিশ্ববিখ্যাত বিজ্ঞানী, তেওঁৰ মনত তাকে লৈ নাই কোনো অহংকাৰ। তেওঁ সৰু ল'ৰা-ছোৱালীক যথেষ্ট মৰম কৰে। শিশুৰ লগত তেৰোঁ হৈ পৰে এজন শিশু। হয়তো সেই গুণৰ বাবেই কালাম শিশুসকলৰ মাজত যথেষ্ট প্ৰিয় ব্যক্তি।

এইগৰাকী ব্যক্তিয়ে বিবাহপাশত আবদ্ধ হোৱাটো প্ৰয়োজনবোধ নকৰিলে। দেশবাসীৰ উন্নতিৰ বাবেই উচৰ্গা কৰিলে জীৱনটো। আটাইতকৈ আচৰিত কথা যে অধ্যয়নৰ বাবে তেওঁ কেতিয়াও দেশৰ বাহিৰলৈ যোৱা নাছিল। তেওঁ প্ৰমাণ কৰিলে যে জন্মভূমিতে অধ্যয়ন কৰিও লাভ কৰিব পাৰি বিশ্বখ্যাতি। হ'ব পাৰি এজন বিখ্যাত বিজ্ঞানী। তেওঁ মাথো এবাৰহে (১৯৬৩-৬৪) আমেৰিকালৈ নাছাত অধ্যয়নৰ বাবে গৈছিল। দেশবাসীলৈ তেওঁ নিজৰ কৃতিত্বৰ ভাগ আগবঢ়াই থৈ গ'ল।

*মূলঃ দুলাল মিশ্ৰ আৰু সৌন্দৰ্য্য ঠাকুৰীয়াৰ "মহান বিজ্ঞানীৰ মনোৰম ল'ৰাটি" গ্ৰন্থৰ পৰা সংগৃহীত।*

□□□

# পৃথিৱীৰ কৃত্ৰিম উপগ্ৰহৰ সহায়

(সংগ্ৰহ)

নাজিমুদ্দিন আহমেদ
স্নাতক পঞ্চম যাণ্মাসিক

আমি সাধাৰণতে আকাশখনলৈ চালে মনলৈ বহুত প্ৰশ্ন আহি পৰে। কাৰণ গ্ৰহ বিলাকে কেনেদৰে নিয়ম মানি চলে। এই কথা ভাবিলে আচৰিত যেন লাগে।

চন্দ্ৰটোৱে একেবাৰে ওচৰত থাকি নিজৰ কক্ষপথত থাকিও পৃথিৱীৰ চাৰিওফালে ঘূৰি আছে। চন্দ্ৰক পৃথিৱীৰ উপগ্ৰহ বুলি আমি জানো। এই চন্দ্ৰটোৱে দিনত সূৰ্য্যৰ পোহৰ আহৰণ কৰি ৰাতি আমাক পোহৰ আৰু শক্তিৰ যোগান ধৰে। চন্দ্ৰৰ কামৰ ভিতৰত এইটোৱে প্ৰধান কাম। অতি সহজভাৱে কবলৈ গ'লে আমি সমগ্ৰ বিশ্বত কামত অহাকৈ এটা কাম কৰিব খুজিছো। সেই কামটো হ'ল- এটা তথ্য কম সময়ত গোটেই পৃথিৱীত বিয়পাই দিব লাগে। তথ্য বিয়পোৱা কামটো বৰ প্ৰয়োজনীয়। কাৰণ- এই তথ্যই এক প্ৰকাৰৰ শক্তি। এই কামটো কৃত্ৰিম উপগ্ৰহৰ দ্বাৰাই কৰাৰ সম্ভাৱনীয়তা থাকে। সেয়েহে আমাক কৃত্ৰিম উপগ্ৰহৰ অতি আৱশ্যক। এই কৃত্ৰিম উপগ্ৰহৰ ওপৰত ভিত্তি কৰি দেশৰ নানা বৈজ্ঞানীক সকলে ঠিৰাং কৰিছে যে বতৰৰ আগ জাননী, খেতি-মাটিৰ গুণাগুণ, পৃথিৱীৰ নানান প্ৰাকৃতিক সমস্যা আদিৰ কাম এই গ্ৰহৰ দ্বাৰা কৰিব পাৰি।

ইয়াৰ উপৰিও বিভিন্ন ধৰণৰ বৈদ্যুতিক যন্ত্ৰ- দূৰদৰ্শন, ৰেডিঅ'ৰ শ্ৰৱণ প্ৰচাৰ, মোবাইল ফোন ইত্যাদি চলোৱা হৈছে। কৃত্ৰিম উপগ্ৰহ এটা সাজি চন্দ্ৰৰ নিচিনাকৈ উৰাই ৰাখিবলৈ ৰখাটো ইমান সহজ কাম নহয়। ইয়াৰ প্ৰধান বাধা হিচাপে মাধ্যাকৰ্ষণ শক্তি। এই শক্তিয়ে যিকোনো এটা বস্তুক ওপৰলৈ উঠি যোৱাত বাধা প্ৰদান কৰে। সেইবাবে বল তথা বিভিন্ন বস্তু ওপৰলৈ মাৰিলে তললৈ আকৌ নামি আহে। সেয়েহে এই গ্ৰহবোৰক ওপৰলৈ নিবলৈ হলে বহুত শক্তিৰ প্ৰয়োজন হয়। এই কামটো সাধন কৰিব হ'লে সাধাৰণতে ৰকেট ব্যৱহাৰ কৰা হয়।

আমি বিভিন্ন পুথিত অধ্যয়ন কৰাৰ ফলত গম পাও যে নিউটন নামৰ বিজ্ঞানী এজনে ১৬৪২ চনত প্ৰথমে কৃত্ৰিম উপগ্ৰহৰ বিষয়ে আলোচনা আগবঢ়াইছিল। নিউটনৰ প্ৰথম সূত্ৰই আছিল পৃথিৱী আৰু চন্দ্ৰ মাজত থকা পৰস্পৰ আকৰ্ষণৰ ব্যাখ্যা। ইয়াৰ পিছত নিউটনৰ তৃতীয় সূত্ৰ অনুসৰি ৰকেট আৱিষ্কাৰ কৰা হয়। উদাহৰণস্বৰূপে কব পাৰি যে বল এটা মাটিত মাৰিলে বলটো আকৌ ওপৰলৈ উঠে। ইয়াৰ আকৰ্ষণ দৃষ্টিৰে ৰকেট সজা হয়। এই ৰকেটৰ সহায়ত কৃত্ৰিম উপগ্ৰহ এটা পোন প্ৰথমে প্ৰায় ১৫০ কিঃমিঃ ওপৰলৈ নি ধৰা পৃষ্ঠৰ আকাশৰ ওপৰত স্থিতি কৰি ৰখা হয়। ইয়াৰ পৰৱৰ্তীতে বহুত কেইটামান উপগ্ৰহ আৱিষ্কাৰ কৰা হয়। তাৰ ভিতৰত (ইনছাট) উপগ্ৰহ নামে এটা উপগ্ৰহ নাম কব পাৰি।

**ইনছাট উপগ্ৰহ ঃ** ভাৰতৰ প্ৰথম উপগ্ৰহ হিচাপে ইনছাট নামৰ কাৰ্য্যকৰী উপগ্ৰহ জনা যায়। এই উপগ্ৰহই তিনিটা কাম একে লগে কৰাৰ ব্যৱস্থা আছিল। যেনেঃ (ক) টেলিসংযোগ (খ) টিভি প্ৰসাৰ আৰু (গ) বতৰৰ পৰ্য্যবেক্ষণ। সেয়েহে ১৯৮২ চনত ১০ এপ্ৰিলত (ইনছাট ১এ) মহাকাশলৈ প্ৰেৰণ কৰা হয়। আমেৰিকাৰ ডেল্টা ৰকেটৰ সহায়ত এই গ্ৰহ মহাকাশলৈ প্ৰেৰণ কৰা হৈছিল। ইয়াৰ পিছত (ইনছাট ১বি) কৃত্ৰিম উপগ্ৰহ ১৯৮৩ চনৰ ছেপ্ৰেম্বৰ মাহত ৩৫,৬৮০ কিলোমিটাৰ দূৰত কক্ষপথত স্থাপন কৰা হৈছিল।

সেইদৰে তাৰ পিছে-পিছে (ইনছাট ১চি) ১৯৮৮ চনত আৰু ১৯৯০ চনত (ইনছাট ১ডি) কৃত্ৰিম উপগ্ৰহ মহাকাশলৈ প্ৰেৰণ কৰা হয়। সেয়েহে ভাৰতত এই কৃত্ৰিম উপগ্ৰহৰ দ্বাৰা মানুহে বিভিন্ন যন্ত্ৰৰ সংযোগ স্থাপন কৰিছে। যাৰ ফলত বিভিন্ন বস্তুৰ আগ জাননী পাবলৈ সক্ষম হৈছে।

*সহায়ক গ্ৰন্থ ঃ বিজ্ঞানৰ নানা বতৰা*

□□□



# ৰাণীপুখুৰীৰ চমু ইতিবৃত্ত

আশ্ৰাফুল পাৰবিন
স্নাতক পঞ্চম যাণ্মাসিক



অবিভক্ত দৰং জিলাৰ আৰু বৰ্তমান ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমাৰ কলাইগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত আৰু কলাইগাঁও চহৰৰ পৰা ১২ কিঃমিঃ দূৰত্বৰ পুব উত্তৰত অৱস্থিত পূৰ্ব্বৰ ৰাণীপুখুৰী গাঁও পঞ্চায়তৰ এলেকাধীন ৰাজাহাউলি, চেনিবাৰী, ভোলাবাৰী, ১নং ঝাৰগাঁও, নখাট, ভুল্লিচুবা আৰু ভেৰভেৰী গাঁওসমূহ সাঙুৰি ৰাণীপুখুৰী নামৰ বৃহৎ অঞ্চল গঠিত হৈছে। ৰাণীপুখুৰীটো উক্ত অঞ্চলৰ ভোলাবাৰী, চেনিবাৰী আৰু ১নং ঝাৰগাঁও নামৰ গাঁও তিনিখনৰ সংগমস্থলত অৱস্থিত। আজিৰ পৰা প্ৰায় ৬৭০ বছৰ মান আগতে এই অঞ্চলত চেকেণ্ডাৰ ছাহ ভূএঁঞ নামৰ ৰজাৰ দুই পত্নীৰ কৃতিত্ব ৰক্ষাৰ বাবে ৰাণীয়ে পুখুৰীটো খন্দোৱা বাবে এই পুখুৰীটোৰ নাম ৰাণীপুখুৰী হয়। পুখুৰীটোৰ পশ্চিম পাৰত ৰাণীপুখুৰী নামাকৰণেৰে উল্লেখিত গাঁও অঞ্চল সমূহৰ যোগাযোগ সম্পৰ্ক বজাই ৰখাৰ বাবে এটা ডাকঘৰ স্থাপিত হোৱা দিনৰে পৰা এই অঞ্চলৰ নাম ৰাণীপুখুৰী নামেৰে প্ৰচাৰিত হয়। এই অঞ্চলৰ অন্তৰ্গত গাঁওসমূহকলৈ ৰাণীপুখুৰী গাঁও পঞ্চায়ত গঠন হৈছে। ইয়াৰোপৰি এই পুখুৰীটোৰ পশ্চিম পাৰত ৰাণাপুখুৰী নামেৰে এখন মধ্য ইংৰাজী বিদ্যালয়, দৈনিক বজাৰ, ঈদগাহ, ময়দান, এন.জি.অ'. আদি অনুষ্ঠান-প্ৰতিষ্ঠান গঠন কৰা হৈছে। উল্লিখিত অনুষ্ঠান প্ৰতিষ্ঠানৰ নাম ৰাণীপুখুৰীটোৰ নামেৰে নামাকৰণ হোৱাৰ পৰা এই অঞ্চলৰ নাম ৰাণীপুখুৰী অঞ্চল হিচাপে জনাজাত হৈ পৰিছে। বৰ্তমান দূৰ দূৰণিৰ মানুহে ৰাণীপুখুৰী অঞ্চলৰ বিষয়ে জানে আৰু চৰকাৰী বিভিন্ন নথিপত্ৰত ৰাণীপুখুৰীৰ নাম এটি পৰিচিত নাম হিচাপে জনাজাত হৈছে। ৰাণীপুখুৰী অঞ্চলত মুছলমান, বড়ো, চাওঁতাল, বঙালী হিন্দু, হিন্দু বিহাৰী আদি সম্প্ৰদায়ৰ লোকে তাহানি যুগৰ পৰাই বসবাস কৰি আছে।

ৰাণীপুখুৰী অঞ্চলত বসতি কৰা লোকসকল সাধাৰণতে ধৰ্মৰ ওপৰত বিশ্বাস কৰা লোক। এই লোকসকল ইছলাম, হিন্দু আৰু খৃষ্টান ধৰ্মত দীক্ষিত লোক। ইয়াৰ সৰহ সংখ্যক ইছলাম ধৰ্মালম্বী লোক। এই অঞ্চলৰ মানুহে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে পৰস্পৰে পৰস্পৰৰ সহযোগিতাত ভাতৃত্ব বোধেৰে শান্তিৰ বসতিৰ অঞ্চল হিচাপে ৰাণীপুখুৰী অঞ্চলৰ গঢ়ি তুলিবলৈ সক্ষম হ'ব পাৰিছে।

ৰাণীপুখুৰী অঞ্চলৰ মানুহে প্ৰধানকৈ কৃষি কৰ্মৰ ওপৰত নিৰ্ভৰশীল হৈ জীৱিকা অৰ্জন কৰে। ইয়াৰ কিছুমান মানুহে ৰাণীপুখুৰী অঞ্চলৰ মানুহে প্ৰধানকৈ কৃষি কৰ্মৰ ওপৰত নিৰ্ভৰশীল হৈ জীৱিকা অৰ্জন কৰে। ইয়াৰ উপৰিও নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ দোকান আদিৰ ব্যৱসায় কৰি মাছৰ ব্যৱসায়, কাঠমিস্ত্ৰি, ৰাজমিস্ত্ৰি, কাঠৰ ব্যৱসায় কৰাৰ উপৰিও নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ দোকান আদিৰ ব্যৱসায় কৰি

শান্তিপ্ৰিয় জীৱন নিৰ্বাহ কৰা দেখা যায়। এই অঞ্চলৰ যাতায়ত ব্যৱস্থা উন্নত হব ধৰিছে। চমুৱাখাট, ৰাজহাউলী গাঁৱৰ পৰা ৰাণীপুখুৰী হৈ ওদালগুৰিলৈ যোৱা পথটো পুখুৰীটোৰ পশ্চিম সীমা চুই গৈছে। ৰাণীপুখুৰীৰ পৰা মঙলদৈলৈ যোৱা পথো উন্নত হৈছে।

এই পুখুৰীটোৰ বিষয়ে বিভিন্নজনৰ পৰা বিভিন্ন মত আৰু বিভিননে কাহিনী শুনা যায়। পুখুৰীটো কেতিয়া কোনে খন্দাইছিল ইয়াৰ সঠিক তথ্য পোৱাটো বৰ কঠিন যদিও পুখুৰীটোৰ পাৰত বা পুখুৰীৰ বিভিন্ন অংশত খনন কাৰ্য্য কৰিলে ইয়াৰ পৰা মাটিৰ বাচন-বৰ্তন, সুগন্ধি ছাই সদৃশ মাটি, কল্কি আৰু ডাঙৰ ডাঙৰ ইটাৰ ভগ্নাৱশেষ পোৱা যায়। এই ভগ্নাৱশেষবোৰৰ পৰা ঠাৱৰ কৰিব পৰা যায় যে পুখুৰীটো নিশ্চয় কোনো ৰজাদিনীয়া পুখুৰী আৰু হয়তো ৰজাই তেওঁৰ ৰাণীৰ কৃতিত্ব ৰক্ষাৰ বাবে পুখুৰীটো খন্দাই ৰাণীপুখুৰী নামেৰে নামাকৰণ কৰিছিল। তাৰোপৰি অঞ্চলত প্ৰথম বসতি স্থাপন কৰা বহু পুৰণি মানুহে এই ৰাণীপুখুৰীৰ ইতিবৃত্ত সম্পৰ্কে কিছুমান গ্ৰহণযোগ্য তথ্য গধুৰ মন্তব্য আগবঢ়াই গৈছে। তেওঁলোকৰ ভিতৰত মন্দিৰ আলী আৰু হেকমত আলীৰ নাম উল্লেখ কৰিব পাৰি।

আমাৰ দেশখন ইংৰাজ শাসনৰ পৰা সম্পূৰ্ণ মুক্ত হোৱাৰ পিছতো ভাৰতবৰ্ষৰ ৰাজ্যসমূহ একে নিচিনা উন্নত নাছিল. ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ লগতে আমাৰ অসম ৰাজ্যখনৰ বিভিন্ন জিলাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত জনসাধাৰণৰ সুবিধা অনুযায়ী জনবসতিৰ ঘনত্ব বাঢ়িছিল। যিবিলাক অঞ্চল পিছপৰা, দুৰ্গম এলেকা, যাতায়তৰ ব্যৱস্থা নথকা সেইবিলাক অঞ্চলত জনবসতি পাতল আছিল। কিছুমান অঞ্চল ঘন হাবি জংঘলেৰে ভৰপূৰ আছিল। আজিৰ পৰা দুইশ বছৰমান আগতে বিভিন্ন ঠাইৰ পৰা মানুহে বসতি স্থাপন কৰাৰ বাবে কিছুমান মানুহে খেতি-বাতিৰ সুবিধা থকা ঠাই বিচাৰি ৰাণীপুখুৰী নামৰ এই অঞ্চললৈ আহিছিল। মানুহে ঘৰ-দুৱাৰ সাজিবৰ বাবে গছ-গছনি কাটি হাবি-জংঘল ছাফা কৰি থাকোতে চাৰিওফালে ডাঠ নল-খাগৰি আৰু ডাঠ পিতনিযুক্ত পৰিতক্ত এই ৰাণীপুখুৰী নামৰ পুখুৰীটো পুনৰ আৱিস্কাৰ কৰিছিল। পুখুৰীটোৰ আশে-পাশে থকা হিন্দু, মুছলমান, বড়ো, বিহাৰী আদি সম্প্ৰদায়ৰ লোকসকলে একগোট হৈ পুখুৰীৰ জংঘল ডাঠ পিতনি আদি ছাফা কৰি মাছ ধৰাৰ উপযোগী কৰি তুলিছিল। সেই সময়ছোৱাত উক্ত অঞ্চলৰ বসবাস কৰা লোকৰ জীৱিকাৰ অন্যতম উপায় আছিল পুখুৰীৰ মাছ ধৰি বিক্ৰি কৰি পোৱা ধনেৰে তেওঁলোকৰ পৰিয়াল পোহ-পাল দিয়া। সেই সময়ত এই অঞ্চলৰ মানুহে ইয়াৰ যাতায়ত ব্যৱস্থা নথকা হেতুকে খোজকাঢ়ি গৈ দূৰ-দূৰণিৰ পৰা নিত্য প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰিব লগা হৈছিল। ইয়াৰ যি সকলে খেতি কৰিছিল তেওঁলোকৰ কম কষ্টত অধিক ফচল উৎপাদন কৰিবলৈ সক্ষম হৈছিল। কাৰণ সেই সময়ত মাটিবোৰ অধিক সাৰুৱা আছিল। পৰ্য্যায়ক্ৰমে মানুহৰ চাহিদা মতে যাতায়তৰ বাবে ৰাস্তা নিৰ্মাণ কৰি যোগাযোগৰ ব্যৱস্থা উন্নত কৰিছিল।

সেই সময়ত ৰাণীপুখুৰী অঞ্চলত কোনো শিক্ষানুষ্ঠান নাছিল। ইয়াৰ ল'ৰা-ছোৱালী বিলাকে খোজ কাঢ়ি দূৰ-দূৰণিত থকা বিদ্যালয়লৈ গৈ শিক্ষা গ্ৰহণ কৰিব লগা হৈছিল। কিন্তু এই বৰ্তমান যুগত শিক্ষাৰ ক্ষেত্ৰত অলপ উন্নত হৈছে। বৰ্তমান এই অঞ্চলত যাতায়ত, শিক্ষা, কৃষি, ব্যৱসায়, চিকিৎসা আদি বিভিন্ন দিশত উন্নতি লাভ কৰা পৰিলক্ষিত হৈছে।

ৰাণীপুখুৰীৰ অৰ্থনৈতিক দিশৰ পৰা উন্নত হোৱা বুলি কব পাৰি। ৰাণীপুখুৰী অঞ্চলবাসী সৰহ সংখ্যক কৃষি কৰ্মৰ ওপৰত নিৰ্ভৰশীল। কম সংখ্যক মানুহে মাছৰ ব্যৱসায় কৰি জীৱিকা নিৰ্বাহ কৰি অৰ্থনৈতিক দিশত স্বাৱলম্বী হ'ব পাৰিছে। পুখুৰীটোৰ পশ্চিম পাৰত অৱস্থিত ৰাণীপুখুৰী দৈনিক বজাৰখনত মাছৰ ব্যৱসায় কেন্দ্ৰ কৰি বহু মানুহৰ সমাগম হোৱাত বজাৰখন উক্ত অঞ্চলবাসীৰ নিত্য প্ৰয়োজনীয় সামগ্ৰীসমূহ পোৱাৰ নিৰ্ভৰযোগ্য ব্যৱসায় প্ৰতিষ্ঠান হিচাপে গঢ়ি উঠিছে। ৰাণীপুখুৰীটোৰ পৰা উৎপাদিত পোনা মাছৰ ব্যৱসায় লাভাংশৰ ধনেৰে পুখুৰীটোৰ ভিতৰত বিভিন্ন জাতৰ পোনা মাছ উৎপাদনৰ প্ৰতি লক্ষ্য কৰি সৰু সৰু কেইবাটাও পুখুৰী খন্দা হৈছে, যিবোৰৰ পৰা সুকীয়া হিচাপে বিভিন্ন প্ৰজাতিৰ পোনা মাছ উৎপাদন কৰিবলৈ সুবিধা হয়। এইদৰে ৰাণীপুখুৰীৰ জৰিয়তে উক্ত অঞ্চলৰ অৰ্থনৈতিক দিশত যথেষ্ট প্ৰভাৱ পৰা দেখা যায়।

কলাইগাঁৱৰ উত্তৰ পূৱ প্ৰান্তৰ বৃহৎ ৰাণীপুখুৰী অঞ্চলৰ গাঁওসমূহ হৈছে ক্ৰমে ১নং ঝাৰগাঁও, ভোলাবাৰী, চেনিবাৰী, ৰাজাহাউলি, নখাট, ভুল্লিচুৱা আদি গাঁও। এই গাঁওবোৰৰ ভিতৰত ১নং ঝাৰগাঁওত বড়ো, চাওঁতাল আৰু মুছলমান সম্প্ৰদায়ৰ লোকসকলে বসবাস কৰে। ইয়াত প্ৰতি বছৰে তেওঁলোকৰ নিজৰ নিজৰ ধৰ্মীয় উৎসৱসমূহ পালন কৰে।



মুছলমানসকলে প্ৰতি বছৰে পৱিত্ৰ ঈদ্-উল-ফিটৰ আৰু ঈদোজ্জুহা উৎসৱৰ দিনা ৰাণীপুখুৰীৰ পশ্চিম পাৰত থকা ঈদ্গাহ ময়দানত সমূহীয়াভাৱে ঈদৰ নামাজ পঢ়াৰ বাবে হাজাৰ হাজাৰ ধৰ্মপ্ৰাণ মানুহৰ সমাগম ঘটে আৰু সকলোলৈ ঈদৰ শুভেচ্ছা জ্ঞাপন কৰে। হিন্দু মুছলিমৰ পূৰ্ণ সহায়-সহযোগিতাত পৰিচালনা কমিটি গঠন কৰি ঈদৰ দিনা 'ঈদমেহফিল' অনুষ্ঠানৰ আয়োজন কৰি ৰাণীপুখুৰী অঞ্চলবাসীৰ মাজত শান্তি, সম্প্ৰীতি আৰু ভাতৃত্বৰ সম্পৰ্ক গঢ়ি তোলা দেখা যায়। ইয়াৰ উপৰিও প্ৰতি আঘোন মাহৰ ১০ তাৰিখে উক্ত পুখুৰীৰ পাৰত মুছলমান লোকসকলে স্থানীয় সকলো ধৰ্মৰ মানুহৰ সহায় সহযোগিতাত বিস্তৃত কাৰ্যসূচীৰে ধৰ্মীয় অধিবেশন অনুষ্ঠিত কৰে। উক্ত অধিবেশনত পশ্চিম বংগৰ পৰা বিখ্যাত ধৰ্মীয় গুৰুসকলে আমন্ত্ৰণ ক্ৰমে আহি ধৰ্মৰ বাণী প্ৰচাৰ কৰা দেখা যায়। এনে ধৰ্মীয় অনুষ্ঠানৰ ফলত ৰাণীপুখুৰী অঞ্চলৰ বিভিন্ন ধৰ্মীয় কু-সংস্কাৰ সমূহ নাইকিয়া হোৱা দেখা যায়।

হিন্দু আৰু খৃষ্টান ধৰ্মৰ লোকসকলেও প্ৰতি বছৰে ৰাণীপুখুৰীৰ দক্ষিণ পাৰত মুছলমান সকলৰ সহযোগিতাত চ'ত মাহৰ শেষদিনা দেউল উৎসৱ পালন কৰা হয়। ইয়াত হিন্দু মুছলিমৰ পৰস্পৰ সহযোগিতাত দেউল উৎসৱ শান্তি শৃংখলা বজাই ৰাখি পালন কৰি আহিছে। এই উৎসৱৰ জৰিয়তে ৰাণীপুখুৰী অঞ্চলৰ সামাজিক, অৰ্থনৈতিক, ধৰ্মীয় দিশত বিকাশ হোৱাৰ লগতে দেউলপ্ৰেমী ৰাইজৰ চাহিদা পূৰণ কৰা দেখা যায়। এই অঞ্চলত মুছলমান, বড়ো, চাওঁতাল, বঙালী, হিন্দু আৰু বিহাৰী লোকসকলে মিলাপ্ৰীতিৰে বসবাস কৰি আছে।

ৰাণীপুখুৰী ঐতিহাসিক অস্তিত্ব, গুৰুত্ব আৰু কৃতিত্ব জনমানসত জীয়াই ৰখাৰ বাবে সচেতন ব্যক্তি, নৱপ্ৰজন্ম আৰু চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষক দৃষ্টি আকৰ্ষণ কৰা হল।

<u>সংবাদ দাতা</u> ঃ চুলতান মাহমুদ (ভোলাবাৰী, ৰাণীপুখুৰী), মঃ নুৰুল ইছলাম (১নং ঝাৰগাঁও, ৰাণীপুখুৰী), মোজাফৰ হুছেইন (১নং ঝাৰগাঁও, ৰাণীপুখুৰী), শ্ৰীবৃহস্মতি বড়ো (১নং ঝাৰগাঁও, ৰাণীপুখুৰী), চাহা আলী (ভোলাবাৰী, ৰাণীপুখুৰী)

□□□

* আজিৰ কাম কাইলৈ কৰিম বুলি পেলাই নথবা, কাইলৈ তোমাৰ অৱস্থা কি হ'ব তুমিও নাজানা।
—হজৰত মহম্মদ

* কু-সংস্কাৰ হ'ল পৃথিৱীৰ সবাতোকৈ ডাঙৰ বোজা।
—ড০ সৰ্বপল্লী ৰাধাকৃষ্ণণ

# মোৰ ভ্ৰমণ অভিজ্ঞতা

**(২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ থিতাতে লিখা (১০ মিনিট) ৰচনা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত)**

জাহাঙ্গীৰ আলম
স্নাতক দ্বিতীয় ষাণ্মাসিক

সাধাৰণতে আমি ভ্ৰমণ বুলিলে কিছুমান বিশেষ ঠাই ফুৰি-চাৰি তাৰ পৰা লাভ কৰা আনন্দ তথা অভিজ্ঞতাক বুজো। আমি আটায়ে কম-বেছি ভ্ৰমণ কৰি পাইছো, মই ভ্ৰমণ কৰা ঠাইখন হ'ল বৰ্তমানৰ শোণিতপুৰ জিলাৰ তথা প্ৰাচীন কালৰ বান ৰজাৰ নগৰ শোণিতপুৰ জিলাৰ তেজপুৰ। তেজপুৰত মই আমাৰ বিদ্যালয়ৰ পৰা বনভোজ খাবলৈ গৈছিলো। তেজপুৰত মই অগ্নিগড়, চিত্ৰলেখা আদি চাই অতীতৰ বুৰঞ্জীৰ বিষয়ে জ্ঞান লাভ কৰিছো। তেজপুৰত থকা তেজপুৰ বিশ্ববিদ্যালয়খনো চাইছো। বিশ্ববিদ্যালয়খনে উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে।

তেজপুৰত থকা ঐতিহাসিক বস্তুৰ পৰা জ্ঞান পাওঁ যে আমাৰ অসমখনে বিশ্ব ইতিহাসৰ স্বাক্ষৰ বহন কৰিছে। তেজপুৰত থকা চিকিৎসালয়খনে বহুতো মানুহৰ উপকাৰ সাধন কৰিছে আৰু মানুহক বেমাৰৰ পৰা ৰক্ষা কৰিছে।

তেজপুৰত এখন মানসিক চিকিৎসালয়ো আছে। এই চিকিৎসালয়ে বিভিন্ন মানসিক ৰোগীক শুশ্ৰূষা কৰিছে।

গতিকে আমি সকলোৱে ভ্ৰমণ কৰিব লাগে। ভ্ৰমণৰ দ্বাৰা আমাৰ ব্যৱহাৰিক জ্ঞান লাভ হয়।

□□□



(একাংকিকা নাট)

# থেঙ্ক ইউ

নছিউৰ ৰহমান
প্ৰাক্তন ছাত্ৰ

<u>চৰিত্ৰ সমূহ</u>

১) অকণ বয়স ১৮ বছৰ
২) কালীয়া বয়স ১৪ বছৰ
৩) পুৰবী বয়স ৩০ বছৰ

<u>নিৰ্দেশনাঃ</u>

সময় দুপৰীয়া। নগৰীয়া পৰিৱেশ। আৰ কাপোৰ উঠি যোৱাৰ লগে লগে কুকুৰৰ ভুক-ভুকনি শুনা যাব। মঞ্চত অকন আৰু কলীয়াৰ প্ৰৱেশ।

<u>অকণ</u>ঃ- ছেই ছেই ছেই ..........।

<u>কলীয়া</u>ঃ- ছেই ছেই ছেই.......। (কলীয়া টি টেবুলৰ তলত লুকায়)

<u>অকণ</u>ঃ- হু হু (হাঁহি) ইমান ভয় কৰিব লাগেনে? চাওঁ ওলাই আহ।

<u>কলীয়া</u>ঃ- নকবি আৰু। এবাৰ কি হৈছিল জানা? মই দীপেন আৰু হিমেশ গৰু চৰাবলৈ যাওঁতে বাটত কৰবাৰ পৰা প্ৰকাণ্ড কুকুৰ এটাই খেদি আহিল। ভয়ত আমাৰ তিনিওৰে প্ৰাণ যাওঁ যাওঁ। তেনেতে হিমেশৰ কলাফুলত দিলেই নহয় কামোৰ।

<u>অকণ</u>ঃ- তাৰ পিছত কি হ'ল?

<u>কলীয়া</u>ঃ- মই আৰু দীপেনে হালুৱা এছাৰিডালেৰে কুকুৰটোক কোবাবলৈ ধৰো। কেই কোবমান দিয়াৰ পিছত কুকুৰটোৱে তাক এৰে। সেই দিনাখন কুকুৰৰ মুখৰ পৰা আমি তিনিও ৰক্ষা পৰিলো। (হুমুনিয়াই)। কিন্তু হিমেশ আৰু বেছিদিন নেবাছিল। তেতিয়াৰে পৰা মই কুকুৰক বৰ ভয় কৰো অ'।

<u>অকণ</u>ঃ- কুকুৰে কামুৰিলে জলাতংক হোৱাৰ ভয় থাকে। পিছে উপযুক্ত চিকিৎসা পালে ভাল হয় নহয়। হিমেশ ডাক্তৰৰ ওচৰত যোৱা নাছিল নেকি?

<u>কলীয়া</u>ঃ- যোৱা নাছিল। বেজে অৱশ্যে জৰা-ফুকা কৰিছিল।

<u>অকণ</u>ঃ- ভুলটো তাতেই। ইয়াকে কয় অন্ধ বিশ্বাস। আজিৰ চিকিৎসা বিজ্ঞানৰ যুগতো হিমেশৰ দৰে বহুতেই অন্ধবিশ্বাসৰ বলি হৈ অকালতে মৃত্যুক সাৱটিবলগীয়া হৈছে। (change) পিছে মামাহঁতৰ কুকুৰটো তোৰ সেই এৰি দিয়া কুকুৰ নহয় নহয়। বান্ধি থোৱা আছে। নতুন মানুহ পালে অলপ ভুকিবই। দুদিন পিছত ঠিক হৈ যাব।

<u>কলীয়া</u>ঃ- অকণ, তোৰ মামাহঁত বৰ ধনী মানুহ দেখোন, ইমান ডাঙৰ ঘৰ।

<u>অকণ</u>ঃ- অ' আকৌ, থাকি বৰ ভাল পাবি।

<u>কলীয়া</u>ঃ- মই কিন্তু কুকুৰ ছোৱা-চিতা কৰিব নোৱাৰো দেই, কৈ দিলো।

<u>অকণ</u>ঃ- দুদিন পিছত চিনাকি হৈ যাব নহয়। তেতিয়া ছাবি একো নকৰে।

<u>কলীয়া</u>ঃ- হলেও কুকুৰক বিশ্বাসত লব নোৱাৰি। (অকনে কলীয়াক কুকুৰৰ ফালে মাতে)

<u>অকণ</u>ঃ- চাওঁ এই ফালে আহি। এইটো ল'। এতিয়া-তাক অৰ্জুন বুলি মাতে'।

<u>কলীয়া</u>ঃ- নাই নামাতো (Direction)

<u>অকণ</u>ঃ- ছাবি মই মাতিছো। অৰ্জুন আহ- (বিস্কুট দেখুৱাই, অৰ্জুন আহে)। এতিয়াই তই এবাৰ মাত

<u>কলীয়া</u>ঃ- অৰ্জুন আহ। (অৰ্জুন আহে, কলীয়াই এটি-এটিকৈ বিস্কুট দলিয়ায়।)

<u>অকণ</u>ঃ- দেখিলি, মুহূৰ্ততে তোৰ আপোন হৈ পাৰিছ। এতিয়া তোৰ কোনো ভয় নাই।

<u>কলীয়া</u>ঃ- হব, মই এইটো ঘৰত কাম কৰিম। ওৱা সেই ফালে সেইখন দেখোন গাড়ী অ'

<u>অকণ</u>ঃ- সেই খন মামাৰ গাড়ী। মামাৰ লগত গাড়ীত উঠি বজাৰত অত-ত'ত যাবও পাৰিবি।

<u>কলীয়া</u>ঃ- অকন, মই এইটো ঘৰত কি কি কাম কৰিব লাগিব?

<u>অকণ</u>ঃ- দিনত দুবাৰ বজাৰ। মামাৰ ল'ৰাজনক স্কুলত অনা-নিয়া, কুকুৰ টোক পুৱা গধুলি এপাক ঘূৰাই অনা, দানা-পানী যোগোৱা আৰু মামা-মামীহঁতৰ ইটো-সিটো কাম পূৰণ কৰা ইত্যাদি......।

কলীয়াঃ- গৰু-ছাগলী....। হাল-মৈ..... আদি।

অকণঃ- হেৰৌ অকৰা, এই খন তোৰ সেই গাওঁ নহয়। চহৰহে। গৰু চৰাবলৈ আৰু হাল বাবলৈ মাটি ক'ত পাবি?

কলীয়াঃ-ওৱা, তেনেহলে দেখোন বৰ আৰামত থাকিব পাৰিম। (মঞ্চত পূৰবীৰ প্ৰৱেশ।)

পূৰবীঃ- অকণ বৰ স্ফুৰ্তি দেখোন। কেতিয়া আহিলা? তেওঁ কোন?

অকণঃ- অলপ সময় হ'ল। এওঁ কলীয়া। সিদিনা খন মামাই মোক বন কৰা ল'ৰা এজন লাগে বুলি কোৱাত এওঁক লৈ আহিলো।

পুৰবীঃ- Thank you, very Good.বৰ ভাল কাম কৰিছা। আজি কেইদিনমান ধৰি কম শান্তি পাইছোনে? দিনে নিশাই কাম কৰি কৰি ভাগৰি পৰিছো। অকণ, তোমালোক বহা, মই অলপ চাহ কৰি আনো। (প্ৰস্থান),

কলীয়াঃ- তোৰ মামীয়েৰে যে ঠেংকু আৰু ভৰিকু বুলি কলে। মানে কি অ' অকণ।

অকণঃ- ধেৎ অকৰাটো। Thank you কি নাজানা

কলীয়াঃ- নাজানো।

অকণঃ- (হাঁহি) Thank you মানে কুকুৰ। তোক কুকুৰ বুলি কৈছে। আৰু Very good মানে তই বৰ বেয়া।

কলীয়াঃ- কি? তোৰ মামীয়ে মোক কুকুৰ বুলি কলে। ৰ, মইয়ো চাই লম।

অকণঃ- চুপ। মামীয়ে শুনিব।

কলীয়াঃ- শুনিলেও শুনক? তোৰ মামীক মই কিবা ভয় কৰিছো নেকি? মোক কুকুৰ বুলি কবলৈ তাই সাহস ক'ত পালে। মই দুখীয়া হ'ব পৰো কিন্তু কপাল পোৰা হলেওঁ পৰিমৰা নহয়। মইয়ো চই লম।

অকণঃ- তোৰ লগত নোৱাৰি আৰু। তোক মামীয়ে গালি পাৰা নাই নহয়। মইহে তোক......।

কলীয়াঃ- তই মোক। মানে......।

অকণঃ- মই তোক এনেই জোকাই চালো আৰু। মামীয়ে তোক গালি পাৰা নাই। Thank you, very good বুলি মোক ধন্যবাদ দিছে।

কলীয়াঃ- তই মোক পগলা বুলি ভাৱিছ নেকি? তহঁত শিক্ষিত মানুহবোৰে আমাৰ দৰে অশিক্ষিত মানুহবোৰক ইংৰাজীৰে গালি পাৰে। এবাৰ কবি ঠেংকু মানে কুকুৰ। ভৰি-কু মানে বেয়া। এবাৰ কবি ঠেংকু মানে ধ্যন্যবাদ আৰু ভৰি-কু মানে ভাল। সেইবোৰ মই একো নাজানো। তই মোক ঠেংকু মানে কুকুৰ বুলি কৈছে, কুকুৰেই। ভৰিকু মানে বেয়া বুলি কৈছে বেয়াই। মই কুকুৰ আৰু বৰ বেয়া ল'ৰা। তোৰ মামীয়ে মোক কিয় ঠেংকু-ভৰি-কু বুলি ক'ব। আহক ছাই লম বাপেকে।

অকণঃ- চুপ চুপ মামীয়ে বেয়া পাব।

কলীয়াঃ- তোৰ মামীয়ে শুনিলে বৰ বেয়া পাব নহয়। মোক কিন্তু ঠেংকু, ভৰিকু বুলি কওঁতে মই হ'লে বৰ ভাল পাইছিলো।

অকণঃ- আসা....। (মঞ্চত চাহৰ ট্ৰে লৈ পুৰবী প্ৰৱেশ)।

পুৰবীঃ- অকণ, কলীয়া চাহ লোৱা।

কলীয়াঃ- হেৰি আপুনি মই কিবা ইংৰাজী নাজানো বুলি ভাৱিছা নেকি? আপুনিও ঠেংকু, আপোনাৰ পৰিয়ালৰ সকলো ঠেংকু আৰু ভৰিকু।

পুৰবীঃ- (হাঁহি) Thank you. চাহ লোৱা।

কলীয়াঃ-নাখাও আপোনাৰ চাহ-তাহ। নকৰো আপোনালোকৰ বন। শুনক মই দুখীয়া হ'ব পাৰো, টকা-পইচা আমাৰ নাই। ভাত মুঠিকৰ কাৰণে লোকৰ বন কৰো। তথাপি আমিওঁ মানুহ। তেজ মঙহ আমাৰো আছে। মই আহোঁ।

অকণঃ- কলীয়া.....। ৰ'চোন.....ৰ'।

কলীয়াঃ- চুপ, তই কথা নকবি। তই মোক বহুত অপমান কৰিলি আজি কেইদিন ধৰি কি কৈ আছিলি, মনত আছেনে তোৰ।বোলে মামাহঁত বৰ ভাল নানুহ। মামীয়ে তোক বৰ মৰম কৰিব গাঁৱত থাকি ডাঙৰ হলি একো বস্তু নেদেখিলি। চহৰত বহুত ভাল ভাল বস্তু চাব পাৰিবি। চহৰৰ মানুবোৰ বৰ ভাল। আজি মই গাঁৱলে গৈ ক'ম চহৰৰ মানুবোৰ গাঁৱৰ মানুহক ঠেংকু, ভৰি-কু বুলি কয়। (প্ৰস্থান)।

পুৰবীঃ- অকণ, তুমি মামাহতঁৰ সন্মান কি নাজানা? এইখন ঘৰৰ সন্মান তুমি নষ্ট কৰিলা। কাম কৰা ল'ৰা এটা লাগে বুলি যেই-সেই ল'ৰা বিচৰা নাছিলোঁ। এই মুলুকত বহুত মানুহেই পালো। ব্যৱহাৰত সন্তুষ্ট হৈ শত্ৰুওঁ মিত্ৰ হৈ পৰে। কলীয়া কুকুৰে মঙহ পালে কামুৰিবলৈ এৰে, আৰু এওঁ.... দেখোন বলীয়া কুকুৰতকৈও ভয়ানক।

অকণঃ- নহয়.....। মানে মামী.....।

পুৰবীঃ- তুমি মোক মামী বুলি নামাতিবা। লাইপোৱা কুকুৰে ডিঙিলৈ জপিয়ায়। দেউতাৰাই মূৰৰ ঘাম মাটিত পেলাই উপাৰ্জন কৰিছে। পৰিয়ালে নিজে নাখাই তোমাক খুৱাইছে। কলেজত পঢ়াইছে। আৰু তুমি.....। মোমাৰা আঁহক।

অকণঃ- আপুনি মোৰ ক'ত কি বেয়া দেখিলে, যে মই মামী বুলি মতাৰ অধিকাৰো হেৰুৱাই পেলাইছো।

পুৰবীঃ- আগতে দেখা নাছিলো। আজি দেখিলো। যিয়ে কলীয়াৰ দৰে ল'ৰাক প্ৰফেচাৰ মামাৰ ঘৰত বন কৰা ল'ৰা হিচাপে নিয়োগ কৰিব বিচাৰে, তাৰ চৰিত্ৰৰ বিষয়ে নতুনকৈ আৰু একো জনাৰ প্ৰয়োজন নই।

অকণঃ- চাওঁক মামী, আপুনি মোক বহুত সন্দেহ কৰিছে একমাত্ৰ কলীয়াৰ কাৰণে। কলীয়াক আপুনি বেয়া বুলি ভাবিছে। কিন্তু আচলতে সি বৰ নিৰ্জু ল'ৰা। যি ইংৰাজী বুজি নাপায়। তাক আপুনি Thank you নিদি ধন্যবাদ দিয়া হ'লে হয়তো তাৰ আচল চৰিত্ৰটো- গম-পাই গলোহেঁতেন।

পুৰবীঃ- অকণ, তুমি মোক বুজাব নালাগে। আজি কালি ক'তনো ইংৰাজী নচলে? নগৰে-চহৰে, গাঁৱে-ভূঞে, পাহাৰে-ভৈয়ামে সকলোতে কম-বেছি ইংৰাজী চলে। আৰু আমাৰ অসমীয়া ভাষাৰ অধিকাংশ শব্দই ইংৰাজীৰ লগত মিহলি হৈ গৈছে। এনে ক্ষেত্ৰত Thank you. বুলি কলে কোনে বেয়া পায়।

অকণঃ- মামী ধেমালিও যে কেতিয়াবা দন্দ খৰিয়ালৰ কাল হব পাৰে জনা নাছিলো। আপুনি তাক দিয়া Thank you, very good শব্দৰ অৰ্থ 'কুকুৰ' আৰু 'বৰ বেয়া' বুলি ধেমালিতে কৈছিলো। ভবা-নাছিলো তাৰ বাবে তেওঁ ইমান জ্বলি-পাকি উঠিব পাৰে। (কান্দি) মোৰ ভুল হৈ গ'ল, আপুনি মোক ক্ষমা কৰি দিয়ক।

পুৰবীঃ- হয় নেকি?

অকণঃ- হয় মামী। আৰু মামী, কথা এষাৰ কওঁ বেয়া নাপায় যদি......।

পুৰবীঃ- কি কথা? কোৱা, একো বেয়া নাপাও।

অকণঃ- মানে আপোনালোকৰ দৰে শিক্ষিত মানুহ খিনি আমাৰ সমাজ তথা দেশৰ সম্পদ নহয় জানো। আপোনালোকে যি হাৰত নিতৌ ইংৰাজী কব ধৰিছে, ফলত অসমীয়া ভায়াৰ অভিধান ইংৰাজী ভাষাৰ শব্দই দখল কৰিবলৈ বেছি দিন নালাগিব। ফলত অসমীয়া ভাষাই নিজৰ অস্তিত্ব হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে।

পুৰবীঃ- বৰ্তমানৰ যুগ কম্পিউটাৰৰ যুগ। এই যুগত আমি অসমীয়া হৈ থাকিলে নহ'ব। আমি ভাৰতীয় হব লাগিব। হব লাগিব গোটেই বিশ্বৰ নাগৰিক। গতিকে ক্ষুদ্ৰ আঞ্চলিক ভাষা এটা লৈ আমি জীয়াই থাকিলে নচলিব।

অকণঃ- চাওক মামী এটা সময়ত ইংৰাজী ভাষাত ইংলেণ্ডৰ এটা আঞ্চলিক ভাষাই আছিল। কিন্তু ইংৰাজ সকলৰ জাতীয় চেতনা থকাৰ কাৰণে গোটেই পৃথিৱীতেই নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। হওঁকে আমিও আমাৰ মাতৃভাষা অসমীয়াৰ প্ৰভাৱ বিস্তাৰ কৰিব লাগিব। ভাষা জীয়াই থাকিলেহে অসমীয়া জাতিটো পৃথিৱীত জীয়াই থাকিব পাৰিব। আমাৰ মাজত জাতীয় চেতনাৰ অভাৱ হৈছে। যাৰ কাৰণে মাতৃ ভাষাক পাহৰি আন এটা বিদেশী ভাষাক নিজৰ কৰি লৈছো। মামী, ভূপেন হাজৰিকাই কোৱাৰ দৰে

আমি অসমীয়া, নহওঁ দুখীয়া
বুলি শান্ত্বনা লভিলেই নহব।
আজিৰ অসমীয়াই নিজক নবচালে
অসম ৰসাতলে যাব।

(হুমুনিয়াই) এদিনাখন অসম ৰসাতলে যাব, মামী ৰসাতলে যাব।

পুৰবীঃ- মই তোমাক বহুত ভুল বুজিছিলো অকণ। মাতৃ ভূমিক কাৰণে তোমাৰ দৰে যুৱকৰ বৰ প্ৰয়োজন হৈছে। তোমাক বহুত তৰ্জন গৰ্জন কৰিলো। মোক মামী বুলি মাতিবলৈ হাক দিছিলো এতিয়া মই উপলদ্ধি কৰিছো তোমাৰ দৰে অকণৰ মামী হবলৈ পাই মই নিজকে ধন্য মানিছো।

অকণঃ- আপুনি যিমান গালি পাৰিলেও মই আপোনাক মামী বুলিয়েই মাতিম। কিন্তু মামী, আপুনি মোক কথা দিয়ক, আপুনি ইংৰাজী কবলৈ এৰিবনে? মানুহক ভাষাৰে সন্তুষ্ট কৰিবলৈ অসমীয়া ভাষাত শব্দৰ অভাৱ নহয় আপোনাৰ Thank you, yery good. ধন্যবাদ সূচক ইংৰাজী শব্দই কলীয়াৰ দৰে সহস্ৰ লিখা পঢ়া নজনা নিৰ্জু অসমীয়াৰ মনত আঘাত হানিব পাৰে। সেয়ে মামী....।

পুৰবীঃ- তুমি অকণ নহয় ভাগিন। তোমাক বিপাঙত পৰা আই অসমীক উদ্ধাৰ কৰাৰ কাৰণে শংকৰদেৱক ভগৱানে পুনৰ পৃথিৱীলৈ পঠাইছে। (Direction)

তুমি দীঘায়ু হোৱা ভাগিন দীৰ্ঘায়ু হোৱা। মই তোমাক কথা দিলো, আজিৰ পৰা মই তথা পৰিয়ালৰ সকলোকে ইংৰাজী কোৱা বন্ধ কৰিম। ল'ৰাক ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ পৰা নাম কাটি অসমীয়া মাধ্যমত পঢ়াম।

□□□

# সমবেদনা

(নীল- অভিৰ স্মৃতিত)

কনকলতা শইকীয়া
সহযোগী অধ্যাপিকা, খাৰুপেটীয়া মহাবিদ্যালয়

অ'টো এখন আহি হীৰেণহঁতৰ পদুলিত ৰ'লহি। এজন ওখ, ক্ষীনকায় বয়সস্থ লোক ধীৰ খোজেৰে জপনা খুলি ভিতৰলৈ সোমাই আহিল। তেওঁ গৈ একেবাৰে চ'ৰা ঘৰৰ মজিয়াত পাৰি থোৱা পুৰণা বেতৰ চকীখনত বহিল। তেতিয়ালৈ গৃহস্থৰ ঘৰলৈ অহা মানুহৰ সমাগম কমি আহিছিল। কোনোফালে নোচোৱাকৈ চকুযোৰ মুদি তেওঁ মৃদুকণ্ঠৰে মাতিলে- হীৰেণ, হী-ৰে-ণ, মাত শুনাৰ কিছু সময়ৰ পিছত ভিতৰৰ পৰা হীৰেণ নামৰ লোকজন আহি দেখে তেওঁৰ পুৰণা বন্ধু প্ৰবীন আহিছে। অতি গহীন মাতেৰে হীৰেণে তেওঁক কেতিয়াবাই আহিছে নেকি সুধিলে। প্ৰবীনে উত্তৰ দিয়াৰ প্ৰয়োজনবোধ নকৰিলে। দুয়ো বন্ধু কিছুসময় মৌন হৈ ৰ'ল।

কলেজত পঢ়োতে প্ৰবীন আৰু হীৰেণ একেটা হোষ্টেলতে আছিল। আন ছাত্ৰৰ তুলনাত তেওঁলোকৰ আচৰণ আছিল সুকীয়া। কথা কৈ নহয় শুনি ভাল পোৱা, আনক হহুৱাবলৈ নহয় নিজে হাঁহি ভাল পোৱা, অধ্যয়ন কৰি ভাল পোৱা আৰু মন গ'লে চিত্ৰগৃহত গৈ চিনেমা চোৱা স্বভাৱৰ আছিল তেওঁলোক। এটা সময়ত পঢ়া-শুনা শেষ কৰি ছাত্ৰবোৰে হোষ্টেল এৰি নিজৰ ঘৰলৈ যায়গৈ। চাকৰী সূত্ৰে বিভিন্ন ঠাইত দিহিঙে-দিপাঙে ঘুৰি ফুৰোতে কামৰ হেঁচাত কোনেও কাৰো খবৰ নোপোৱা হ'ল।

ডিচেম্বৰ মাহ। গুৱাহাটীত বজাৰ কৰি থাকোতে এদিন হঠাৎ দুয়ো বন্ধুৰ পুনৰ মিলন হ'ল। বহু বছৰৰ মুৰত লগ পাই কথা বতৰাত ইজনে সিজনে যে গুৱাহাটীতে স্থায়ীভাৱে থাকে সেই কথা গম পালে। সেই লগ-পোৱা ধৰি দুয়োজনৰ মাজত অহা-যোৱা চলি থাকিল। প্ৰবীনে ইচ্ছাকৃত অৱসৰ লোৱা আঠ বছৰ মানেই হ'ল। হীৰেণৰ চাকৰী আৰু বেছি দিন নাই। শৰীৰৰ অসুস্থতাৰ হেতু তেওঁলোক ভালেমান দিন মিলিত হ'ব পৰা নাই। কিন্তু আজি হঠাৎ দুঃসংবাদটো পাই প্ৰবীনে অসুস্থতাকো নেওচি হীৰেণৰ ঘৰলৈ আহিল। কাৰণ প্ৰকৃতিপ্ৰেমী অঞ্জনে প্ৰকৃতিৰ কোলাৰ পৰা সুন্দৰতা বুটলিবলৈ গৈ সি আৰু ঘূৰি নাহিল। অবুজ, বৰ্ব্বৰ-পাষাণ কিছুমানে তাক আগুৰি ধৰি টাঙোনীয়াই, লঠিয়াই, হানি-খুচি বন্য জন্তুৰ দৰে হত্যা কৰিলে এইখন অসমতে। উসঃ কি অসহ্যকৰ, কি নিৰ্ম্মম! প্ৰবীনৰ অন্তৰাত্মা জিকাৰ খাই উঠিল। তেওঁ নিজকে সংযম কৰি ললে। কিছু বেলিৰ পিছত প্ৰবীনে মৌনতা ভঙ্গ কৰি কোনো পাতনি নেমেলাকৈ বন্ধুক বুজাব ধৰিলে—"চা হীৰেণ, তই আজি এটা ল'ৰা হেৰুৱালি, কিন্তু তোৰ আৰু এটা পুত্ৰ আছে। আজি তই যি পুত্ৰ শোক পাইছ, সেই পুত্ৰ শোক মই যোল্ল বছৰ আগৰে পৰা পাই আহিছো। মোৰ একমাত্ৰ পুত্ৰ এতিয়াও জীৱিত। সি ক'ত থাকে কি কৰে, মই চব জানো। কিন্তু সি এতিয়া মোৰ কাৰণে জীৱিত নে মৃত একেটাই। বৰ আশা কৰি আমি তাক বিদেশত পঢ়িবলৈ পঠিয়াইছিলো। পঢ়ি থকা দিনকেইটাত সি—সোনমইনা ঠিকে আছিল। দিনটোত যেতিয়াই সময় পাই তেতিয়াই ফোনেৰে খবৰ কৰি থাকে, আমি ভালে আছো নে নাই? দুখ কৰি আছো নেকি? খোৱা লোৱা কৰিছো নে নাই, গাঁৱৰ খুৰাকহঁতৰ কি খবৰ আৰু যে কিমান প্ৰশ্ন তাৰ! দিন বাগৰাৰ লগে লগে তাৰ পৰা আমি ফোন কমকৈ পোৱা হ'লো আৰু এদিন তাতেই চাকৰি হ'ল বুলি আমাক খবৰ দিলে। নতুন চাকৰি কিবা অসুবিধা পাব বুলিয়েই আমি ফোন কমকৈ কৰা হ'লো। তাৰ পৰা ফোন পাম পাম বুলি সদায় বাট চাই থাকো। বহুদিনৰ মূৰত খবৰ পালো সি হেনো তাৰেই মেম এজনী বিয়া কৰাই নিগাজীকৈ থাকিবলৈ লৈছে। তাকো সি আমাক জনোৱাৰ প্ৰয়োজনবোধেই নকৰিলে। চা-চোন, মাকে সেই দুখ বুকুত বান্ধিয়ে সিফলীয়া হ'ল। তোতকৈ মোৰ দুখ কম নেকি? এই বয়সত মই আজি বৰ নিঃ সঙ্গ হীৰেণ। তই দুখ কৰি নাথাকিবি।"

গীতাৰ শ্লোক এটা আওৰাই আওৰাই প্ৰবীন পদুলীৰ ফালে আগবাঢ়িল। মৌন মুক হৈ হীৰেণে কেৱল চাই থাকিল প্ৰবীন যোৱাৰফালে। গধূলিৰ সঙ্গী হেৰোৱা বগলী এজনীয়ে ডেউকা মাৰি মাৰি নীল আকাশৰ কোনোবা দিগন্তত হেৰাই গ'ল। □□□



# দায়বদ্ধতা

প্ৰণতি দত্ত
সহযোগী অধ্যাপিকা, দৰ্শন বিভাগ

বাছৰ বাবে অপেক্ষা কৰি ৰৈ আছে নীলাঞ্জনা। আশী কিলোমিটাৰ নিলগৰ পিছপৰা এলেকাৰ এখন কলেজত কাম কৰে তাই। চাকৰি আৰু ঘৰৰ টনা আজোৰাত বিব্ৰত নীলাঞ্জনাই সুদীৰ্ঘ দূৰত্বকো হাতৰ মুঠিত ৰাখিবলৈ বাধ্য হৈছে। তাই ৰৈ আছে। এখন দুখনকৈ চাৰিখনমান যাত্ৰীবাহী বাছ তাইৰ সংকেত নেওচি পাৰ হৈ গ'ল। উত্তেজনাত তাই ভিতৰি ভিতৰি অস্থিৰ হৈ পৰিল। ন বজাৰ পৰাই নীলাঞ্জনাৰ শ্ৰেণী আৰম্ভ। তাইৰ দৈনন্দিন যাত্ৰাত লগ পাই থকা চিনাকি বাছ, চিনাকি চালক, চিনাকি পৰিচালক। তথাপিও তাইৰ সংকেতক গুৰুত্বই নিদিলে। কাৰণ এটাই। পলম হোৱাৰ বাবে আৰু বাছকেইখন প্ৰতিটো ষ্টপেজত প্ৰয়োজনতকৈ বেছি সময় ৰোৱাৰ বাবে হয়তো কেতিয়াবা তাই সেই বাছকেইখনৰ পৰা নামি আহি বেলেগ বাছত গুছি গৈছিল। ইমান অহংকাৰ এই গাড়ীৰ চালক পৰিচালকবোৰৰ। এয়াতো তাইৰ কৰ্ম জীৱনৰ নিত্য নৈমিত্তিক ঘটনা।

অৱশেষত তাইৰ অপেক্ষাৰ অন্ত পৰিল। বাইদেউ উঠক বুলি এখন বাছ আহি তাইৰ ওচৰত ৰৈ গ'ল। তাই জাপ মাৰি বাছত উঠিল। দুই কিলোমিটাৰমান অহাৰ পাছতে আৰু এটা ষ্টপেজ। এক মিনিট, দুই মিনিট, পাঁচ মিনিট, দহ মিনিট........, আধা ঘণ্টা। গাড়ী নাযায় হে নাযায়। অজুহাত হ'ল গাড়ীৰ অসনৰ তুলনাত অধিক যাত্ৰী এতিয়াও হোৱা নাই। দুই এজন যাত্ৰীয়ে খঙতে গাড়ীত ঢকিয়াই ঢকিয়াই ক'বলৈ ধৰিলে, "ঐ যাব দে আৰু কিমান ৰখাৱ।" লাহে লাহে গাড়ীৰ চকা ঘূৰিবলৈ ধৰিলে। তাই দীঘলকৈ এটা উশাহ ললে। গাড়ীৰ গতি বৃদ্ধি হ'ল। চল্লিচৰ পৰা ষাঠি, ষাঠিৰ পৰা আশী, আশীৰ পৰা এশ....। তীব্ৰ গতিত গাড়ী আগবাঢ়িল। তাইৰ মনটো অলপ শান্ত হল। যাহওক সময়ৰ আগতেই তাই গৈ পাবগৈ। তাই লাহেকৈ গাড়ীৰ আসনত মূৰটো পেলাই দিলে। অৱসাদবোৰ যেন গাড়ীৰ আসনতে শেষ কৰি যাব।

"তেজপুৰ, তেজপুৰ, তেজপুৰ' শব্দকেইটাত তাইৰ অৱচেতন মনটো সজাগ হৈ পৰিল। চকু মেলি তাই দেখিলে গাড়ী আহি ৰৈছে চিৰব্যস্ত এই ষ্টপেজটোত, যত যাত্ৰীক লৈ টনা আজোৰা লাগে, গাড়ীৰ পৰিচালকবোৰৰ মাজত য'ত দাদা, খুড়া, বাইদেউ আদি সম্বোধনেৰে যাত্ৰীক ব্যতিব্যস্ত কৰি তোলে নিজৰ নিজৰ গাড়ীত উঠাবলৈ। পৰিচালকে কেইজনমান তেজপুৰৰ যাত্ৰীক আনি কম দূৰত্বৰ দুজনমান যাত্ৰীক আসনৰ পৰা উচ্ছেদ কৰি তাত বহুৱাই দিলে। নীলাঞ্জনাৰ মনটো অলপ ভালেই লাগিল। তাইৰ স্বাৰ্থ হ'ল, দুৰণিবতীয়া যাত্ৰী, গতিকে গাড়ীয়ে পলম নকৰে। অস্থিৰ মনটোক কিছু শান্ত কৰি নীলাঞ্জনা গৈ আছে। চিলমিলকৈ অহা টুপনীটোৱে তাইৰ অৱসাদ বহুখিনি আঁতৰ কৰিলে। তাই লাহেকৈ বেগৰ পৰা কিতাপখন উলিয়াই ললে। ক্লাচৰ বাবে প্ৰস্তুতি। ঘৰত সময় নাই। দুটা সন্তানৰ মাতৃ তাই। সিহঁত দুটাৰ বাবে স্কুলৰ টিফিন প্ৰস্তুত কৰি খুৱাই বুৱাই তাই ওলাই আহিব লাগে। ভাগ্য ভাল গিৰিয়েকে চাকৰি কৰে অসমৰ বাহিৰত। বন্ধ পালে নতুবা কেতিয়াবা ছুটী লৈহে ঘৰলৈ আহে। নহলেতো গিৰিয়েকৰ খোৱা-বোৱাৰ জঞ্জাল মাৰি ওলাই আহিব লগা হলে বাৰই বাজিলহেঁতেন।

নিজৰ বাবে কৰিব লগাখিনিটো থাকেই।

কিতাপখন চাই চাই তাই গৈ আছে। হঠাৎ ধুমকৈ এটা শব্দ হ'ল। চৰ্‌চৰ্‌কৈ গাড়ীৰ চকা অলপ দূৰ চুচৰি গৈ গাড়ীখন ৰৈ গ'ল। সৰ্বনাশ! কি কৰা যায় এতিয়া? গাড়ীৰ চকা ফুটিল। চালক, পৰিচালক, হেণ্ডিমেনৰ মাজত হুলস্থুল লাগিল। পৰিচালকে হেণ্ডিমেনক চিঞৰিলে, "ঐ পোৱালী, যা যা সোনকালে চকা খোল।" এজনে গাড়ীৰ ওপৰৰ পৰা অতিৰিক্ত চকাটো নমাই আনিলে। যাত্ৰীসকলৰ মাজত এটা চেঁপা উত্তেজনাৰ সৃষ্টি হ'ল। সকলোৰে বাবে সময়বোৰ বৰ মূল্যবান। কোনোৱে পৰিচালকক ভাড়া ঘূৰাই বিচাৰিলে, কোনোৱে আকৌ গাড়ীৰ চিটতে বহি থাকিল।

নীলাঞ্জনা লাহেকৈ গাড়ীৰ পৰা নামি আহিল। পাছফালৰ পৰা বেলেগ গাড়ী আহে নেকি চাবলৈ। তাই ভাড়া ঘূৰাই নিবিচাৰিলে। জানোচা গাড়ীৰ কৰ্মচাৰী অসন্তুষ্ট হৈ আনদিনা গাড়ী নৰখাই। এনেতে দেখিলে এখন বাছ আহি আছে। তাই অলপ আগুৱাই গৈ গাড়ীখন ৰখাবলৈ ইংগিত দিলে। ক্ৰেক্‌কৈ ব্ৰেক মাৰি গাড়ীখন ৰৈ গ'ল। তাই পুনৰ গাড়ীত উঠিল। দেখিলে গাড়ীৰ এটাও আসন খালী নাই। গাড়ীৰ দুশাৰী আসনৰ মাজৰ খালী ঠাইত কেইবাজনো মানুহ ঠিয় হৈ আছে। তায়ো এঠাইত ভৰিৰে খোপনি পুতি ঠিয় হৈ ৰ'ল। পৰিচালকে ভাড়া বিচাৰোতে সুধিলে, "ভাইটি বহিব নাপাম নেকি?" সি বহি থকা এজন যাত্ৰীলৈ আঙুলিয়াই কলে, "আপুনি সেই মানুহজনৰ ওচৰত যাওক। অলপ আগত নামিব।" তায়ো ঠেলি হেঁচি মানুহজনৰ ওচৰত ৰ'লগৈ। বিৰক্তিকৰ এক যাত্ৰা। কিন্তু উপায় নাই। কৰ্ম জীৱনৰ প্ৰতি থকা তাইৰ দায়বদ্ধতাই দুখ, কষ্ট, ভাগৰৰ ওচৰত তাইক হাৰ মানিব নিদিয়ে।

অৱশেষত গাড়ী গৈ নিৰ্দিষ্ট ষ্টেচনটো পোৱাৰ আগতেই মানুহজন চিটৰ পৰা উঠিল। তাই লগে লগে বহি ললে অলপ দূৰ অহাৰ পাছতেই আকৌ এক বিৰক্তি। গাড়ী প্ৰায় খালী। দুই এজনকৈ যাত্ৰী উঠি আছে। পিছৰ গাড়ীখন আহি নোপোৱালৈকে সিহঁতে গাড়ী নেৰে। তাই পুনৰ কিতাপখন উলিয়াই ললে। ছাত্ৰৰ ওচৰত তাই অপমানিত হব নোৱাৰে। তাইৰ প্ৰস্তুতি প্ৰায় শেষ হওঁ হওঁ। গাড়ী পুনৰ চলিবলৈ ধৰিলে।

তাই দীঘলকৈ উশাহ এটা লৈ বাহিৰৰ ফালে চালে। দেখিলে সহকৰ্মী ছয়নিকা দৌৰা দৌৰিকৈ গাড়ীৰ ফালে আহি আছে। কিন্তু গাড়ী ইতিমধ্যেই ভালেখিনি আগুৱাই আহিল। তাইৰ মনটো হতাশ হৈ পৰিল। ভাবিলে মহিলা কৰ্মচাৰীসকলৰ যে কি বিড়ম্বনা। এফালে ঘৰৰ কাম-কাজ, আনফালে চাকৰিৰ দায়িত্ব। সকলোখিনি মিলি কি যেন এক পৰিৱেশ। ন বাজিবলৈ আৰু পঞ্চল্লিছ মিনিট বাকী। নীলাঞ্জনাৰ মনটো অলপ মুকলি লাগিল। যা হওক সময়ৰ আগতেই তাই গৈ পাবগৈ। গাড়ী চলি আছে। লাহে লাহে মানুহ, চাইকেল, ৰিক্সা, ঠেলা, সৰু গাড়ী আদিৰো ভিৰ বাঢ়ি আহিছে। এতিয়াহে তাইৰ মনত পৰিল, আজি শনিবাৰ। গাড়ী আহি সোমাইছেহি শনিবৰীয়া সাপ্তাহিক বজাৰৰ ভিৰত। এক কিলোমিটাৰ ৰাস্তা পাৰ হওতেই প্ৰায় পোন্ধৰ মিনিট সময় লাগিল। তাই উচপিচাব ধৰিলে। আৰু অলপদূৰ অহাৰ পাছতেই তাই আসনৰ পৰা উঠি আহিল। হেণ্ডিমেনক গাড়ীখন ৰখাবলৈ ইংগিত দিলে। দুৰ্ণিবতীয়া যাত্ৰী বুলিয়েই চালকে গাড়ীখন কলেজ গেটৰ সন্মুখতে ৰখালে। ন বাজিবলৈ আৰু পোন্ধৰ মিনিট বাকী। আঠ বাজি পঞ্চাচ মিনিট যাওঁতেই পানচ্যুইং নামৰ যন্ত্ৰটোত তাইৰ প্ৰতিৰূপটো প্ৰৱেশ কৰালে। পানচ্যুইংৰ পৰ্দাত জিলিকি উঠিল ৮:৫০। তাই পুনৰ মেন্যুৱেল খাটাত চহী কৰি নিজৰ বিভাগটোৰ ফালে আগবাঢ়িল...।

□□□



# পায়ো হেৰুৱালো

মনিৰুল ইছলাম
স্নাতক প্ৰথম ষাণ্মাসিক

মোৰ নাম অংকুশ। মই যোৰহাটৰ জে.বি. কলেজত পঢ়ো। প্ৰতিবছৰৰ দৰে এইবাৰো উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে আমাৰ কলেজত নামভৰ্তি কৰিছিল। মই নতুনকৈ অহা ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰৰ শ্ৰেণীত পঢ়ি আছিলো। সেইসময়ত কলেজত নতুনকৈ অহা ছাত্ৰ-ছাত্ৰীবো ক্লাচ আৰম্ভ হৈছিল।

এনেতে মই আমাৰ কলেজত এজনী ছোৱালীক দেখা পালো। ছোৱালীজনী দেখাত বহুত ধুনীয়া আছিল। কিয় জানো বহুতৰ মাজত অকল সেই ছোৱালীজনীকেই মোৰ ভাল লাগিছিল। ছোৱালীজনীৰ নামটো কি, ক'ত থাকে মই একো জনা নাছিলো। এদিন তাইৰ লগৰ এজনে ক'লে তাইৰ নাম পাহি। নামটো শুনি বৰ ভাল লাগিছিল। কলেজৰ পৰা আহি মই পাহিৰ কথাকে ভাবিলো।

মই সেই সময়ত ভালপোৱা কি, কেনেকৈ হয়, একো জনা নাছিলো। এনেদৰে এদিন দুদিনকৈ দিনবোৰ পাৰ হবলৈ ধৰিলে আৰু ময়ো পাহিক নেদেখাকৈ থাকিব নোৱাৰা হ'লো। মই পাহিৰ ফালে চাই থাকোতে মন কৰিলো যে পাহিয়েও মোক চাব ধৰিছে।

কলেজৰ পৰা আহি মই প্ৰায়ে বন্ধুসকলৰ লগত আবেলি বাহিৰলৈ ওলাই যাওঁ, হাঁহি-ধেমালি কৰো। দুদিনমান পিছত, এদিন মই আমাৰ ঘৰৰ আগৰ ৰাস্তাত পাহিক দেখিলো আৰু তাই ইয়াত কি কৰিছে জানিবলৈ পাৰিয়ে নজনাকৈ তাইৰ পিছ ল'লো। পিছ লৈ দেখিলো যে পাহি আমাৰ ঘৰৰ ওচৰতে থকা ছোৱালী হোষ্টেলত সোমাই গ'ল। পাহিক হোষ্টেলত সোমোৱা দেখি মোৰ মনটো আনন্দতে নাচি উঠিছিল। মই নাজানো কিয় বা মোৰ মনটোৱে বাৰে বাৰে পাহিক চাবলৈ বিচাৰে। হয়তু মই মনে মনে পাহিক ভালপাই পেলাইছো। মই সিদিনা ভাবিলো অহাকালি পাহিৰ লগত চিনাকি হম বুলি আৰু মই তাৰ পৰা ঘৰলৈ উভতি আহিলো। পিছদিনা বুকুত বহুত সাহস গোটাই পাহিৰ লগত চিনাকি হবলৈ কলেজলৈ গ'লো। মই পাহিৰ বান্ধৱীক পাহিক মতা বুলি কবলৈ কলো আৰু তাই গৈ কথাটো পাহিক কলে। আমাৰ কলেজত পাহি নতুনকৈ আহিছিল কাকো ভালকৈ চিনি পোৱা নাছিল যদিও তাই ভয়ে ভয়ে মোৰ ওচৰলৈ আহিল। আৰু ক'লে— "আপুনি মোক মাতিছে নেকি?" তেতিয়া মই কলো, "অ মাতিছো, তোমাৰ নামটো কি?" পাহিয়ে কলে- "মোৰ নাম পাহি।" মই কলো, "তুমি এইবাৰ নতুনকৈ আহিছা, তোমাৰ ঘৰ ক'ত?" পাহিয়ে কলে— 'অ, মই এইবাৰ নতুনকৈ আহিছো। মোৰ ঘৰ শিৱসাগৰত। মই কলো— ঠিক আছে, এতিয়া যোৱা।

পাহিৰ নামটো মই জানো যদিও তাইৰ মুখৰপৰা শুনি কিবা ভাল লাগিছিল। সিদিনা মোৰ শ্ৰেণীকোঠাত অলপো মন বহা নাছিল, মাথো তাইৰ কথাকে মনত পৰিছিল। কলেজৰ পৰা ঘৰত আহি ভাত খাই বৰ গৰম পৰাৰ বাবে আবেলি অলপ বাহিৰলৈ ওলাই আহিছিলো। অলপ সময় পিছত হঠাৎ পাহি মোৰ চকুৰ আগত পৰিছিল। তাইক দেখি মোৰ লাজতে কি কৰো কি নকৰো লাগিছিল। এনেতে পাহিয়ে আহি মোক মাতিলে তাই ক'লে, 'অংকুশদা, আপুনি ইয়াতে থাকে নেকি?' তেতিয়া মই কলো, 'অ, মই ইয়াতে থাকো। তোমালোকৰ Hostelৰ লগতে লাগি থকা ঘৰটো আমাৰ।

পাহিয়ে ক'লে, "আপুনি পিছে আমাৰ ওচৰতে থাকে।"

মই লাজতে কলো, "তুমি ইয়াতে কি কৰিছা?"

পাহিয়ে কলে, 'বান্ধৱীসকলে মেগি খাব তাকে ল'ব আহিছো। আপুনি কিয় আহিছে?

মই কলো, 'মই ৰিচাৰ্জ ল'ব আহিছো। মোৰ পাহিৰ লগত কথা কোৱা অৱস্থাত বৰ লাজ লাগিছিল আৰু অলপ ভয়ো লাগিছিল। মই লাজে ভয়ে তাইৰ ম'বাইল নাম্বাৰটো বিচাৰিলো আৰু তাই একো নভবাকৈ মোক তাইৰ নম্বৰটো দিলে। তাৰ

পিছত পাহি Hostelলৈ গ'লগৈ আৰু ময়ো ঘৰলৈ উভতি আহিলো। পাহিয়ে নম্বৰটো দিয়াৰ পিছৰপৰাই আমি দুয়ো যেতিয়াই সময় পাইছিলো তেতিয়াই ম'বাইলত কথা পাতিছিলো। পাহিয়ে চাগে জানিছিল মই তাইক ভালপাও বুলি আৰু মই জানিছিলো পাহিয়েও মোক ভাল পাব ধৰিছে। কিন্তু আমি এজনে আনজনক প্ৰকাশ কৰা নাছিলো। এনেকৈ কেইদিনমান যোৱাৰ পাছত মই এদিন তাইক আমাৰ ঘৰলৈ লৈ আহিলো। অতি কম সময়ৰ ভিতৰতে তাই আমাৰ পৰিয়ালৰে এজন হৈ পৰিছিল। মা-দেউতাই পাহিক নিজৰ ছোৱালীৰ দৰে মৰম কৰিছিল। মই মা-দেউতাহঁতক মোৰ মনৰ কথা নোকোৱাকৈ চাগে তেওঁলোকে বুজি পাইছিল। এনেকৈ আমি এজনে আনজনক মনে মনে ভাল পাই আছিলো। কিছুদিন পিছত পূজা আহি পাইছিল আৰু তাই ঘৰত যাবলৈ ওলাইছিল। মই ভাবিলো তাই ঘৰত যোৱাৰ আগত মই যে তাইক ভাল পাও সেই কথাটো জনাম। মই পাহিক সকলো কথা কলো আৰু তাইয়ো মোক বহুত ভালপায় বুলি কলে। তাইৰ মুখৰপৰা কথাটো শুনি মই আনন্দত আত্মহাৰা হৈ পৰিছিলো। সিদিনা মোৰ বহুত ভাল লাগিছিল। পাহিয়ে ঘৰলৈ যোৱাৰ আগতে মোক কৈছিল- 'চকুৰহে আঁতৰ হৈছো মনততো সদায় থাকিম ন।' এই বুলি কৈ পাহি তাইৰ ঘৰলৈ গুচি গ'ল। প্ৰতিদিনে আমাৰ মাজত ম'বাইলত কথা হৈছিল। এদিন পাহিৰ দেউতাকে আমাৰ মাজৰ সম্পৰ্কটো জানিলে। কাৰণ পাহিয়ে তাইৰ দেউতাকক সকলোবোৰ কথা কৈ পেলালে। পাহিৰ দেউতাকে কথাটো গ'ম পাই তাইক যোৰহাটৰ পৰা শিৱসাগৰলৈ লৈ গ'ল আৰু বেলেগ এখন কলেজত পাহিক নামভৰ্তি কৰি দিলে।

আমি দুয়ো এজনে আনজনৰ পৰা দূৰত আছিলো যদিও আমাৰ ভালপোৱা কমি যোৱা নাছিল। এনেকৈ কেইদিনমান গৈছিল, হঠাৎ পাহিয়ে এদিন মোক কলে যে তুমি তোমাৰ ম'বাইল নম্বৰটো সলোৱা দেউতাই তোমাৰ নম্বৰটো জানে। সেইদিনা পাহিয়ে কোৱামতে মই এটা নতুন নম্বৰ ললো আৰু আগৰ চিম কাৰ্ডটো ভাঙি পেলালো। তাৰ পিছদিনাৰ পৰা পাহিয়ে মোলৈ ফোন কৰা নাছিল। এনেকৈ এদিন দুদিনকৈ এমাহ পাৰ হৈ গৈছিল, কিন্তু পাহিয়ে মোৰ তাত ফোন কৰা নাছিল। মই উপযাচি পাহিলৈ ফোন কৰিব নোৱাৰো কাৰণ পাহিৰ নিজৰ ম'বাইল নাছিল। তাই দেউতাকৰ ম'বাইলেৰে মোলৈ ফোন কৰিছিল। পাহিয়ে মোলৈ ফোন নকৰাত এদিন মই উপযাচি ফোন কৰিলো কিন্তু ম'বাইলটো অফ্ পালো। এনেকৈ ছয়মাহ পাৰ হ'ল পাহিৰ একো খবৰ নাপালো।

প্ৰতিদিনে পাহিৰ দেউতাৰ ম'বাইলত ফোন লগাও কিন্তু ফোন লগা নাছিল। পাহি হঠাৎ নাইকিয়া হোৱাত মোৰ জীৱনটো চাৰ-খাৰ হৈ গৈছিল। তাইৰ একো খবৰ নোপোৱাত ম'বাইলটো সকলো সময়তে কাষত ৰাখিছিলো, কিজানি পাহিয়ে ফোন কৰে, কিন্তু তাইৰ একো খবৰ নাপালো।

এনেকৈ পাঁচ বছৰ পাৰ হৈছিল, কিন্তু মোৰ অপেক্ষা শেষ হোৱা নাছিল। কিমানবাৰ যে পাহিক বিচাৰি শিৱসাগৰ গলো হিচাপ নাই। মই এইটো জনা নাছিলো যে পাহি বৰ্তমান ক'ত আছে, কেনেকৈ আছে, মোক মনত ৰাখিছে নে নাই মই একো জনা নাছিলো। মোৰ মনে বাৰে বাৰে মোক কৈছিল এদিন নহয় এদিন পাহিৰ খবৰ পাম। এনেকৈ লাহে লাহে সময়বোৰ পাৰ হৈছিল আৰু মই মাথো পাহিৰ অপেক্ষাত ৰৈ আছিলো। পাঁচ বছৰ মই কিমান কষ্টৰে পাৰ কৰিছিলো তাৰ কোনো সীমা নাই। পাহি অবিহনে মোৰ জীৱন অন্ধকাৰ হৈ পৰিছিল। লাহে লাহে মোৰ অকলশৰীয়াকে থাকি ভাল লগা হ'ল, কাৰণ পাহিৰ কথা ভাবি থাকোতে কেতিয়ানো সময়বোৰ পাৰ হৈছিল ধৰিবই নোৱাৰা হলো। মোৰ বন্ধুসকলেও এদিন এদিনকৈ সকলো আঁতৰি গ'ল। পূজাৰ বন্ধত হঠাৎ মোৰ কলেজৰ বান্ধৱী এজনীক লগ পালো। তাই মোক পাহিৰ কথা সুধিছিল আৰু মই আগত ঘটি অহা কথাবোৰ তাইক কলো। তাই হাঁহি মাৰি কলে পাহি এতিয়া গুৱাহাটীত। অলপ সময়ৰ বাবে তাইক লগ পাইছিলো। তাইৰ ম'বাইল নম্বৰটো ৰাখিছিলো। মোক বান্ধৱীজনীয়ে পাহিৰ ম'বাইল নম্বৰ দিলে, মই পাহিৰ খবৰ পাই আনন্দত তাইক সাবটি ধৰিলো। লগে লগে মই পাহিৰ তাত ফোন লগাব ধৰি ৰৈ গলো। মই ভাবিলো কেনেকৈ ফোন কৰো তাইলৈ যিয়ে এবাৰো মোৰ খবৰ নললে, কিয় খেলা কৰিলে মোৰ জীৱনক লৈ, আজি কি বুলি মই মোৰ চিনাকি দিম। এইভাবি মই পাহিলৈ ফোন নকৰিলো, ফোন নম্বৰ থাকিও মই পাহিক ফোন কৰিব পৰা নাছিলো আৰু এনেকৈয়ে আৰু এবছৰ পাৰ হ'ল।

১১ ডিচেম্বৰত পাহিৰ জন্মদিন আছিল। ভাবিলো আজি তাইলৈ এটা ফোন কৰো আৰু ছয় বছৰ পিছত মই পাহিক ফোন কৰিলো। পাহিয়ে ফোনটো উঠালে আৰু সুধিলে কোন বুলি, মই মোৰ পৰিচয় দিয়াত একো এটা শব্দ শুনা পোৱা নাছিলো আৰু অলপ সময় পিছত তাই ফোনটো কাটি দিলে। মোৰ বৰ বেয়া লাগিছিল। কিয় ফোন কৰিছিলো মই? পাহিৰ মাত এযাৰো শুনা নাপালো। সেইদিনা ৰাতি ১.৪৫ মিনিটত হঠাৎ মোৰ ম'বাইলত এটা মেচেজ আহিল। মেচেজটো খুলি চাই দেখিলো পাহিয়ে পঠাইছে। তাই লিখিছে— "অংকুশদা মই পাহি, ভালে আছে? কিয় মোৰ লগত এনেকুৱা কৰিলে অ'?"

মই আচৰিত হৈ পৰিলো, মই নিজকে প্ৰশ্ন কৰিলো যে মই কি কৰিলো। মই লগে লগে পাহিলৈ ফোন কৰিলো। কিন্তু ফোনটো কাটি দিলে। তাই পুনৰ মেচেজ দিলে— 'এতিয়া কথা পতা অৱস্থাত নাই কাইলৈ ফোন কৰিম?'

মই গোটেই ৰাতি এইটোৱে ভাবি থাকিলো যে মই কি কৰিলো। পিছদিনা ৰাতিপুৱা দহ মান বজাত পাহিয়ে মোলৈ ফোন কৰিলে আৰু তাই কপা কপা মাতেৰে কলে- 'অংকুশদা পাঁচ বছৰ মই আপোনাৰ কাৰণে বাট চালো।' মই কলো, 'কি কলা পাঁচ বছৰ মই তোমাৰ কাৰণে বাট চাইছো নে তুমি, এটা এটা মিনিত মাথোঁ তোমাৰ কথাকে ভাবিছো, তুমি ক'ত গ'লা, ক'ত আছা, তোমাৰ কোনো খবৰ পোৱা নাছিলো। তোমাৰ বন্ধু-বান্ধৱী কোনোৱে তোমাৰ খবৰ জনা নাছিল। মই তোমাক ক'ত বিচৰা নাই! মোৰ বান্ধৱী এজনীৰ পৰা তোমাৰ খবৰ পাইহে মই তোমালৈ ফোন কৰিছো। তেতিয়া পাহিয়ে মোৰ ভাঙি পেলোৱা পুৰণি চিম কাৰ্ডৰ কথা সুধিলে মই তাইক কলো যে সেইখনত কিবা হোৱাত চিমখন ভাঙি পেলাইছো। তেতিয়া পাহিয়ে কলে "মোক এবাৰটো জনাব লাগিছিল আপোনাৰ আগৰ ম'বাইল নম্বৰটো হে মোৰ মুখাস্থ আছিল আপুনি নতুন নম্বৰ দিয়াৰ লগে লগে দেউতাই খণ্ডত চিম, ম'বাইল ভাঙি পেলাইছে। সেই কাৰণে মই আপোনাক ফোন কৰিব পৰা নাছিলো আৰু দেউতাই নতুনকৈ ম'বাইল লওঁতে মই আপোনাৰ আগৰ নম্বৰত ফোন কৰিছিলো কিন্তু লগা নাছিল। নতুন নম্বৰটো মই চোৱাৰ আগতে দেউতাই চিম কাৰ্ডখন ভাঙি পেলাইছিল। মই দেউতাক বহুবাৰ বুজুৱাত দেউতাই তোমাৰ আৰু মোৰ সম্পৰ্কটো মানি লৈছিল আৰু মোক আপোনাক বিচাৰিব দিছিল। মই কিমান যে বিচাৰিছো আপোনাক, কিমান প্ৰকাৰে বিচাৰিছো তাৰ হিচাপ নাই। আপোনাৰ আগৰ নম্বৰত ফোন কৰিছিলো কিন্তু লগা নাছিল। এতিয়া অৱশেষত বাধ্য হৈ মই ৰিংচেৰামণি কৰিলো আৰু তিনি মাহ পিছত মোৰ বিয়া।

পাহিৰ বিয়াৰ কথা শুনি হাহাকাৰ লাগিছিল। মই তেতিয়া পাহিক কলো, 'তুমি কিবা এটা কৰা, মই তোমাক ইমান দিন অপেক্ষা কৰি আছিলো, কিবা এটা কৰা। তেতিয়া পাহিয়ে ক'লে, 'মোক অলপ সময় দিয়ক। মই কলো, 'ঠিক আছে'।

মই পাহিৰ লগত ফোনত কথা হোৱাৰ পিছত পাহিয়ে বিয়াত নবহে বুলি কলে। এই কথা শুনি দুয়োখন ঘৰৰ মাজত হুলস্থূল আৰম্ভ হবলৈ ধৰিলে। মোৰ আগমনে এই হুলস্থুলৰ সৃষ্টি কৰিলে। মই নিৰুপায় হৈ পৰিলো। এফালে দুয়োখন ঘৰৰ সন্মানৰ কথা আৰু আনফালে মোৰ ভালপোৱা। দুখন ঘৰৰ সন্মানতকৈ মোৰ ভালপোৱা ডাঙৰ হব নোৱাৰে। মই শেষত ঠিক কৰিলো মই পাহিৰ জীৱনৰ পৰা আঁতৰি যামগৈ বহুত দূৰ যাতে মোক কোনেও বিচাৰি নাপায়। ইমান বছৰে আঁতৰি আছিলো, আজিও আঁতৰিয়ে থাকিম। তেনেতে এদিন পাহিৰ মাকে মোলৈ ফোন কৰিলে আৰু মই আমাৰ মাজৰ সকলোবোৰ কথা পাহিৰ মাকক কৈ পেলালো আৰু কথা দিলো পাহিৰ জীৱনৰ পৰা আঁতৰি যাম। দিল্লীলৈ বুলি টিকেট কৰিলো আৰু গুচি গলো দিল্লীলৈ।

কিছুদিন পিছত পাহিৰ বিয়া হৈ গ'ল। মই জানো মই তাইক বহুত দুখ দিলো, মোৰ ওচৰত আন একো উপায় নাছিল। বহুত কষ্ট হৈছিল মোৰ আপোনজনক বেলেগ এজনৰ হাতত তুলি দিওতে। পাহি মোক মাফ কৰি দিবা বহুত দুখ দিলো তোমাক, তোমাৰ মৰমবোৰ মই ভৰিৰে গচকি পেলালো, তুমি যতেই থাকা সুখত থাকা, তোমাৰ হাঁহিৰে মোৰ পৃথিৱীখন পোহৰাই তুলিবা।

□□□

# ৰমেনৰ সংসাৰ

খন্দকাৰ দেলোৱাৰ হুছেইন
অৱসৰী কৰ্মচাৰী

ৰমেন এজন মধ্যবিত্ত পৰিয়ালৰ মানুহ। কৰ্মসূত্ৰে ৰমেন এজন চৰকাৰী কৰ্মচাৰী। ৰমেনৰ পৰিয়ালত দুটি সন্তান, মণিকা আৰু নগেন। মণিকা উচ্চতৰ মাধ্যমিক শ্ৰেণীত পঢ়ে। নগেন একেবাৰে সৰু। ৰমেনে চাকৰিৰ দৰ্মহাৰে কোনো ৰকম নিজৰ পৰিয়ালটি চলাই থাকে। ৰমেনে মাজে সময়ে ভাৱে ছোৱালীজনীক ভালকৈ পঢুৱাই ডাঙৰ-দীঘল কৰি ভাল ল'ৰা এজনৰ ওচৰত গতাই দিব পাৰিলেই জীৱনটো যেন সাৰ্থক হ'ব। ৰমেনৰ বিষয়াজনো খুব ভাল মানুহ। মাজে সময়ে পৰিয়ালৰ খবৰ লয়। ৰমেনেও তেওঁৰ বিষয়াজনৰ লগত পৰিয়ালৰ সমস্যাৰ বিষয়ে আলোচনা কৰে আৰু প্ৰয়োজন হ'লে তেওঁৰ পৰা পৰামৰ্শও গ্ৰহণ কৰে।

মণিকাই আহি কলে- দেউতা, আজি মোৰ কাৰণে ভাল কলম, বহী আদি লৈ আহিবি। তেতিয়া ৰমেনে ছোৱালীজনীক কলে- বৰ্তমান মোৰ হাতত টকা-পইচা নাই, দুই এদিন পিছত আনি দিম। তেতিয়া মণিকাই কয়, নহয় দেউতা, আজি আনি দিবই লাগিব। তেতিয়া ৰমেনে ভাবিলে ছাৰৰ পৰা কিবা অলপ টকা-পইচা লৈ তাইৰ অভাৱবোৰ পূৰণ কৰিব পাৰিম নেকি! পিচত ৰমেনে ক'লে- হ'ব বাৰু! আনিবলৈ চেষ্টা কৰিম।

নৰেণ এজন উচ্চ পদস্থ বিষয়া। নৰেনৰ ল'ৰা এজনে বি.এ.চি. পঢ়ি আছে। ল'ৰাজনে মাক-দেউতাকৰ লগত সু সম্পৰ্ক বজাই ৰাখে। নৰেণে ভাৱে মই মোৰ ল'ৰাজনক মানুহ কৰি গঢ়ি তুলিব লাগিব। সেইবাবে নৰেণে মাজে-সময়ে ল'ৰাজনৰ লগত তাৰ ভৱিষ্যত, এটি ভাল চাকৰি বা এজন সু নাগৰিক হোৱাৰ বিষয়ে আলোচনা কৰি বুজনি দিয়ে। কাৰণ নৰেনে জানে আজিৰ এই ধাম-খুমীয়া পৃথিৱীত ডেকা ল'ৰা-ছোৱালী সকলক ভাল বুজনি দি ৰাখিব লাগিব।

এদিনাখন মণিকাই তাইৰ দেউতাকক কলে, আজি আমাৰ বিদ্যালয়ত এজন নতুনকৈ ছাৰ আহিছে। তেওঁ খুবেই ভাল। তেওঁ অঙ্ক, বিজ্ঞান আদি ভালকৈ বুজাই দিয়ে। মণিকাই কলে, দেউতা মোক সেই ছাৰ জনক টিউচন লৈ দিয়ক। মই অঙ্কত ভাল নম্বৰ ৰাখিবলৈ চেষ্টা কৰিম। দেউতা! মোক সেই ছাৰ জনক আনি দিয়কচোন।

তেতিয়া দেউতাকে ভেকাহি মাৰি কৈ উঠিল, আমি দেখোন কোনো দিনেই টিউচন পঢ়া নাছিলো। সেই বুলি আমি ডাঙৰ মানুহ হোৱা নাইনে।

"নহয় অ' দেউতা, সেই ৰামো নাই, সেই অযোধ্যাও নাই।"

"অ' আই! তই ইমান ডাঙৰ কথা ক'ব পৰা হ'লি। কিন্তু মোৰ যে দৰমহা একেবাৰে কম। তহঁতৰ টিউচন পাতি দি দৰমহাৰ টকা-পইচা শেষ কৰিলে মইনো ঘৰ-সংসাৰ কেনেকৈ চলাই লৈ যাম। তেতিয়া মণিকাৰ মাকে আহি কলে ছোৱালীজনীক ভাল মানুহ কৰিবলৈ হ'লে নিশ্চয় টিউচন দিবই লাগিব।



সিহঁতৰ স্কুলত বোলে এজন নতুন শিক্ষক আহিছে; সেইজন শিক্ষক বোলে খুব ভাল। পিছে তেওঁকেই এবাৰ কৈ নেচায় কিয়? ডেকা ল'ৰা, হয়তো মাননি বিশেষ নলব। ৰমেনেও ভাবিলে হয়তো ল'ৰাজনে খুব কম মাননীত পঢুয়াব পাৰে।

কাৰ্য্যালয়ত কামৰ বিশেষ চাপ নাছিল। ৰমেন সোনকালেই কাৰ্য্যালয়লৈ আহিছিল। নৰেণো সোনকালেই আহিছিল। নৰেণে সুধিলে- ৰমেন, ছোৱালীৰ পঢ়া-শুনা কেনে চলিছে? ৰমেনে ক'লে- ছোৱালীৰ পঢ়া-শুনা ভালেই চলিছে; পিছে ছাৰ, অঙ্কৰ মাষ্টৰ পোৱা খুব টান। তাই এতিয়া অঙ্কত টিউচন ল'ব লাগে বুলি কৈ আছে।

"ঠিকেই, আজিকালি ল'ৰা-ছোৱালীক টিউচন নিদিলেই নহয়। যদি পাৰা তেন্তে টিউচনৰ ব্যৱস্থা কৰি দিয়া। এই বুলি নৰেনে ক'লে।

মণিকাই তাইৰ মাকক ক'লে- অ' মা, মোক সেই নতুন ছাৰজনক টিউচন লৈ দিয়কচোন। এইবাৰ মাকেও ভেকাহি মাৰি ক'লে- তোৰ দেউতাৰাই যদি পা-পইচা নিদিয়ে তেন্তে মই কেনেকৈ দিম। তই ছাৰজনক তোৰ দেউতাৰাই মাতা বুলি কবিছোন। যদি আহে, তেন্তে আলোচনা কৰি চাম। এইবুলি মাকে ছোৱালীজনীক সান্তনা দিলে। মণিকাই নতুন ছাৰজনক লগ ধৰি তাইৰ দেউতাকে মাতা বুলি ক'লে।

মণিকাই দৌৰি আহি কলে- দেউতা, আমাৰ ছাৰজন আহি পাইছে। অ' মা! ছাৰজনক চাহ-তাহ দিব লাগিব। ৰমেনে ছাৰজনৰ লগত আলোচনা কৰি টিউচন পঢ়োৱাৰ ব্যৱস্থা কৰি দিলে।

'মণিকাই লাজ লাজ কৰি শিক্ষকজনৰ ওচৰলৈ আহিল। শিক্ষকজনে কলে- কাইলৈৰ পৰা তোমাক পঢুৱাব আহিম। মণিকাৰ ৰূপ-লাৱণ্যই শিক্ষকজনৰ দেহত যৌৱনৰ মৃদু জোকাৰণিৰ সৃষ্টি কৰিছিল।

নৰেনেও নিজৰ ল'ৰাজনক উচ্চ ডিগ্ৰীধাৰী কৰোৱাই ভাল চাকৰি এটি দিয়াৰ কথাও ভাবি আছিল। নৰেনে ভাৱে উপযুক্ত সময়ত ল'ৰা-ছোৱালীক শিক্ষা দি কৰ্ম সংস্থাপনৰ ব্যৱস্থা কৰি সাংসাৰিক জীৱন আৰম্ভ কৰোৱাব লাগে। তেতিয়াহ'লে ল'ৰা-ছোৱালী বিলাকে অসৎ উপায় অৱলম্বনৰ পৰা দূৰত থাকে।

মণিকা আৰু শিক্ষকজনৰ মাজত পঢ়া-শুনাৰ লগে লগে যৌৱনৰ সৈতেও উজান দিব ধৰিছিল। মণিকাই পঢ়া-শুনাত খুবেই ভাল ফল দেখুৱাব ধৰিলে। শিক্ষকজনৰ ফলতেই যে মণিকাই ভাল ফল দেখুৱাব পাৰিলে, তাকো সকলোৱেই বুজি উঠিল। মণিকাৰ দেউতাকেও মাজে-মাজে ভাৱে ছোৱালীজনীক উচ্চ শিক্ষিত কৰোৱাই ভাল ল'ৰা এজনৰ ওচৰত সপিব পাৰিলেই যেন সকাহ পায়।

বিধিৰ কি বিপাক। মণিকাই লাহে লাহে শিক্ষকজনৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিল। মণিকাই ভাৱে যিহেতু শিক্ষকজন এজন উচ্চ পদস্থ বিষয়াৰ সন্তান। সেয়েহে শিক্ষকজনক চম্ভালিব পাৰিবনে? পিছ মুহূৰ্ততে ভাৱে মা-দেউতাই যালৈকেই দিয়ে মই তেওঁৰ লগতেই যাম। মণিকাই এনে ধৰণৰ নানা চিন্তা-দু:চিন্তাৰ মাজেৰে দিন পাৰ কৰিব ধৰিছিল। মণিকাই শিক্ষকজনৰ দেহ, ৰূপ-লাৱণ্যত মোহিত হৈ পৰিছিল। শিক্ষকজন যে কেতিয়া আহিছিল তাই কবই পৰা নাছিল।

মণিকা, কি হ'ল? তুমি কি ভাবিছা? হঠাৎ তাই যেন সম্বিৎ ঘূৰাই পালে। তাই আথে বেথে উঠি শিক্ষকজনক বহিব দিলে।

শিক্ষকজনেও তাইৰ মনৰ অৱস্থা বুজি পাই কলে- মণিকা! মোৰ নানা ঘাত-প্ৰতিঘাত আহিলেও মই তোমাৰ আশা প্ৰতিহত নকৰো। মই তোমাৰ আশা পূৰণ কৰিমেই। এইবুলি শিক্ষকজনে (ৰাজু) মণিকাক দুই হাতেৰে তাইৰ মূৰত হাত বুলাই কলে- তোমাৰ অবিহনে মোৰ জীৱন যেন বৃথা। তুমিয়েই মোৰ জীৱনৰ Turning point. তোমাৰ বাবেই মই আজি M.Sc. ডিগ্ৰী লব পাৰিছো। তোমাৰ অনুপ্ৰেৰণাত মোৰ জীৱন সাৰ্থক হৈছে বুলি ভাবিছো। সেয়েহে তুমি নোহোৱাকৈ মোৰ জীৱন যেন অসম্পূৰ্ণ...... মোৰ জীৱন যেন অসম্পূৰ্ণ...। এইবুলি হুকহুকাই কান্দি উঠিল। ইফালে মণিকাইও ফেঁকুৰি উঠিল.. ৰা...জু..., ৰা...জু...।

নৰেণৰ ল'ৰাজনৰ নাম ৰাজু। নৰেনেও ভাবিলে যিহেতু ল'ৰাজন উপযুক্ত হৈছেই সেয়েহে উপযুক্ত ছোৱালী চাই ল'ৰাজনক ঘৰ সংসাৰ পতোৱাই দিব লাগে।

এদিনাখন নৰেণে পৰিবাৰৰ লগত একেলগে ভাত খাবলৈ আৰম্ভ কৰিছিল। এনেতে নৰেনে পৰিবাৰক কলে- তোমাৰ ল'ৰা উপযুক্ত হৈছে এতিয়া বোৱাৰীৰ ব্যৱস্থা নকৰা কিয়? তেতিয়া মাকে (পৰিবাৰ) নৰেনক ভেকাহি মাৰি কলে- 'মই ল'ৰা বিয়া কৰোৱাম নে, আপুনি কৰোৱাব। ৰাজু লাজতে ৰঙা-ছিঙা হ'ব ধৰিছিল। কোনোমতে তাৰ পৰা ভাত খাই উঠি গুচি গৈছিল।

এইকথা শুনাৰ পাছত ৰাজুৰ চিন্তাই কুলাই পাচিয়ে

নধৰা হৈছিল। ৰাজুৱে ভাবিছিল মণিকাৰ বাহিৰে সি অন্য চিন্তাই কৰিব নোৱাৰে, সেই কথা অন্তত মাকক বুজাবই লাগিব। মাকে আহি কলে- 'বোপাই, তোৰ দেউতাৰাই তোৰ কাৰণে ছোৱালী চাব বিচাৰিছে, তোৰ ক'ৰবাত ছোৱালী চোৱা আছেনে?'

তেতিয়া ৰাজুৱে খং কৰি ক'লে- এই বিলাক কথা মোক একো নুসুধিবি। তহঁতে যি ভাল দেখ, সেয়ে কৰিবি। মাকে ৰাজুৰ কথাত ৰহস্যৰ গোন্ধ পালে। ইফালে ইকাণ-সিকাণ কৰি নৰেণে গম পালে যে এজন চকীদাৰৰ ছোৱালীহে সি পছন্দ কৰি থৈছে।

নৰেণে পৰিবাৰৰ লগত তৰ্জন গৰ্জন কৰি কব ধৰিলে- সি যদি চকীদাৰৰ ছোৱালীয়েই আনে তেন্তে তুমি কৈ দিবা- ঘৰৰ লগত আমাৰ কোনো সম্পৰ্ক ৰাখিব নোৱাৰিব। তেতিয়া ৰাজুৰ মাকে ক'লে- আপুনি কিয় তেনেকৈ কৈছে? সি যদি তাইক (মণিকাক) আনি ঘৰ-সংসাৰ কৰি জীৱন অতিবাহিত কৰিব পাৰে, তেন্তে আপোনাৰ আৰু মোৰ কি ক'ব লগীয়া আছে?

'অ' তাৰমানে তুমিও'? তেন্তে জীৱনত ইমান কষ্ট কৰি ল'ৰাজনক উপযুক্ত কৰোৱাৰ পিছৰ ফল এয়েই নে? এই ঘৰত তোমালোক থাকিবা নহ'লে মই থাকিম। এইবুলি তৰ্জন গৰ্জন কৰিব ধৰিলে।

নৰেণৰ পৰিবাৰেও ভেকাহি মাৰি ক'লে- আপুনি জানেনে? আজিৰ বস্তুবাদী সমাজ ব্যৱস্থাত মিছা মান, মিছা যশ, মিছা অভিমান আৰু অহংকাৰত আমি প্ৰত্যেকেই পাহৰি পেলাইছো যে জীৱনৰ প্ৰকৃত মাদকতা পাব পাৰি সন্তানক সুযোগ্য আৰু আদৰ্শৱান নাগৰিক হিচাপে গঢ়াতহে। এজন সুযোগ্য সন্তানে সমাজক সুৰক্ষিত কৰাই নহয়, ই সুৰক্ষিত কৰিব আপোনাৰ আৰু মোৰ বৃদ্ধকালৰ নিৰাপত্তা। যিহেতু আমাৰ সন্তান এজন উপযুক্ত সন্তান। এগৰাকী নাৰীয়েই যদি তাৰ জীৱনৰ গতি নিৰ্ণায়ক হয় তেন্তে আমি তাৰ ইচ্ছা পূৰণ কৰাত আপত্তি কি? নৰেণৰ চিন্তাৰ আকাশ মুকলি হ'ল। তৰাবো দীপাৱলী মেল, নৰেণে ৰিণিকি ৰিণিকি শুনিলে দূৰণিৰ বেণ্ড পাৰ্টিৰ মন জুৰোৱা সুৰ.....

❑❑❑

* মই সেইটোৱে উচ্চ শিক্ষা বুলি কম, যিটোৰ পৰা মানুহ বিনয়ী, পৰোপকাৰী, সেৱাভাৱাপন্ন আৰু কৰ্মপটু হ'ব পাৰে।

—মহাত্মা গান্ধী

* নিভাজ অসমীয়া ভাষাৰে কথা লিখিবা, নিভাজ অসমীয়া সাজপাৰ পিন্ধিবা, অনাহকত বিদেশীক অনুসৰণ নকৰিবা।

—লক্ষ্মীনাথ বেজবৰুৱা



# বাস্তৱ কথা

খাইৰুল হক
স্নাতক প্ৰথম ষাণ্মাসিক

আজিৰ পৰা প্ৰায় ৩০ বছৰ আগতে এটি অশিক্ষিত দুখীয়া খেতিয়কৰ পৰিয়ালত মান্নান আলীৰ জন্ম হয়। তেওঁৰ দেউতাকৰ নাম আছিল কাছেম আলী আৰু মাকৰ নাম আছিল ৰাছিদা খাতুন। মান্নান আলীৰ তিনিজনকৈ ককায়েক আছিল। মান্নান আছিল সকলোতকৈ সৰু, অতি মৰমৰ।

মান্নান সৰুৰে পৰা সহজ-সৰল আৰু হোজা প্ৰকৃতিৰ ল'ৰা আছিল। মান্নানৰ দেউতাকে ডাঙৰ লৰা কেইজনক পঢ়া শুনা কৰিবলৈ বিদ্যালয়ত নাম লগাই দিছিল। কিন্তু কোনেও পঢ়া শুনা নকৰি দেউতাকৰ লগত খেতি পথাৰত কাম কৰি সহায় কৰিছিল।

মান্নানৰ জন্মৰ পিছতেই দেউতাকে মান্নানক পঢ়াই-শুনাই এজন ভাল মানুহ হিচাপে গঢ়িব বুলি মনত বৰ আশা কৰিছিল। দেউতাকে মান্নানৰ বয়স ছয় বছৰ হওঁতেই গাঁৱৰ প্ৰাথমিক বিদ্যালয়ত নাম ভৰ্তি কৰাইছিল। মান্নান স্কুললৈ গৈছিল, কিন্তু ৰাতিপুৱা, গৰুহালক পথাৰলে লৈ গৈ খুৱাই পেট ভৰাই আনিব লাগিছিল। এনেকৈ স্কুললৈ যাওঁতে মান্নানৰ মাজে মাজে স্কুল ক্ষতি হৈছিল আৰু শিক্ষকৰ পৰা শাস্তি পাবলগীয়া হৈছিল। এদিনাখন মান্নানে কলে— "দেউতা মই আৰু ৰাতিপুৱা গৰুহাল পথাৰলৈ লৈ যাব নোৱাৰো।" ৰাতিপুৱা পথাৰলৈ গৰু লৈ গলে মোৰ স্কুল ক্ষতি হয় আৰু পিছৰদিনা শিক্ষকৰ পৰা শাস্তি পাবলগীয়া হয়। সেয়ে মই পথাৰলৈ গৰু লৈ যাব নোৱাৰো। যদি মই পথাৰলৈ গৰু লৈ যাবলগীয়া হয়, মই আৰু স্কুললৈ নাযাওঁ। কথাষাৰ শুনি দেউতাকৰ বৰ খং উঠিল আৰু ডাঙৰ ল'ৰা কেইজনক মাতি নি কলে- "মান্নানক কোনেও কাম কৰিবলৈ নকবা।" মোৰ মান্নানে পঢ়িব।

পিছদিনাৰ পৰা মান্নানে নিয়মীয়াভাৱে স্কুললৈ অহা-যোৱা আৰম্ভ কৰিলে। মান্নানৰ পৰীক্ষাৰ ফলাফল পাই দেউতাকৰ আনন্দৰ সীমা নাই। দেউতাকে প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ লগত আলোচনা কৰি মান্নানক টাউনৰ স্কুলত পঞ্চম শ্ৰেণীত নাম ভৰ্তি কৰাই দিয়ে। টাউনৰ পৰা মান্নানৰ ঘৰ আছিল আঠ কিলোমিটাৰ দূৰত। সদায় খোজকাঢ়ি স্কুললৈ যায়। এনেকৈ সপ্তম শ্ৰেণীলৈ উত্তীৰ্ণ হ'ল। মান্নানৰ দেউতাকে মনত বৰ আনন্দ পালে আৰু তাক অষ্টম শ্ৰেণীত নাম ভৰ্তি কৰাই দিলে। মান্নানে আঠ কিলোমিটাৰ ৰাস্তা খোজ কাঢ়ি স্কুললৈ অহা-যোৱা কৰি বছৰে বছৰে উত্তীৰ্ণ হৈ দশম শ্ৰেণী পালেগৈ।

মান্নান এতিয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হব লাগিব। দেউতাকৰ মনত যে কিমান আনন্দ। মান্নান এটা সময়ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বহিল। আৰু তিনি মাহ পিছত ফলাফল আহিল আৰু তেওঁ পাছ কৰিলে।

মান্নানৰ সন্মুখত এইবাৰ এটা বৃহৎ প্ৰত্যাহবানে দেখা দিলে। মান্নানৰ ঘৰৰ ওচৰে পাজৰে কিছুমান মানুহে তাৰ ভাল দেখি সহ্য কৰিব নোৱাৰিলে আৰু তেওঁলোকে মান্নানৰ ককায়েক দুজনক

বুজাব ধৰিলে যে মান্নানক কলেজত নাম ভৰ্তি কৰিবলৈ দিলে বহু টকাৰ প্ৰয়োজন হব আৰু পঢ়ি চাকৰি কৰি বহু টকা উপাৰ্জন কৰিব তাতে তোমালোকৰ কি লাভ হ'ব? যদি তোমালোকে তাক খেতিত লগাই কাম কৰোৱা তাৰ পৰা উপাৰ্জনৰ ভাগ লব পাৰিবা। ককায়েক দুজনে ঘৰত বহি কথা পাতি থাকোতে মান্নানে শুনিবলৈ পালে আৰু তেওঁলোকক একোকে নকৈ দেউতাকক কলে— "দেউতা মই গুৱাহাটীৰ কলেজত ভৰ্তি হম। মোক তাত নাম ভৰ্তি কৰাই দিয়া।

দেউতাকে টকা পইচা দি পঠিয়াই দিলে নাম ভৰ্তি কৰাৰ বাবে। মান্নানে গুৱাহাটীৰ এখন কলেজত নাম ভৰ্তি কৰিলে প্ৰথম বাৰ্ষিকত। মান্নানৰ দেউতাকে লগতে গুৱাহাটীত থকাৰ বাবে ৰুম ভাড়া লৈ দিলে আৰু টেবুল, চকীও কিনি দিলে। মান্নানে দুদিনমান পিছত বিছনা এখন লৈ গুছি গ'ল। মান্নানৰ লগত ভাড়া ঘৰটোত আৰু দুজন ল'ৰা আছিল। মান্নান কলেজলৈ আহে, যায় আৰু পঢ়া-শুনা কৰি সি থাকে। অতি কষ্টৰে পঢ়া-শুনা কৰি দ্বিতীয় বিভাগত উত্তীৰ্ণ হ'ল। দেউতাকৰ আনন্দত সীমা নাই আৰু স্নাতক প্ৰথম বাৰ্ষিকত নাম লগাই দিলে। মান্নানে অসমীয়া বিভাগক গুৰু বিভাগ হিচাপে লৈ পঢ়িবলৈ আৰম্ভ কৰিলে।

মান্নানে কলেজলৈ গৈ থাকোতে এদিনাখন লগৰবোৰে হাঁহি আছিল। সি তেতিয়া লক্ষ্য কৰিছিল যে কাপোৰজোৰ বেছি পুৰণি হোৱাৰ বাবেই সিহঁতে হয়তো হাঁহিছে। পিছত ভাৱিছিল যে ঘৰত গৈ এযোৰ কাপোৰ কিনি ল'ব। কিন্তু আকৌ ভাবিছে যে এতিয়া দেউতাকৰ হাতত পইচা আছে নে নাই! চিন্তা কৰি কৰি আহোতে এজন শিক্ষকে কলে "মান্নান তই বৰ ডাঙৰ মানুহ হলি, এযাৰ মাতো নিদিয়।" কথাখিনি কৈয়ে তেওঁ খং কৰি গুচি গ'ল। ঘৰ আহি পোৱাৰ পিছত দেউতাকে নতুন কাপোৰ কিনি দিলে আৰু নতুন কাপোৰ পিন্ধি কলেজত যোৱা আৰম্ভ কৰিলে। ৰুমত থকা ল'ৰা কেইজনৰ ঘৰৰ পৰা মাজে মাজে পিঠা, মাছ-মাংস আদি পঠিয়াইছিল। সেইবোৰ সকলোৱে ভগাই খাইছিল।

এদিনাখন মান্নান বন্ধত ঘৰলৈ আহিল। মান্নানে আকৌ মাছ মাৰি ভাল পাইছিল। সেয়ে দুপৰীয়াৰ সময়ত জাল গোটাই আছিল। ওচৰতে দেউতাক আৰু ককায়েক কেইজন বহি আছিল। এনেতে ককায়েকে মান্নানক কলে "তই পঢ়িব নালাগে, পথাৰত কাম কৰিবলৈ যা।"।

মান্নানৰ মনত বৰ দুখ লাগিল আৰু কলে— "মই কাম নকৰো, মই পঢ়িম আৰু চাকৰি কৰিম।" মান্নানৰ কথা শুনি দেউতাকে হাঁহিলে আৰু একো কথাই নকলে।

দুখ কষ্টৰ মাজেৰে মান্নানে অসমীয়া বিভাগত সন্মানসহ বি.এ. পৰীক্ষাত উত্তীৰ্ণ হ'ল। ঈশ্বৰৰ কৃপাত মাধ্যমিক বিদ্যালয়ত শিক্ষকতাৰ চাকৰিও পালে। সিদিনা মান্নানে তেজপুৰৰ মিছন চাৰিআলিৰ ষ্টেট বেংকৰ জীৱন বীমালৈ যাবলগীয়া হ'ল। দলগাঁৱৰ পৰা মিছন চাৰিআলিলৈ গৈ তাতে বাছৰ পৰা নামিল। হঠাতে সোঁফালৰ পৰা ল'ৰা এটা দৌৰি আহি এযাৰ মাত লগালে, "ছাৰ আপুনি ভালে আছেনে?" মান্নান আনন্দত উৎফুল্লিত হৈ উঠিল। সি উপলব্ধি কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰীৰ এযাৰ মাতে শিক্ষাগুৰুসকলক কিমান তৃপ্তি দিয়ে, কিমান শান্তি দিয়ে।

এনেতে মনত পৰিল সেই শিক্ষাগুৰুজনাৰ কথা "তই ডাঙৰ মানুহ হৈছ এযাৰ মাত নিদিয়"। মান্নানৰ অন্তৰত শোকে খুন্দা মাৰি ধৰিলে আৰু মনে মনে কবলৈ ধৰিলে যে এয়া মই ডাঙৰ ভুল কৰিছো তাৰ বাবে ছাৰে মোক ক্ষমা কৰিছে নে নাই। মই ভাবো শিক্ষক শিক্ষাৰ্থীসকল অতি দয়ালু। ছাত্ৰ-ছাত্ৰীসকলৰ কোনো কথা মনত নাৰাখি আমাক ক্ষমা কৰে।

❑❑❑



# অচিনাকি ল'ৰা

**নাজমা হেপতুল্লাহ**
**স্নাতক প্ৰথম ষাণ্মাসিক**

পঢ়ি আছিলো। হঠাৎ মই এদিন শীতকালি ৰাতিপুৱা চাহ-জলপান খাই বাতৰি কাকতখন বাহিৰত চিঞৰ বাখৰ শুনিবলৈ পালো। মই খিৰিকীৰে চাই বহুত অচিনাকি মানুহ দেখা পাই আচৰিত হৈছিলো। মই মানুহবোৰৰ ওচৰত উপস্থিত হৈ ৮/৯ বছৰীয়া ল'ৰা এজনক কান্দি থকা দেখা পালো। ল'ৰাজনে মোক বচাওঁক, বচাওঁক বুলি চিঞৰিছিল। অচিনাকি মানুহবিলাকক মই সুধি জানিব পাৰিছিলো যে ল'ৰাজন চোৰ। কিন্তু ল'ৰাজনৰ কৰুণ বিননি শুনি মই দুখ অনুভৱ কৰিলো। তাৰোপৰি মই বিশ্বাস কৰিব পৰা নাছিলো, ইমান সৰু ল'ৰাজন চোৰ হ'ব পাৰে বুলি। সেয়েহে মই বলেৰে ল'ৰাজনক মানুহবোৰৰ কবলৰ পৰা এৰাই আনিছিলো। ল'ৰাজনক মোৰ ভতিজাজনৰ লগত ৰাখি ভৱিষ্যতে ভাল মানুহ হোৱাৰ প্ৰস্তুতি চলাইছিলো। তাৰ কথা-বতৰাৰ পৰা গম পালো যে সি আচলতে চোৰ নহয়। সিদিনাখন সি হেনো আবেলি খেলিবলৈ গৈ ঘূৰি আহোতে দুষ্ট প্ৰকৃতিৰ ল'ৰা কেইজনমানে তাক ধেমালিতে ধৰি আনি চোৰ সজাইছিল। ঘৰৰ পৰা বহুত দূৰলৈ অনাৰ বাবে সি নিজৰ ঘৰখন চিনি পোৱা অসম্ভৱ হৈ পৰিছিল। এনে এটা অৱস্থাত ল'ৰাজনক আমাৰ ঘৰতেই থকাৰ ব্যৱস্থা কৰি দিলো।

এনেকৈ বহুদিন পাৰ হৈ গ'ল। প্ৰায় ১২ বছৰমান পিছত তাক লগত লৈ ভ্ৰমণত ওলাই গ'লো। কেইবাদিনো ফুৰি চাকি ঘৰলৈ উভতি অহাৰ সময়ত আমি যিটো ৰাস্তাৰে আহিছিলো সেইটো ৰাস্তাৰ কাষত এখন গাঁও আছিল। তাৰ গাঁওখন দেখি চিনাকি চিনাকি লাগিছিল। গাঁওখনৰ বিশেষ কোনো পৰিৱৰ্তন হোৱা নাছিল। হঠাৎ এটা ঘৰত চকু পৰাৰ লগে লগে সি অনুভৱ কৰিলে যে সেইখন তাৰেই মৰমৰ ঘৰখন। ঘৰখন চিনি পোৱাৰ লগে লগে সি ঘৰখনলৈ দৌৰি গ'ল।

সেই সময়ত তাৰ মাক-বাপেক চোতালত আছিল। সি দৌৰি গৈ মাক-বাপেকক সাৱটি ধৰি কান্দিবলৈ ধৰিলে। অলপ পিছতেই সি মোৰ ওচৰলৈ ঘূৰি আহি মোক জনালে যে সেইখনেই তাৰ ঘৰ। শুনি মই খুব আনন্দিত হৈছিলো. তাৰ পিছত সি মোক তাৰ ঘৰলৈ লৈ গৈছিল। মাক-বাপেকে তেওঁলোকৰ হেৰুওৱা ল'ৰা ঘূৰাই পাই আনন্দত চকুলো টুকিছিল আৰু নেদেখাজনৰ ওচৰত কৃতজ্ঞতা জনাইছিল। তাত মই দুদিন থাকি ল'ৰাজনক আশীৰ্বাদ দি বিদায় লৈ ঘৰলৈ উভতি আহিছিলো। ল'ৰাজনক মাক-বাপেকৰ ওচৰত এৰি আহি মোৰ মনটো যিমান আনন্দ লাগিছিল সিমানে গধুৰো অনুভৱ কৰিছিলো। সেয়া মোৰ জীৱনত চিৰদিনৰ বাবে স্মৰণীয় হৈ থাকিল।

❑❑❑

# তেতেলীবোৰৰ আমেজেই বেলেগ আছিল

আৰিফা চুলতানা ইয়াছমিন
স্নাতক ষষ্ঠ ষাণ্মাসিক

আজি শনিবাৰ। কলেজলৈ যোৱাৰ মন নাছিল যদিও হঠাৎ মনত পৰিল আজি কলেজ লাইব্ৰেৰীত মোৰ কিতাপবোৰ ঘূৰাই দিয়াৰ দিন। সেয়ে ইচ্ছা নথকা স্বত্বেও সাজু হব ধৰিলো। লাইব্ৰেৰীত কিতাপ জমা কৰিয়ে গুচি আহিম বুলি ভাবি ইউনিফৰ্ম নিপিন্ধিলো। ৰেডি (সাজু) হৈ থাকোতেই তেওঁ মোক ক'লে, "মই আজি ফ্ৰী আছো। গতিকে তোমাক কলেজত থৈ আহো ব'লা। তেওঁৰ কথা শুনি মনে মনে ভালে পালো। পিছে খৰধৰকৈ সাজু হৈ তেওঁৰ লগতে যাবলৈ ওলালো। তেওঁ আগে আগে ওলাই গেটৰ ওচৰতে ৰৈ আছিল। মই লৰালৰিকৈ ওলাই গলো। বাহিৰত ওলাই দেখিলো আমি দুয়োজনে একে ৰঙৰ কাপোৰ পিন্ধিছো। ঠিক যেনিবা দুটা কেঁচা তেতেলী। তাৰ চাৰ্ট আৰু মোৰ চুৰিদাৰৰ ৰং একেবাৰে কেঁচা তেতেলীৰ ৰঙৰ লগত মিলি গৈছে। সেউজীয়া মোৰ প্ৰিয় ৰং। ভাবিলো বাটতে বা মহাবিদ্যালয়ৰ চৌহদতে কোনোবা বন্ধু-বান্ধৱে নেদেখিলেই হয়। নহ'লে ক'ব তহঁতহালে ইউনিফৰ্ম পিন্ধি আহিছ, ভালে লাগিছে বুলি জোকাব। এইবোৰ ভাবিয়ে মনে মনে হাঁহিলো। পিছে তেতেলীৰ কথা মনলৈ আহোতেই মোৰ তেতেলী খাবলৈ মন গ'ল।

এইবোৰ ভাবি থাকোতেই কেতিয়া কলেজলৈ আহি পালো ক'বই নোৱাৰিলো। পিছে তেওঁ কলেজৰ গেটৰ সন্মুখত মোক নমাই দি বাই বাই দি গুচি গ'ল। কিতাপবোৰ ওভতাই নতুন দুখনমান উপন্যাস গ্ৰন্থ ইছ্যু কৰাবলৈ মই লাইব্ৰেৰীলৈ খোজ দিলো। কিন্তু ইউনিফৰ্ম পিন্ধি যোৱা নাছিলো বাবে কিতাপ ইছ্যু কৰিব নোৱাৰিলো। সেয়ে বিমুখ হৈ মই ঘৰলৈ বুলি খোজ দিলো ভিতৰুৱা ৰাস্তাৰে। ভিতৰুৱা ৰাস্তাৰে গ'লে সোনকালে ঘৰ পাম বুলি ভাবিয়ে খোজ কাঢ়ি যাব ধৰিলো। গৈ থাকোতে মাজ ৰাস্তাত দেখিলো কেঁচা-পকা তেতেলী কেইটামান পৰি আছে। বাটেৰে অহা-যোৱা কৰা মানুহৰ ভৰিৰ গচকত তেতেলীবোৰ চেপেটা লাগিছে। গছজোপাৰ ঠাল ঠেঙুলিৰে ৰাস্তাটোৰ এছোৱা ছাঁ কৰি থৈছে। মই সেই ছাঁ পৰা ঠাইডোখৰত ভৰি দিওঁতেই গছজোপাৰ ওপৰত এটা গুণ গুণনি শুনিলো। এনেই শনিবাৰ, তাতে আকৌ ভৰ দুপৰীয়া আৰু মই অকলে ৰাস্তাৰে গৈ আছো। কোনোবা ভূত-প্ৰেত তেতেলীৰ গছৰ ডালত বহি থকা নাইতো? তেতেলী গছত ভূত থাকে বুলি বহুত মানুহৰ পৰা শুনিছো। এইবোৰ ভাবি মোৰ বুকুখন কপি উঠিল। ভয়ে ভয়ে ওপৰলৈ কৌতুহলেৰে চালো দুটা ন-দহ বছৰীয়া ল'ৰা। দুয়োটাই পকা পকা তেতেলীবোৰ চিঙি পলিঠিনৰ বেগত ভৰাইছে। তাকে দেখি মোৰ জিভাৰ পানী পৰো পৰো অৱস্থা।

ল'ৰা দুটাক কলো- 'অ ভাইটি, মোক পকা-কেঁচা কেইটামান তেতেলী দিবানে? মই টকা দিম।' বয়সত ডাঙৰটোৱে সৰুটোক ক'লে- দি দে আমি আকৌ পাৰি লম নহয়। সৰুটোৰ মুঠেই দিবলৈ মন নাথাকিলেও ডাঙৰটোৰ কথামতে মুখেৰে তেতেলীৰে পৰিপূৰ্ণ পলিঠিনৰ বেগটো কামুৰি লাহে লাহে গছৰ তললৈ নামি আহিল। তাৰ হাতৰ পৰা তেতেলীৰে ভৰা পলিঠিনটো ল'ব খোজোতেই সি কলে মোক পলিঠিনটো লাগিব নহয়। তাৰ কথা শুনি পলিঠিনটো তাক দি মই তেতেলীখিনি মোৰ বেগত ভৰালো। তাৰপিছত দহ টকা এটা দিলো আৰু থেংক ইউ (ধন্যবাদ) বুলি কৈ তাৰপৰা গুচি আহিব ধৰোতেই সেই সৰু ল'ৰাটোৱে ডাঙৰটোক চিঞৰি চিঞৰি কৈ থকা শুনা পালো। 'ঐ বাইদেউজনীয়ে মোক দহ টকা দিলে আৰু থেংক ইউ বুলি কলে।'

তাৰ শিশু মনটোৰ আনন্দখিনি মোৰ বৰ ভাল লাগিব। দহ টকাৰে এটোপোলা তেতেলী আৰু সৰু সৰু ল'ৰা এটাৰ অকৃত্ৰিম উল্লাস অকণমান আৰ্জন কৰিব পাৰিলো। সেয়ে মোৰ মনটো আনন্দত উপচি উঠিল। সঁচাকৈয়ে তেতেলীবোৰৰ আমেজেই বেলেগ আছিল। ❑❑❑



# প্ৰেম আৰু কিছু অনুভৱ

আবিজল হক
স্নাতক ষষ্ঠ ষাণ্মাসিক

এবছৰ আগৰ কথা। কলেজৰ শ্বহীদ বেদীৰ ওচৰত গছৰ তলত বহি কিবা এখন বাহিৰা কিতাপ পঢ়ি আছিলো। মই ৰিডিং ৰূমত কোনো দিনেই কোৰ্চৰ কিতাপ পঢ়া নাছিলো। সৰুৰে পৰাই মোৰ বাহিৰা কিতাপৰ প্ৰতি আগ্ৰহ বেছি। কবিতা, গল্প, উপন্যাস, প্ৰবন্ধ ইত্যাদি। লিখা মেলাও কৰোঁ। মই লিখিবলৈ ভাল পাঁও, পঢ়িবলৈ ভাল পাঁও। সেইবাবেই মই সদাই সময় উলিয়াই কিতাপ এখন মেলি লওঁ। ঘৰতেই হওঁক বা কলেজতেই হওঁক। একেদৰে সেইদিনাও দুটামান পৃষ্ঠা পঢ়াৰ পিছতে কোনোবাই পিছফালৰপৰা মাতদিলে "Excuse me" আপোনাৰ লগত চিনাকি হ'বলৈ পাৰিমনে? কাৰণ আপোনাক চিনাকি চিনাকি লাগিছে আৰু আপোনাৰ গল্পটো পঢ়ি বহুত ভাল লাগিছে। অ মোৰ নামটো আপোনাক কোৱাই নাই নহয়? মোৰ নাম জানকী স্নাতক প্ৰথম বাৰ্ষিকত অসমীয়াত মেজৰ লৈ নাম ভৰ্তি কৰিলো। এইবাৰ জানকীৰ কথা শুনি মই থৰ হৈ ৰ'লো কিছু সময়ৰ বাবে....। বাৰু তোমাৰ লগত চিনাকি হৈ মোৰো বহুত ভাল লাগিল। সেইদিনাৰ পৰাই মোৰ আৰু জানকীৰ মাজত বন্ধুত্ব গঢ়ি উঠিল। দিনবোৰ আগবাঢ়ে, কলেজত অহা যোৱাৰ সময়ত জানকীক প্ৰায়েই লগ পাঁও। কিয় দিনবোৰ বাগৰাৰ লগে লগে গহীন হৈ পৰিছে! তাইৰ এই পৰিবৰ্তনে মোৰ অন্তৰত কোনো দিনে নুফুলা এপাহ ফুল ফুলাই দিলে। হয়তো সেই ফুল পাহৰ নামেই প্ৰেম, ভালপোৱা। দুটি আখৰেৰে গঠিত এটি মিঠা শব্দ 'প্ৰেম'। প্ৰেম নামৰ এই মধুৰ শব্দটিত যেন নিহিত হৈ আছে, পৃথিবীৰ সমস্ত সৌন্দৰ্যৰ ভাণ্ডাৰ। যিয়ে অযুত স্বপ্নৰে ভৰপুৰ মিঠা মিঠা অনুভৱৰ সৃষ্টি কৰে। এয়াই প্ৰেম ভাল পোৱা। মই এদিন জানকীক কৈছিলো— তোমাৰ অচিনাকি সাহিত্যিকজন একেবাৰে ভিতৰলৈ সোমায় গলো জানকী। এতিয়া মই আৰু অস্বীকাৰ কৰিব নোৱাৰো। মই তোমাক খুব ভাল পাঁও। ক্ষন্তেক সময় মনে মনে থাকি তাই মোক কৈছিল, আপোনাক প্ৰথম লগ পাওঁতে ময়ো তেনে কথা ভৰা নাছিলো। কিন্তু আজি মোৰ অস্বীকাৰ কৰিবৰ ক্ষমতা নাই। আপোনাৰ গল্প-কবিতাই মোক আপোনাৰ ওচৰলৈ লৈ গৈ আছে। কথাটো শুনি মই আনন্দিত হলো, মনে মনে ভাবিলো জানকী আৰু মোৰ মিলন জানো সম্ভৱ হ'ব? আমি জানো উচ্চ নীচৰ প্ৰভেদৰ প্ৰাচীৰখন ভাঙিব পাৰিম? প্ৰেম শব্দটিয়েই কিজানি মানব সমাজৰ একমাত্ৰ প্ৰেৰণা, যাৰ অভাবত মানুহে হাহাকাৰ কৰি ফুৰে আৰু জীৱনটো হৈ পৰে অৰ্থহীন, সীমাহীন, আৰু অন্ধকাৰাছন্ন। প্ৰেম এনে এটি সুমধুৰ শব্দ য'ত বিশ্বাস হেৰুৱালে প্ৰেমৰ তাৰতম্য ঘটে। প্ৰেমে মানুহৰ জীৱনত সুখ দিয়ে, দুখ দিয়ে। যাক অমৰ বুলি কব পাৰি। জানকীৰ লগত থকা মুহূৰ্তবোৰ মই পাহৰিব পৰা নাই, বিশেষকৈ পাৰ্কৰ সেই দোলাখনত বহি কোৱা কথাবোৰ। মনত আছেনে তুমি মোক কৈছিলা যে তুমি মোক যিমানে কষ্ট নিদিয়া কিয় মই তোমাক আপোন কৰি লম। তুমি মোক যিমানে দুখ নিদিয়া কিয় মই সেই দুখকে সুখ কৰি লম। আৰু কেতিয়াবা তুমি যদি মোক পাহৰি যোৱা মই তোমাক গোটেই জীৱন নিৰবে ভাল পাই যাম। সময় বাগৰিল। জানকীয়েও মোৰ হৃদয়ৰ পৰা নিৰবে ওলাই নতুনৰ বাট বুলিলে। কিছুমান ছোৱালী একোদাল বিষাক্ত সাপ, যিয়ে দংক্ষিবহে জানে। সঁচা প্ৰেম কৰিলে দুখ কষ্ট বেদনাৰে জীৱনটো কটাব লগীয়া হয় বুলি জানিলো। মনতে ভাবিলো— "জানকী মানুহৰ জীৱনক লৈ খেলা নকৰিবা।" ভালপোৱাটো পুতলা খেলৰ নিচিনা বুলি কেতিয়াও নাভাবিবা, কেতিয়াও নাভাবিবা, বুজিবলৈ চেষ্টা কৰিবা আৰু দুখ কষ্ট বেদনাৰে ভৰা মোৰ হৃদয়ৰ পৰা তথাপিও তোমাক আশীৰ্বাদ কৰো, তুমি যাতে সুখী হোৱা।

"জীৱন হাৰিয়ে যায় মৃত্যুৰ কাছে, সুখ হাৰিয়ে যায় দুখেৰ কাছে, আৰু ভালবাসা হাৰিয়ে যায় অভিনয়েৰ কাছে।" মোৰ এই প্ৰেমৰ কথাবোৰ ভাবি থাকোতেই কেতিয়া টোপনি গ'লো গমেই নাপালো। সপোন দেখিলো কোনোবাই কাণে কাণে কৈ গ'ল—ৰিডিং ৰুমত দেখো তোমাক বহুদিন দেখাই নাই? কি হ'ল, গল্প, কবিতা লিখা এৰি দিলা নেকি? আকৌ সাৰ পালো এটা নতুন দিনৰ ঠিকনাত। ❑❑❑

# বন্ধুত্ব

ছফিকুল ইছলাম
প্ৰাক্তন ছাত্ৰ

ৰমেন আৰু পল্লবী দুয়োজন ছাত্ৰ-ছাত্ৰীয়ে বন্ধু-বান্ধৱী। দুয়োজনৰ আচাৰ ব্যৱহাৰ স্বভাৱ-চৰিত্ৰ ভাল। সিহঁতে সমাজৰ মাজত থকা গন্যমান্য ব্যক্তি সকলৰ উপদেশ মানি চলে। কিন্তু ৰমেন হ'ল ধনী ঘৰৰ ল'ৰা আৰু পল্লবী হ'ল দুখীয়া ঘৰৰ ছোৱালী।

পল্লৱীৰ দেউতাকৰ নাম আছিল হৰিচন্দ্ৰ ডেকা। আৰু ৰমেনৰ দেউতাকাৰ নাম আছিল ৰামেশ্বৰ। ৰমেন আৰু পল্লবী দুয়ো জনেই অষ্টম মান শ্ৰেণীত পঢ়ে। কিন্তু পল্লবীৰ দেউতাক হৰিচন্দ্ৰই পল্লবীৰ পঢ়াৰ খৰচ ঠিক মতে যোগান ধৰিব নোৱাৰে। পঢ়াৰ খৰচ দিব নোৱাৰাৰ কাৰণে পল্লবীয়ে একেৰাহে দুই দিন স্কুলত যোৱা নাই।

এনেতে এদিন হঠাতে ৰমেন আবেলিৰ সময়ত পল্লবীৰ ঘৰলৈ আহিল আৰু বাহিৰৰ পৰাই মাত লগালে অ' পল্লবী অ' পল্লবী বুলি।

পল্লবীয়ে ভিতৰৰ পৰাই কলে— "কোন ঐ ৰমেন দা নেকি?"

ৰমেনে কলে, হয় পল্লবী, মই ৰমেন। তুমিযে দুইদিন হ'ল স্কুললৈ যোৱাই নাই তাৰ কাৰণ কি?

পল্লবীয়ে ৰমেনক ঘৰৰ ভিতৰলৈ আহিবলৈ কলে। তেতিয়া ৰমেনে লাহেকৈ ভিতৰলৈ সোমাই আহিল আৰু তেওঁক বহিবৰ কাৰণে মুঢ়াটো দিলে আৰু কলে ৰমেনদা তোমালোকৰ দৰে আমাৰ ঘৰত চকী-মেজ নাই মুঢ়াটোতে বহা।

ঠিক আছে, ইমান দুখ লগা কথা মানুহক কব নালাগে। তোমাৰ বাৰু অসুবিধা কি? স্কুললৈ নোযোৱা যে?

ৰমেন দা কি কৰিম উপায় নাই। এতিয়া সচাঁ কথাটো তোমাক কবই লাগিব।

ৰমেনে পল্লবীক ক'লে তোমাৰ সচাঁ কথাটো বাৰু কি? পল্লবীয়ে কলে শুনা ৰমেন দা, ৰাতিপুৱা মা-দেউতা দুয়োজন মানুহেই হাজিৰা কামলৈ গুচি যায়। ঘৰত থকা সৰু ভাই-ভানী দুয়োজনকে ময়েই চাব লাগে আৰু ঘৰৰ কামখিনিও ময়েই কৰিব লাগে।

পল্লবীয়ে ক'লে এইখিনি অসুবিধাৰ মাজত মই বাৰু কেনেকৈ স্কুললৈ যাম আৰু দেউতাই হাজিৰা কাম কৰি যি কেইটা উপাৰ্জন কৰে সেইখিনিৰে ঘৰৰ খোৱা বোৱাৰ খৰচ খিনিয়েই নহয়। ইয়াৰ মাজতে এসাজ খাওঁ দুসাজ লঘোঁনে থাকো। তাৰ মাজতে দেউতাই পঢ়াৰ খৰচ কৰ পৰা দিব? এতিয়া শুনিছানে ৰমেনদা? এয়ে আছিল মোৰ জীৱনৰ দুখৰ কাহিনী।

ৰমেনে পল্লবীক কলে ঠিক আছে বাৰু, মই তোমাৰ দেউতাৰাক বুজাম আৰু কম যে আপুনি লাগিলে আগতকৈ আৰু কষ্ট কৰক, যাতে পল্লবীয়ে অলপ পঢ়া-শুনা কৰিব পাৰে। হ'ৱনে পল্লবী? এইদৰে মই তোমাৰ দেউতাৰাক এবাৰ অনুৰোধ কৰিম।

ঠিক আছে ৰমেন দা, তুমি এদিন সন্ধিয়াৰ সময়ত মোৰ-ঘৰলৈ আহি দেউতাৰ লগত কথা পাতিবা।

এদিনাখন সন্ধিয়াৰ সময়ত ৰমেন পল্লবীৰ ঘৰলৈ আহিল আৰু পল্লবীৰ দেউতাকক কলে, "খুড়াদেওঁ ভাল নে? হৰিচন্দ্ৰই ক'লে— হয় বোপা ভাল বেয়া দুয়োটাৰ মাজতে জীয়াই আছো। ৰমেনে হৰিচন্দ্ৰক ক'লে পল্লবী দেখোন স্কুললৈ নাযায়। হৰিচন্দ্ৰই ক'লে "নকৰা বোপা, পঢ়াৰ খৰচ দিব নোৱাৰো, সেইকাৰণেই তাই স্কুললৈ নাযায়। নহয় খুড়াদেওঁ আপুনি লাগিলে আৰু দুগুণে কষ্ট কৰক। যাতে পল্লবীয়ে অলপ পঢ়া শুনা কৰিব পাৰে তাই পঢ়াটো ভাল। ৰমেনৰ কথাত হৰিচন্দ্ৰ মান্তি হ'ল আৰু পিছদিনাৰ পৰাই পল্লবীয়ে স্কুললৈ যোৱা আৰম্ভ কৰিলে। পল্লবীয়ে আগন্তুক দিনৰ কাৰণে নিজকে প্ৰস্তুত কৰিলে। তাই দৃঢ় প্ৰতিজ্ঞ হ'ল যে তাই কষ্টৰ মাজেৰে হ'লেও ভালদৰে পঢ়া-শুনা কৰিবই লাগিব, নহ'লে যে তাইৰ সন্তানেও এদিন এনেকৈয়ে...।

❑❑❑



# তিনিজনী পখিলা

আফৰোজা ইয়াচমিন চেহেনাজ বেগম
স্নাতক তৃতীয় ষাণ্মাসিক

হয়, মানুহৰ জীৱনত যে কেতিয়াবা পৰিৱৰ্তন আহে কোনেও নজনাকৈয়ে। সেই পৰিৱৰ্তনে যেন জীৱনৰ গতিয়ে সলাই দিয়ে। কেতিয়াবা নিশ্চয়তা কেতিয়াবা অনিশ্চয়তা। ফুলনিখনৰ সেই তিনিজনী পখিলাৰ কথাকেই ক'বলৈ গৈছো। তিনিও গৰাকী ভাল বান্ধবী আছিল। তিনিও গৰাকীৰ নাম আছিল ৰুবি,ৰুমি আৰু মাহী । তিনিও গৰাকী ইমান ভাল বান্ধৱী আছিল যে কোনেও সিহঁতক বেলেগ কৰিব পৰা নাছিল। হঠাৎ ক'ৰবাৰ পৰা এটা নতুন পখিলা সেই ফুলনিখনলৈ আহিছিল। পখিলাটোৰ নাম আছিল ৰাম। ৰামে ফুলনিত আহি যেতিয়া ৰুবিক প্ৰথম লগ পাইছিল তেতিয়াৰে পৰা ৰুবিক ভাল পাইছিল। কিন্তু ৰুমি আৰু মাহী থকা বাবে ৰামে ৰুবিক ভাল পোৱাৰ কথা প্ৰকাশ কৰিব পৰা নাছিল। মনে মনে তাইক ভাল পায়ে গৈছিল। ৰামৰ ভাল পোৱা বহুদিন হৈ গ'ল কিন্তু ৰুবিক নিজৰ কৰি ল'ব পৰা নাছিল। এদিন হঠাৎ ৰাম সেইখন ফুলনিৰ পৰা আঁতৰি গৈছিল। ৰাম গুচি যোৱাৰ কিছুদিন পিছত এদিন মাহীয়ে ক'লে ৰুবিয়ে ছাগে ৰামক ভাল পাইছিলা? ৰুমিয়ে তেতিয়া উত্তৰ দিছিল যে নহয়, ৰুবিয়ে ৰামক ভাল পোৱা নাছিল। তেতিয়া আকৌ মাহীয়ে কৈছিল সেইদিনা মই ৰামৰ কথা কোৱাত ৰুবি অলপ আবেগিক হৈছিল। তেতিয়া ৰুমিয়ে মাহীৰ মন বুজিবৰ বাবে কৈছিল, পাইছিল কিজানি মই নাজানো, তুমি তাইক সুধিবাচোন সচাঁই তাই ভাল পাইছিল নে? ৰুমিয়ে মাহীৰ মন বুজিবৰ কাৰণে ৰুবিক সুধিব কৈছিল। কিছু দিন পিছত ৰুবি আৰু ৰুমিয়ে অনুভৱ কৰিছিল যে মাহীৰ মনোভাৱ বেলেগ হৈছে। তেতিয়া ৰুবি আৰু ৰুমিয়ে মাহীক কি হৈছে, কিয় হৈছে, জানিবৰ বাবে আগ্ৰহী হৈছিল। কিছুদিন যোৱাৰ পিছত সিহঁতে গম পাইছিল যে কৰবাৰ পৰা কেইজন মান পখিলা আহি মাহীৰ লগত হাত মিলাইছিল ৰুবিৰ সুন্দৰ জীৱন নষ্ট কৰিবৰ কাৰণে। কিন্তু ৰুবিৰ লগত ৰুমি থকাৰ বাবে সিহঁতে একো কৰিব পৰা নাছিল। শেষত সেই পখিলা কেইজনে মাহীক কৈছিল যে তুমি ৰুবিৰ জীৱন নষ্ট কৰাৰ বাবে চেষ্টা কৰি থাকা চাবা এদিন তুমি সফল হ'বা আৰু ৰুবি বিফল হ'ব। মাহীয়ে সিহঁতৰ কথামতে কাম কৰিয়ে আছিল। কিন্ত সেই পখিলা কেইজন মাহীৰ পৰা যে আতঁৰি গৈছিল সেই কথা মাহীয়ে গ'ম পোৱা নাছিল। সিহঁত গুচি গৈ নিজৰ নিজৰ সুন্দৰ জীৱন গঢ়াত ব্যস্ত হৈছিল। কিন্তু মাহী সেই কেইজন পখিলাৰ কথা মতে নিজৰ সুন্দৰ জীৱনৰ কথা চিন্তা নকৰি ৰুবিৰ সুন্দৰ জীৱন নষ্ট কৰাত লাগি আছিল। এনে দৰে দহ দিন পাৰ হৈ গ'ল কিন্তু মাহীয়ে ৰুবিৰ একো ক্ষতি কৰিব পৰা নাছিল। ৰুবি আৰু ৰুমি দুয়ো নিজৰ নতুন জীৱনৰ ফালে আগুৱাই গৈছিল। কিন্তু মাহীয়ে নিজৰ জীৱনৰ কথা চিন্তা নকৰি বেলেগৰ জীৱন নষ্ট কৰাত লাগি আছিল। এনেদৰে কিছু দিন যোৱাৰ পিছত মাহী নিজৰ জীৱনৰ ফালে ঘুৰি আহিছিল আৰু আহি দেখিছিল যে তাইৰ জীৱনৰ পথ অন্ধকাৰ। কিয়নো যিখিনি সময়ত জীৱন পথত আগুৱাই যাব লাগে সেইখিনি সময়ত মাহী বেলেগৰ জীৱন নষ্ট কৰাৰ কাৰণে ব্যস্ত হৈ পৰিছিল। শেষত অলপ ভুলৰ কাৰণে মাহীয়ে নিজেই নিজৰ ক্ষতি সাধন কৰিলে। সেইফালে ৰুবি আৰু ৰুমি দুয়োৱে নিজৰ নিজৰ সুন্দৰ জীৱন উপভোগত ব্যস্ত হৈ পৰিল।

❑❑❑



# এক অবুজ প্ৰেম

আৰিফুল হক
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

প্ৰেম মানে কি? এই প্ৰশ্নটোৱে এটা সময়ত মোৰ মনত বৰ বেমেজালিৰ সৃষ্টি কৰিছিল মই যেতিয়া নিম্ন শ্ৰেণীত পঢ়িছিলো।

সময় বাগৰাৰ লগে লগে মোৰো ইচ্ছা গৈছিল কাৰোবাৰ প্ৰেমত পৰিবলৈ। কিন্তু কি কৰিম? কোনো ছোৱালীক প্ৰেমৰ প্ৰস্তাৱ দিবৰ কাৰণে সাহস গোটাব পৰা নাছিলো। এদিনাখনৰ কথা। তেতিয়া মই দশম শ্ৰেণীৰ ছাত্ৰ। গণিতৰ Tuition ৰ কাৰণে সহপাঠী এজনৰ লগত ওচৰৰে হাইস্কুল এখনলৈ গ'লো। যদিও মোৰ যোৱাৰ ইচ্ছা নাছিল তথাপি লগৰীয়াৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰিলো। আমি অলপ সোনকালে যোৱাৰ কাৰণে কিছু সময় ৰ'বলগীয়া হ'ল।

সেইদিনা আছিল দেওবাৰ। ছাৰো সময়মতে আহি পালে। ছাৰে আমাক কিবাকিবি সুধি থাকোতেই এজনী ছোৱালীৰ এযাৰ কোমল মাত শুনিবলৈ পালো— "May I come in sir?"

ছাৰে কলে— "Yes come in"

তেতিয়া ছাৰে আৰম্ভ কৰিলে চিনাকি পৰ্ব। চিনাকিৰ পৰা জানিব পাৰিলো তাইৰ নাম চন্দ্ৰমা। তাইৰ ঘৰ খাৰুপেটীয়া কলেজৰ সমীপতেই।

হয় এইটো সচাঁযে মই তাইক প্ৰথম দেখাতে ভালপাই পেলাইছো। তাইৰ কোমল মিঠা মাত, সুন্দৰ চেহেৰা চঞ্চল হাঁহি ইত্যাদি ইত্যাদি। এঘন্টা হোৱাৰ লগে লগে ছাৰে ক'লে— "তোমলোকে এতিয়া যাব পাৰা। ছাৰৰ কথা মতে আমি সকলোৱে বাহিৰলৈ আহিলোঁ। বাহিৰলৈ আহি মই লগৰীয়াৰ সংগ এৰি তাইৰ ওচৰত গৈ সুধিলো— "Excuse me"? তাই কলে "Yes how can I help you" মই জনা সত্বেও তাইৰ নাম সুধিলো, "What is your name?" তেতিয়া তাই উত্তৰত কলে, "চন্দ্ৰমা" মই কলো "Thank you" তাই কলে "তোমাৰ নাম?" মই কলো জিতুল। এইখিনি কথা শেষ কৰি ঘৰলৈ আহিলো। ৰাতি খাই বৈ উঠি বিচনাত পৰিলো। কিন্তু মোৰ টোপনি নাহিল।

সেই ছোৱালীজনীৰ মিচিকীয়া হাঁহিটোৱে মোক বৰকৈ আমনি কৰিছিল সেইদিনা ৰাতি। পিছদিনা Tuitionলৈ গৈ তাইৰ ওচৰত থিয় হৈ মই কলো "If you don't mind, I want to say you something"? তাই কলে "Yes" মই কলো, I love you". এক মিনিট মনে মনে থাকি তাই কলে "I love you too" মই কিবা কোৱাৰ আগতে তাই কলে "আচলতে মই তোমাক প্ৰথম দেখাতে ভাল পাই পেলাইছো। "মই ক'লো" সঁচাইনে?" তাই কলে সচাঁ। মই ক'লো ছাৰ আহি পালেহিয়েই তোমাৰ মোবাইল নাম্বাৰটো দিবা নেকি?" তাই ক'লে— "মোৰতো মোৱাইল নাই, দেউতাৰহে আছে।" মই ক'লো "ঠিক আছে দিয়া। আমি দুয়ো নম্বৰ Change কৰিলো। মই ঘৰলৈ অহাৰ লগে লগে এটা unknown নম্বৰৰ পৰা miss call আহিল। মই call back কৰিলো। তাই ৰিচিভ কৰিয়েই কলে, How are you মই ক'লো "I am fine thank you."

প্ৰায় আমি এঘন্টা ধৰি ফোনত বাৰ্তালাপ কৰিলো। এদিন Tuitionত তাই মোক ক'লে মোকতো পাহৰি নোযোৱা কেতিয়াও?"

মই কলো ধেৎ পাগলী, মই তোমাৰ কাৰণে গোটেই পৃথিৱীখনক পাহৰিব পাৰো কিন্তু তোমাক কেতিয়াও নাপাহৰোঁ।"

এনেদৰে এমাহ ধৰি আমাৰ প্ৰেমৰ নৈ বৈ থাকিল। টিউচনো শেষ হ'ল, লাহে লাহে তাই মোক contact নকৰা হ'ল।

মই তাইৰ friend এজনীৰ পৰা জানিব পাৰিলো যে তাই হেনো বেলেগ ল'ৰা এজনক ভাল পায়। মই শুনাৰ লগে লগে আতংকিত হৈ গ'লো।

তাইৰ চিন্তাত মই অনাই-বনাই ঘূৰিব ধৰিলো। ইপিনে হাইস্কুল শিক্ষান্ত পৰীক্ষালৈ এমাহ মানহে বাকী।

মই এদিন তাইক ৰাস্তাত লগ পাই সুধিলো "কি হ'ল তোমাৰ? ক'ত গ'ল সেই প্ৰতিশ্ৰুতি, সেই প্ৰতিজ্ঞা?"

এনেতে তাই কলে, I really love you. মই কলো "কি ক'লা?" তাই কলে "I love you" মই অলপ সময় মনে মনে থাকি ক'লো "মই যেতিয়া প্ৰেমক ভাল পাইছিলো, তেতিয়া তোমাক ভাল পাইছিলো। এতিয়া মই প্ৰেমকে ভাল নাপাওঁ গতিকে তোমাক কেনেকৈ ভাল পাম? "I am sorry, I am really sorry" এইখিনি কৈ মই গুচি আহিলোঁ।

❑❑❑

* জীৱনক সত্য আৰু সুন্দৰময় কৰাই মানৰ আত্মাৰ চৰম উদ্দেশ্য।
—নীলমণি ফুকন

*ৰস ৰচনা*

# ৰং চ'ৰা

খন্দকাৰ ৰাহিমা মূৰ্শেদী
অংশকালীন প্ৰবক্তা, ভূগোল বিভাগ

'হে'ৰা শুনিছানে নাই? ক'ত আছা? বোলো শুনিছানে নাই?
এহ কি? বোলো নকয় কিয়? ইমান চিঞৰ বাখৰ কিয় লগাইছে!
এই শুনা, শুনা! মই তোমাৰ কাৰণে কি আনিছো চোৱা হি চোৱানা!
চাওঁ, চাওঁ!
ৰ'বা! ৰবা! ময়েই তোমাক দেখুৱাম নহয়।
অ..তুল! অ..তুল! এই ফালে আহচোন! চা-হি মই আজি ইমান ভাল বস্তু আনিলো। তোৰ কাৰণে, তোৰ মায়েৰাৰ কাৰণে।
কিনো, চাওঁ, চাওঁ।
এহ, আজি যেন আপুনি একেবাৰে শৰাইঘাটৰ ৰণহে জয় কৰি আহিছে। এই নকয় কিয়? এতিয়া দুই বাজি গ'ল, ভাত ৰান্ধিবৰ সময় হ'ল। এহ নকয় কিয়?
ৰ'বা! ৰ'বা! মই তোমাক কম নহয়।
গনেশগুৰিৰ ওচৰত এখন ডাঙৰ কাপোৰৰ দোকান আছে নহয়?
এহ আপুনি যে আৰু? সেই গনেশগুৰিত যে Bomb ফুটিছিল। বিজয়া বাইদেউৰে যে মৰাশ লৈ আন্দোলন কৰিছিল। আই ঐ দেহি, কিযে বিভৎস দৃশ্য আছিল সেইবোৰ?
হয়, হয়।
এহ, আপুনি যে আৰু? যদি আকৌ কিবা হ'লহেঁতেন?
এহ সদায় আৰু Bomb ফুটিব নে?
এহ পিছে কিনো আনিলে?
ৰ'বা! ৰ'বা!
অতুল, অ..তুল চা....এয়া কি?
মানে ২৫ টকা দি এখন শাৰী আনিলোঁ।
অ' আই, পিছে বেছিকৈ নানিলে কিয়?
এহ নকবা আৰু? মাত্ৰ ৩০ টকাহে লৈ গনেশগুৰিলৈ গৈছিলো। তাৰে গাড়ী ভাড়া পাঁচ টকা ৰাখি এখন শাৰী আনিলো।
অ' অ' এনে ৰঙৰ শাৰী এখন আগতেও পিন্ধিছিলো। পিচে এয়া দেখোন মোৰ আগৰ শাৰীখনহে।
এয়া তুমি কি কৈছা? এয়া হ'বই নোৱাৰে। এয়া হ'বই নোৱাৰে।
ৰ'ব! এয়া চাওঁক আঁচলৰ ওচৰত কটা আছিল। ওৱা দেখোন মোৰ পুৰণি শাৰীখনেই।
অ' আ! ঘৰৰ পৰা যে পুৰণি শাৰীবোৰ কিনি লৈ যায়, সেয়া দোকানীৰ হে!
এহ বৰকৈ ঠগিলে। পিছে তোমাক বৰকৈ ঠগিলে।
ছে? ছেঃ মোক বৰকৈ ঠগিলে, মোক বৰকৈ ঠগিলে।

□□□



# অপ্ৰকাশিত প্ৰেম

মইনুল হক
স্নাতক দ্বিতীয় ষাণ্মাসিক

মানুহৰ জীৱনটো ধুমুহাৰ দৰে। কেতিয়াবা সুখ চাৰিওঁফালৰ পৰা আহে আৰু কেতিয়াবা এই সুখেই ব্যক্তি এজনৰ জীৱনটো অন্ধকাৰ কৰি দিয়ে। সকলোৰে জীৱনত বিচৰা বস্তুটো নোপোৱাৰ বেদনাত অন্তৰ হাহাকাৰেৰে ভৰি পৰে। প্ৰেমে কেতিয়াবা জীৱনত ধুমুহাৰ সৃষ্টি কৰে কেতিয়াবা মহামিলনৰ বৰ ঘৰো সাজে। প্ৰেমত মাদকতা আছে, শিহৰণ আছে লগতে বিচ্ছেদৰ দাবানলো আছে। প্ৰেমেই আনে জীৱনৰ পৰিবৰ্তন। প্ৰেমেই আনে অমানিশাৰ অন্ধকাৰ। তথাপি প্ৰেম অমৰ।

এজন ল'ৰাই এজনী ছোৱালীক প্ৰথম কলেজত দেখা পাই তাৰ মনটো যেন কাঢ়ি ল'লে। তাইক বাদে আন কাৰোবাক যেন ঠাই দিব নোৱাৰে। এনেকৈ কিছুদিন যোৱাৰ পিছত ল'ৰাজনে ছোৱালীজনীক প্ৰস্তাৱ দিলে কিন্তু ছোৱালীজনীয়ে কিছুসময় মনে মনে থাকি ক'লে মই এই মুহূৰ্তত একো ক'ব নোৱাৰিম। এনেকৈ কিছুদিন গৈ থাকিল। হঠাৎ আৰু এদিন তাইক সোধা হ'ল, তেতিয়া তাই ক'লে ভালকৈ পঢ়া-শুনা কৰা মোতকৈয়ো ধুনীয়া এজনী ছোৱালী পাবা। কিন্তু ছোৱালীজনীয়ে মুখেৰে কোনো দিনাও কোৱা নাছিল যে মই তোমাকে ভাল পাওঁ বুলি আৰু বাৰে বাৰে ছোৱালীজনীয়ে ল'ৰাজনক ভাল নাপাওঁ বুলিয়েই কৈছিল কিন্তু ল'ৰাজনে চেষ্টা এৰা নাছিল। সদায়ে তাইলৈ পাৰ্যমানে ফোন কৰি বিৰক্ত কৰাত এদিনাখন খঙত ছোৱালীজনীয়ে ল'ৰাজনক এজন ভাল বন্ধু বনাই ল'লে। এনেকৈ কিছুদিন যোৱাৰ পিছত ছোৱালীজনীৰ ঘৰলৈ ল'ৰাজন গ'ল আৰু সেইদিনা দুয়ো দুয়োজনৰ ভাল বন্ধু হৈ পৰিল। পিছত ল'ৰাজনে ছোৱালী জনীক সদায় ৰাতিপুৱা, ৰাতি, গধূলি good morning, good night আৰু good evening এনেদৰে সময়ে সময়ে তাইক message কৰিবলৈ ধৰিলে কিন্তু ছোৱালীজনীয়ে সদায় ল'ৰাজনক Ignor কৰিয়ে গ'ল। এনেদৰে বহুত দিন হৈ গ'ল কিন্তু লাহে-লাহে ছোৱালীজনীয়ে তাৰ ফোন Received কৰিব ধৰিলে, Reply দিব ধৰিলে। এনেদৰেই সিহঁত বেছি ভাল বন্ধু হৈ পৰিল। আকৌ ল'ৰাজনে compamy ত job কৰি আছিল। এনেতে হঠাৎ এদিন তেওঁৰ মনৰ কথা সকলোবোৰ খোলা-খুলিকৈ কৈ দিলে আৰু ইয়াৰ লগত এইটোও ক'লে যে মই তোমাক মনৰ পৰা ভাল পাওঁ কিন্তু ছোৱালীজনীক যেতিয়াই ভালপোৱাৰ কথা কোৱা হয় তেতিয়াই ছোৱালীজনীয়ে তাৰ কথা শুনি চুপ হৈ থাকে আৰু ইয়াৰ বিপৰীতে বেলেগ বেলেগ কথা পাতে। এনেদৰেই বহুত দিন গ'ল আকৌ এবাৰ তেওঁৰ মনৰ কথা প্ৰকাশ কৰিলে সেইদিনাওঁ তেওঁৰ কথা শুনি ক'লে যে মই তোমাক মাথো like হে কৰো। তোমাক কেতিয়াওঁ ভালপোৱাৰ কথা ভৰা নাই মই। যদি কেতিয়াবা তোমাক ভাল পোৱাৰ ওপৰত মোৰ প্ৰেম জাগৃত হয় অথবা তোমাৰ আৰম্ভণিৰ কথাবোৰ মোৰ মনত পৰে, তোমাক যদি কোনোবা দিনা miss কৰো তেন্তে জনাম দিয়া। এনেকৈ প্ৰায় তিনি-চাৰি মাহ হৈ গ'ল তাৰ কোনো ধৰণৰ call,

message অহা নাছিল ছোৱালীজনীৰ তালৈ।

বাইদেউ, ভন্টি, দাদাসকল যাচি দিয়া বস্তু ঘুৰাই নিদিবা, ঘুৰাই দিলে আজীৱন চকুলো টুকিবা। এনেকৈয়ে ছোৱালীজনীৰ ল'ৰাজনৰ কথা মনত পৰিব ধৰিলে, তাৰ প্ৰতি থকা সকলোধৰণৰ ভাল পোৱাৰ চিন্তা ভাৱনাই তাইক আমনি কৰিব ধৰিলে আৰু তাৰ এটা message, এটা ফোনৰ কাৰণে অপেক্ষা কৰিব ধৰিলে কিন্তু ছোৱালীজনীয়ে তাৰ কোনো খবৰ নাপালে, তেওঁৰ ফোন ছুইচ অ'ফ। তেওঁৰ বন্ধুবৰ্গৰ পৰাও কোনো খবৰ নাপালে। ছোৱালীজনীয়ে তাক বিচাৰি নোপোৱাৰ বেদনাত পাগলীৰ দৰে হৈ পৰিল। অস্থিৰভাৱে তাই ল'ৰাজনক বিচাৰিবলৈ ধৰিলে। তেওঁ নহালৈকে যেন শান্তি নাই। ল'ৰাজনে তাইক মন প্ৰাণ দিয়েই ভাল পাইছিল তাইৰ দোষতহে আজি এনেকুৱা দৃশ্য চাবলগীয়া হৈছে। তেওঁৰ এই কেইদিন অনুপস্থিত যেন তাইৰ উশাহ নিশাহ বন্ধ হৈ আহিব খোজে। ল'ৰাজনৰ কথা মনত পৰাৰ লগে লগে তাইৰ যেন চিঞৰি-চিঞৰি কান্দিবৰ মন যায়। ইমান ভাল ল'ৰাজনক এনেকুৱাকৈ সদায়ে কষ্ট দিয়াটো যেন তাইৰ ভাল হোৱা নাই। তেওঁতো তাইৰ পৰা কোনো ধন-সম্পত্তি বিচৰা নাছিল? কেৱল তাইৰ পৰা উৎসাহ প্ৰেৰণাৰে নিজকে আগুৱাই লৈ যাবলৈ আৰু চিৰদিনৰ কাৰণে এজনী ভাল সঙ্গী হিচাপে ৰাখিব বিচাৰিছিল। তেতিয়াহ'লে তাৰ দোষ ক'ত?

ছোৱালী মানেই এখন নতুন ঘৰত যাবই লাগিব তাক কোনেও খণ্ডন কৰিব নোৱাৰে। তেতিয়াহ'লে আজি সেই ল'ৰাজন ক'ত? তাই যেন তাক এক মুহূৰ্তৰ কাৰণে পাহৰিব নোৱাৰে। তাই মাথো মনে প্ৰাণে ল'ৰাজনক ভাল পাব ধৰিলে। তাই এইবাৰ মনে মনে থিৰাং কৰি ল'লে যে তাক যিকোনো বিনিময়ত বিচাৰি উলিয়াবই আৰু ইয়াৰ লগতে এইটোও থিৰাং কৰি ললে যে এইবাৰ যদি তাৰ message বা phone আহে এক মুহূৰ্তৰ কাৰণেও নাভাবি তৎক্ষনাৎ 'মই ভাল পাওঁ' বুলি কৈ দিম আৰু মৃত্যুৰ আগমুহূৰ্তলৈকে তেওঁৰ লগতে থাকিম। কিন্তু ছোৱালীজনীয়ে পিছত তেওঁক পাবৰ কাৰণে বহুত চেষ্টাই চলাইছিল যেনে phoneৰ জৰিয়তে messageৰ জৰিয়তে বন্ধু-বান্ধৱৰ জৰিয়তে। অৱশেষত তেওঁক নোপোৱাৰ ফলত তেওঁৰ এটা phone বা messgeৰ কাৰণে বৈ থাকিল। এনেদৰেই তেওঁৰ প্ৰতি ভালপোৱাৰ মৰ্য্যদা ৰাখিবৰ বাবে অনবৰতেই ভাবি থাকিতেই এদিনাখন অসময় বাহিৰৰ পৰা এটা phone অহা দেখি তাই বুজি পালে যে এই ফোন নিশ্চয় তাৰেই ফোন। phone টো Received কৰি কথা নকওঁতেই সিফালৰ ফোনৰ পৰা এটা ল'ৰাৰ কণ্ঠ শুনা পালে আৰু তাইক সুধিলে আপুনি বাৰু মাৰিয়া নেকি? মই মনিৰৰ বন্ধু এজনে কৈছো মনিৰৰ মুখৰ পৰা আপোনাৰ কথা বহুতেই শুনিবলৈ পাইছো। সি আপোনাক নিজতকৈয়ো বেছি ভাল পাইছিল কিন্তু এতিয়া আৰু এইবোৰ কৈ কি লাভ আপুনিতো তাক এদিনো বুজিবলৈ চেষ্টা ক'ৰা নাছিল। মনিৰে আজিকালি উচ্চ শিক্ষিত হৈ এখন ডাঙৰ মহাবিদ্যালয়ত শিক্ষকতা কৰি আছে আৰু শিক্ষকতাৰ দিশত লগৰী এগৰাকীৰ লগত যুগ্ম জীৱন আৰম্ভ কৰিব লৈছে।

এইখিনি কথা শুনাৰ পিছত ল'ৰাজনৰ প্ৰতি নিজৰ ভালপোৱাৰ মৰ্যদা ৰাখিবৰ কাৰণে ল'ৰাজনতকৈয়ো উচ্চ ডিগ্ৰী লাভ কৰিব বুলি প্ৰতীজ্ঞা কৰিলে।

□□□



# ঢেঁকীয়া ফুলীয়া সপোন তাইৰ

শেখ ফৰিদ
স্নাতক পঞ্চম ষাণ্মাসিক

মিঠা হাঁহিৰ চানেকিৰে কি কি যে নোবোলে তাই। আঁহক দাদা, আহক বাইদেউ, আইঁকছোন খুড়া, আমাৰপৰা লওঁক।

এইয়া ইয়াৰপৰাই বাছি লওঁক মনপছন্দ মতে, ছিঙি আনিছো হে মাত্ৰ লচপতীয়া হৈয়েই আছে। কাক কি বুলি যে নামাতে আৰু মাতেৰে ঢুকি পোৱালে দুৰৰ-ওচৰৰ সকলোকে খালি চিঞৰি চিঞৰি টেটু ফালি আমন্ত্ৰণ জনায়।

কিনোতাজন ওচৰ চাপি আহিলে তাইৰ বৰ ভাল লাগে, মুৰ দোৱায় সম্ভাষণ জনায় আৰু বেছ কিছু ফুৰ্তিৰে কয় কোনটো দিম, গোটেইবোৰেই একদম সতেজ মাল। লৈ যাওঁক লৈ যাওঁক।

"বেলি বিলা দিয়া আকাশ মুকাল।
আপোন পাহৰি থকিম উমলি।
আমাৰো প্ৰাণত হেপাহে দোলে।
পোহৰেৰে হাঁহি বলে"

এনেদৰে বেচা-কিনা হয় তাইৰ তকৌপাতৰ চালিৰ তলত মৰাপটীয়া দুই তিনিখন সী-লোৱা মাটিয়াৰ ভীন বস্তাৰ ওপৰত। ধানখেৰৰ জুমুঠিৰে সাঁজি উলিওঁৱা গপচ গদগদীয়া গাদীত তাই বহে।

এফালৰপৰা ক্ৰমে সজাই যায় আগবেলাতে ছিঙি অনা মুঠি মুঠি ঢেকীয়া, আঁঠিয়াকলৰ পচলা, কলফুল, বাঁহৰ গাজ, ক'লা কচুৰ কোমল পাতেৰে সতে থোৰ, ভেদাইলতা, নৰসিংহৰ পাত, কাজিনেমু, ঔটেঙা, কনবিলাহী, চাঙত হোৱা টিপচি টিপচি ৰঙালাউ, বন ধনিয়া, ৰাবাৰ টেঙা ইত্যাদি ইত্যাদি।

আছুতীয়াকৈ থয় ধন ভৰালী মামৰে ধৰা পুৰণা টিঙৰ বাকচটো। এইটো তাইৰ স্কুলীয়া দিনৰে বাপেকীয়া সম্পত্তি। পৰীক্ষা ভাল হোৱা গম পাই নতুন শ্ৰেণীত কিতাপ নিবলৈ বুধবৰীয়া বজাৰৰ পৰা মবমৰ দেউতাকে কিনি দিছিল। হেঁপাহৰ বাকচটো বৰ আলফুলকৈ ৰাখিছিল তাই।

তাৰ ওচৰতে জোখতকৈ বেছিবুঢ়া দেখা হোৱা বয়সীয়াল বিধৱা মাকজনী। অভাৱে অনাটনে জুৰুলা কৰা মাকজনীয়ে বৰ কষ্ট খাই দৈনিক জীৱন শৈলীৰ প্ৰণালী সমুহ সমাপন কৰিছে। তাইৰ হাত সহায় হৈ ওচৰতে বহি থাকে। আনে তাইৰ এইখন গধুলি বজাৰৰ খুছুৰীয়া বিক্ৰিৰ দোকান বুলি কয়।

দিনৰ ভাগত যোগাৰ কৰা থাওঁৰিতে পোৱা এইখিনিৰে যাক যি লাগে যাবতীয় বিক্ৰি কৰে মাথোঁন বিক্ৰি কৰে।

"গোপালে কি গতি কইলে। গোবিন্দে কি মতি দিলে" এই পা পইচা-খিনিৰেই সিহঁতৰ ঘৰ

চলে আটোম-টোকাৰিকৈ। তিনিসাঁজ খাই দুই এপদ বয় বস্তু লৈ টুক-টাককৈ বিহুৰে তিথিয়ে ঘৰখন নিয়াৰিকৈ চলি যায়।

ঢেকীয়াপাত বৰণ সলায়, কুঁহি কলপতীয়াৰ পৰা ডাঠ সেউজীয়ালৈ। ফুল ফুলে ঢেঁকীয়া ফুল, নিৰ্জন দুপৰীয়া পাহাৰৰ ঢালিত বগুৱা বাই আনৰ বাবে তাই লহপহীয়া ঢেকীয়া ছিঙে। এমোনা হ'লেই ছিঙিবলৈ তাই বাদ দি দিয়ে, এখন্তেক বহে পাহাৰৰ দাঁতিত ঢেঁকীয়াফুলৰ গোন্ধলৈ।

এই সময়খিনি তাইৰ একেবাৰে নিজৰ, সেয়ে সেইসময় খিনিয়েও ছাগে তাইক ওচৰৰ পৰাই উপভোগ কৰে। বতাহত চিনাকি সুৰ এটি বলি আহে, বুকুৰ একোনত পাতলীয়া বিষ এটিয়ে খুন্দিয়াবলৈ ধৰে।

অজানত বিভোৰ হয়, নিৰলে সহবাস খাটে। গুছি যায় সু-দূৰ-দূৰণি লৈ....

বতহত হালে জালে ঢেঁকীয়াফুলে, সুৰ-তালত নিমগ্ন হৈ নৃত্যাংগনা হয় নাচি উঠে প্ৰতি লহৰে লহৰে তাইৰ ভাৱাবেগ মনটো।

শীতল এই এছাটি জুৰ মলয়াত তাই যেন শুই পৰিব নীৰৱতাৰ কোলাত। নিৰিবিলিকৈ জাগি উঠিব নিজানত তাইৰ সপোন পিয়াসী মনটো। দিবাস্বপ্ন দেখে তাই, দিনৰ পোহৰতে। ৰাতিৰ আন্ধাৰলৈ সপোন দেখিবলৈ নেৰে তাই। এধানিমান সপোন এটিয়ে তাইক কেতিয়াবা কেতিয়াবা মাজে-সময়ে ব্যতিব্যস্ত কৰি তোলে।

সপোনে কলিজা কুটে। সপোনবোৰ তাই নিতৌ তাতেই থৈ আহি, আকাশৰ বহল বুকুত এৰি দিয়ে ডেউকা কোবাবলৈ...

আঁহোতে শৈশবৰ লগৰীয়াৰ বাট ঘোঁৰাত সোমায় অলপ-অলপ গোপনীয় কথাপাতি তাই চেকুৰমেলে ৰঙচঙীয়া আবেলিটিত কমলাবুলীয়া সপোনটিলৈ। জাৰকালিৰ তাইৰ বাৰীৰ সুমথিৰা টেঙাৰ দৰেই সেউজী পাতত ওলমি ৰয় তাই দেখা সুমথিৰা ৰঙীন বাখৰুৱা সপোনটো।

চাকপাতত বহাৰ আগতেই আহি তাই হাজিৰ হয় গধুলি বজাৰৰ চহৰৰ বহল বুকুত।

আহিয়েই লাগি যায় জীৱন জীয়াবলৈ খোজা সপোনৰ পম খেদি খেদি অনা জীয়া বাস্তৱলৈ। মুখামুখি হয় সময় বৰ কঠোৰ, বাস্তৱ বৰ নিষ্ঠুৰ সত্যতালৈ। দৰদামৰ বেচা-কিনা হিচাপ নিকাচ কৰি ঘৰমুৱা হয় আৰু বাটত আহি থাকোতে ভাৱে সময়ৰ আৱাহিৱীৰে জীৱন জুখিবলৈ চেষ্টা কৰিম।

আইয়ে ৰান্ধি দিয়া লাইশাকৰ ধোৱাৰে তপত ভাতৰ নিমখীয়া জুতি লৈ মূৰ শিতানত মূৰ থৈ শেতেলীত তাই ঈশ্বৰক মাতে,

"কীৰ্ত্তন দশমৰ শংকৰগুৰু। ৰত্নাৱলী ঘোষাৰে মাধৱগুৰু। ভাগ্যলিপি লিখনিকালতে ধৰো। দুখনি চৰণত প্ৰণিপাত কৰোঁ। চিলমিলীয়া টোপনিত তাই আকৌ সপোন দেখে, ঢেকীয়াফুলৰ মালিনীৰ পৰা বিয়াগোম ৰাজ অট্টালিকাৰ আলসুৱা পুতলা ৰাণীলৈ। লগুৱা-লিকচৌৱে বিচনীৰে বিচি আছে আৰু তাই সোনৰ পালেঙত মুৰ থৈ এসোপামান পুতলাৰে ওমলা খেল খেলি আছে।

তাইৰ সপোনবোৰ কেৱল মাত্ৰকে গজাঁ ওলাইছে, জানোছাঁ কেতিয়াবা হয়গৈ ই পুলি পোখা। বটবৃক্ষ হবলৈ তো বহুযোজন বাট.....

ৰৈ ৰৈ বৈ যাব মাথোঁন এটি পল সেই ফুলকুমলীয়া সপোনটো ঢেকীয়াফুলৰ সুগন্ধত আজীৱন... ঔ ফুলীয়া হাবিয়নিৰ বাটটোত জীৱন আৰু জীৱন বৰ অনুভূতি নিহিত বগৰীফুলৰ জাঁৰণিৰ গোন্ধতো...।

(সচাঁ কাহিনিৰে আধাৰিত আইতা আৰু বাজনীৰ হাতত "আগলৈ নহয় উভতি চালেহে নিজক দেখা পোৱা যায়, মৌন আলপত কিদৰে ডুবি থাকে বুকুৰ ৰঙা চৰাই"।।) সুন্দৰৰ সৰু বৰ আলিয়েদি....

❑❑❑



# মোৰ এতিয়া টোপনি লাগিছে

গুলজাৰ হুছেইন
স্নাতক প্ৰথম ষাণ্মাসিক

শাহানাজঃ- ছাৰ আপুনি কেনে আছে? ছাৰ উত্তৰ দিয়া নাই। উত্তৰ নিদিয়াৰ কাৰণ দুটা। প্ৰথম কাৰণ প্ৰশ্নকৰ্তাৰ গলৰ সুৰ ছাৰে ধৰিব পৰা নাই। দ্বিতীয় কাৰণ হ'ল আজি ছাৰৰ কথা কবলৈ আগ্ৰহ নাই। নিশ্চয় ছাৰৰ পেট বিয়াই আছে।

ছাৰঃ অচিনা মানুহৰ উত্তৰ দিবলৈ দৰকাৰ নাই। মোৰ শৰীৰটো বিষাই আছে। মোৰ বিশ্ৰামৰ আৱশ্যক। ঠাণ্ডা ঠাণ্ডা ভাৱ, টোপনি অহাৰ আগৰ অৱস্থা। এটা গাৰু সাৱটি ধৰি টোপনি যাব পাৰিলে ভাল লাগিল হয়। বহুত ঠাণ্ডা লাগিছে। শৰীৰৰ ওপৰত কম্বল দিয়া আছে নেকি? সম্ভৱ আছে। তেনেহলে কম্বলটো বেছি ঠাণ্ডা।

শাহানাজঃ- ছাৰ আপুনি কি মোক চিনি পাইছে? মই শাহানাজ এতিয়া আপোনাৰ শৰীৰ কেনেকুৱা?

ছাৰঃ- চকু নেমেলাকৈ ক'লে, শৰীৰ মোৰ ভাল।

শাহানাজঃ- তেনেহলে চিনি পাইছে মোক ছাৰ?

ছাৰঃ- লাহে লাহে চকু মেলিলে। নেমেলাই ভাল আছিল। বাহিৰৰ তীব্ৰ পোহৰ আহি চকুত পৰিলে। লগে লগে মুৰৰ বিষ আৰম্ভ হ'ল। সোঁহাত সজ্ঞাহীন যেন লাগিছে।

শাহানাজঃ- হাতত কি ছেলাইন দিয়া হৈছে?

ছাৰ এইটো হস্পিতাল নে ক্লিনিক? পৰিস্কাৰ পৰিস্কৰ যেন লাগিছে। হস্পিতাল নোহোৱাৰ কথা।

শাহানাজঃ- ছাৰ আপুনি মোক চিনি পাইছে নেকি?

ছাৰঃ- শাহানাজ কেনেকুৱা আছে?

শাহানাজঃ- মই ভালে আছো ছাৰ।

ছাৰঃ- এইটো হস্পিতাল নেকি শাহানাজ?

শাহানাজঃ- নহয় ছাৰ। এইটো তেজপুৰ মেডিকেল কলেজ ছাৰ। আপুনি যে মেডিকেলত মই জনা নাছিলো। ১২ টাৰ পিছত মেডিকেলৰ পৰা টেলিফোন কৰিলে কলেজত আপুনি ১২ ঘন্টা সময় অজ্ঞান আছিল ও টেলিফোন ধৰিছিল

মোৰ বন্ধু এজনে। সি একো বুজি পোৱা নাছিল। তেওঁ মোক কলে মেডিকেলৰ পৰা টেলিফোন আহিছে। মই সুধিলো কি কলে। তেওঁ ক'লে একো বুজি পোৱা নাই। তুমি 'মেছেজ' টো ৰাখি দিয়া। মই তেতিয়া.......

ছাৰঃ- আজি শাহানাজ থৰ্‌বৰ কৰি কথা কৈ আছে। মই সপোনত ভৱা নাছিলো যে এই ছোৱালীজনী ইমান কথা ক'ব জানে। ইমানদিন ধাৰাণা কৰিছিলো ছোৱালীজনীয়ে মাত্ৰ প্ৰশ্ন কৰিলেহে উত্তৰ দিয়ে। দাৰি কমা নোহোৱাকৈ কথা কৈ আছে। নিশ্চয় ভয় খাইছে। যিবিলাক মানুহ কথা কমকৈ কয় ভয় পালে প্ৰচুৰ পৰিমানে কথা কয়।

শাহানাজঃ- ছাৰ এতিয়া আপোনাৰ কেনেকুৱা লাগিছে?

ছাৰঃ- মোৰ এতিয়া টোপনি লাগিছে।

শাহানাজঃ- ডক্টৰৰ লগত কথা পাতিছোঁ। অপাৰেচন কৰা হ'ব। অপাৰেচনৰ পিছত ভাল হৈ যাব।

ছাৰঃ- ok তুমি যোৱা, মোৰ প্ৰচুৰ টোপনি লাগিছে।

শাহানাজঃ- মোৰ এতিয়া কোনো তাগাদা নাই। মই অফিছৰ পৰা ছুটি লৈছো। আপোনাৰ পৰিয়ালৰ কাৰোবাক খবৰ দিব লাগিব নেকি। কওক আপুনি। মই খবৰ দি আহোঁ।

ছাৰঃ- কাকোঁ খবৰ দিব নালাগে।

শাহানাজঃ- বাইদেওঁকো খবৰ নিদিওঁ?

ছাৰঃ- খবৰ দিয়া টেলিফোন নাম্বাৰ লোৱা।.....

শাহানাজঃ- আপোনাৰ টেলিফোন নাম্বাৰ মই জানোয়ে। যোৱা কালি আপোনাৰ ঘৰত গৈছিলোঁ। লগতে আপোনাৰ টেলিফোন নাম্বাৰটো বাইদেওঁৰ পৰা লৈ আহিলো।

ছাৰঃ- বিৰক্তি লাগিছে মোৰ, ইমান কথা কিয় কৈছে ছোৱালীজনীয়ে? কোনেনো মাতি পঠাইছে তেওঁক ইয়ালৈ? মনে মনে ক'লে ছোৱালীজনী প্ৰচুৰ পৰিমাণে চতুৰ। মোৰ ওচৰত থিয় হৈ ভুগিছা? তুমি দয়া কৰি বিদায় লোৱা। মোক এতিয়া টোপনিত যাব দিয়া। শান্তিত টোপনি মাৰিব পাৰিলেহে শৰীৰটো ভাল লাগিব। ঐ ছোৱালী শান্তিত থাকা। মানুহৰ বিভিন্ন পৰিৱেশত ভিন্ন ভিন্ন কথা কোৱাৰ আচৰণ হয়। অফিছত এই ছোৱালী এটাওঁ কথা নকয়। আজি কমা দাৰি নোহোৱকৈ কথা কৈছে? ঘৰত তেওঁ কি কৰে?

শাহানাজঃ- ছাৰ টোপনি গ'ল নেকি?

ছাৰঃ- কথা কোৱা নাই। চকু বন্ধ কৰি আছে। টোপনি গৈছে বুলি ভাবি ছোৱালীজনীয়ে যাতে মুক্তি দিয়ে।

শাহানাজঃ- ছাৰ এতিয়া টোপনি যাব নালাগে। ডাক্টৰ আহি আছে। ডাক্টৰৰ লগত কথা পাতি টোপনি যাওঁক। আপোনাক ছাৰ আৰু এটা গাৰু দিবলৈ কম? মেডিকেলত গাৰু বিলাক বেছি পাতল।

ছাৰঃ- ডাক্টৰ আহি মোৰ ওচৰত থিয় হ'ল। ডাক্টৰৰ লগত এজনী নাৰ্ছ আহিছিল। নাৰ্ছটোক ইংৰাজী 'o'ৰ নিচিনা দেখিবলৈ। ডাক্টৰ যদি ইংৰাজী '1' হয় তেনে হলে দুইজনা মেলি দশ হব...।

শাহানাজঃ- এইবিলাক কথা ছাৰে কিয় ভাবিছে। ছাৰ কি পাগল হৈ গ'ল? ডাক্টৰে হালি ছাৰৰ কপালত হাত ৰাখিলে আৰু কোমল সুৰত কলে, কেনেকুৱা এতিয়া?

ছাৰঃ- ভাল আছো এতিয়া।

ডাক্টৰঃ- শৰীৰ কি বেছি দুৰ্বল লাগিছে? বমি বমি ভাৱ আছে? মূৰ বিষাইছে?

ছাৰঃ- মূৰ বিষোৱা নাই, কিন্তু মূৰৰ ভিতৰত ফাঁকা ফাঁকা লাগি আছে।

ডাক্টৰঃ- ইয়াৰ বাহিৰে আৰু একো নাই?

ছাৰঃ- আছে, আছে আপোনাক চুপে চাপে কব লাগিব। বেলেগ মানুহ ইয়াৰ পৰা যাব দিয়া। ডাক্টৰে একোৱেই কোৱা নাছিল তথাপিও গোটেই মানুহ বাহিৰলৈ গ'ল।

ছাৰঃ- লাহে লাহে কলে, এই যে ছোৱালীজনী থিয় হৈ আছে দেখক। তেওঁক ইয়াৰ পৰা যাব দিয়ক। ছোৱালীজনীয়ে মোক বৰ বিৰক্তি কৰি আছে। মোক টোপনি যাব দিয়া নাই।

ডাক্টৰঃ- এইটোৱেই আপোনাৰ গোপন কথা নে? নে আৰু ক'ব?

ছাৰঃ- নহয় বাৰু আৰু একো নকওঁ। মোৰ অৱস্থা কেনে কোৱা শুনিব পাৰিম?

ডাক্টৰঃ- অপাৰেচন কৰা হব। আপোনাৰ 'কিডনি' এটাই কাম কৰা নাই। সলাব লাগিব। তথাপিও এতিয়া কোনো চিন্তা নাই। আপোনাৰ আত্মীয় স্বজন, ভাইভনী বা তেজৰ সম্পৰ্ক থকা মানুহ থাকিলে ভাল হলেহেঁতেন। সন্ধিয়া ডাক্টৰ নাজিৰ হুছেইন আহিব তেওঁ গোটেই কথা বুজাই কব। আপুনি এতিয়া শুই থাকক......।

শাহানাজঃ- ডাক্টৰৰ কথা কোৱা শেষ হোৱাৰ আগতে ছাৰ টোপনি গ'ল। এনেকুৱা টোপনিয়ে মানুহক আৰু বেছি ক্লান্তি কৰি দিয়ে। কাৰণ টোপনিতে আশে পাশে হোৱা শব্দ বিলাক শুনি আছে। ওচৰৰ বিছনাৰ ৰোগীয়ে কান্দি আছে। এই বিলাক শব্দ টোপনিতে শুনি আছে। নাৰ্ছে আহি কাৰোবাক গালি



পাৰি আছে। তেওঁ ধমকিৰ প্ৰতিটো শব্দ শুনি আছে। টোপনিত যোৱা মানুহৰ জ্ঞান শক্তিয়ে কাম নকৰে, কিন্তু তেওঁৰ কৰি আছে। হস্পিতাল পৰিস্কাৰ কৰি যেতিয়া ফেনাইল দিয়া হয়, তেতিয়া ফেনাইলৰ গন্ধ পালে। ছাৰৰ টোপনি সন্ধিয়াৰ আগে আগে ভাঙিলে।

বিছনাৰ ওচৰত দুটা 'ডাব' (নাৰিকল) হাতত লৈ গুলজাৰ আহি তলফালে ছাই থিয় হৈ আছে। মুখত অপৰাধী অপৰাধী ভাব যেন লাগে।

গুলজাৰঃ- স্পষ্ট মধুৰ সুৰত ক'লে, ছাৰ আপোনাৰ শৰীৰ এতিয়া কেনেকুৱা?

ছাৰঃ- শৰীৰ ভাল এতিয়া।

গুলজাৰঃ- দুটা 'ডাব' আনিছো ছাৰ। মোৰ নিজৰ গছৰ ডাব ছাৰ বিছনাৰ তলত ৰাখি থৈ দিও ছাৰ?

ছাৰঃ- ok থৈ দিয়া।

গুলজাৰঃ- কাটি দিও ছাৰ? এতিয়া এটা খাওক?

ছাৰঃ- এতিয়া খাবলৈ ইচ্ছা হোৱা নাই।

গুলজাৰঃ- একেবাৰে খোৱা বাদ দিলে আপোনাৰ শৰীৰ সুস্থ নহব ছাৰ।

ছাৰঃ- ভাল নহলেও একো নাই। তুমি এতিয়া মোৰ সন্মুখৰ পৰা যোৱা। কথা কোৱাৰ ইচ্ছা নাই।

গুলজাৰঃ- শুক্ৰবাৰৰ ঘটনাৰ কাৰণে ক্ষমা খুজিছো ছাৰ।

ছাৰঃ- ok ঠিক আছে।

গুলজাৰঃ- আপুনি ক্ষমা নকৰিলে.....

ছাৰঃ- ক্ষমা নকৰিলে কি? মূৰ খজুৱাই আছে কথা পোৱা নাই। আগতে এয়াৰছেল কৰি অহা নাই। গুলজাৰৰ উচিত আছিল, কি কথা কব গোটেই বিলাক ঠিক কৰি অহা। সিটো কৰা নাই। অৱশ্যে কোনো কোনো সময়ত কথা কোৱাত গোটেই বিলাক কথা এলো মেলো হৈ যায়। এই ঘটনাটো তাৰ সময়ত বহুত জটিল। এদিনাখন ক্লাছত চাৰে প্ৰশ্ন কৰিছিল। সাহিত্য কাক বোলে? তেওঁ জনা উত্তৰ কব পৰা নাই। ভাবি চিন্তি ঠিক কৰা কথা কোনোদিনেই ঠিক কৰি কব পৰা নাই।

ছাৰঃ- তুমি যোৱা। কথা কোৱাৰ নিষেধ আছে।

গুলজাৰঃ- ঠিক আছে ছাৰ।

ছাৰঃ- কলেজৰ পৰা কোনেও যাতে আৰু মোক ছাবলৈ নাহে।

গুলজাৰঃ- ঠিক আছে ছাৰ।

ছাৰঃ- ধন্যবাদ, ধন্যবাদ, তোমাৰ ডাব এসময়ত মই খাম।

গুলজাৰঃ- মূৰ খজুৱাই খজুৱাই কলে, ছাৰ আপোনাৰ এটা কিডনি দৰকাৰ বুলি শুনি পালো।

ছাৰঃ- ঠিক শুনিছা। তুমি দিবা নেকি?

গুলজাৰঃ- একো উত্তৰ দিয়া নাই।

ছাৰঃ- সহজ স্বাভাবিক মধুৰ সুৰত ক'লে, কিড্‌নি দিব বিচাৰিছা যদি এইটো বিষয় লৈ পিছত কথা পাতিম। এতিয়া তুমি যোৱা।

গুলজাৰঃ- ডাব দুটা খাব ছাৰ।

ছাৰঃ- কৈছোঁ নহয়, খাম বুলি।

গুলজাৰঃ- নিজৰ গছৰ 'ডাব' ছাৰ দেউতাই নিজৰ হাতেৰেই গছপুলি লগাইছিল।

ছাৰঃ- ৰাণীপুখুৰী বজাৰৰ উত্তৰত থকা ঘৰটো তোমাৰ নিজৰ?

গুলজাৰঃ- নহয়, ভাড়া ঘৰ।

ছাৰঃ- কিমান দিন হ'ল আমেৰিকাৰ পৰা অহা।

গুলজাৰঃ- এক বছৰ আগতে আহিছো ছাৰ।

ছাৰঃ- এক বছৰ আগতে ৰোৱা নাৰিকল গছত এতিয়াই নাৰিকল ধৰিছে নেকি?

গুলজাৰঃ- মনে মনে চাই আছিল। ছাৰ বেছি বেছি বিৰক্ত ভাৱ কৰি আছে।

ছাৰঃ- ই ভালকৈ মিছা কথা কবলৈ শিকা নাই। মানুহৰ লগত তৰ্ক কৰিবও নাজানে। অলপ বুদ্ধি থাকিলে নকলাহয় যে '১' বছৰ আগতে ৰোৱা নাৰিকল গছত নাৰিকল ধৰিছে বুলি। দেউতাই বজাৰৰ পৰা কিনি আনিছে বুলি কব লাগিছিল, সিটো নকৈ কি মুৰ্খৰ নিচিনা কথা কৈছে।

ছাৰ চকু বন্ধ কৰি শুই আছিল।

গুলজাৰঃ- মধুৰ ভাবে কলে, ছাৰ এতিয়া মই যাওঁ?

ছাৰঃ- ঠিক আছে যোৱা তুমি।

গুলজাৰঃ- যাওঁ বুলি কই বহুত সময় থিয় হৈ থাকিল।

ছাৰঃ- চকু বন্ধ কৰি বুজিব পাৰিছে। অসুখৰ সময়ত মানুহৰ ইন্দ্ৰীয় তীক্ষ্ণ কেনে হয়। ছাৰ চকু মেলিলে গুলজাৰ যোৱাৰ পিছত। প্ৰথমতে ছাৰৰ বিছনাৰ তলত থকা গল্পৰ কিতাপ বিলাক চকুত পৰিল। বহুত গল্পৰ পুথি কবিতা আকাৰে লিখা আছে। নিশ্চয় এই বিলাক 'শাহানাজৰ' কাম। কলেজ লাইব্ৰৰীৰ পৰা আনিছে নিশ্চয়।

শাহানাজঃ- ছাৰ এটা গল্পৰ পৰুৱা।

ছাৰঃ- মনত কৰাই স্বভাবিক। তেওঁ মোৰ হাতত বহুত গল্পৰ কিতাপ দেখিছিল। তেওঁ জনা নাছিল যে মই এই গল্পপুথিৰ পাত মাত্ৰ ওলাট পালট কৰাৰ বাহিৰে একোয়েই নহয়। পঢ়িবলৈ চেষ্টা কৰা নাই এইটো নহয়। চেষ্টা কৰিছোঁ। কিন্তু পঢ়িবলৈ

ভাল লগা নাই।

সোঁহাতত এতিয়াও ছেলাই চলি আছে।

বাওঁহাতত এখন গল্পৰ পুথি ললে।

ছাৰঃ- তলপেটত বিষাই আছে ডাক্টৰ।

ডাক্টৰঃ- বেছি বিষ নেকি একধৰণৰ আৰামদায়ক বিষ? যিটো বিষে শৰীৰত বিষ হয়। বেছি টোপনিৰ ঔষধ খোৱাৰ পিছত শৰীৰত যোনেকুৱা ভাব হয়, বিষটো ঠিক তেনেধৰণৰ সৃষ্টি হৈছে নেকি?

ছাৰঃ- হয় ডাক্টৰ। কবিতাৰ পাত ওলট পালট কৰিবলৈ ভাল লগা নাই। ভোক ৰোধ হৈছে। বমি বমি ভাবটো যোৱা নাই। ৰাতিৰ আহাৰলৈ আহিল, সন্ধিয়া হোৱাৰ আগতেই। ভাত মাছ মাংস আজি কিন্তু কিছুমান ৰোগীৰ কাৰণে অনা ধৰণৰ আহাৰ আছে। যেনেকুৱা তাৰ কাৰণে দৈ মাখন, গাখীৰ, চীৰা ৰুটি ইত্যাদি আমাৰ ছাৰ কল এটাৰ পৰা আধাখিনি খালে। তাৰ ওচৰৰ বিছনাৰ ৰোগীয়ে কলে ছাৰ কলটো পেলাই নিদিব ৰাখি দিয়ক ৰাতি ভোক লাগিলে খাব। এওঁলোকে ৰাতিৰ খোৱা বস্ত নিদিয়ে। কষ্ট হব পাৰে ছাৰ। ছাৰঃ- তোমাৰ নাম কি?

ৰোগীজনে প্ৰশ্নৰ উত্তৰ দিয়া নাই। পিছপিনে ঘূৰি কম্বল মুখত মেৰাই মুখ ঢাকি পেলালে। তেওঁ আৰু একোয়ে কোৱা নাই।

শাহানাজঃ- ছাৰ আপোনাৰ কাৰণে আহাৰ আনিছোঁ সৰু টিফিন এটা লৈ শাহানাজ থিয় হৈ আছে। তেওঁৰ ওচৰত সোল্ল বছৰীয়া লৰা এজন। তেওঁক দেখাত অবিকল শাহানাজৰ নিচিনা। কিন্তু এনে লাগিছে, সি বহুত চতুৰ, এবাৰো মুখ তুলি চোৱা নাই। ছাৰ মোৰ সৰু ভাইটী 'পৱন ছেত্ৰী'। এইবাৰ মেট্ৰিক দিব। তেওঁক লৈ আহিছো তেওঁ আপোনাৰ লগত থাকিব।

ছাৰঃ- মোৰ লগত কিয় থাকিব?

শাহানাজঃ- যদি কেতিয়াবা কাৰোবাক দৰকাৰ হয়।

ছাৰঃ- একোকেই মোৰ দৰকাৰ নাই আৰু নহব। হলে কিমান মানুহ আছে।

শাহানাজঃ- ছাৰ তেওঁ বাৰাণ্ডাত বহি থাকিব। মাজে মাজে আপোনাৰ খবৰ লব।

ছাৰঃ- শাহানাজ তুমি মোক বিৰক্ত কিয় কৰিছা? তেওঁক তুমি লৈ যোৱা। আৰু শুনা মই ৰাতিৰ আহাৰ খাইছো আৰু তোমাৰ আহাৰখিনি ঘুৰাই লৈ যোৱা।

শাহানাজঃ- তেওঁৰ ভাইটী পৱন ছেত্ৰী একে দৃষ্টিৰে তেওঁৰ বাইদেওৰ মুখলৈ চাই আছিল। শাহানাজৰ চকুত পানীয়েই পানী। অস্পষ্ট সুৰত কলে পৱন আহাঁ। দুয়োজনে বৰিণ্ডাৰ ফালে আগুৱাই আহিছে।

পৱন ছেত্ৰীঃ- ফুচফুচাই কলে ইমান মানুহৰ সন্মুখত কান্দিছা কিয়? সকলো মানুহ তোমাৰ ফালে চাই আছে।

শাহানাজঃ- থাকক চাই থাকক।

পৱন ছেত্ৰীঃ- বাইদেউ ব'লা গাড়ীলৈ গুচি যাওঁ।

শাহানাজঃ- নাজও মই।

পৱন ছেত্ৰীঃ- ইয়াত তেনেহলে কি কৰিম আমি?

শাহানাজঃ- ইয়াতেই বাৰাণ্ডাত থিয় হৈ থাকিম।

পৱন ছেত্ৰীঃ- তেওঁৰ ডাঙৰ sister ৰ ওচৰলৈ আহি একো কথা কোৱা নাই। কাৰণ তেওঁ ভদ্ৰ ল'ৰা লগতে তেওঁৰ ডাঙৰ sister ৰক বহুত ভয় কৰে। তথাপিওঁ কলে হস্পিটালৰ বাৰণ্ডাত থিয় হৈ থকাটো ঠিক নহয়। কিন্তু শাহানাজ থিয় হৈ আছে।

শাহানাজঃ- মই ইয়াৰ পৰা ঘৰলৈ যাব নোৱাৰিম। ছাৰে মোৰ কাৰণে যি কৰিছে আৰু মই ছাৰক একোৰেই ঘুৰাই দিব পৰা নাই। কিন্তু মই ঘুৰাই দিবলৈ চেষ্টা কৰি আছোঁ। মোৰ ইচ্ছাটো ছাৰে কিয় বুজি নাপায়?

এই ছাৰ আমাৰ পৰিয়ালক বিপদৰ পৰা ৰক্ষা কৰিছে। সেই সময়ত আমাৰ কি ভয়াবহ দুৰৱস্থা আছিল। যেতিয়াই যি post ওলাইছিল মোৰ মা মোক Aplication কৰি দিছে। যোগ্যতা আছে নে নাই এই বিলাক চিন্তা কৰাৰ সময় নাছিল। মা মোক Aplication কৰি দিছেআৰু সন্ধিয়াৰ আগবৰপৰা মন বেয়া কৰি মোৰ লগত বহি থকা কাম আছিল। ইয়াৰ বাহিৰে আৰু একো নহয়। সময়ে সময়ে কৈছিল এতিয়া আৰু কি হব? নিশব্দে প্ৰভাতত কান্দি থাকিছি। তেওঁ কৈছে কি হব মই নাজানো মা।

মাঃ- গাৰৰ ঘৰলৈ যাবি? তাতে তোমাৰ এজন ককা দেউতা আছে। তেওঁ তোমাক পেলাই নিদিব? যাবি নেকি?

শাহানাজঃ- নাজানো মা।

মাঃ- তুমি কোৱা এটিয়া কি কৰিবা? আল্লাহ-আল্লাহ কৰা নহলে আৰু কি কৰিবা?

শাহানাজঃ- এনেকুৱা অৱস্থাত এদিন মই Interview দিবলৈ দিছপুৰলৈ গলো। চাহাব নিজে উপস্থিত আছিল Interview বোৰ্ডটোত। চাহাবৰ লগত আৰু দুইজন বেক্তি। সেই দুইজনৰ ভিতৰত এজন আছিল ছাৰ।



চাহাবঃ- তোমাৰ typimg কিমান স্পিড?

শাহানাজঃ- সৰল সুৰত কলে typimg নাজানো ছাৰ।

চহাবঃ- তিনিজনেওঁ উচ্চ সুৰত কলে বিছাৰিছোঁ typimg তুমি typing নাজানি তথাপিওঁ Aplication কৰিছা?

শাহানাজঃ- মই typing শিকি লম ছাৰ।

চাহাবঃ- তুমি যোৱা এতিয়া। Next আহাঁ।

শাহানাজঃ- এতিয়ালৈ ৬৫ বাৰ Interview দিলো সকলো মানুহৰ চাকৰি দৰকাৰ নেকি? নহয় তেওঁৰ নিচিনা প্ৰয়োজন কাৰো নাই। শাহানাজ ঘৰত যোৱা নাই। দিনভৰ বহি থাকিল। Interview শেষ হোৱাৰ পিছত আৰু এবাৰ যাম দৰকাৰ হলে তেওঁ চিঞৰি চিঞৰি কান্দিম।

কান্দিবৰ আৰু প্ৰয়োজন হোৱা নাই।

চাহাবঃ- তিনিজনৰ পৰা এজনে বাহিৰলৈ আহি কলে Interview তোমাৰ শেষ হৈ গৈছে তথাপিও ঘৰলৈ নাজাই থিয় হৈ আছা কিয়?

শাহানাজঃ- ছাৰ আপোনাৰ লগত মই ওলপ কথা পাতিব পাৰিম?

ছাৰঃ- কোৱা কোৱা তুমি কি কবা?

শাহানাজঃ- মই এক ৰাতিৰ ভিতৰত typing শিকি লম।

ছাৰঃ- তোমাৰ চাকৰি বেছি দৰকাৰ?

ছাহানাজঃ- হয় ছাৰ।

ছাৰঃ- বহা ইয়াত। দুপৰীয়া কিবা খাইছা নেকি?

শাহানাজঃ- কথা কোৱা নাই।

ছাৰঃ- মুখৰ ফালে চাই Interview ৰুমত সোমাই গ'ল। বাহিৰ হৈ আহিল দহ মিনিট পিছত। শাহানাজৰ হাতত Appointment letter আপোনাৰ বয়স কিমান কম। মই আপোনাক তুমি বুলিয়েই কলো আশাকৰো বেয়া নাপাবা? লোৱা তোমাৰ Appointment letter লোৱা। আৰু মোৰ লগত আহাঁ চাহ একাপ খাবলৈ।

শাহানাজঃ- কোনো কথা কোৱা নাই ছাৰৰ পিছে পিছে গৈ আছিল। মোৰ ইচ্ছা গৈছে চিঞৰি চিঞৰি thank you কবলৈ। মই কব নোৱাৰিলো মোৰ মুখ শুকান শুকান ভাব হৈছিল। আৰু চকু বিষাই আছিল।

ছাৰঃ- বহা ইয়াত।

শাহানাজঃ- লগে লগে বহিলে।

ছাৰঃ- মই ধাৰ হিচাপত তোমাক এতিয়া কিছুমান টকা দিম তুমি মোক দৰমহাৰৰ পৰা লাহে লাহে পৰিশোধ কৰি দিবা।

শাহানাজঃ- দিম ছাৰ।

মাঃ- প্ৰতিজ্ঞা কৰিছিল ছোৱালীজনীৰ চাকৰি হলে এশ ৰাকাত নামাজ পঢ়িব। এশ ৰাকাত নামাজ পঢ়োতে ৰাতি চাৰিটা বাজি গ'ল। শাহানাজ তেতিয়াও বাৰণ্ডাৰ অন্ধকাৰত চুপে চাপে বহি আছিল। মা নামাজ শেষ হোৱাৰ পিছত ৰাতি ভিতৰলৈ আহিল। আহি কলে পৃথিৱীত ভাল মানুহ এতিয়াওঁ আছে। এনেকুৱা মানুহ পৃথিৱীত কমেই আছে। এবাৰ মানুহজনক আমাৰ ঘৰলৈ আনিবা। মোৰ চাবলৈ ইচ্ছা গৈছে। আনিবা নে শাহানাজ?

শাহানাজঃ- লৈ আহিম, কিয় লৈ নাহিম মা?

□□□

# কবিতা

## এখন শান্তিৰ পৃথিৱীৰ সন্ধানত



জবজিনা বেগম
স্নাতক প্ৰথম যাণ্মাসিক

আচৰিত....! বহু আচৰিত....!
এই পৃথিৱীৰ মানুহবোৰ,
হত্যা, হিংসা, মৃত্যু, ধৰ্ষণ, হাঁহি, কান্দোন
চোৰ ডকাইত, প্ৰলোভন...।
এইবোৰৰ লগতেই ব্যস্ত
এই পৃথিৱীৰ মানুহবোৰ,
ধনেই সৰ্বেসৰ্বা ধনীৰ মনে
দুখীয়াৰ নাই দাম।
ধৰ্মক নিচিনা হ'ল
অধৰ্মই মূল হ'ল
সচাঁৰ নাই ক'তোতে স্থান
মিথ্যাই পায় সবাতে মান
দেশ মাতৃক নিচিনা হ'ল
বিদেশখনেই আপোন হ'ল।
ধনৰ লোভত আই-ভাই,
বাই-ভনী নিচিনা হ'ল
ভাই ভাইৰ মাজত শিৰচ্ছেদ হ'ল।
জাতিৰ চিন নোহোৱা হ'ল।
এই পৃথিৱীৰ মানুহবোৰ
স্বাৰ্থপৰ হ'ল।
বিচাৰি পামনে এখন
নতুন পৃথিৱী
য'ত থাকিব কেৱল মাথোঁ শান্তি
বিচাৰি যাম এদিন
এখন শান্তিৰ পৃথিৱী
ওলাম এদিন
এখন প্ৰশান্তিৰ পৃথিৱীৰ সন্ধানত।
□□□





## মাতৃভূমি

ছাহনাজ নাছৰিণ
স্নাতক প্ৰথম যাণ্মাসিক

বিশ্বৰ সবাতোতকৈ
মনোমোহা তুমি আই
প্ৰাকৃতিক সৌন্দৰ্যই
ভৰপুৰ তোমাৰ বুকু।
হাতত হাত ধৰি
কষ্ট শ্ৰম কৰি দেশক
উজ্বলাবলৈ যুঁজিছিল
সবে দেশৰ বুকুত।
দিন ৰাতি এক কৰি
যুঁজিছিল মহৎ সকলে
নিজৰ জীৱনক তুচ্ছ কৰি
তেজেৰে বৈছিল নদী
কেতিয়াবা যদি পৰ্বতৰ মাজত
কেতিয়াবা আকৌ নদীৰ তীৰত।
তথাপিও, আগুৱাইছিল
দেশ ৰক্ষাৰ্থে প্ৰাণ আহুতি দিছিল
তেওঁলোকৰ বৈদেহী আত্মাক
শ্ৰদ্ধা কৰো আমি।
মহৎ চকুলোত
শান্তিৰ নিজৰা ব'ইছিল
প্ৰতি পলে পলে
বিচাৰিছিল স্বাধীনতা।
কোনোৱাই যদি সন্মুখেৰে
যুঁজ দিছিল, কোনোবাই আকৌ
পিছৰ পৰা সহাঁৰি দিছিল,
কাৰোবাক দিছিল ফাঁচি
কাৰোবাক কৰিছিল গুলি
জিলিকিছিল তেজ
বন্দে মাতৰম ধ্বনিৰে
কঁপাইছিল দেশ।
সকলোৰে মনক
জাগ্ৰত কৰিছিল
আহা স্বাধীন কৰো দেশক
ডেকা দলবোৰে
মোহ মায়া ত্যাগ কৰি
গৈছিল ব্ৰিটিছক খেদি
নিজক আহুতি দি
ৰক্ষা কৰিলে দেশ,
আমি স্বাধীন হ'লো।
সকলোৰে সন্মান কৰা
ত্ৰিৰংগা পতাকাক।
জন-গণ-মন অধিনায়ক
বুলি আৰম্ভ কৰা
জয় জয় বুলি চিঞৰি থাকা
জয়হে জয়হে .....
□□□

# বান পানীৰ গীত

মুৰছ্বিদা ইয়াচমিন
স্নাতক পঞ্চম ষাণ্মাসিক



দিহা ঃ অ মোৰ ভাইহঁত ঐ
ৰাইজৰ কি বিলাই হ'ল।।
পদ ঃ পুহৰ মাহত চৰকাৰখনৰ
মনত লাগিল দুখ।
বান পানী দেখি মথাউৰি দিলা
ৰাইজৰ হৈব সুখ।।
মাঘৰ মাহত চৰকাৰখনে
মনে মনে ভাবি আছে।
পশ্চিমৰ বঙালে অসম আহি
পুৰাণ খন্টাবোৰ চাঁচে।।
ফাগুন মাহত চৰকাৰখনে
বান্ধি দিলা মথাউৰি।
চৈতৰ মাহত ধুমুহা বতাহে
ধূলি কৰি লৈ গেল উৰি।।
বহাগ মাহত দেউতাৰ গৰ্জনি
মনত লাগিল ভয়।
সকলোৱে মনে মনে গুণে
ৰাহিজৰ কি বিলাই হয়।
জেঠৰ মাহত ইন্দুৰ বপুৰাই
খান্দি কৰে গৰা গৰি।
আহাৰ মাহত বান পানী আহি
ভাঙি দিলা মথাউৰি।।
ঘৰো দুবিলা চোতালো দুবিলা
ধানৰ খেতি ভৈলা নষ্ট।
পুৰাণ কালৰ তামোল পাণৰ
বাৰী সৱে ভৈলা ভ্ৰষ্ট।।
হাঁহ ভাহি গৈলা পাৰ উৰি গৈলা
আৰু ভাহি গৈলা গৰু।
কাহীয়ো দুবিলা বাটিও দুবিলা
ভাহি গেল ভাতৰ চৰু।।
উপৰে উৰি যায় উৰাণ জাহাজ
উপৰে ঘূৰে চকৰি।
ৰাইজখন ঐ ভয় নকৰিবা
আমি হৈবো সহায়কাৰী।।
চাউল দিলা চিৰা দিলা আৰু দিলা মিঠাই ।
তাকে দেখি সকলোৱে মথাউৰিত উঠিল সিধাই।।
চাউল দিলা চিৰা দিলা আৰু দিলা কল
খাবা নাপাই ঘৰৰ বুঢ়ী কৰে ধৰফৰ।
বস্তু বাহানীৰ জুই চাই দামত।
কেনেকৈ থাকো বাচি
এই দুনীয়াত মৰি যোৱাই ভাল।।
□□□





# জাগৰণ

মাহিদুল ইছলাম
স্নাতক প্ৰথম ষাণ্মাসিক

ওলাই আহাঁ ওলাই আহাঁ
ডেকা দল।
ডেকা আমি বিপ্লৱৰ,
জাতি ধৰ্ম ভেটি বৰ্ণ
ভেদা ভেদ পাহৰি
গঢ়া এক সমদল।
ব'লা সকোলোৱে মিলি জুলি
আমি পোহৰ বিলাওঁ আহাঁ।
কিমান হাৰা শাস্তি এই জনমত,
উঠা আজি জাগি উঠা।
নৱ-প্ৰৱজন্মৰ ডেকা দল,
দেশৰ হকে যুঁজ দি।
সুন্দৰ সমাজ গঢ়া।
ডেকা আমি বিপ্লৱৰ।
□□□



# মৰমে কান্দিছে

হামিদুল ইছলাম
উঃ মাঃ প্ৰথম বাৰ্ষিক

উলহ-মালহ জীৱন মোৰ
হঠাতে ৰ'ল থমকি
জীৱনৰ বাটত দুখৰ কুঁৱলিয়ে
ধৰিছে বাট আগচি।
সপোনৰ দিঠক বৰফৰ টুকুৰা
চকুৰ নিজৰা হৈ,
হৃদয়ৰ পাহাৰে কান্দিছে সঘনে
দুচকুত বোঁৱতি নৈ।
জিলিকি আছিলা মনৰ আকাশত
নীল আকাশৰ জোনাকি হৈ,
অন্ধকাৰ আনি আকাশৰ বুকুত
হঠাতে গ'লা অস্ত হৈ।
নিঠৰুৱা আকাশে কান্দিছে অকলে
মনত জোনাকীৰ শোক লৈ,
আকাশৰ দুচকুত বৈছে সঘনে
মেঘ- বৰষুণৰ টোপাল হৈ।
□□□

# অতীতৰ স্মৃতি

দুলাল হক
স্নাতক তৃতীয় ষাণ্মাসিক

আজি মনত পৰে অতীতৰ সেই
হেৰাই যোৱা দিনবোৰ
অতীতৰ সেই সোণালী সপোনবোৰ
অচিন মৰুৰ বুকুত মৰীচিকা বিচাৰি
ক'ত জনক লগ পালোঁ!
ক'ত জনক হেৰুৱালোঁ!
কিন্তু কিনো হৈ গ'ল মোৰ হৃদয়ত
সকলো স্মৃতিৰ দাপোণ হৈ ৰ'ল
আজিও মনত পৰে অতীতৰ সেই
ল'ৰা-ধেমালি,
যিবোৰে থৈ গ'ল মোৰ হৃদয়ত
এক আনন্দভৰা ৰ'দালি।
কিন্ত আজি কঠোৰ বাস্তৱৰ হেঁচাত
মই হেৰাই গৈছো
কোনোবা অজান দেশত।
কিন্তু মোৰ দেশৰ প্ৰতি আজিও
আছে অশেষ ভালপোৱা
মোৰ হৃদয়ত এতিয়াও আছে
অতীতৰ স্মৃতি বাখৰুৱা।
❑❑❑









# সেউজ সোণোৱালী পথাৰ

মহঃ ছফিকুল ইছলাম
প্ৰাক্তন ছাত্ৰ

সেউজ সোণোৱালী পথাৰ
পকাধানেৰে উপচি পৰে
ৰাতিপুৱাৰ সময়ত দাৱনীবিলাকে
বাট মুকলি কৰি পথাৰলৈ যাত্ৰা কৰে।
কাতি মাহত কুঁৱলি পৰে
আঘোনত পকে ধান
ডেকা-গাভৰু, জীয়াৰী-বোৱাৰীৰ
ধান ছপোৱাই কাম।
সোণোৱালী পথাৰত ধান দাই থকা
কাঁচিৰ শব্দই কাণত খুন্দা মাৰে
তাৰ মাজতে ডেকাই গাভৰুক
প্ৰেম নিবেদন কৰে।
ধান ছপোৱা শেষ কৰি আমি
আৰ্জি লম ভঁৰালত ধান
সদৌ শেষত সকলোৱে মিলিজুলি
ভোগালীৰ জলপান খাম।
❑❑❑



# ভাল পাওঁ

মুম্বিদা খাতুন
স্নাতক চতুৰ্থ ষাণ্মাসিক

ভাল পাওঁ মই মোৰ জন্মভূমিক
য'ত মই জনম ল'লো
ভাল পাওঁ মই মোৰ সেউজীয়া ধৰণীক
য'ত মই ডাঙৰ দীঘল হ'লো।
ভাল পাওঁ মই মোৰ পিতৃ-মাতৃক
যিয়ে মোক জনম দিলে।
ভাল পাওঁ মই মোৰ শিক্ষা গুৰুসকলক
যিয়ে মোৰ জ্ঞান চক্ষু মুকলি কৰিলে
ভাল পাওঁ মই মোৰ বিদ্যালয় খনিক
যিয়ে মোক জ্ঞানৰ পোহৰ দিয়ে।
ভাল পাওঁ মই চন্দ্ৰ-সূৰ্যক
যিয়ে আন্ধাৰ আঁতৰাই পোহৰ দিয়ে।
ভাল পাওঁ মই জিলিকি থকা তৰাবোৰ
যিয়ে আকাশত উমলি থাকে।
ভাল পাওঁ মই মোৰ সমনীয়া লগৰীয়াবোৰ
যাৰ স'তে পাৰ কৰো সোণোৱালী দিনবোৰ।
❑❑❑



# খাৰুপেটীয়া মহাবিদ্যালয়

ৰিংকুবালা দাস
স্নাতক চতুৰ্থ ষাণ্মাসিক

হে মোৰ মৰমৰ খাৰুপেটীয়া মহাবিদ্যালয়
শত সহস্ৰ প্ৰণামো তোমাক,
যুগে যুগে হোৱা তুমি
নিত্য নতুন জ্ঞানৰ আলয়।
ইয়াতেই লভিম বহুতো অভিজ্ঞতা
নতুন সমাজ আৰু মানৱতা
ভেদা-ভেদ পাহৰি সকলোৱে গাম
সংহতিৰ জয় গান।
তোমাৰ জ্যোতিৰে জ্যোতিষ্মান হৈ
গাওঁ মিলনৰ গীত
হে মোৰ মৰমৰ খাৰুপেটীয়া মহাবিদ্যালয়
শত সহস্ৰ প্ৰণামো তোমাক।
❑❑❑



# বাট

প্ৰণতি দত্ত
সহযোগী অধ্যাপিকা, দৰ্শন বিভাগ

ধূলিময় এটা বাট
অসংখ্য মানুহ অহা যোৱা তাত
কোনো ওজৰ-আপত্তি নোহোৱাকৈ
বাটটোৱে সহ্য কৰে
উপৰ্যুপৰি তাৰ বুকুত হোৱা
খোজৰ আঘাত।
বাটটো নিৰ্বিকাৰ
অলপ আক্ষেপ কৰিলেই
অবাটত হেৰাব ধৰে বাটৰ আঁত
ভ্ৰূক্ষেপ নকৰিলেই
তমসাত আচ্ছন্ন হয়
পূৰ্ণিমাত পানী তোলা ঘাট।।
□□□

# সোণবৰণীয়া সপোন (মা)

দিনেশ প্ৰসাদ
স্নাতক প্ৰথম ষাণ্মাসিক

মা, মই সোণবৰণীয়া সপোন দেখিছোঁ
কত চৰাই চিৰিকটিয়ে গান-গাই থাকে
সৰু-সৰু ল'ৰা-ছোৱালীয়ে
পথাৰত খেলি আছে।
মা, মই তোমাৰ লগত খেলি বৰ ভাল পাওঁ
তোমাৰ লগত মই, গীত গাই ভাল পাওঁ,
সোণবৰণীয়া আকাশত
তৰাবোৰে চিক্‌মিকাই থাকে।
গছ-গছনি চৰাইবোৰে গীত গাই আছে
সেউজীয়া পথাৰখন চাই বৰ ভাল লাগে
মা, মই তোমাৰ লগত খেলিবলৈও ভাল লাগে
মা, দিবানে তোমাৰ হৃদয়ৰ মৰমবোৰ।
তোমাক হেৰুৱাই মই কিদৰে জীয়াই থাকিম।
পাৰিম জানো থাকিব তোমাক এৰি
মা, দিবানে মোক তোমাৰ মৰমৰ সহাঁৰি!
মোৰ হৃদয়ে তোমাৰ লগত খেলিব বিচাৰে
মা দিবানে সঙ্গ তুমি?
□□□





# ঈশ্বৰৰ খেলা

হবিবুল আলম

হে প্ৰভু!
মইতো তোমাক আৰ্জুকৰা নাই
মোক মানৱ ৰূপে সৃষ্টি কৰিবলৈ।
সৃষ্টি কৰি আকৌ কিয়?
খেলা কৰা মোকলৈ।।
হে প্ৰভু!
মোক হয়তো জনম দিছা
দুখীয়া মাতৃৰ কোলাত
উপজা দিনৰ পৰাই দুখেই লগৰী মোৰ
দুখীয়াৰ নিৰলা পজাত।।
হে প্ৰভু!
তোমাৰ ইচ্ছা আনন্দ-উল্লাসে
কৰিলা মোক সৃষ্টি।
দয়া কৰি দিবা প্ৰভু
তোমাৰ ৰহমতৰ দৃষ্টি।
□□□

# নেদেখা নদীৰ সিপাৰে

অবিৰ আলী
চতুৰ্থ বৰ্গৰ কৰ্মচাৰী

বন্দী হওঁ আমি এই মায়াবী পৃথিৱীত
আজি তুমি মোহাচ্ছন্ন হে মানৱ,
কিয় এবাৰো ভবা নাই এই
ধৰণীত আমি যে নিতান্তই অস্থায়ী
এই ধৰা এৰি আমি যিদিনা
যামগৈ জীৱন সামৰি
জীৱনৰ সিপাৰে থকা
অন্য এখন নেদেখা পৃথিৱীলৈ,
য'ত নাথাকিব কোনো আপোন প্ৰিয়জন
থাকিব মাথো অনুশোচনা, আৰু
ঘোৰ অমানিশা!! একাকিত্ব, কেৱল একাকিত্ব
জ্ঞানশূন্য হৈ আজিৰ উচ্চ শিক্ষিত জীৱ শ্ৰেষ্ঠ
মানৱে জলাঞ্জলি দিছে মানৱতাক,
ধৰ্মীয় সংকীৰ্ণতাৰ বিষবাষ্পৰে,
কলুষিত কৰিছে পৃথিৱীক।
কেৱল আপোন চিন্তাৰে মগ্ন হৈ
বিসৰ্জন দিছে জাতীয় চেতনাক।
হে মানৱ "জীৱন বৰ অনুপম'।।
বন্ধ হৃদয়ৰ দুৱাৰ আজি খুলি দিয়া
পান কৰা আজি অনুভৱৰ মদিৰা।
প্ৰেম-ভাতৃত্ববোধ সহনশীলতাৰে
পুনৰ গঢ়া এই বিধবস্ত পৃথিৱীক।
□□□

# আমাৰ গাঁও

জায়েদা খাতুন
স্নাতক প্ৰথম ষাণ্মাসিক



এইখন আমাৰ গাঁও
আমাৰ গাঁৱৰ গৰ্ব কৰি মৰিবলৈ যাওঁ!
আনে যদি ঘৃণা কৰে চ'ৰ চাপৰি বুলি,
নিজৰ কৰ্মৰে দেখুৱাই দিম।
আমি নহয় দুঃখী।
সেউজীয়া ধাননিৰে ভৰি পৰে দেখি
লোকে আহি কয় বোলে,
হাবি জংঘল বুলি।
আমি গাৱলীয়া কিন্তু নহয় দুঃখীয়া।
দোষী হ'লে মই দোষী
চৰ-চাপৰি হীৰা।।
বৰ্জন কৰিলে মোক কৰিবা।
চৰ-চাপৰিক অপমান নকৰিবা,
আমাৰ সৰ মাটিৰ দেহা
মাটিতেই হ'ব ক্ষয়।
দুদিনৰ সম্পত্তি লৈ দুভাগ কৰিছ এনেকৈ।।
দুঃখৰ সময়ত দুঃখী সুখৰ সময়ত সুখী
সকলোৰে মিলি জুলি,
কাম কৰো মন খুলি।।
সেইবাবেই আমি গাঁৱলীয়া,
কিন্তু নহওঁ দুঃখীয়া।।
নিজৰে গাঁৱৰ সন্মান ৰাখি
বৰণ কৰো চৰ-চাপৰি।
এবাৰ আহি ঘুৰি চাবা,
চৰ-চাপৰিৰ নিচিনা ঠাই নাপাব।।
চৰ-চাপৰিৰ মনোমোহা দৃশ্য দেখি
লিখিব পাৰিবা কবিতা।
যৌৱন কাল পাৰ হ'ব গমকে নাপাবা
সেইবাবেই আমি গাঁৱলীয়া।।
□□□



# চৰিত্ৰ

আজিজুন নেহাৰ আহমেদ
স্নাতক প্ৰথম ষাণ্মাসিক

সৎ চৰিত্ৰই মানৱৰ ব্ৰহ্মাস্ত্ৰ ভাই,
অসৎ লোকে কাৰো অন্তৰত নেপায় ঠাই।
আজীৱন কাল পৰিশ্ৰম কৰি চৰিত্ৰৱান হোৱা,
মহৎ লোকৰ সৎ আদৰ্শক অনুসৰণ কৰি যোৱা।
ওৰে জীৱনৰ ফল তুমি তিল-তিলকৈ লোৱা,
এক মূহুৰ্তৰ ভুলৰ বাবে ওৰে জীৱনৰ ফল হ'ব পাৰে ভুৱা।
সদায় থাকিবা সাবধানে তুমি কাৰো নকৰিবা ক্ষতি,
লোকৰ ক্ষতি কৰাত বিধাতাৰ আকৌ উঠে খং অতি।
বিধিৰ কোপ দৃষ্টি পৰে যদি ওপৰত তোমাৰ
জীৱনযোৱা সাধনা তোমাৰ সকলো হ'বগৈ অসাৰ।
কেতিয়াও তুমি লোভ নকৰিবা লোকৰ ধনত,
এনে কৰিলে নেপাবা শান্তি তোমাৰ মনত।
পৰিশ্ৰম কৰি উপাৰ্জন যদিহে কৰা ধন,
টোপনিৰ অৱস্থাতো চাবা শান্ত থাকিব মন।
পৰনিন্দা পৰচৰ্চা নকৰিবা কেতিয়াও তুমি,
এনে কৰিলে স্বৰ্গপুৰী ভুলতো চাব নোৱাৰিবা জুমি।
সৃষ্টিৰ স্ৰষ্টা সকলো জীৱক কৰা অপাৰ প্ৰেম,
তেতিয়াহে গুচিব তোমাৰ সকলো প্ৰকাৰৰ ভেম।
সকলো জীৱই যদি তোমাৰ বাবে কৰে প্ৰাৰ্থনা,
ইতৰ প্ৰাণীৰ আশীৰ্বাদত প্ৰভুৱে কৰিব।
তোমাক মাৰ্জনা।
□□□



# মা

গোলনেহাৰ ৰেজিনা
স্নাতক ষষ্ঠ ষাণ্মাসিক

মা, মা আপোন মোৰ মা
মা নহ'লে এই পৃথিৱীত
কোনেনো দিব সুখৰ ছাঁ।
মা মোৰ হৃদয়ৰ দাপোন
কিয়নো, মা যে সবাতোকৈ আপোন।
যাৰ বাবে দেখিলো পৃথিৱী
তেওঁক জনাওঁ মই সহস্ৰ মিনতি।
মাৰ কোলাৰ শীতল পৰশ পাই
থাকিব বিচাৰো ওৰেটো জীৱন জুৰাই।
জীৱনৰ অন্তিম বেলাতো আই
পাম নে অকণমান কোলাত ঠাই
তোমাৰ চেনেহী কোলাত
মৰাৰ পিছতো যেন আই
আমাৰ মাজত থাকা জীয়াই।
❑❑❑



# অচিনাকি-চিনাকি

শ্বহিদুল আলম
স্নাতক প্ৰথম ষাণ্মাসিক

অচিন ঠাই অচিনাকি মানুহ
অথচ সকলো আপোন।।
কেনেকৈ বাৰু অচিনাকি চিনাকি হৈ পৰে?
মনৰ ভালপোৱা, বিশ্বাস দায়িত্ববোধ
নে হৃদয়ৰ বিশালতা, কোমলতা।।
সকলো বিলাই বিলাই
ভাগৰি নপৰা সত্বাঃ
'যিমানে বিলাবা সিমানেই মহান হ'বা'
জ্ঞানীলোকে কয়-
মহীয়ান হোৱাটো আচলতে
নহয় লক্ষ্য-
তথাপিও চাওঁতে চাওঁতে
সময় বলুকাত ক'ব নোৱাৰাকৈয়ে
সাঁচ বহি যায় জীৱনৰ
আপোন হৈ পৰে সকলো
বিশ্বাস কৰিবৰ মন যায় সকলোকে
তেনে অচিনজনে হৈ পৰে
বুকুৰ কুটুম
যদিওবা ঘাত প্ৰতিঘাতে
ক্ষত-বিক্ষত কৰে হৃদয়
তথাপিও আপোন সকলো।
—





# স্মৃতি

আমেনা খাতুন
স্নাতক তৃতীয় ষাণ্মাসিক

পল পলকৈ নামি আহে জীৱনত
জোকাৰি যায় জীৱনৰপ্ৰতিটো মুহূৰ্তক
বহুৰঙী স্মৃতি বোৱক।
ঘন ঘন উশাহ নিশাহে
অতীতৰ স্মৃতি আনে কঢ়িয়াই।
উজলিত আলোকিত সমুখ প্ৰাঙ্গন
বিস্মৃতিৰ গৰাহত নঘটে তাৰ পতন।
অশ্ৰুময় কৰুণ কাহিনীৰ দৃশ্য
জীপাল কৰি ৰাখে বহু ৰহস্য।
মই মানৱ, নহঁও দানৱ
স্ৰজোতাই স্ৰজিছে মোক মানৱ কৰি
অশ্ৰুৰ নৈত মোৰ স্মৃতিৰ সাঁতোৰ
কেতিয়াবা উজনি কেতিয়াবা ভটিয়নি
জীৱন নদীও বৈ থাকে নৰয় থমকি।
❑❑❑

# জীৱনৰ নীতি

ৰাজু লাহা
স্নাতক পঞ্চম ষাণ্মাসিক

কথা দি কথা নাৰাখে যি
বিশ্বাসৰ পাত্ৰ হ'ব নোৱাৰে সি,
সুখৰ কথাৰে পাৰি জগত জিনিব
কামৰ বেলিকাহে তাৰ প্ৰমাণ হ'ব।
মৌৰ লোভত মাখি মৰে
জিভাৰ কাৰণে বিপদত পৰে
নিন্দিলে ভুঞ্জিব লাগে তাত ভুল নাই
লোকক ঠগাব খুজিলে নিজে ঠগ খাই
জোৰ-জুলুম কিন্তু পথ বিপদৰ
কৰ্মৰে প্ৰাপ্য আদায় কৰা জীৱনৰ
সৰু-বৰ নিবিচাৰি কাম কৰি যাবা
আশাকৰা ফল তেতিয়াহে পাবা
লোভে কিন্তু বিপদ মাতে
কথাটো যেন মনত থাকে,
আনৰ বিশ্বাস হেৰুৱালে বিপদ আহে জানিবা।
সত্যবাদিতাৰে জীৱন গঢ়িবা।
❑❑❑



# মোৰ মন যায়

চামচুল হক
স্নাতক ষষ্ঠ ষাণ্মাসিক

মোৰ মন যায় পখিলা হবলৈ
পুলকিত পাখিৰে উৰি-উৰি
উলাহত নাচি-বাগি ফুৰিবলৈ।
মোৰ মন যায় চৰাই হ'বলৈ
মন-হৃদয় দিয়া প্ৰেয়সীৰ প্ৰেমবাৰ্তা
সমগ্ৰ বিশ্বত বিলাবলৈ।।
মোৰ মন যায় তৰা হবলৈ
আইতাকৰ কোলাত বহি সাধু শুনা
নাতিয়েকক প্ৰশান্তি বিলাবলৈ।
মোৰ মন যায় নাৱৰীয়া হবলৈ
নিজান নদীৰ সোঁতত নাওঁ এৰি
বিশাল পৃথিৱী ভ্ৰমন কৰিবলৈ।।
মোৰ মন যায় সাগৰ হ'বলৈ,
মানৱ মনৰ দুংখ-দুৰ্দশা আৰ্তনাদবোৰ
মোৰ গভীৰ বুকুত জমা কৰি ৰাখিবলৈ।
মোৰ মন যায় মহান কবি হবলৈ
কবিতাৰ জৰিয়তে শান্তি প্ৰিয় সমাজ
প্ৰতিষ্ঠাপনাৰ অনুপ্ৰেৰণা যোগাবলৈ।।
□□□



# সমাজ

নাছিমা হাছান
স্নাতক পঞ্চম ষাণ্মাসিক

আমি গঢ়িৰ লাগিব এখন শ্ৰেষ্ঠ সমাজ
আমি সকলোৱে মিলি জুলি
কু-সংস্কাৰ অন্ধবিশ্বাস আঁতৰাই
আমি গঢ়িব লাগিব এখন সুন্দৰ সমাজ।
য'ত এখন ফুলাম গামোচাৰ চানেকিৰ দৰে
চেনেহৰ শিকলিৰে বান্ধিম আমি সকলোকে
আঁতৰাব লাগিব ভণ্ডামি, ধৰ্ষন, ডাইনী, ভ্ৰূণ হত্যা।
দিব লাগিব আমাৰ সমাজত নাৰীক সুৰক্ষা।
সমাজসেৱাৰ বাবে আমি গঢ়িবই লাগিব।।
সমাজ সেৱা আমাৰেই কৰ্তব্য।
নাৰীক কৰা শ্ৰদ্ধা আমাৰ দায়িত্ব।
আমি সমাজখন গঢ়িবই লাগিব
এলান্ধু আঁতৰাই হিংসা দ্বেষ দলিয়াই
নিকা পানী চটিয়াব লাগিব।
□□□





# হে চিৰ সেউজীয়া সেউজ

মমি আখতাৰা
তৃতীয় ষাণ্মাসিক

হে চিৰ সেউজীয়া সেউজ
তোমাৰ কৰুণ মায়া লিখিছোঁ
তোমাৰ জীৱন যে ভগৱানক দান।
হে চিৰ সেউজীয়া সেউজ
তুমি শ্যামলা প্ৰকৃতিৰ
তুমিয়ে মানব আত্মাৰ
জীৱৰ জীৱনৰ দান।
তোমাৰ কোঁহে কোঁহে
প্ৰতি ভাজে-ভাজে
তোমাৰ বুকুৰ মাজে মাজে
ফুলিছে ৰঙৰ মেলা
তোমাৰ চিত্ৰত মগ্ন মই
সৌন্দৰ্যই তোমাৰ ৰং।
উশাহ নিষিদ্ধ হৈ মৃত্যুক সাৱতি
জীৱনক ৰক্ষা কৰা তুমি
ঋতুৱে ঋতুৱে মোহনীয়া ৰূপ লোৱা
শৰৎ বসন্তত প্ৰস্ফুটিত কুসুমৰ লীলা।
তোমাক ছায়াত কৃষিৰ মেলা,
হে চিৰ সেউজীয়া সেউজ
চিৰ বিনন্দীয়া প্ৰকৃতিৰ
তুমিয়ে মানৱ গঢ়ি তোলা
সৃষ্টিৰ খেলা।
সেউজীয়া বুকুত
তোমাৰ আবেগৰ
এটি মাত্ৰ মানৱ মই।
□□□

# খবৰ

ড০ আছমানআৰা বেগম

খবৰটো কিছুদিনৰ বাবে
খবৰ হৈ ৰ'ল,
একেটি খবৰতেই
হৃদয় ফুলনি মোৰ
থিতাতে লেৰেলি গ'ল।
❑❑❑

# দূৰ স্বৰ্গত

ইয়াছমিন চুলতানা
দ্বিতীয় ষাণ্মাসিক



জন্মিছো যেতিয়া আমি মৰিম এদিন
পাহৰি যাম আমি পৃথিৱীখন সিদিনা
অকলে থাকিমগৈ আমি ক'ৰবাত পৰি
আমাক নিদিয়ে কোনেও তাত অকনো সহাঁৰি।
কোনো আপোন আমাৰ নাথাকে কাষত,
কোনো বন্ধু নাথাকে তাত আমাৰ লগত
তাতগৈ হৈ যাব সকলো একাকাৰ
নেচায় কোনেও কাকো
দেহা থাকিব মাটিত পৰি,
আত্মা থাকিব আমাৰ ওপৰত ঘুৰি-ফুৰি।
সেই জগতখন যে কিমান আচৰিত
আগবাঢ়ি নাহিব কোনো তাত তোমাৰ সহাঁৰিত
সহাঁৰি দিব তোমাক মাত্ৰ এজন অজানে
এদিন সৃষ্টি কৰিছিল তোমাক যিজনে
যদি তুমি বিচৰা সেই নিৰাকাৰৰ সহাঁৰি,
কৰিবা সৎ কাম তেওঁৰ নিৰ্দেশ অনুসৰি
যি ভাল জানা তুমি আনক শিকাবা,
তেতিয়াহে মালিকৰ সহাঁৰি পাবা।
যদি কৰা ভাল কাম এই জগতত
ঠাই পাবা তুমি নিশ্চয় সেই দূৰ স্বৰ্গত।
❑❑❑



# এতিয়া হাঁহি নোলায়

আৰজুমা বেগম
দ্বিতীয় ষাণ্মাসিক

আইক সুধিছিলো
জন্ম লৈ কান্দিছিলো নে হাঁহিছিলো
আজিলৈকে কোনো উত্তৰ নাপালো
হয়তো হাঁহিছিলো,
সেই বাবে এতিয়া কান্দিছো
হাঁহি এতিয়া নোলায়, কাৰো নোলায়
হাঁহি মৰি গ'ল
চাৰিওপিনে কেৱল কান্দোনৰ ৰোল
বজাৰত জুই চাই দাম
চকুপানী বৈ যায়
টকা থাকিলে পঢ়িব পাৰি
পাছ কৰিও হয় যে বেকাৰ
দুৰ্ঘটনা অপহৰণ বাঢ়িয়ে আছে
হাঁহিবলৈ মানুহে পাহৰি পেলাইছে
কাৰোবাৰ ছোৱালী যৌতুকৰ বলি
কোনোবা নাৰী ধৰ্ষণৰ বলি
কেনেকৈ ওলাব হাঁহি
তথাপি জীয়াই আছো
হাঁহি হাঁহি জীৱন কটাইছো
সেয়েহে ভাবিছো
জন্ম লৈয়েতো কান্দিছিলো
হয়তো আগলৈ হাঁহিম
বাকী জীৱনটো সুখতে থাকিম।
❑❑❑



# মানুহ

জাহিদা বেগম
স্নাতক প্ৰথম ষাণ্মাসিক

মানুহ, মানুহ হৈ থকা নাই।
সভ্য জগতৰ অসভ্য মুখা পিন্ধি
মানুহে মানুহক গিলিব ধৰিছে।
ধৰ্মৰ নামত, ভাষাৰ নামত, ঠাইৰ নামত
ইমানেই অত্যাচাৰ, ইমানেই নিৰ্যাতন
অবুজ শিশুবোৰেও হাত সাৰিব পৰা নাই।
পৰিৱৰ্তনৰ নামত অসভ্যমুখা পিন্ধি, চকী
দখল কৰি নিজৰ অসভ্যালি বাস্তৱত
ৰূপায়িত কৰাৰ এতিয়া
প্ৰতিযোগিতা।
কিয়যে এনে নিৰ্যাতন, যন্ত্ৰণা, একমাত্ৰ
বিশেষ শ্ৰেণীৰ প্ৰাণীৰ ওপৰত?
নাইনে অকনো অন্তৰত চেনেহৰ
এটোপাল তেজ
নিৰিহ নিচলাৰ বাবে।
এয়াওতো মানুহ সেয়াওতো মানুহ।
❑❑❑



# শ্ৰদ্ধাৰ শিক্ষক

অজুফা বেগম
চতুৰ্থ ষাণ্মাসিক

সততাৰ ভাষাৰে মৰমৰ জৰীৰে
পোহৰৰ ফিৰিঙতি বিলায়
গুৰু সৱক হৃদয়ঙ্গম কৰিবলৈ
ঈশ্বৰে আমাক প্ৰেৰণা যোগায়
দেশ আৰু দহৰ প্ৰগতিৰ বাবে
যিজনে আমাক উৎসাহ যোগায়
সমাজৰ ঝাড়ুদাৰ হৈ নিকা কৰিবলৈ
নিজেও আত্ম সমৰ্পন কৰায়।
শান্তি প্ৰিয় শিক্ষক সমাজ
অতি চেনেহৰ
জীৱন পথৰ নিপুনতা গঢ়ে মানুহৰ
আমি সৱে গুৰু জনাৰ ওচৰত
চিৰ ঋণী
যুগে যুগে পাতিম মৰম শ্ৰদ্ধাৰ সভা সৌৰৱণী।
❑❑❑

# বিসৰ্জন

ছেলিম আক্তাৰ
প্ৰথম ষাণ্মাসিক

পৃথিৱীখনক তেজেৰে ৰাঙলী কৰি,
আকাশখন বাৰুদেৰে ধোৱাময় কৰি,
তোমালোকে দিছাহি
নতুন প্ৰজন্মক মৃত্যুলৈ ঠেলি।
হেৰা সন্ত্ৰাসবাদী
কাৰ বিৰুদ্ধে তোমাৰ এই যুঁজ
কাক দিব খুজিছা
তুমি এইদৰে দুখ
হেৰা সন্ত্ৰাসবাদী,
তোমাক মই কৰিছো মিনতি
দিয়া এই অস্ত্ৰবোৰ বিসৰ্জন।
ওভতি আহা মূল সুঁতিলৈ
সঁচাকৈয়ে আঁতৰ হ'ব সমাজৰ বিলৈ।
❑❑❑



# জানানে দেউতা

চুৰ ভানো
স্নাতক তৃতীয় ষাণ্মাসিক



আজিও ক্ষোভৰ জ্বলন্ত আগ্নেয়গিৰিটো
মোৰ ভগা কলিজাত
আবেগ অনুভৱহীন তৰাং নদীত
চট্‌ফটাই আছে।
একোকে কৰিব নোৱাৰিলো দেউতা
তোমাৰ বাবে
ধৰি ৰাখিব নোৱাৰিলো তোমাক
আমাৰ মাজত।
বৰ সন্তৰ্পনে নিষ্ঠুৰ বাস্তৱে
তিলে তিলে শুহি নিলে
তোমাৰ সমস্ত মন প্ৰাণ
আৰু তুমি নীৰবে কৰুণ অসহায়তাৰে
ঘাম আৰু চকুলোৰ ইতিহাস সামৰি
অচিন ঘৰৰ আলহী হ'বলৈ গলা গৈ গুছি।
সেই তেতিয়াৰে পৰা
নামহীন বিষাদৰ আঁউসী অনুভৱে
নিৰন্তৰে লিখি গৈছে ভীতিগ্ৰস্ত সময়ৰ দিনলিপি
বুকুত ক'ব নোৱাৰাকৈ বাঢ়ি আহিছে
কাঁইটীয়া মৰুভূমি।
আচলতে সিদিনাই মোৰ মৃত্যু ঘটিছিল
নিঃশেষ শূন্যতাৰ বুকুত
যিদিনা আচাৰ খাই পৰিছিল
পৃথিৱীৰ সমস্ত বিশালতা
জানানে দেউতা?
মই মাথোঁ কঢ়িয়াই লৈ ফুৰিছোঁ
মোৰ মৃত শৰীৰটো।
❑❑❑

# যন্ত্ৰ মানৱ

ছায়েদুৰ ৰহমান
স্নাতক তৃতীয় ষাণ্মাসিক

এই যান্ত্ৰিক জগতৰ
মানৱ অৰণ্যত
মই বৰ অকলশৰীয়া
অনুভৱ কৰিছো।
কিয় জানো সকলো পাইও
মনটো সুখী নহয়,
কিবা যেন এক শূন্যতাই
বাস কৰিছে মোৰ হৃদয়ত।
নানা সমস্যা,
অলেখ দুখ মোৰ লগৰীয়া
মই যান্ত্ৰিক জগতৰ
মানৱ অৰণ্যত
হেৰাই গৈছো
মানৱ অৰণ্যত মই
হেৰাই গৈছো ক্ৰমান্বয়ে।
❑❑❑

# বসন্তৰ গীত

তমজিদা বেগম
একাদশ শ্ৰেণী

মোৰ পদুলিৰ বকুল জোপাত
কিহৰে ৰাগিনী লাগে,
কিনো বিৰহত কলিজা কঁপাই
যৌৱন সপোন ভাগে।
শীতৰে সেমেকা ফাগুনে খেদিলে
বসন্তই সজালে গা,
তোকে ঐ ভাবোতে বিহুটি আহিলে
আহঁতত লাগিলে বা।
মোৰে সোণ চেনাই ধন ঐ
যৌৱনৰ চকুৰে চা।।
বিহুটি আহিলে ৰমকে জমকে
গছেও সলালে পাত,
চেনাইৰে মুখলৈ চাবকে নোৱাৰি
ততে নাইকিয়া গাত।
মোৰে সোণ চেনাই ধন ঐ
দিবিনে এবাৰি মাত।
মৌ সনা মাতেৰে
এবাৰ মোক মাতিবি
দেহা মোৰ পৰিব শাত।
□□□



# ব’হাগ

জাকিয়া পাৰবিন
স্নাতক চতুৰ্থ ষাণ্মাসিক

ব’হাগ তুমি কিয় আহিলা
বুকুত মৰম লৈ,
আজিৰ অসমীয়াৰ সময় যে নাই
তোমাক আদৰিবলৈ।
তুমিতো নাজানা অসমত আজি
মানুহৰ শান্তি নাই,
আগৰ দৰে সোণৰ অসমত
অনৈক্যৰ মাজতো ঐক্য নাই।
কাকূতি কৰিছোঁ মিনতি কৰিছোঁ
আহিবা তুমি অহা বাটেৰেই উভতি
দুখৰ চকুলো টুকি অভিমান এৰি
আইৰো মুখনি উঠিব উজলি।
তুমি আমাক পাবানে চিনি
নাপালেও চিনি মাতিম আমি
দিবানে আমাক সঁহাৰি
ৰঙালী বহাগী।
□□□





# যুগে স্মৰণ কৰিব তোমাক

মইফুল ইয়াচমিন সৰকাৰ
প্ৰাক্তন ছাত্ৰী

তোমাৰ হাতৰ চাকিৰ পোহৰে
সহস্ৰ জনতাৰ গৃহ আলোকিত হল,
নৱ-প্ৰজন্মই গাব তোমাৰে জয়গান।
পিছে চাকিৰ তলৰ মাটিৰ মানুহ
যাক দিলা নব্য জীৱনৰ পুষ্প মেলা,
পদে পদে কৰে তোমাকে হেলা।
তোমাৰ নৱসৃষ্টি জ্ঞানৰ পোহৰে
সাক্ষ্য দিব আকাশে-বতাহে,
যুগে সুঁৱৰি গাব তোমাৰে জয়গান।
পিছে তুমি ৰোৱা বট বৃক্ষৰ ছাঁত
অমৃত পান কৰি আকেঁ জীৱন লীলা,
কণ্ঠ ৰুদ্ধ কৰে তোমাৰ নামৰে বেলা।
তোমাৰ কলিজাৰ শোণিতে ৰচা সপোন
কালজয়ী হৈ ৰ’ব জগতৰ ইমূৰে সিমূৰে,
নিঠুৰ মানৱে নাজানে গুণীৰ মান।
যুগে স্মৰণ কৰিব তোমাৰ প্ৰতিদান।।
□□□

# সপোনৰ পখী

আয়ুব আলী
স্নাতক চতুৰ্থ ষাণ্মাসিক

হে মোৰ সপোনৰ পখী
মোৰ জীৱনলৈ আহিবানে তুমি
জীৱন বৈ আছে তোমাক পাবলৈ
বুকুভৰা মৰম তোমাক দিবলৈ।
হে মোৰ সপোনৰ পখী
সপোন দেখো জানানে তুমি
মাজনিশা মোৰ কাষত যে তুমি
আহিছিলা বতাহৰ লগত টো খেলি
কঢ়িয়াই আনিছিলা বুকুভৰা আশাখিনি
হে মোৰ সপোনৰ পখী।
কিমান ধুনীয়া যে তোমাৰ চকুযুৰি
তাৰণো তুলনা দিম মই কেনেকৈ,
নীল আকাশৰ তলত বহি তোমাক অপেক্ষা কৰি
নাযাওঁ টোপনি নাহে টোপনি
তোমাৰ কথা ভাবি,
হে মোৰ সপোনৰ পখী।
সপোনত আহি মনে মনে কৰিছা আমনি
বাটে-ঘাটে য’তে যাওঁ তোমাৰ কথা ভাবি
জীয়াই আছো আশা কৰি
তোমাকেই অপেক্ষা কৰি
হ’বানে তুমি মোৰ জীৱনৰ লগৰী?
হে মোৰ সপোনৰ পখী।
□□□

# মোৰ মন যায়

ফাতিমা খাতুন

মোৰ মন যায় চৰাই হ'বলৈ
চৰাই হৈ আকাশত উৰিবলৈ
মোৰ মন যায় পখিলা হ'বলৈ।
পখিলা হৈ ফুলৰ বাগিচাত ওমলিবলৈ।
মোৰ মন যায় ভোমোৰা হ'বলৈ
ফুলৰ বাগিচাত গুণ গুণাই গান গাবলৈ।
মোৰ মন যায় শিক্ষক হ'বলৈ
শিক্ষক হৈ ছাত্ৰ ছাত্ৰীক বুজাবলৈ।
মোৰ মন যায় তৰা হ'বলৈ
ৰাতিৰ আকাশত জিলিকি থাকিবলৈ
মোৰ মন যায় চন্দ্ৰ হ'বলৈ
জোনাক ৰাতিত পোহৰ বিলাবলৈ
মোৰ মন যায় সূৰ্য হ'বলৈ
দিনৰ পৃথিৱীক ৰ'দালি কৰিবলৈ
মোৰ মন যায় সকলোকে শান্তি বিলাবলৈ
মৰমেৰে সকলোকে আবৰি ৰাখিবলৈ।
□□□



# বিহু

নাছিৰ উদ্দিন
স্নাতক দ্বিতীয় ষাণ্মাসিক

চ'তৰ শেষত খৰাং বতৰ
শুকান পাতবোৰ গছকিয়েই
তোমালৈ মনত পৰিল,
বিহু.............।
কুলি চৰাই বোৰে
কুউ কুউ কৰিছে
গছৰ পাত বোৰে নতুন সাজেৰে
প্ৰকৃতিক আকোঁৱালি ধৰিছে।
অসমৰ চুকে- কোনে
ঢোল পেপা বাজিছে
নাচনীৰ মনবোৰো
ৰাই-জাই কৰিছে
মোৰোযে মনত বিহু-বিহু লাগিছে।
□□□





# ভূপেন দা

ছাইদা নাছৰিণ চুৰিয়া আহমেদ
স্নাতক দ্বিতীয় ষাণ্মাসিক

সুধাকণ্ঠ ভূপেন দা
গ'লাগৈ শান্তিৰ মেঘৰ দেশলৈ
ঘূৰি আহা আকৌ
আমাক জগাবলৈ।
বৰ লুইতৰ চিকুণ পানীত
তোমাৰ প্ৰতিবিম্ব উঠে
অসমীয়াৰ মুখত তোমাৰ গীত
আজিওঁ বৈ-বৈ বাজে।
তুমি এটি আকাশৰ তৰা হে
সদায় জিলিকি থাকা
সুধাকণ্ঠ ভূপেন দা তুমি
অসমীয়াৰ বুকুলৈ
আকৌ এবাৰ ঘূৰি আহা।
□□□

# মোৰ মন যায়

ওৱাহিদা নুৰী
স্নাতক দ্বিতীয় ষাণ্মাসিক

মোৰ মন যায়
মানৱৰ ওপৰত গঢ়ি উঠা
অত্যাচাৰ ব্যভিচাৰ ৰোধ কৰাৰ।
মোৰ মন যায়
মাজনিশাৰ বন্দুকৰ গুৰুম গুৰুম
শব্দবোৰ নাশ কৰাৰ।
মোৰ মন যায়
মানৱৰ ওপৰত ধুমুহাৰ দৰে আগমন
হোৱা ৰোগ প্ৰতিৰোধ কৰাৰ।
মোৰ মন যায়
দেশৰ মানব সম্পদৰ দুৱাৰ দলিত থিয় দিয়াৰ
মোৰ মন যায়
সমাজৰ তুলনা মূলক নিম্নগামী গতিবিধক ৰোধ কৰাৰ
ময়েই কৰিব লাগিব
গোলকীয় উষ্ণতাৰ দৰে পৰিবেশ প্ৰদূষণৰ নিৰাময়।
ময়েই বিচাৰিব লাগিব
কলুষিত সমাজৰ সুস্থ আৰু উন্নয়নৰ বাটৰ সন্ধান।
□□□

# দুৰ্ভগীয়াৰ মালিতা

ছামিনা ইয়াছমিন
স্নাতক পঞ্চম ষাণ্মাসিক



দৰিদ্ৰতাই কৰিছে বিৰাজ
আমাৰ এই দুখীয়া পজাত
দিন-ৰাতি বাগৰি যোৱা
মাটি কোৰা শেষ হোৱা,
দোকানৰ বাকী বাঢ়ি যোৱা
শেষ হ'ল সকলো।
ৰ'ল মাথোঁ মৰমৰ এনাজৰীডাল
এফালে আই নৰিয়াত
আনফালে আৰ্থিক অনাটন
এতিয়া উপায়হীন মই
উপায়হীন মোৰ ভাই-ককাই।
একোকে নাখাই দেউতায়ো আইৰ চিন্তাত।
এফালে মোৰো বহুদিনৰ আশা
আশাবোৰ আশা হৈয়ে ৰ'ল
কলেজলৈ যোৱাও বন্ধ হৈ গ'ল
কি কৰো কেনেকৈ পঢ়ো?
সময় বোৰ উকলি গ'ল
Universityৰ আশাৰ বেলিটো
সময় আৰু আৰ্থিক দুৰৱস্থাই
কোনোবা অন্ধকাৰত ডুবাই দিলে
দোষিব খোজো সেই স্বাৰ্থপৰ শ্ৰেণীক
যিসকলে আমাক মানুহ বুলিয়েই গণ্য নকৰে
নিজৰ বিলাসীতাত সদায় ব্যস্ত থাকে।

আজি ছমাহ মা পৰি আছে সুদূৰ সিপাৰত
এখন চৰকাৰী হস্পিতালত
নাই কোনো আমাৰ খবৰ ল'বলৈ
নাই কোনো আমাক সহায় কৰিবলৈ
নিবিচাৰো কাৰো সহায় আমি
বিচাৰো অলপ আশীৰ্বাদ
যাতে সেই আশীৰ্বাদত
উভতাই পাওঁ মই মোৰ মাক
উভতাই পাওঁ মোৰ Universityত পঢ়াৰ আশা
উভতাই পাওঁ দেউতাৰ মুখত সেই পুৰণি হাঁহিটো।
❑❑❑



# অভিশপ্ত শনিবাৰ

আছকৰ ত
স্নাতক তৃতীয় ষাণ্মা



দেউতা অ' দৰ্জাখন খোলানা
আমি ডুবি যাম এতিয়া।
ভন্টি দ্ৰাইভাৰ ভাইক ফোন কৰা না
হেল্লো দাদা, আমি পানীত পৰিছো
বছোৱা দাদা বছোৱা দাদা। অ' দেউতা
শুনিছানে নাই আমাক নিয়তিৰ ঘৰলৈ
যে নি আছা। কোন আছে। আমি মৰিম এতিয়া
প্লিজ বছোৱা আমাক প্লিজ..... প্লিজ
কোনোবা এজন আহিছে ভন্টি
আমি হয়তো নাবাচিম
ভন্টি, ক্ৰমান্বয়ে যে নেদেখা হৈ পৰিছে সেউজীয়া দুয়ো পাৰ
অ' মা, অ' ভন্টি অ' বা কি হ'ব আমাৰ এতিয়া!
এই মুহূৰ্তত পৃথিৱীৰ পোহৰ আমাৰ বাবে এক অচিনাকি খব
মনত পৰিছে জীৱনৰ প্ৰতিটো পল
সকলো সপোন থান-বান হ'ল ঘোলা পানীৰ মাজত।
মৃত্যুৰ দুৱাৰত।
পাঁচোজনৰ কৰুণ কাতৰ ভগৱানে নুশুনিলে এবাৰ
গুৱাহাটীৰ পৰা যাত্ৰা বহুটো আশা দেউতাৰ
পুৰণি আশা।
এতিয়া নদীৰ গভীৰ তলিত আমাক বিচাৰি
ক'তজনে কৰিছে চলাথ
নৱৈ ঘন্টাৰ পাছত পালে আমাৰ ঠিকনা
অন্ত পৰিল এক অন্তহীন অপেক্ষাৰ
হেজাৰ হেজাৰ জনতা অপেক্ষাৰে আছে আমাৰ
অন্তিম যাত্ৰাৰ সহযাত্ৰী হ'বলৈ।
আমাৰ বাবে চাই ন'ৰবি
জয়া নগৰত কাহানিও লগ নাপাবি
ক'লেজ গেটতো অপেক্ষা নকৰিবি

কাৰোবাৰ ওচৰত sorry বুলি
ক'বলৈও যে সময় নাপালো
সপোনবোৰ সপোন হৈয়ে ৰ'ল
মাটিৰ মানুহ মাটিতেই বিলিন হ'বৰ হ'ল।
হে পৃথিৱী বাসী কি দিবা আমাক
নিবিচাৰো আৰু একোকে
মাথো বিচাৰো আত্মাৰ চিৰশান্তি।
❑❑❑

# গোলাপ ফুল

নুৰুদ্দিন আহমেদ
স্নাতক ষষ্ঠ ষাণ্মাসিক

কিমান যে ধুনীয়া তোমাৰ সৌন্দৰ্য
তোমাক দেখিলেই লাগে মনত আনন্দ।
আজি চৌপাশে তোমাৰ সুগন্ধিত
মনমোৰ মতলীয়া।
কিয়নো জগতত লভিছিলা তুমি
গোলাপ ফুলৰ নাম লৈ,
দুদিনৰ পিছত সৰি যে পৰা
গছৰ তলত মৰহা পাপৰি হৈ
তুমিয়ে হ'লা বাগিছাৰ পোহৰ
কাইটতে জিলিকে প্ৰীতিৰ লহৰ
ভাবিছিলা তুমি নেকি
সকলোতকৈ ধুনীয়া বুলি
সেই বাবে জগতত আহি নাম পালা
ফুলৰ ৰাণী বুলি।
❑❑❑





# আই

মমতাজ বেগম
স্নাতক দ্বিতীয় ষাণ্মাসিক

আই তুমি বিনে মোৰ একোৱেই নাই
অ' মোৰ চেনেহী আই
এই বিশাল পৃথিৱীত
তুমি দিয়া বাট দেখুৱাই
নাযাবা এৰি থৈ মোক এই পৃথিৱীত
মই যে হ'ম অকলশৰীয়া অসহায়।
নহয় তুলনা কাৰোৰে লগত তোমাৰ
তুমি মোৰ দুচকুৰ জ্যোতি
দুখ-বেদনা পাহৰি যাওঁ মই
আই যদি কাষতে থাকা বহি।
❑❑❑





# আমাৰ মহাবিদ্যালয়

প্ৰতিমা দাস
স্নাতক দ্বিতীয় ষাণ্মাসিক

খাৰুপেটীয়া আমাৰ মহাবিদ্যালয়
শিক্ষাৰ আলয়
য'ত আছে আমাৰ মৰমৰ বন্ধু-বান্ধৱী
দেখো আমি জীৱনৰ সপোন
শিক্ষাৰ পোহৰতে গঢ়িম জীৱন
চিৰদিন কৰিম গৌৰৱ।
আমি সবে ভাই-ভনী মাহাবিদ্যালয় আমাৰ ঘৰ
উচ্চ-নীচ নাই, নাই জাতি-ধৰ্ম ভেদাভেদ
শিক্ষক-শিক্ষয়িত্ৰীৰ সু-চানেকিৰে লভিম জ্ঞান
দেশৰ উন্নতি আমিয়েই সাধিম
এয়াই আমাৰ পণ।
❑❑❑

# প্ৰশাসন

ছহিদুল ইছলাম
স্নাতক তৃতীয় ষাণ্মাসিক

সৰ্বসাধাৰণৰ মংগলৰ বাবে
জনাসাধাৰণৰ শাসনৰ বাবে
তুমি প্ৰশাসন
দুষ্টক দমন শান্তক পালন
তোমাৰ কৰ্ম,
মানৱতা তোমাৰ ধৰ্ম।
তোমাৰ কৰ্ম...
কৰিছা জানো জনতাক
সুপথে পৰিচালিত...?
চোৰ ডকাইত আৰু গুপ্তঘাতক
সমাজ সেৱা সমাজ সংস্কাৰবোৰক
সু-পথে পৰিচালিত কৰা
তোমাৰ কৰ্ম।
অপৰাধীক শাস্তি
নিৰপৰাধীক ন্যায় দান
এইটো তোমাৰ কৰ্ম
এইটোৱেই তোমাৰ ধৰ্ম।
তুমি নকৰিবা লোভ
মাফিয়াৰ লগত নকৰিবা লেন-দেন
নিদিবা তুমি অপৰাধীক মুক্তি
নিদিবা তুমি নিৰপৰাধীক শাস্তি
এয়াই তোমাৰ কৰ্ম, এয়াই তোমাৰ ধৰ্ম
ধন্য হওঁক তোমাৰ কৰ্ম
তুমিয়েই জনসাধাৰণৰ প্ৰশাসন
আমাৰ প্ৰশাসন।
❑❑❑

# মানুহ

মহিদুল ইছলাম
প্ৰাক্তন ছাত্ৰ



মানুহ দেখিছোঁ আজি বহুত মানুহ
কোনোবা কবি, কেনোবা সাহিত্যক,
কোনোবা প্ৰবন্ধকাৰ, কোনোবা নাট্যকাৰ,
আকৌ কোনোবা মুকুট বিহীন সংগীত সম্ৰাট।
এই সাহিত্য সভাৰ ৰভাৰ তলিত
ঔপন্যাসিক, কাব্যিক আৰু শ্বায়ৰিক
শত শত মানুহৰ ভিৰত আজি
সেই সৱ অভিব্যক্তিক দেখা নাই।
যাৰ প্ৰতিচ্ছবিত শংকৰ আজানৰ
গুন মুগ্ধ সৌৰভ প্ৰসাৰিত
আছে নে? কোনোবা বৰগীত জিকিৰৰ
পূজাৰী অসমৰ ভাষা সাহিত্যৰ।
মানুহ দেখিছো আজি বহুত মানুহ
যদিহে কোনোবা ৰাভা আৰু জ্যোতিৰদৰে
মহান আদৰ্শৰ দাতি দৰদী
দেশ আৰু সমাজৰ উন্নতিৰ কাণ্ডাৰী।
গান্ধী, আজাদ আৰু সুভাষৰ
গুনৰাজিৰে মহীয়ান মহীয়সী
যিয়ে দিলে জগতক স্বৰাজৰ অমৃত
পৰাধীনতাৰ কঠোৰ শিকলি ওফৰাই।
মানুহ দেখিছোঁ আজি বহুত মানুহ
কোনোবা শিশু, কোনোবা তৰুণ তৰুণী
কোনোবা নবীন, কোনোবা প্ৰবীন
কোনোবা আকৌ বহু প্ৰতিভাবান।
এনে মানুহএজন আজি দেখা নাই
যাৰ দৃষ্টি আৰু চিন্তাশক্তি উদাৰ
যিজন শোষণ আৰু উৎপীড়ন বিৰোধী
স্পষ্ট ভাষাৰ, অন্যায়ৰ প্ৰতিবাদী, শান্তিৰ দূত।
মানুহ দেখিছোঁ আজি বহুত মানুহ
ভদ্ৰতাৰ মুখা পৰিহিত ৰঙীন হাঁহিৰ
স্বাৰ্থত অন্ধ, দেহত দুষ্কাৰ্য্যৰ গোন্ধ
সেইজন প্ৰকৃততে মানুহৰূপী অদৃশ্য ভূত।
❑❑❑



# মহাবাহু ব্ৰহ্মপুত্ৰ

নাজিমুদ্দিন আহমেদ
স্নাতক পঞ্চম ষাণ্মাসিক

মহাবাহু ব্ৰহ্মপুত্ৰ
তুমি মহামিলনৰ তীৰ্থ
কৰিছা তুমি বহুযুগ পাৰ
ক্ষমতা তোমাৰ
অসীম অপাৰ
আবিৰ্ভাৱ হৈছা তুমি হিমালয়ৰ পৰা
অসমৰ বাবে তুমি আকাশৰ তৰা।
তোমাৰ বুকুতে চৰে বহু নাৱৰীয়া
দিনটোৱেই তুমি ভাটিলৈ নিয়া।
পূৱে শদিয়াৰ পৰা - পশ্চিমে ধুবুৰী লৈ
গৈছা তুমি লাহে লাহে বৈ!
নাম হৈছে তোমাৰ
ব্ৰহ্মপুত্ৰ নৈ।
জিলিকি উঠিছা অসমৰ হৈ
অসমত দিছে তোমাক
লুইত নামে নৈ।
লুইতৰে পানী যাবা অ' বৈ,
দেশে বিদেশে ফুৰিবা কৈ,
নাম হৈছে তোমাৰ
বহ্মপুত্ৰ নৈ.....।
❑❑❑



# দুখীয়াৰ ল'ৰা

নজৰুল ইছলাম
স্নাতক প্ৰথম ষাণ্মাসিক

দুখীয়া ঘৰত লভিলো জনম
বহুতো আশা লৈ
সংসাৰৰ দুখ গুচাম আমি
ডাঙৰ-দীঘল হৈ।
দুখৰ লগত প্ৰতিবাদ কৰি
কৰিলো লিখা পঢ়া
ভাবিছিলো আমি পঢ়ি শুনি
হ'ম অভিজ্ঞ ল'ৰা
বিচাৰি বিচাৰি নাপালো চাকৰি
লাগে বহুতো টকা
টকা পইচা খৰচ-কৰিও
খালো জীৱনত ধোকা
দুখৰ উপৰি দুখৰ বোজা
কঢ়িয়াব ল'গা হ'ল
এয়ে জীবনত বহু অভিজ্ঞতা
দুখতেই জীৱন গ'ল।
❑❑❑

# বেদনা

আছমিনা খাতুন
স্নাতক দ্বিতীয় ষাণ্মাসিক

মোৰ অতিকৈ মৰমৰ তুমি
খাৰুপেটীয়া মহাবিদ্যালয়
তুমিয়ে জ্ঞান, বুদ্ধি, উপকাৰৰ ভাণ্ডাৰ
চিৰ কালৰ যুগমীয়া আলয়।
তোমাৰ পৰা পাইছো মই
কিমান যে প্ৰেৰণা।
তোমাৰেই কাষত থকাৰ
সদায় মোৰ কামনা।
নায়াওঁ মই কেতিয়াও তোমাৰ পৰা আঁতৰি
মনত পৰে মহাবিদ্যালয়ৰ উৎসৱ।
লগে-ভাগে কৰিযোৱা কামবোৰ
সেয়ে আজি বেদনাত সকলো দুখ যাও পাহৰি।
হে, খাৰুপেটীয়া মহাবিদ্যালয়
হোৱা তুমি জাকত জিলিকা।
মানুহক দিছা তুমি সহাঁৰি
শিক্ষা আৰু জীৱন গঢ়াৰ প্ৰতিশ্ৰুতি
মনত পৰে শ্ৰেণীকোঠাত পঢ়া সময়বোৰ
মনত পৰে ছাৰে উপদেশ দিয়া কথাবোৰ।
আছে মাঁথো হাজাৰ আশীৰ্বাদ আৰু দোআ
মহাবিদ্যালয় তুমি সমাজত উজ্বলি থকা।
❑❑❑



# মোৰ মৰমৰ মা

ইমৰাণা পাৰবিন
স্নাতক প্ৰথম ষাণ্মাসিক

অভিমানে ভৰা মোৰ মৰমৰ ‘মা’
কিয় বাৰু মোক ইমান ভাল পোৱা
জোনাকৰ আঁৰে আঁৰে ‘মা’ তোমাৰ মুখখনি দেখি
ভৰি পৰে দুচকুত চকুপানী....
জোনাকী পৰুৱাই গভীৰ আন্ধাৰত...
যেতিয়া লুকা-ভাকু খেলে
মোৰো মন যায় ‘মা’ তোমাৰ কোলাত
মূৰ থৈ টোপনি যাবলে
যদি মই হেৰাই যাওঁ ‘মা’ গভীৰ আন্ধাৰত
তুমি জানো বিচাৰি পাবা...
এদিন মই যাম গৈ তোমাক এৰি দূৰলৈ
আৰু ঘূৰি নাহো তোমাক ‘মা’ বুলি কবলৈ
❑❑❑



# মানুহ

মুস্তাফিজুৰ ৰহমান
স্নাতক দ্বিতীয় ষাণ্মাসিক

মানুহ হৈ আছো
কেৱল মানুহ
মানুহৰ কথা নবুজো,
হয়তো, বুজিও নুবুজাৰ ভাও ধৰো।
যদি মানুহ মানুহেই হয়
নিজক নগঢ়ে কিয় জ্ঞানৰ কাৰণে?
মই এনে সমাজ বিচাৰো।
য'ত মানুহে মানুহক ভাল পাব
য'ত মানুহেই মানুহৰ দুখৰ সংগী হব।
এনে সমাজ হ'ব
য'ত সন্ত্ৰাসবাদ নাথাকিব
নাথাকিব ভয়াৰ্তজনৰ আৰ্ত চাৱনি
এনে সমাজ হ'ব
য'ত সকলো মানুহ
হিংসা দ্বেষৰ পৰা আঁতৰি থাকিব
সকলোৱে সকলোকে আকোৱালি ল'ব।
❑❑❑



# নদী

খুছিদা বেগম
স্নাতক দ্বিতীয় ষাণ্মাসিক

ধনশ্ৰী নদী তুমি
তোমাৰ নাই পূৰ্বৰ স্থিতি
সলনি হৈছে তোমাৰ গতি
সম্পূৰ্ণ উগ্ৰমূৰ্তি
কিমান যে আদ্যৰন্ত
হ'ল নিঠৰুৱা
হে ধনশ্ৰী নদী
ছমাহ কাল জিৰণি লোৱা
বাকী ছমাহ তাণ্ডৱ চলোৱা
জিৰাবৰে যে সময়েই নাই।
বাৰিষা আহিলে তুমি
আনন্দত মতলীয়া হোৱা
নদীৰ পাৰৰ মানুহবোৰৰ
টোপনি হৰণ কৰা।
তোমাৰ শক্তিৰ কোনো
তুলনাই নাই
ইছামতে পাৰ ভাঙা
তোমাৰো যে জিৰণিয়েই নাই।
হে ধনশ্ৰী নদী।
তুমি শান্ত হোৱা,
আমাৰ দৰে ভিক্ষাৰী
আৰু কাৰোবাক কৰিবানে কোৱা?
❑❑❑

# মা

অজুফা বেগম
স্নাতক চতুৰ্থ ষাণ্মাসিক

মা শব্দটি বৰ মিঠা
ইমান মৰম সনা
মাৰ বুকুত লুকাই আছে
স্নেহৰ অযুত কণা।
মা বুলি মাতিলে এবাৰ
হৃদয় পৰে জুৰ
মাৰ আঁচলৰ শীতল ছাঁত
দুখ কৰে দুৰ।
মাৰ কাৰণে আজি মোৰ
জীৱন আনন্দময়
মাতৃ সেৱাৰ পূৰ্ণতাত হয়
সকলো পাপৰ ক্ষয়।
মাৰ কাৰণে আজি মোৰ
ধন্য মানৱ জীৱন
এই পৃথিৱীত স্বৰ্গ মাথোন
মাৰ দুটি চৰণ।
❑❑❑



# পৰীক্ষাত ফেইল

জোচনা বেগম
স্নাতক দ্বিতীয় ষাণ্মাসিক

কলেজলৈ আহি ভালকৈ বহি
মন পুতি কিতাপ নপঢ়োঁ।
শিক্ষকে আমাক পঢ়া ধৰিলে
কওঁ মুখস্থ নহয় বুলি।
কওঁ পিছদিনা পঢ়া হব বুলি
ঘৰত আহো দৌৰি।
পিছদিনা পঢ়া ধৰিব বুলি
সকলোৰে পিছত থাকো বহি।
ভয় কৰি কৰি অলপ অলপ পঢ়ি
শেষত কওঁ নহয় বুলি।
শিক্ষকৰ আদেশ নামানি
পৰো শেষত দুখত ভাগৰি।
এটি এটি কৰি পাঠ যায় আগবাঢ়ি
সকলো সামৰি থও পৰীক্ষাত পঢ়িম বুলি।
লাহে লাহে পৰীক্ষা আহিল চাপি
পৰীক্ষাৰ শেষত দেখো ফেইল বুলি।
❑❑❑



# আমাৰ মহাবিদ্যালয়

তমজিদা বেগম
স্নাতক প্ৰথম ষাণ্মাসিক

আমাৰ মহাবিদ্যালয় অতিকৈ আপোন
নানা স্মৃতিৰে ভৰা,
শিক্ষক সকলে অতি মৰমেৰে
শিকায় জীৱন গাঁথা
কঠিন পাঠবোৰ শিকায় দিয়ে
অতি সহজ কৰি।
পঢ়া-শুনা কৰি
আমি হ'ম মহান।
আমাৰ বিদ্যালয়খনক
উজলাই তুলিম।
তোমাৰ নাম উজ্জ্বলোৱাটোৱেই
আমাৰ সপোন।
আমাৰ মৰমৰ বিদ্যালয়খন
নাম হৈছে তাৰ
খাৰুপেটীয়া মহাবিদ্যালয়।
❑❑❑



# আমাৰ মহাবিদ্যালয়

হুচেইন আলি
স্নাতক প্ৰথম ষাণ্মাসিক

এইখন খাৰুপেটীয়া মহাবিদ্যালয়
জ্ঞানৰ পোহৰে ভৰা।
এই জ্ঞান বিলাই আছে
১৯৮১ চনৰে পৰা।।
এই খনি খাৰুপেটীয়া মহাবিদ্যালয়
ভয় মিশ্ৰিত মনেৰে এদিন
সমনীয়াৰ হাতে-হাত ধৰি
খাৰুপেটীয়া মহাবিদ্যালয়ৰ
প্ৰাঙ্গনত দিছিলো ভৰি।
কি যে এক প্ৰাকৃতিক সৌন্দৰ্যৰে
ভৰপুৰ এই খাৰুপেটীয়া মহাবিদ্যালয়।।
ইয়াৰ সেউজী ৰঙে
মোৰো মন মুহিলে
বাখৰুৱা জীৱনত
ৰং ছটিয়ালে।
হে মোৰ সৰস্বতী আই
তোমাৰ চৰণত দিয়া ঠাই।
তোমাৰ চৰণত ধৰি
সদায় যাম আগুৱাই।।
❑❑❑



# মোৰ সমাজ

আছহাদুছ জামান
স্নাতক তৃতীয় ষাণ্মাসিক

নিয়া মোক উটুৱাই
এক অচিন চহৰলৈ
দিয়া মোক উৎসাহ
জীৱনত আগবাঢ়িবলৈ।
শিকাবা ব্যৱহাৰ আৰু দিবা জ্ঞান
শান্তিৰ সমাজ গঢ়িবলৈ,
এটি এটি শিশু হব মহান
দেশক নিব উন্নতিৰ পথলৈ।
উপনীত কৰাম দেশক এনে এটি স্থানত
লৈ আমাৰ ছাত্ৰ সমাজক,
গোটেই বিশ্বজুৰি ৰ' লাগি চাই ৰ'ব
দেখুৱাই যাব সফলতাৰ বাটক।
দি যাব পৃথিৱীক এনে এটি চিহ্ন
যিয়ে কৰিব সিহঁতক অমৰ,
মৰিলেও হৈ ৰব আকাশত তৰা
শান্তি কল্পনা কৰি এই জগতৰ।
□□□

# শিক্ষা

নাজিমা বেগম
একাদশ শ্ৰেণী

ছাত্ৰ জীৱনৰ কৰ্তব্য
পঢ়া আৰু লিখা
বহুত কষ্টৰ কাম হলেও
তাৰ ফল মিঠা।
এই সমাজত
অশিক্ষিত হৈ নাথাকিবা
সমাজখন আগুৱাব হ'লে
শিক্ষিত হৈ থাকা
শিক্ষা সম্পূৰ্ণ নহয়
গুৰু অবিহনে
সমাজৰ উন্নতি নহয়
শিক্ষিত আবিহনে।
□□□



# বেদনা

ৰহিমা খাতুন
স্নাতক প্ৰথম ষাণ্মাসিক

বুকুত সাঁচি ৰখা হেপাহবোৰ আজি শেষ হৈ গ'ল
নাপালো আজি মনৰ বাসনাবোৰ পূৰণ কৰিবলৈ।
অৱাবতে জ্বলি জ্বলি শেষ হৈ গ'ল
মনৰ আশা মনতে।
কাৰ ওচৰত জবাব দিম মই?
কাকো মই নোৱাৰো বুজাব অন্তৰৰ বেদনা
কলেওতো নুশুনে মোৰ হৃদয়ৰ বতৰা।
বুজামেই বা কাক সান্ত্বনা দিবহি বা মোকেই কোনে?
নিঃ সাৰ নিস্তব্ধ হৈ ৰ'লো আজি কোনোবা কোণত।
আহিবনে মোৰ সেই সোণোৱালী দিনবোৰ,
যিবোৰ দিনত মই খোলাকৈ হাঁহিছিলো।
হিয়া উজাৰি ৰঙৰ ফাকু ছটিয়াইছিলো।
হয়তু হিয়া ধুনি কান্দিলেওঁ নাপাম মোৰ অতীত।
কল্পনাৰ সাগৰত সাতুৰি-নাদুৰি, মই আজি বিচাৰিছো পাৰ,
সিপাৰলৈ যাবলৈ টুলুঙা নাৱেই মোৰ শেষ ভৰসা।
সি হ'ব আজি মোৰ শেষ সান্ত্বনা।
নোপোৱাৰ বেদনা যিমান সুপ্ত
পাই হেৰুৱাৰ বেদনা আজি সিমান উদ্দীপ্ত
তথাপি অবজ্ঞা নকৰো বৰ্তমানক
আগবাঢ়ি যাম মই সিপাৰ হ'বলৈ।
□□□



# জীৱন

প্ৰমিলা মণ্ডল
স্নাতক দ্বিতীয় ষাণ্মাসিক

জীৱন মোৰ এটি মাথোন ক্ষুদ্ৰ পৰুৱা
আজি আছো হয়তো,
কালিলৈ নাথাকিবও পাৰো।
আজি মই মানুহ হয়তো
কালিলৈ আকাশৰ তৰাওঁ হ'ব পাৰো।
জীৱন বোৱতী নদী মাঁথোন
নহয় আৰু একো।
জীৱন যন্ত্ৰনাৰ কথা
আৰু নাভাৱো এতিয়া।
এতিয়াযে জীৱন সাৰ্থক কৰাৰ সময়।
উঠাহে জাগতিক মানৱ
আজি আৰু আনক অপকাৰ
নকৰি কৰাহে উপকাৰ
ইয়াতে হ'ব জগতৰ মংগল
আৰু লগতে নিজৰো যে মংগল
হে মৰমৰ ভাই ভনী
সকলোৱে এখন নতুন পৃথিৱীৰ কথা ভাবো,
আহা, য'ত থাকিব ভালপোৱা ভাতৃত্ববোধ
আৰু সহমৰ্মিতা।
□□□

# কুটিল সময়

মমি আখতাৰা
স্নাতক তৃতীয় ষাণ্মাসিক

কুটিল সময়ে বৰশী বায়
দিন ৰাতি একো নাচায়
বাস্তৱৰ চোকা চুৰীৰে
মোৰ দেশৰ মাংসবোৰ কাটি
বৰশীৰ টোপ কৰি গাথে।
কুটিল সময়ে বৰশী বায়
মোৰ সপোনৰ পুখুৰীত,
বুকুৰ উমেৰে ডাঙৰ কৰা
আশাৰ বৰালীবোৰ
টোপা টোপে গিলে
লুনীয়া টোপবোৰ,
বৰশীৰ তীক্ষ্ণ দাঁতত
ভাহি উঠে তেজবোৰ।
সমস্ত অসহ্য যন্ত্ৰণা ত্যাগ কৰি
সময়ৰ চক্ৰবেহুত
বৰ বেয়াকৈ বান্ধ খাওঁ
মই আৰু অজলা বৰালিবোৰ।
কুটিল সময়ৰ জটিল
বৰশীৰ চীপ।
□□□



# কল্পনা

কুটুব উদ্দিন আহমেদ
স্নাতক প্ৰথম ষাণ্মাসিক

ৰাতিপুৱা শুই উঠি যাওঁ মই
মোৰ শৈশৱৰ নৈখনিৰ পাৰলৈ
সোণোৱালী ৰ'দ জাকে ৰূপালী নৈখনক
স্পৰ্শ কৰা মুহূৰ্তত চুমা দিলে
জিলমিলাই থকা ঢৌবোৰক।
মই জানো এতিয়াই
আহি পাব মোৰ প্ৰেয়সী
শুনিছা নে?
মোৰ প্ৰেয়সীৰ হাঁহিৰ খলকনি
মোৰ হাতৰ মুঠিত হেৰাই যায়
প্ৰেয়সীৰ কপাহ কপাহ আঙুলি
নদীৰ ঢৌৰ তালে তালে
নাচি উঠিছে মোৰ প্ৰেয়সী।
পানীৰ তলত থকা মিহি
ঘুৰণীয়া শিলৰ ওপৰেদি
হাতে হাত ধৰি।
আগুৱাই যাওঁ আমি গভীৰলৈ
আৰু গভীৰলৈ
প্ৰেমৰ নদীত নিজকে এৰি দিওঁ
দুটা সৰু মাছ হৈ।
□□□





# ভিক্ষুক

মেহেদি মাচুদ
স্নাতক প্ৰথম ষাণ্মাসিক

নিজান গহন ৰাতি খলা-বমা বাটেৰে
অগ্ৰসৰ দূৰন্ত অজান যাত্ৰা
সহায় সাৰথি নাই, মাথো এটি লণ্ঠন
কান্ধত জোলা, হাতত লাখুটি
শংকা-ভয় একোৰে টলাব পৰা নাই
অন্তৰত অনৱৰত প্ৰভুৰ নাম।
উপনীত এক ভয়াল অৰণ্যত
য'ত দানৱ-পিশাচ
প্ৰেতাত্মাৰ চৰাচৰ।
আগন্তুকে আগুৱাই নিলে অজান মুলুকত
সৰ্পিল বটবৃক্ষত বন্দিনী
অপৰূপা সুন্দৰী কইনা।
নাতি দূৰত অৰ্ধনগ্নকাৰ বিৰাট দেৱী
ভাস্কৰ্য
হীৰা-মনি কাঞ্চণ পৰিপূৰ্ণ ৰত্ন ভাণ্ডাৰ
ন্যায়ৰ ৰাজ দণ্ড
আহোম ৰাজসিংহাসন
ভাগ্যৰ পৰিহাস
জোলাটিত পৰিল এটি অন্ন।
□□□

# তোমাৰ মহিমা

ছাজিদা খাতুন
স্নাতক তৃতীয় ষাণ্মাসিক

হে স্ৰজোতা মহান
কৰিছা মানুহক দান।
কৰোবাক দিছা সকলো
কোনোবাক কৰিছা পৰিত্ৰাণ।
এয়াই হয়নে তোমাৰ কাম?
তুমিতো মহান।
কাৰোবাক ৰাখিছা অট্টালিকাত
কাৰোবাক ৰাখিছা দুখুনী পজাত
ইয়াৰ মাজতো তোমাক
লাগেনো কি প্ৰমান?
কোনোবাক কৰিছা ৰজা
কোনোবাক কৰিছা প্ৰজা
একেজন নিৰ্মাতা
কিয়নো হ'ল তেনেকুৱা?
বুজিব নোৱাৰো তোমাৰ মহিমা
হেজাৰ প্ৰণাম হে মোৰ স্ৰজোতা।
□□□

# কল্পনা মন মোৰ

ছাহনাজ নাছৰিণ
স্নাতক প্ৰথম যাণ্মাসিক



বিশাল কল্পনাৰ আকাশ
মোৰো আছে এটি মন
আকাশত উটি ভাহিবলৈ
শত সহস্ৰ বিনিনি তোমাৰ বুকুত
শীতল বতাহত শান্তিৰ কাপৌ
উৰাবলৈ মেয়োযে বিচাৰো।
পৰকালত পৰছায়াই নকৰে আমনি
মাথো দিয়ে সৃষ্টিৰ জাননী
যদি পাৰিলোহেতেঁন তোমাৰ
কোলাত চিৰদিন ৰ'বলৈ
কল্পনাৰ মন মোৰ সকলোতে উৰাবলৈ
হিয়া বাৰে বাৰে থেকেচা খায়
মই ইহ জনমৰ নহয় পৰজনমৰ
কিন্তু, কি কৰিম মোৰো মন
যায় বতাহত
শান্তিৰ কপৌ উৰাবলৈ।
❑❑❑

# জীৱন ইমান নিষ্ঠুৰ

আমিৰ হুছেইন
স্নাতক দ্বিতীয় যাণ্মাসিক

বেদনাসিক্ত এজাক ধুমুহাৰ পৰশত
জীৱন সমাধিস্থল।
ফুলিব নৌপাওঁতেই নিস্পাপ
অকালতে মৰহি গ'ল।
সুৰুষ মুখীৰ হাঁহি সনা সুন্দৰ
তোমাৰেই নিষ্পাপ মুখখনি।
দুদিনৰ বাবে আহি তুমি
জীৱনৰ প্ৰাক মুহূৰ্তত কিয় ?
নিয়তিয়ে কৰিলে পৰিহাস
তোমাৰ দৰে ফুলজুপিক লৈ
আছেনে মৃত্যুৰ ইতিহাস
মৃত্যু তুমি ইমান নিষ্ঠুৰ
জীৱনক কিয় কৰিলা শূন্য।
❑❑❑





# জীৱন

মিজানুৰ ৰহমান
স্নাতক দ্বিতীয় যাণ্মাসিক

ক'ত কেনেকৈ কেতিয়া বাৰু
সকলো নাইকিয়া হয় ?
জীৱন জীয়াই থাকিবলৈ,
কিন্তু শূণ্যতা জানো এটি জীৱন হয় ?
কিয় জীৱনত প্ৰেম, ভালপোৱা আদি
শব্দই আউল লগায়
সচাঁকৈয়ে জীৱনটো হয় এটা মৰিচিকাৰ দৰে।
নিজে নিজকে প্ৰস্তুত কৰো
এই মায়াময় মৰিচিকাৰ মাজত।
ক'ত কেতিয়া কেনেকৈ বাৰু
পল, অনুপলৰ মাজত এই স্বৰ্গীয় প্ৰেম
ভালপোৱাবোৰ হেৰাই যায়।
জীৱন জীয়াই থাকিবলৈ
কিন্তু শূন্যতা জানো এটি জীৱন হয়।
মানুহ-মানুহ বসুধা বুকুত কিমানযে মানুহ
মানুহৰ হৃদয়তেই শান্তিৰ নিজৰা।
❑❑❑

# ডাঙৰ মানুহ

সুৰ ভানু
স্নাতক দ্বিতীয় যাণ্মাসিক

গাড়ী মটৰত উঠি যোৱা
দুৱৰি বনবোৰ গচকি
দুখ পায় সিহঁতে অন্তৰত
কথাপাতে সিহঁতে ইজনে সিজনৰ লগত
নিজৰ স্বাৰ্থৰ বাবে দিনটো ঘুৰি ফুৰা
আনৰ স্বাৰ্থক আওকাণ কৰা
স্বাৰ্থপৰ হিংস্ৰ পশুৰ দৰে
দুখীয়াক ঠগাই টকা ঘটাৰ কৌশল শিকা
বেলেগৰ পেটত গোৰ মাৰি
নিজৰ পেট পূজা কৰা।
কেৱল টকা কেৱল টকা
টকাৰ কাৰণেই যে
মানুৰ হোৱাৰ গৌৰৱো পাহৰি যোৱা।
দুখীয়া-নিচলাও দুৱৰি বনৰ দৰে
সিহঁতেও সহি যায় ধনীৰ আঘাত
সিহঁতেও সহি যায় ধনীৰ পদাঘাত।
❑❑❑

# মোৰ ভাল লাগে আপোনাক

চিৰাজিম মুনিৰা
স্নাতক দ্বিতীয় ষাণ্মাসিক

কেতিয়াবা অজানিতে
মনৰ অজ্ঞাতে
ভাল লাগি যায় কাৰোবাক
ঠিক সেইদৰেই মোৰ ভাল লাগে আপোনাক।
ওঁঠৰ ঢৌ খেলি থকা আপোনাৰ হাঁহিটি
সঁচাই বৰ ধুনীয়া
আচলতে
হাঁহিমুখীয়া মানুহবোৰ মোৰ বৰ প্ৰিয়।
আপুনি কথা কৈ যায়
এনে লাগে আপুনি কৈ থাকিব মই শুনি ৰ'ম
দিন-ৰাতি গৈ থাকিব
আপোনাৰ কথাবোৰ শেষেই নহব।
আপোনাৰ চকুযুৰিত
কিমান যে কথা লুকাই আছে
কেতিয়াবা পঢ়ি চাব খোজো
কিন্তু, চকুৱে চকুৱে পৰিলে
মোৰ যে ইমান লাজ লাগে।
নাজানো এয়া প্ৰেম নে
কেৱল এটি ভাল লগা অনুভৱ
মাথো জানো ভাল লাগে
আপোনাক।
যিদৰে আকাশখন ভাল লাগে
যিদৰে নদীখন ভাল লাগে
ঠিক সেই দৰেই
ভাল লাগে আপোনাক।
❑❑❑







# আমাৰ সমাজ

ছাজিদা খাতুন
স্নাতক তৃতীয় ষাণ্মাসিক

আমাৰ সমাজ নহব পাৰে
চহৰৰ সমান উন্নত
কিন্তু চৌদিশে আছে
সেউজীয়া প্ৰাকৃতিক দৃশ্য।
আমাৰ সমাজৰ মানুহ
নহব পাৰে বেছি শিক্ষিত
তথাপিওঁ সিহঁতৰ মাজত আছে
মানবীয় কৰ্তব্য
এজনৰ বিপদত এজনৰ সঁহাৰি
এজনৰ আনন্দত আন জনৰ মিতিৰালি
এইখনেই আমাৰ সমাজ
য'ত নাই হিংসা-দ্বেষৰ প্ৰভাৱ।
❑❑❑

# অপেক্ষা

ৰাজাকুল ইছলাম
স্নাতক চতুৰ্থ ষাণ্মাসিক

প্ৰতি দিনে.....
লিখিব ধৰিছো তোমাৰ নামত
একো একোটি কবিতা
নাজানো
কবিতাৰ মাজত কিমান আশা
তথাপিতো লিখিছো তোমাৰ নামত
একো একোটি কবিতা।
বুকুৰ মাজত আছে তোমালৈ
অফুৰন্ত মৰম ভালপোৱা
কবিতাটিত উজ্বলিছে তোমাৰ
লাজুকি নয়ন
মোৰ হেঁপাহ আৰু আশা
তুমি বুজিবানে মোৰ এই
মৰম ভালপোৱা।
নাজানো তথাপিতো দেখিছো তোমাৰ
নামত বহুত সপোন
পাম জানো মোৰ মৰমৰ
ঠিকনা বিচাৰি
দিবানে তুমি মোক মৰমৰ সহাৰি...?
❑❑❑

# সাধুৰ শিতান

## চিৰিয়াৰ সাধু

ইমৰাণ হুছেইন
স্নাতক তৃতীয় ষাণ্মাসিক

হাকান, হাচান আৰু হাবিব তিনিও নলে-গলে লগা বন্ধু। তিনিও একে শ্ৰেণীত পঢ়ে। সিঁহত তিনিও ওচৰ চুবুৰীয়া। সিহঁতে একেলগে ফুৰে, ওমলে। এদিন হাকানে ক'লে, আমি কেতিয়াওঁ পাহাৰ বগোৱা নাই। ব'লা আমি চিৰিয়াৰ সেউজ পৰ্বত মালা এখন বগাওঁগৈ।যেনে কথা তেনে কাম। স্কুল বন্ধৰ কোনোবা এটি দিনত তিনিও ৰাতিপুৱা ওচৰৰে চিনাই পৰ্বতলৈ ফুৰিবলৈ ওলাল।

নিলগৰ পৰা পাহাৰ সেউজীয়া দেখি। কিন্তু ওচৰলৈ গৈ পাহাৰৰ ভয়ংকৰ মূৰ্ত্তি দেখি সিহঁতৰ ফুৰ্তি হেৰাল। তিনিও পাহাৰৰ ডাঙৰ শিলাখণ্ড, ভয়ংকৰ গছ-গছনি চাই পাহাৰ সম্পৰ্কে তেওঁলোকৰ ধাৰণা সলনি হ'ল। চিনাই পাহাৰৰ তলেদি কুলুকুলুকৈ 'ফাৰাণ' নিজৰা বৈ গৈছিল। তিনিও ফাৰাণ নিজৰাত হাত-মুখ ধুই নিজৰাৰ পাৰত থকা ডাঙৰ শিলাখণ্ডৰ ওপৰত গৈ বহিল। বহল আৰু মসৃণ শিলাখণ্ডৰ ওপৰৰ ভাগত বহি তিনিও গল্প কৰিবলৈ ধৰিলে। শিলাখণ্ডৰ নিচেই কাষত এজোপা মধুৰীআমৰ গছ আছিল। গছজোপাত ডাঙৰ মধুৰীআম এটা পকি মোক খা মোক খা কৰি আছিল। সিহঁতৰ ফলটোলৈ লোভ লাগিল। হাকানে ক'লে— মই প্ৰথমে দেখিছো, গতিকে ফলটো মই হে খাব লাগে। হাচানে ক'লে— নহয়, ফলটো মইহে খাব লাগে। কাৰণ, মই উৎসাহ নিদিলে ইয়ালৈ অহাই নহ'লহেঁতেন। হাবিবে ক'লে, আমি তিনিও ইয়াতে শুই পৰো। টোপনিত যিজনে ভাল সপোন দেখিব তেৱেঁই ফলটো খাব। হাবিবৰ কথাত দুয়ো সন্মত হ'ল আৰু তিনিও সপোন দেখাৰ কাৰণে শুই পৰিল।

পাহাৰুৱা ওখোৰা মোখোৰা বাটত খোজ কাঢ়ি তিনিও ভাগৰি পৰিছিল। নিজৰাৰ চেঁচা পানীত হাত-মুখ ধুই সিহঁতৰ ক্লান্তি আঁতৰি গৈছিল। শিলাখণ্ডৰ ওপৰেদি চেঁচা বতাহ জাক বৈ গৈছিল। চেঁচা বতাহৰ পৰশ পাই তিনিও টোপনিৰ কোলাত লাল কাল দিলে। প্ৰায় দুইঘন্টা মানৰ পিছত তিনিও সাৰ পালে। নিজৰাত হাত-মুখ ধুই তিনিও শিলাখণ্ডৰ ওপৰলৈ আহি বহিল আৰু সপোনৰ কথা কবলৈ ধৰিলে।

হাবিবে ক'লে— সপোনত দেখা অলিম্পিক প্ৰতিযোগিতাত চিৰিয়াৰ হৈ ভাৰোত্তোলনত তিনিটা সোণৰ পদক লাভ কৰিছো। দেশৰ হৈ পোন প্ৰথমে মই গৌৰৱ কঢ়িয়াই আনি মই কিমান মহৎ কাম কৰিছো। এনে ধুনীয়া সপোন দেখাৰ বাবে ফলটো মইহে খাব লাগে।

হাচানে ক'লে— বিশ্বকাপ ফুটবলত মই চিৰিয়াৰ হৈ ফাইনেলত তিনিটা গ'ল দি পোন প্ৰথম বাৰৰ বাবে বিশ্বকাপ জয়ৰ ইতিহাস ৰচনা কৰিছোঁ। গতিকে ফলটো মইহে খাব লাগে।

হাকানে ক'লে— টোপনি যোৱাৰ পিছত মই দেখো হাবিৰ পৰা কিচ্‌কিচিয়া ক'লা কিবা এটাই দাঁত নিকটাই হাতত লাখুটি এডাল লৈ মোৰ ওচৰত আহি থিয় হ'ল। মোৰ ফালে চকু দুটা ৰঙা কৰি লাখুটি ঘুৰাই ঘুৰাই ক'লে— এই উঠ! মই উঠিলো, তাৰ পিছত ক'লে যে যা, ফলটো পাৰি আনা, তাৰ কথা মতে ফলটো পাৰি আনিলো। সি ক'লে—খা, ভয়ত মই হত বুদ্ধি হৈ উপাই নেপাই খাঁলো।

কি কোৱা? ফলটো খালি?

উপাই নেপাইহে খালো। বিশ্বাস কৰা।

গছৰ ফালে চোৱা ফলটো নাই।

চালা, আমাক নেমাতিলি কিয়?

কি? তুমি বিশ্বকাপ ফুটবল খেলিবলৈ গৈছা আৰু তেওঁ অলিম্পিক পাৰ্কত। মই অকলে কি কৰিম। ভয়ে ভয়ে খাই দিলো। হাঃ হাঃ হাঃ.......।

□□□



## নুমলীয়া পো

(অসমীয়া সাধু)

সংগ্ৰহ ঃ দিলোৱাৰ হুছেইন
স্নাতক, ষষ্ঠ ষাণ্মাসিক

এহাল বুঢ়া-বুঢ়ী আছিল। বুঢ়া কালত সিহঁতৰ এটা ল'ৰা হ'ল। বুঢ়াই গুণি-ভাবি পুতেকৰ নাম কি থ'ব বিচাৰি নাপাই, গণকৰ হতুৱাই নাম চোৱাবলৈ এজন গণকৰ ঘৰলৈ গ'ল। গণকে বুঢ়াক সুধি-পুচি, তাৰ বুঢ়া কালত হোৱা আৰু একেবাৰেই নুমলীয়া দেখি ল'ৰাৰ নাম নোমল দিলে।

বুঢ়াই গণকক পানী-গামোচা এখন আৰু এটা চৰতীয়া দি নামটো লৈ ঘৰলৈ উভতিল। বাটত আহোঁতে বুঢ়াই কেনেবাকৈ নামটো পাহৰে বুলি "নোমল" "নোমল" কৈ ৰিঙিয়াই আহিছিল। আহোঁতে আহোঁতে লাহে লাহে তাৰ ভুল হৈ নোমলৰ ঠাইত "নেমেল" "নেমেল" ওলাবলৈ ধৰিলে। সি যাওতে এখন নৈৰ পাৰেদি গৈছিল। সেই নৈতে এজন সদাগৰে নাও বান্ধি আছিল। বুঢ়া আহি সদাগৰৰ নাৱৰ ওচৰা-উচৰি পাওঁতেই সদাগৰে তেওঁৰ নাৱৰ গোজ উভালি নাওখন মেলিবলৈ ধৰোঁতেই "নেমেল" "নেমেল" কৈ ৰিঙিয়াই টোৱা বুঢ়াৰ মাত শুনি সদাগৰক ক'লে, "দেউতা, ক'ৰবাৰ বুঢ়া এটাই আমাক নাও মেলিবলৈ হাক দিছে।" নাৱৰীয়াহঁতৰ কথা শুনি সদাগৰে বুঢ়াক মতাই নি, সি কিয় নাও মেলিবলৈ হাক দিছে সুধিলে। বুঢ়াই সদাগৰৰ কথাৰ উত্তৰ দিবলৈ গ'লে কিজানি সিফালে নামটো পাহৰি যায় ইয়াকে ভাবি কোনো উত্তৰ নিদি, মাথোন বাৰে বাৰে "নেমেল" "নেমেল" কৰিবলৈ ধৰিলে। সদাগৰৰ খং উঠিল— "উস্ কটা! ইমান দিন ইয়াতে থাকি আজি দিন বাৰ চাই নাওখন মেলিবলৈ হুকুম দিলোঁ আপদীয়া এইটোৱে ক'ৰবাৰ পৰা আহি মোৰ শুভ-যাত্ৰাত বিঘিনি জন্মালে। কটা ধৰ ইয়াক"। এইবুলি সদাগৰে নাৱৰীয়াহঁতৰ লগাই দি বুঢ়াক ভালকৈ এপিটা দিয়ালে। মাৰ খাই বুঢ়াই নেমেল বুলিবলৈ পাহৰি "নহবৰ হ'ল", "নহবৰ হ'ল" বুলিবলৈ ধৰিলে। বুঢ়াই "নহবৰ হ'ল" কৈ গৈ আছে। এনেতে সেই বাটেদিয়েই ভালকৈ সাজ-পাৰ পিন্ধি যোৱা মানুহ এটাক সি লগ পালে। মানুহজনে বুঢ়াৰ সেই "নহবৰ হ'ল" কথাটো শুনি ভাবিলে সি ভালকৈ ধুন-পেচ মাৰি সাজ-পাৰ পিন্ধি আহিছে দেখিহে বুঢ়াই তাক সেইদৰে হাঁহিছে। ইয়াকে ভাবি সি তাৰ হাতৰ লাখুটিডালেৰে বুঢ়াক মাৰ চেৰেক মাৰিলে। বুঢ়াই মাৰ খাই সেই "নহবৰ হ'ল" কথাষাৰো পাহৰি "সিটোতকৈ ইটোহে চৰা" বুলি যাবলৈ ধৰিলে। এনেতে বুঢ়াৰ আগেদিয়েই দুটা গৰলীয়া মানুহ গৈছিল; সিহঁতে ভাবিলে বুঢ়াই সিহঁতৰ গৰল দেখি সেইদৰে সিহঁতক হাঁহিছে। ইয়াকে ভাবি খং উঠি সিহঁত দুয়ো বুঢ়াক গুৰুলা গুৰুলকৈ কিলালে। কিল খাই বুঢ়াই চুঁচুৰি-বাগৰি কোনোমতে ঘৰ পালেগৈ। ঘৰ পাই সি তাৰ বুঢ়ীক বিপদৰ কথা ভাঙি ক'লত বুঢ়ীয়ে বেজাৰ কৰি বুঢ়াক সুধিলে, "বাৰু যি হ'ল হ'ল, এতিয়া গণকে দিয়া নামটো কি কোৱাচোন?" বুঢ়াই ক'লে— "কিলৰ তাপত মোৰ মনৰ পৰা নাম-কাম সোপাই পলাই গ'ল; মই নামটো পাহৰিলো।"

বুঢ়াৰ কথা শুনি বুঢ়ীয়ে ক'লে, "পাহৰিলা যদি পাহৰিলা, কি কৰিম। ল'ৰাৰ নাম থোৱা হ'ল আৰু; এতিয়া আমাৰ মাটিডৰা ৰুবৰ কাৰবাৰ কৰা। বাৰীৰ চুকৰে মাটিডৰা নুমলীয়াকৈ ৰুবলৈ কঠীয়া পাৰাগৈ যোৱা।" "নুমলীয়াকৈ" কথাটো শুনিয়েই বুঢ়াৰ পুতেকৰ নামটো মনত পৰিল। বুঢ়াই তেতিয়া খঙত একো নাই হৈ বুঢ়ীক ক'লে,— "হয়, তয়েই যদি মোৰ ল'ৰাৰ নামটো জান, তেন্তে মোক কিয় ইমানখন মাৰ-কিল খুৱালি?" এই বুলিয়েই বুঢ়াই ঘৈণীয়েকৰ পিঠিত ঔ-কিল সুধালে।

ইয়াৰ পিছত বুঢ়া-বুঢ়ীয়ে পুতেকৰ নাম 'নোমল' দি খাই-বৈ থাকিল। আমি ঘৰলৈ গুচি আহিলোঁ।

*মূলগ্ৰন্থ— বুঢ়ী আইৰ সাধু— লক্ষ্মীনাথ বেজবৰুৱা*

□□□

# यह घर किसका है ?

## ( नेपाली कहानी )

पवन कारकी चेत्री
स्नातक प्रथम छमाही

एकदिन एक शहरमें घुमते हुए एक महात्मा जी को एक राजमहल दिखाई दी। चारो ओर घुम-घुम कर महल का कारूकार्य, साज-सजावट, निर्माण शैली देखकर अति हर्षित होते हुए कहने लगे कि किसने बहुत अच्छे से यह धर्मशाला निर्माण किया है ?



राजमहल के द्वार में चौकीदार, सिपाही थे। उन्हौने कहा कि- महात्माजी, ये धर्गशाला नहीं, एक राजमहल है।

मुझे तो धर्मशाला जैसा लगा, कहते हुए महात्माजी बाहर बैठ गये।

चौकीदार, सिपाहियों ने फिर से कहा- महात्माजी धर्मशाला थोड़ी ही दूर पर है। चलिये हम पहुँचा देते हैं।

नहीं भाई, नहीं, मैं तो यही बैठूंगा- कहते हुये महात्माजी उसी जगह बैठ गये।

महाराज आके महात्मा को प्रणाम करते हुए बोले- महात्माजी, यह धर्मशाला नहीं, एक राजमहल है।

महात्मा:- क्या बात करते हो महाराज, मेरे नजरमें तो यह एक धर्मशाला ही है।

राजा:- नहीं महात्माजी, यहाँ तो मैं रहता हूँ, धर्मशाला थोड़ी ही दूर पर है, मेरे सेवक आपको उस जगह छोड़ आयेंगे चलिये।

महात्मा:- तो फिर धर्मशाला किसे कहते है।

राजा:- जहाँ यात्रीलोग आके एक-दो दिन रहते हैं उसी जगह को धर्मशाला कहते है।

महात्मा:- ठीक है महाराज, आप यहाँ रहते है ?

राजा:- हा महात्माजी।

महात्मा:- आपसे पहले यहाँ कौन रहता थे ?

राजा:- मेरे पिताजी रहते थे।

महात्मा:- अभी पिताजी कहाँ है ?

राजा:- पिताजी को मृत्यु हो गयी।

महात्मा:- ठीक है, उनसे पहले कौन रहता था ?

राजा:- मेरे दादाजी।

महात्मा:- अभी वह कहाँपे है ?

राजा:- उनकी मृत्यु हो गयी।

महात्मा:- आपके बाद यहाँ कौन रहेगा ?

राजा:- मेरे राजकुमार-राजकुमारी।

थोड़ी समय मुस्कुराते हुये महात्माजी बोले- तो फिर यह राजमहल धर्मशाला नहीं तो क्या है ? यहाँ इंसान आते है, रहते है, फिर चले जाते हैं। धर्मशाला में भी तो यही होता है।

यही है आपके घरका, परिवारका, अवस्था, जहाँ आप थोड़ी समय के लिए ही आये हैं। यह महल थोड़ी समयकाही आश्रय है। यह धर्मशाला, अतिथिशाला है।

धर्मशाला को अपना ही घर मानना सबसे बड़ी मुर्खता है। कोई भी चिरकाल नहीं रहते। अपने-आपको उस धर्मशाला का मालिक न समझे। फिर समय बाद यह संसार छोड़कर जाना पड़ सकता है। इसलिये जितना समय मिलेगा कुछ अच्छा कर्म करो। □□□



# GEO-POLITICS ON RIVER WATER FOR GLOBAL SUPREMACY: AN ANALYSIS OF WATER SECURITY OF SOUTH AND SOUTH EAST ASIA

*Dr. Kalidas Sarma*
*Asstt. Professor, Department of Geography*

### *Introduction*

Advocating Geo- politics on river is mainly concerned with the understanding of importance of river water towards political diplomacy as the present world is experiencing. Water is an essential building block of life and existence of living being would be unimaginable without it. Today, water is a critical national asset and it has geo-political and geo-strategic importance. Water resources often transcend national boundaries. Successful public policy, therefore, has to be premised on establishing cooperative partnerships amongst governments, business and industry, non-governmental and civil society organizations and above all, the individual users. It is well known that there are more than 276 trans- boundary river basins and hundreds of trans- boundary aquifers shared by over 3 billion people. The future development of many countries depends on successful management and allocation of these resources. Most of the world's shared water resources remain outside trans-boundary agreements between all riparian countries and some have no agreements in place at all. Water Crisis in the new millennium is deeply related to Climate Change through its social, economic and political attributes. Water has some trans-boundary future that cannot escape such possibility. It is very clear that we live in a planet where river basins (land drained by rivers and its tributaries, often vast tract of area) and aquifers (deep under-ground layers of water that extend over large areas) extend over from one country to another and in some cases several countries. Such river basins and aquifers are known as trans-boundary waters. By 2000, the continent wise trans-boundary rivers stood at 261 (the number keeps on changing as new states come up with redefining of geo-political boundaries. There has been worldwide agreement on water in terms of sea, ocean, lake and river etc. Presently, the river water have started playing a pivotal role in gaining supremacy over other enemy countries by controlling or indulging in river water conflict. As a strategic priority, geography and politics on river water is being vested with interest to keep the issue alive to subvert ones supremacy by indulging in river dispute or conflict as one can

identify the problem with water resource security resulting in war and proxy war. Many of the parameters of any nation as well as world politics survives on the issue of river water. Any interest in the foreign policy that includes- Now, entire global strategies are now based on resource and energy issues and water is one part of the priority sector which dominates the interest of each country of the world to control each other.

### *Understanding of river water and global security perspectives*

Understanding of river water and global security perspective seems to be one step forward to know water resources for survival, to alter the dynamics of bilateral relation of any country, to trap country in to this dynamics and to hijack ones issue and also to throw the fire stone at one another. To control any country - is to put in hand in the bilateral issue such as river water or geography of the river between two countries ultimately leading to create a stake over the country to whom it wants to control. This is being done by funding any major hydel projects which may lead to chaos between two giant powers. Such instances can be seen between India-Pak where US wants to bust by funding Pakistan's major hydro- projects to create an American stake in Islamabad's water dispute with New Delhi which have ramification for Kashmir because of geography of river. At present there are five rivers flowing from India to Pakistan, these are: Indus, Jhelum, Chenab, Ravi and Sutlej. Whereas, River Beas (Sanskrit - Vipasa) originates from Rohtang pass. It meets Sutlej at Harike in Punjab (India). Beas does not flow into Pakistan. It ends its journey in India only.

**PAKISTAN AND AFGHANISTAN TRANS-BOUNDARY RIVER**

**Fig.1**




**Source:** *International Programs Centre for Afghanistan Studies*



***Fig2***




**Source:** *International Programs Centre for Afghanistan Studies*

### *GEO-POLITICS ON RIVER WATER IN SOUTH EAST ASIA: INDIA'S NORTH EAST BY CHINA*

***Fig.3***




**Source:** *theconservation.com*

South Asia and East Asia are confronting on water conflict mainly centering on water and people's right over water resources and their management. Some of the major issues relating to water conflicts are- the issue of river water and hydro-power project, problems of rehabilitation of downstream flood affected people in case of disaster or hazard, flood management infrastructure, ground water contamination, trans- boundary water management, water policy, river bank erosion, gender role in water security as well as developing a framework for resolution of water dispute, conflicts and geo-politics. Now water conflict of north eastern region has taken international dimension with the report of- China planning to construct a power and water diversion project on the river Brahmaputra. While looking at the power equalization in South East Asia and East Asia, there is an absolute need to re-address the issue in a new direction. It is felt necessary for India to develop closer ties with the China in the years to come. However, million dollar question is who will make it possible. They have uncompromising stand in most of the issues- (.1) China is the largest and most powerful neighbor by far and therefore in a strategic sense the most consequential. It is also India's biggest trading partner, who makes it vital to the Indian economy. So, the question is how should we at this juncture think about the relationship with China?. 2. By way of context, it is crucial to remember that china is the second largest country in the world and probably the second greatest military power as well. By and large it is expected to be the greatest power in the world by 2030. On the contrary china's internal political and ethno-religious problems, its ageing population and its peculiar state –led crypto-capitalist economy will singly or in combination constrain its elevation to the world's pre-eminent power. They projected their economy (GDP) to rise 25 % to 40% by the end of 2030. It is believed that the only alternative for India dealing with China is to form an alliance or series of alliance against China to balance against its awesome power.

### *Understanding of Water Issue of South Asia and India's North East*

Currently water wars do increasingly loom large in South Asia. Recent development in sharing the Indus-river water has emerged as one of the thorniest issue between India and Pakistan. On the other hand worried Bangladesh has proposed to China and India regarding development of joint basin wise management of Brahmaputra. Now two Asian giants already have their horns locked on the river issue. The Brahmaputra river which is passing through China, India- Bhutan and Bangladesh covering an area of 5, 80,000sq km. .Out of this, 71,000sq.km falls under Assam. It is believed that China is facing water crisis in its northern part river Sangatch. So, China has planned to meet this water crisis by building mega hydro project at the mouth of river Brahmaputra. Chinese government has plan to carry water of the Brahmaputra by a 1.5 km long tunnel in a big deep hilly region namely Namcha Baruah and from Namcha Baruah to the largest dam. This water will flow by this tunnel in to 3000mt down and expected to generate 37 Gaga Watt or 37,000 to 40,000 Mega Watt .electricity and this



will be 1/2( half) of the power generated by the U.K National Grid. Again,. Chinese government is planning to construct 28 (Twenty eight) big hydro-electricity as project reported by Jana Jagriti. A Guwahati based NGO, revealed that construction of mega hydral-power project around the great bend on the Yarlung Tsangpo (Brahmaputra in India) becoming vulnerable issues between two countries. It is believed that China is also making four tunnels: (!) Tunnel one will generate 16,000MW electricity, Tunnel- (2) and 3 have a capacity of 13,000 MW and Tunnel 4(four) will generate-2,400MW of electricity. It claimed that China Govt. is going to construct 11water storage facilities and, 2(two) canals and five dams and pumping station ahead of the 'Great Bend' to pump water in to canals Brahm6 and Brahma7 and connect them to north west province of China from the different source to channelize water is two autonomous areas such as- Xinxiang and Ningxia and three provinces of Qiunghai, Gansu and Singhal. It is a critical national issue which should be looked in to. (Times of India, 9th Dec, 2010). There is a strong contention that the Chinese govt. is vehemently violating international rule and regulations as well as restrictions of World Dam Commission. this zone itself is seismic zone and geological environment seems to be vulnerable. In addition to this, this zone falls at the joining point of Indo-Eurasian plate. So, there may be fragmentation in the layer of stone resulting in earth quake. As a result any major dam that has been constructed in Arunachal and China will not be free from danger 4. to counter balance the enemy of any country now river water dispute is emerging as the biggest weapon to counter balance enemy.

### *Understanding of Mega River Dam and Effect on Biodiversity*

It is inevitable that any kinds of a river dam construction in any country will definitely affect the inter-flow of water; consequently it will have threat on the flow of river banks birds and animal species both in upper and lower region. Depending upon the height of the dam, by the upper flow of water it will certainly affect river banks forest / grass may be washed away causing devastating flood. It will also affect human settlement, water animal and hence, shift of plant and animal species is inevitable. No doubt that people nearby river will be given relief and shelter but in the case of wild animal and forest one cannot estimate the quantum of destruction or disaster. It is a fact that water logged area, marshy land, beels etc. are the shelter ground or habitat of wild birds and many kinds of animal. The fish species which are surviving in running **later may extinguish** forever It will also kill the livelihood of the people whose economy depends upon river through fishing, ferrying and cultivation. (Asomiya Pratidin, 9th Dec, 2010).

### *India's Present Status on Water Resource*

India has 2.4 per cent of the world is total area, 16 per cent of the world is total population but only 4 per cent of the total available fresh water. Our main water resources consist of annual precipitation of around four thousand cubic kilometers and a broad estimate of trans-

boundary flows from upper riparian neighbors of around five hundred cubic kilometers. Out of the total precipitation, annual availability from surface and ground water is estimated at 1869 cubic kilometers. However, only 60 per cent of this at 1123 cubic kilometers is estimated to be capable of being put to beneficial use, 690 cubic kilometers of which is surface water and 433 cubic kilometers being replenish-able ground water. The twin indicators of water scarcity are per capita availability and storage. As the population has increased from 361 million in 1951 to 1.21 billion in 2011, accordingly, the per capita availability of water for the country as a whole has also decreased from 5177 cubic metres per annum in 1951 to 1544 cubic metres per annum in 2011, a drastic reduction of 70 per cent in sixty years. This meets the definition of a water-stressed condition which is per capita availability of less than 1700 cubic metres. The situation is even more serious if someone looks at individual river basins. Nine out of twenty river basins in the country, with a population of over 200 million, meet the definition of water scarcity of a per capita availability of less than 1000 cubic meters. It is estimated that by the year 2050, as per existing water use practices, overall demand for water resources would be 1447 cubic kilometers, around 30 per cent higher than assessed utilizable water of 1123 cubic kilometers. The annual extraction of ground water in India is at 210 cubic kilometers which is the highest in the world. It provides for over 60 per cent of net irrigated area and has accounted for over 85 per cent of the addition to irrigated area in the last three decades. It is to be noted that irrigation accounts for 85 per cent of water requirement, whereas drinking water accounts for 7 per cent with industrial, energy and other uses being of a smaller scale. This data makes disturbing reading. It suggests that analysis and policy regarding irrigation is central to sustainable water management. Water availability and water quality issues plague the majority of citizens in both rural and urban areas. The problem of floods has been exacerbated due to degradation of catchment areas and loss of flood plains to urban development and agriculture. Water conflict has taken new forms with more menacing consequences. Climate change issues have further complicated the water calculus. It is likely to alter precipitation received in our territory, the hydrology of catchments in upper riparian neighboring countries, and the distribution and quality of water resources in the country.

### *Conclusion*

